গোৱালপাৰা মহাবিদ্যালয় আলোচনী

# ৰূপালী জয়ন্তী বৰ্ষ

২৫

সম্পাদিকা ঃ ইন্দ্ৰানী বৈশ্য

প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰী ......................................................................

......................................................................

ইন্দ্ৰাণী বৈশ্য

সম্পাদিকা

প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰী ....................................................................................

....................................................................................

ইন্দ্ৰানী বৈশ্য

সম্পাদিকা

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী

## ৰূপালী জয়ন্তী সংখ্যা

১৯৯০-৯১ ইং চন

সম্পাদিকা
ইন্দ্ৰানী বৈশ্য

সম্পাদনা সমিতি :—

সভাপতি — শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা (অধ্যক্ষ)

তত্বাৱধায়ক :—

অসমীয়া বিভাগ — শ্ৰীৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী (অধ্যাপক, অসমীয়া বিভাগ)

ইংৰাজী বিভাগ — শ্ৰীসন্তোষ কুমাৰ মিশ্ৰ (অধ্যাপক, ইংৰাজী বিভাগ)

উপদেষ্টা — শ্ৰীসিদ্ধি নাথ শৰ্মা (অধ্যাপক, ভূগোল বিভাগ)

সম্পাদিকা — মিচ্ ইন্দ্ৰানী বৈশ্য।

সদস্য — দিলীপ দাস, আচ্ৰাফুল হক।

অঙ্গসজ্জা — সম্পাদিকা।

বেটুপাত — ধ্ৰুৱ ডেকা।

পোহৰ ছবি — ষ্টুডিঅ' ইলোৰা আৰু জ্যোতি, গোৱালপাৰা

মুদ্ৰণ — গিৰিজা প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ, গুৱাহাটী-১৯

ব্লক বনাওঁতা — বিশাল ব্লক মেকাৰ এণ্ড ডিজাইনাৰ, গুৱাহাটী-৩

# উচৰ্গা



১৯৮৮-৮৯ চনৰ গোৱালপাৰা মহাবিদ্যালয়ৰ
সাধাৰণ সম্পাদক ৺নিৰোদ চন্দ্ৰ ৰাভাৰ
পৱিত্ৰ স্মৃতিত এই চৰাৰ ৰূপালী
জয়ন্তী সংখ্যা আলোচনীখন
উচৰ্গা কৰিলো ।

সম্পাদিকা

# শ্ৰদ্ধাঞ্জলী



জন্ম— ১৯৪৯ চন

মৃত্যু — ১৯৯১ চনৰ ১৪ জুন

৺নাজিমুদ্দিন আহমেদ গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ তথা গোৱালপাৰা চহৰৰ এগৰাকী প্ৰতিভা সম্পন্ন চিত্ৰ শিল্পী আছিল । যোৱা বছৰৰ ১৪ জুনত তেখেতে ইহলীলা সম্বৰণ কৰে । এই সুযোগতে আমি এই মহান শিল্পী গৰাকীলৈ আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলী আগবঢ়ালো ।

সম্পাদিকা

---

# শ্ৰদ্ধাঞ্জলী

প্ৰতি,

৺বিপুল চন্দ্ৰ চৌধুৰী

জন্ম— ১৯৬৭ ইং

মৃত্যু— ১৯৯১ চনৰ ১০ চেপ্তেম্বৰ তাৰিখ

গোৱালপাৰা মহাবিদ্যালয়ৰ (১৯৮৮-৮৯) বৰ্ষৰ প্ৰাক্তন সাংস্কৃতিক সম্পাদক তথা গোৱালপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ (১৯৯০-৯১ চনৰ) সাংগঠনিক সম্পাদক ৺বিপুল চৌধুৰীলৈ গোৱালপাৰা মহা-বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলী আগবঢ়ালোঁ ।

সম্পাদিকা

অসম সাহিত্য সভাৰ সভানেত্ৰী

## ড° নিৰ্মলপ্ৰভা বৰদলৈৰ শুভইচ্ছাবাণী

গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভ কামনা জ্ঞাপন কৰিছো—

জীৱন জীৱন বৰ অনুপম

মৰণ বিজয়ী সাধনা

সকলো তৰপৰ, সকলো অৰ্থৰ মৰণ জয় কৰি জীৱনক বন্দনা কৰিবৰ শক্তি তোমালোকে লাভ কৰা— এয়ে কামনা ।

২১/১১/৯১

২৪ ফেব্ৰুৱাৰী, ১৯৯১
গোৱালপাৰা মহাবিদ্যালয়
গুৱাহাটী বিশ্ববিদ্যালয়

প্ৰিয় সম্পাদিকা,

জিলিকি উঠক লুইতৰে পাৰ
—এয়ে মোৰ শুভেচ্ছা বাণী।

শ্ৰীনিৰ্মল চৌধুৰী
উপাচাৰ্য



গোৱালপাৰা মহাবিদ্যালয় আলোচনীখনৰ ৰূপালী জয়ন্তী সংখ্যা প্ৰকাশৰ পথত আগবঢ়া বাবে সুখী হৈছো। গোৱালপাৰা মহা-বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা জনালোঁ। লেখক লেখিকা সকললৈ মোৰ শুভাশীষ থাকিল। তেওঁলোকে ছাত্ৰৱস্থাৰ পৰাই সাহিত্য চৰ্চা কৰি ভৱিষ্যৎ জীৱনত যাতে সুপ্ৰতিষ্ঠিত সাহিত্যিক হবলৈ সক্ষম হয়। আলোচনীখন সময়মতে প্ৰকাশ কৰি উলিয়াবলৈ যত্ন লব বুলি আশা ৰাখিলো।

অধ্যক্ষ
গোৱালপাৰা মহাবিদ্যালয়
গোৱালপাৰা

১৪/১২/৯১



গোৱালপাৰা মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনীখন প্ৰকাশ কৰিবলৈ যো-জা কৰাৰ কথা জানি সুখী হৈছো । আলোচনীখনৰ প্ৰকাশে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন কৰাৰ লগতে প্ৰতিভা বিকাশৰ পথ সুচল কৰিব । আলোচনীখনৰ প্ৰকাশনৰ লগত জড়িত ছাত্ৰ-ছাত্ৰী সকলৰ এই মহাম প্ৰচেষ্টাই সফলতা লাভ কৰক ।

আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰি এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ মৰম-শুভেচ্ছা জ্ঞাপন কৰিলো ।

স্বা/ ডঃ মনোজ কুমাৰ চক্ৰৱৰ্ত্তী
উপাধ্যক্ষ
গোৱালপাৰা মহাবিদ্যালয়
গোৱালপাৰা

# ঃ কৃতজ্ঞতা ঃ

আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ প্ৰতিটো খোজত যি সকলে মোক সহায় সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ পৰা পোৱা সহায় আৰু অপৰিসীম আন্তৰিকতাক মই কোনো দিনে পাহৰিব নোৱাৰিম। তাৰোপৰি যিসকলে মোক বিশেষকৈ সহায় কৰিলে যেনে— অধ্যক্ষ মহোদয় শ্ৰীযুত খগেন্দ্ৰ প্ৰসাদ ডেকা, অধ্যাপক ক্ৰমে— ৰোহিত শৰ্মা চাৰ, ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী চাৰ, শৈলেন্দ্ৰজিৎ শৰ্মা চাৰ, ভানু কলিতা বাইদেউ, ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দিলীপ তথা আন আন সদস্যবৃন্দ আৰু ৰূপক দা, বিন্দু দা, চিমুল দা, দেশৰাৰা দা, ৰতন দা, মৃণাল, চবিনা, চিউলী, ষ্টুডিও ইলোৰাৰ নাৰায়ণ দা, বিশাল ব্লল মেকাৰৰ হিমু দা আৰু গিৰিজা প্ৰিণ্টাৰ্চ এণ্ড পাব্লিচাৰ্চৰ সমূহ কৰ্মচাৰী বৃন্দলৈ আৰু আচৰাফুললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

সম্পাদিকা

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী

## ৰূপালী জয়ন্তী সংখ্যা

১৯৯০–৯১ ইং চন

GOALPARA COLLEGE

CROSS IS THE CROWN

## অসমীয়া বিভাগ

সম্পাদিকা
ইন্দ্ৰানী বৈশ্য

যদিও এই সংখ্যাব আলোচনীখন ৰূপালী জয়ন্তী সংখ্যা হিচাপে প্ৰকাশ পাইছে, ইয়াৰ বাবে কোনো ধৰণৰ বিশেষ অৰ্থ অনুমোদন কৰা নাই। গতিকে শকত পুঁজিৰ অভাৱত আলোচনী সম্পাদক/সম্পাদিকাই নিজৰ ইচ্ছানুসৰি আলোচনীখন উলিয়াব নোৱাৰে। লগতে উপযুক্ত লিখনি আগবঢ়াই সহায় সহযোগ আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীৰ অভাৱ। উৎকৃষ্ট লিখনিৰ বাবে আমনি লাগি যোৱাকৈ সকলোৰে ওচৰত অনুনয় বিনয় কৰিব লাগে। গতিকে আলোচনীখনৰ মাদদণ্ড সম্পৰ্কে আপোনালোকৰ বিচাৰ্য্য।

আলোচনী সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচতে মই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। মহাবিদ্যালয় সপ্তাহত সাহিত্য প্ৰতিযোগিতা পাতো। প্ৰতিযোগিতাত শ্ৰীদিগন্ত ভূষণ দাসে শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীৰ স্থান পায়। মহাবিদ্যালয়ত দুবাৰ প্ৰাচীৰ পত্ৰিকা উলিয়াইছো। নৱাগত আদৰণি সভাত উলিউৱা প্ৰাচীৰ পত্ৰিকাত প্ৰবন্ধ প্ৰতিযোগিতা পতা হয়। তাত শ্ৰেষ্ঠ প্ৰবন্ধ প্ৰতিযোগী মিচ্ লিপিকা দাস। প্ৰাচীৰ পত্ৰিকা কেইখন উলিয়াত যি সকলে মোক সহায় কৰিলে তেওঁলোককৈ মোৰ আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ। লগতে যি জন বন্ধুৱে তেওঁৰ মৌলিকতা নথকা লিখনিৰ প্ৰকাশৰ প্ৰতিবাদত "নৱাগত আদৰণি সভা"ত উলিওৱা প্ৰাচীৰ পত্ৰিকাখন ফালি যি মানসিকতাৰ পৰিচয় দিলে, তেওঁলৈও মোৰ আন্তৰিক শুভেচ্ছা থাকিল। বিশেষকৈ কৰ্তৃপক্ষৰ মৌনতাই মোক বাৰুকৈয়ে উৎসাহিত (?) কৰিলে। আগলৈ যাতে এনে ধৰণৰ কাৰ্য্যৰ ওপৰত কৰ্ত্তৃপক্ষই বিহিত ব্যৱস্থা লয় তাৰ বাবে মোৰ ফালৰ পৰা অধ্যক্ষ মহোদয়ৰ ওচৰত অনুৰোধ জনালোঁ। এনেধৰণৰ কাৰ্য্যই মহাবিদ্যালয়ৰ সন্মানৰ লগতে সৌন্দৰ্য্য হানী কৰা বুলি মই ভাৱো।

সদৌ শেষত অধ্যক্ষ মহোদয়, সমূহ শিক্ষাগুৰু আৰু সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ কৰো, তেওঁলোকে যেন পিছৰ আলোচনীবোৰৰ বাবে সহায়-সহযোগিতাৰ লগতে এটি শকত ধনৰ পুঁজি আগবঢ়ায়। তেতিয়াহে এখন সৰ্ব্বাঙ্গ সুন্দৰ আলোচনী মহাবিদ্যালয়ে আশা কৰিব পাৰে।

শেষত সকলোবোৰ ভুল-ক্ৰটীৰ বাবে ক্ষমা বিচাৰি সম্পাদকীয় শিতানৰ মোখানি মাৰিলোঁ। গোৱালপাৰা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে— "জয় আই অসম"॥

ইন্দ্ৰানী বৈশ্য
আলোচনী সম্পাদিকা
গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা
২৬/১১/৯১ ইং

# ঃ এই সংখ্যাৰ আলোচনী অনুক্ৰমণিকা ঃ

## প্ৰবন্ধ ঃ

বিশ্বজনীন প্ৰাচুৰ্য্যৰে গোৱালপাৰীয়া লোকগীত/দীপক শৰ্ম্মা মেধী/পৃষ্ঠা—৩
নাটকৰ স্বৰূপ/অধ্যাপক উত্তম শৰ্মা/পৃষ্ঠা—৭
অসমীয়া ভাষা সাহিত্যত ফকৰা যোজনা/শ্যাম চৰণ দাস/পৃষ্ঠা—১৩
কপাৰনিকাচ আৰু ৰাষ্ট্ৰ বিপ্লৱ/ৰতন সূত্ৰধাৰ/পৃষ্ঠা—২২
অসমত চলচিত্ৰ শিল্প, ইয়াৰ সমস্যা আৰু সমাধান/আচৰাফুল হক/পৃষ্ঠা—২৪
কবি নজৰুল ইছলাম আৰু তেখেতৰ কুটিমান কবিতা/মোজাম্মিল হক/পৃষ্ঠা—২৯
প্ৰবাদ বাক্য আৰু গোৱালপাৰীয়া সমাজ/এ, এ, আমিন/পৃষ্ঠা—৩৫
ভূমিকম্পৰ আগজাননী/অধ্যাপক অৰুণ চন্দ্ৰ শৰ্মা/পৃষ্ঠা—৪৩
ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীত/মৃণাল কান্তি গোস্বামী/পৃষ্ঠা—৪৬

## কবিতা ঃ

আচল ঠিকনা/অনুৰূপা দাস/পৃষ্ঠা - ৫৩
এন্ধাৰ গলি/খুৰ্শীদ হুচনেয়াৰা হক/পৃষ্ঠা—৫৪
প্ৰেমৰ উমাল নদী/জৈব্যেন্দু পাটগিৰি/পৃষ্ঠা—৫৫
হঠাৎ/বিক্ৰম চৰকাৰ/পৃষ্ঠা—৫৬
পণবন্দী/অতনু ভট্টাচাৰ্য/পৃষ্ঠা—৫৭
সয়ম/ৰাধেশ্যাম নাথ/পৃষ্ঠা—৫৭
মাজ নিশাৰ সপোন/পুৰবী নাথ/পৃষ্ঠা—৫৮
আশা/কল্পনা দাস/পৃষ্ঠা—৫৮
অস্পষ্ট ছবি/গৌতম জাহাংগীৰ পাশা/পৃষ্ঠা—৫৯
অৰুন্ধতী ঃ এখন প্ৰেমৰ চিঠি তোমালৈ—অহিদুৰ জামান/পৃষ্ঠা ৫৯

গঢ়ি তোলা মোক আদিম কবিতা কৰি/কৃষ্ণমোহন বৰুৱা/পৃষ্ঠা ৬০
উজাগৰী জোনাক নিশা/নমিতা নাথ/পৃষ্ঠা—৬১
তোমাক লগ পালে/দিগন্ত কুমাৰ বৰুৱা/৬২
ভাল নে তোমাৰ/অবিবুল ইচ্‌লাম/৬২

## গল্প ঃ

এভুমুকি/নীলাঞ্জন দাস/পৃষ্ঠা—৬৫
দাগ/পাঞ্চালী সিনহা/পৃষ্ঠা—৬৭
বিনিদ্ৰ ৰজনী/মৃণাল কান্তি মেধি/পৃষ্ঠা ৭৫
পত্ৰবন্ধু/ৱাহিদৰ ৰহমান/পৃষ্ঠা—৭৮
মন বলয়/ৰুমি দাস/পৃষ্ঠা—৮৩

## বিবিধা ঃ

সাক্ষাৎকাৰ—শ্ৰীযুত অন্নদা চৰণ দাসৰ সতে/পৃষ্ঠা—৮৯
বিচিত্ৰ বাৰ্তা—এখন অভিশপ্ত গাড়ী/নাৰায়ণ চন্দ্ৰ ওজা/পৃষ্ঠা—৯২
হিৰেণ ভট্টাগাৰ্য্যৰ কবিতা/পৃষ্ঠা—৯৪
স্মৃতিৰ পাতৰ পৰা—স্মৃতি বিলুপ্ত টুক্ৰেশ্বৰী/মতিলাল সূত্ৰধাৰ/পৃষ্ঠা—৯৫
সম্পাদিকালৈ মুকলি চিঠি/দিগন্ত মাইহাং ডেকাবৰুৱা/পৃষ্ঠা—১০০

## Photo Album :

Photos of the year 1990-91

## English Section :

Poetry, Article, Story, A letter from Karl Marx, Reports.

## প্ৰতিবেদন

১৯৯০-৯১ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সম্পাদক মণ্ডলীৰ প্ৰতিবেদন

## সংবিধান

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সংবিধান ।



# প্রবন্ধ



# "বিশ্বজনীন প্ৰাচুৰ্য্যৰে গোৱালপাৰীয়া লোকগীত"

দীপক কুমাৰ শৰ্মা মেধী
স্নাতক মহলা
২য় বৰ্ষ (কলা)

সাহিত্যঞ্চ, সঙ্গীতঞ্চ সৰস্বত্যঃ কুচযুগলং — সাহিত্য আৰু সংগীত সৰস্বতীৰ স্তন যুগলৰ দৰে। সংগীত যিহেতু সুকুমাৰ ক'লা গতিকে ইয়াৰ সংবেদন শীলতা থাকিবই অৰ্থাৎ সংগীতৰ ভাৱ বা অনুভৱৰ সমান হবই। সংবেদনশীলতা সুকুমাৰ ক'লা মাত্ৰৰেই প্ৰধান গুণ অন্তৰ স্পৰ্শ কৰি প্ৰাণ জয় কৰিব পৰা গুণেই হ'ল সংবেদনশীলতা অৰ্থাৎ সম + বেদন + শীলতা। গতিকে সংগীতৰো সংবেদন শীলতা থাকে। জনজীৱনৰ হৃদয়স্পৰ্শী বেদনাৰ অভিব্যঞ্জনা আৰু অভিব্যক্তিয়ে হ'ল লোকগীত। এই লোকগীত ক'লাৰেই এটা অংশ। সংগীতৰ সংবেদন শীলতাৰ মূল ভিত্তি হ'ল বিষয় বস্তুৰ প্ৰকাশ ভংগীৰ লালিত্য ৰচনা ৰীতিৰ মাধুৰ্য্য, অলংকাৰ, ৰসাদিৰ সুপ্ৰয়োগ। সাহিত্য, সংগীত, স্থাপত্য আৰু ভাস্কৰ্য্যইহে মানৱ মনপ্ৰাণত স্থায়িত্ব লভিব পাৰে। এই ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতৰ স্থান বৰ উচ্চ। গোৱালপাৰীয়া লোকগীতে ক'লাৰ সংবেদন শীলতা পূৰ্ণ কৰাৰ সকলোবোৰ গুণেৰে বিঢৌত। বিষয় বস্তুৰ পৰিসৰ ইয়াত বিস্তীৰ্ণ ব্যৱহাৰিক জীৱন, ধৰ্ম আধ্যাত্মিকতা আদিৰে ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিটা বৰ্গৰ সাধনাৰ ইঙ্গিত এই লোকগীতত পোৱা যায়।

"আমাৰ মায়া ভাল, পিন্ধে ফাৰা জাল"
ঘৰে ঘৰে বিচাৰি বেৰায় কোন বুঢ়াতা ভাল" আদি শিশু মনৰ কৌতুহল সৃষ্টি কৰিব পৰা "মঙ্গলেৰ মাওৰাতি জালাওঁ, মশামাৰি পনপনেয়া কৰে" বোলা জীৱনত সমস্যাৰ কথাৰে "আমাৰ বাড়ীত কাতি পূজা', তুই ঢাকেৰ বায়না নে"

বুলি ধৰ্মীয় ৰীতি-নীতিৰ কথাকৈ 'কিসেৰ মোৰ ৰান্ধোন, কিসেৰ মুই বাৰণ কিসেৰ মুই হালধী বাটা, মোৰ প্ৰাণ নাথ অন্যেৰ বাড়ীত যায়" আদি উক্তিৰে প্ৰেম ব্যক্ত কৰিও—

"একবাৰ হৰিবোল মন ৰসনা
মানৱ দেহাৰ গৈৰৱ কইৰো না" আদি আধ্যাত্মিকতাৰ মাজত গীতৰ বিষয় বস্তুৰ পৰিসৰ সমাপ্ত কৰাৰ উপৰিও – "আকাশত নাইৰে চন্দ্ৰ, ভাসিন্নু সাগৰেৰ জলে জাতীয় উপমা আৰু ৰঙিলা দালান, বিলাই বগা, কুকিল আদি নানা প্ৰতিকৰ ব্যৱহাৰে গীতবোৰ ৰসঘন আৰু আস্বাদনীয় হোৱাত অৰ্থাৎ সংবেদনশীল হোৱাত গোৱালপাৰীয়া লোকগীত বিশ্বজনীন পৰ্য্যায়লৈ আগবাঢ়ি গৈ এক স্বকীয়া স্থান অধিকাৰ কৰাৰ বাবে দাবী কৰিব পৰা হোৱা দেখা যায়। আনহাতে এই ক্ষেত্ৰত গৱেষণা কৰাৰ থল নিশ্চয় নথকা নহয়।

আচলতে সংস্কৃতি মানৱ ইতিহাসত ৰৰপেৰাৰ কেচাঁ সোণ সদৃশ। সেইদৰে গোৱালপাৰীয়া লোকগীত গোৱালপাৰীয়া জনসাধাৰণৰ শিৰাই শিৰাই প্ৰবাহিত হৈ থকা তপ্ত তেজৰ দৰে অতি আপোন। সেয়ে হয়তো গোৱালপাৰীয়া লোকগীতে সংস্কৃতিৰ বেদীত সোণত সুৱগা চৰাই দহজনৰ মন মুহিবলৈ সফল হৈছে। এই জন প্ৰিয়তাৰ কাৰণ

বিচাৰি এই গীতৰ প্ৰধান বৈশিষ্ঠ সমূহৰ প্ৰতি লক্ষ্য কৰিলে আমি দেখা পাওঁ বিষয় বস্তুৰ ভিন্নতা, সুৰৰ বৈচিত্ৰতা, ৰচনা ৰীতিৰ মাধুৰ্য্য, ৰসৰ সমুজ্জলতা, মৌলিকতা সংগীতৰ উপযুক্ত আৰু সফল প্ৰয়োগ ইত্যাদি।

লোক সাহিত্য সম্পৰ্কে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছিল - শিপাই যিদৰে মাটিৰ তলত থাকি গছক ফুলে ফলে-পাতে সু-শোভিত কৰি ৰাখে, ঠিক তেনেদৰে সকলো দেশৰে সাহিত্যৰ মূল ভাগ লোক জীৱনৰ মাটিৰ তলত ঢাক খাই সজীৱ হৈ থাকে। লোক সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি; সমাজৰ সৰ্ব্বজনৰ ভাৱ, চিন্তা আৰু কল্পনাৰ ই মহা মিলন তীৰ্থ; সমগ্ৰ বিনোদনৰ ক'লাক্ষেত্ৰ সেয়ে যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক সাহিত্য চিৰন্তণ আৰু চিৰজীৱি হৈ আছে।

ইয়াৰ পৰা বুজা যায় গোৱালপাৰীয়া লোকগীত লোক সাহিত্যৰেই অন্তৰ্ভূক্ত। এই লোকগীত সমূহ সমগ্ৰ অবিভক্ত গোৱালপাৰা জিলাৰ বাহিৰেও কোচবিহাৰ, ৰংপুৰ আদিত জনসাধাৰণৰ মুখে মুখে বহুদিনৰ পৰা প্ৰচলিত হৈ আহিছে। এই লোকগীত সমূহ কি ধৰণে কেতিয়া ৰচিত হ'ব ধৰিলে বা এই গীত সমূহৰ প্ৰচলন পোন প্ৰথমে ক'ত হৈছিল, কোনে কৰিছিল তাক আজি আৰু বিচাৰি উলিয়াব নোৱাৰি। কিন্তু এই গীত সমূহৰ উৎপত্তি যে সু-প্ৰাচীন তাক গোৱালপাৰীয়া লোকগীত সমূহত থকা হিন্দু ধৰ্মৰ উপৰিও বৌদ্ধ ধৰ্মৰ প্ৰভাৱৰ পৰাই বুজিব পাৰি। হিন্দু সকলৰ গ্ৰাম্য দেৱ - দেৱী শিৱ পাৰ্ব্বতীৰ কথা পণ্ডিত সকলে অসমৰ প্ৰাচীন ধাৰাৰ আলোচনাত উল্লেখ কৰি গৈছে। আনহাতে নৱ বৈষ্ণৱ যুগৰ ধৰ্মৰ প্ৰসাৰতাৰ ফলত ৰাধা কৃষ্ণৰ উপাসনা গ্ৰাম্য সমাজত বিস্তৃতি লাভ কৰা দেখা যায়।

"অযৌনি সম্ভৱা লক্ষী হে, হে মা শিৱেৰ কুমাৰী
আইসেক মা মোৰ স্বৰস্বতী ৰথে কৰিয়া ভৰ" আদি গীতেৰে যিদৰে প্ৰাচীন ধৰ্মীয়তাৰ বিষয়ে জানিব পাৰি ঠিক তেনেদৰে—

"ও কালা আৰ না বাজান বাঁসুৰী"
সাধেৰ ঘৰে কালা ৰইতে নাৰী
ও কালাৰে কুল গেল কলংক ৰইলো"

অথবা— 'ৰাধা কান্দে কানুৰ লাগিয়া
কানু কানু বলিয়া ৰাধা বেৰায় ঘূৰিয়া"

আদি গীতৰ মাজেৰে নৱ-বৈষ্ণৱ যুগৰ ধৰ্মীয় প্ৰসাৰতাৰ কথাকে সূচায়। প্ৰেম-প্ৰীতি, উপাসনা, বৈৰাগ্য আদি ভাৱ সমূহ মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। বিশেষকৈ গাঁৱলীয়া কৃষক সমাজৰ সহজ সৰল মনৰ ই স্বত: স্ফুৰ্ত প্ৰকাশ।

"ও কি মইশালৰে মায়া লাগেয়া ছড়িয়া নাযান মোৰে, বাতান তুলিয়া গেইলেন ছাড়ি কেমনে থাকিম মুই নাৰী"

আদি গীতৰ মাজেৰে বিচ্ছেদৰ আশংকা মধুৰ ভাবে প্ৰকাশ কৰা হৈছে। সেইদৰে—

"বন্ধুৰ বাড়ীতে তাল গাছেৰ ঢোলে
হেচকা টানে পিৰিত খছে মাঘ মাসেৰ শীতে"—

জীৱনৰ প্ৰেমময়তাক প্ৰকাশ কৰা দেখা যায়। ঠিক তেনেদৰে ধৰ্মীয় উপসনা আদিৰ প্ৰভাৱ সেই সময়তো যে বহুল ভাৱে প্ৰচলিত আছিল তাক তলৰ ফাঁকি গীতেই প্ৰমাণ কৰে।

"উত্তৰে বন্দনা কৰং কৈলাল ভূৱণ কৈলাশতে বন্দীগা শিৱেৰ চৰণ।"

যদিও গোৱালপাৰীয়া লোকগীতত প্ৰেম, বিৰহ উপাসনা আদিৰ প্ৰাধান্য সৰহ ভাৱে দেখা যায় তথাপিও স্বীকাৰ কৰিব লাগিব যে এই গীতত সাধাৰণত: জনজীৱনৰ মায়াৰ প্ৰতি থকা বিৰাগ ভাৱও প্ৰকট। উদাহৰণ স্বৰূপে:-

"অ জীৱনেৰ জীৱন চাৰিয়া নাযাইছ মোকে, তুই জীৱন চাৰিয়া গেইলে আদৰ কৰিব কে জীৱন ৰে।"

"শ্মশান ঘাটে নিয়াজীৱনের পুৰিয়া কৰিব চাই
কোথায় তোমাৰ পিতা-মাতা কোথায় তোমাৰ ভাই।"

এনেকুৱা বহু গীতৰ মাজেৰে :–

এক বাৰ হৰিবোল মন ৰসনা
মানৱ দেহাৰ গৈৰৱ কৰনা
মানৱ দেহাৰ মাটিৰ ভান্দ
ভাঙিলে হইবে খন্দ খন্দ
ভাঙিলে দেহা যোৰা নিবেনা"

গোৱালপাৰীয়া লোকগীত মাথো প্ৰেম. বিৰহ উপাসনা বৈৰাগ্য আদিৰে স্বয়ং সম্পূৰ্ণ এনে নহয় এই গীতবোৰৰ পৰা শিক্ষাও গ্ৰহণ কৰিব পাৰি। বিভিন্ন উপমাৰ জৰিয়তে যাতে সৰ্বসাধাৰণক সহজে শিক্ষা দিব পাৰি তালৈয়েই হয়টো লক্ষ্য ৰাখি কোনো কোনো সময়ত এনেধৰণৰ গীত ৰচনা কৰা হৈছিল। যেনে:,

"দিনেৰ শোভা সুৰুযৰে,
ৰাইতেৰ শোভা চান্দ
হালুৱাৰ শোভা হাল কৃষি
জাসনেৰ শোভা ধান;

পুৰুষেৰ শোভা খোলা বুকেৰ চাটি, / আউলা কেশী কবিলে শোভা ভৰ যুৱতী নাৰী" – ইত্যাদিৰ উপৰিও "ঢেপঢেপি হাটেৰে পুই শাক, ৰামসিং বিলেৰ মাগুৰ মাছ, ভোলা মাটিৰ মোৰ বট ৱাৰে শাক বট ৱা হলফল কৰে।"

গোৱালপাৰীয়া লোকগীতৰ বিভিন্নতাৰে ভৰপুৰ বিষয় বস্তুৰ বাবে ই প্ৰধানত জনপ্ৰিয় বুলি ক'ব পাৰি। ইয়াৰ লগতে সু-সংগবদ্ধ সুৰৰ বৈচিত্ৰতা, ৰচনাৰ মাধুৰ্য্যতা আৰু ৰসাল ৰসৰ মধুৰতাও এই ক্ষেত্ৰত উল্লেখনীয়। গোৱালপাৰীয়া লোকগীতৰ জনপ্ৰিয়তাৰ কাৰণ বিশ্লেষণ কৰিবলৈ যোৱাৰ সময়ত যদি আমি ওপৰৰ কথাবোৰৰ প্ৰতি গভীৰ ভাৱে দৃষ্টি নিদি উপৰি উপৰি চাই যাওঁ তেতিয়া হয়তো সেই বিশ্লেষণৰ কোনো মূল্য থাকিব নোৱাৰিব বা ইয়াৰ উচিত মূল্যাংকন হ'ব নোৱাৰিব। কিয়নো গীতত চিত্ৰত হোৱা সময় সমাজ আৰু বিষয় বস্তুৰ থলুৱা বাদ্য যন্ত্ৰৰ দ্বাৰা ৰচিত পৰিবেশ, ৰচনাৰীতি, সুৰৰ মাধুৰ্য্য আদিৰ যদি অপক্ষপাতিত্ব, বিজ্ঞানসন্মত, বস্তুনিষ্ঠ বিশ্লেষণ নহয় তেতিয়া হয়তো এই গীতৰ বিশ্লেষণ নিখুত আৰু অৰ্থবহনকাৰী হৈ নুঠিব।

এই খিনিতে এটা কথা উন্নুকিয়াব বিচাৰিছো। নামনি অসমৰ ভাষাৰ বৈচিত্ৰতাৰ বাবে পাচুৰী সকলে নামনি অসমৰ ভাষাক লিখিত ভাষা হিচাপে গ্ৰহণ নকৰিলে। এটা কথা কিন্তু সঁচা যে নামনি অসমৰ শব্দবোৰ উজনি অসমৰ বাবে গ্ৰহণযোগ্য নহলেও সৰ্বভাৰতীয় ভিত্তিত নামনিৰ বেছি ভাগ শব্দই যে গ্ৰহণযোগ্য ই অনস্বীকাৰ্য্য। গোৱালপাৰীয়া প্ৰায় ভাগ শব্দৰে প্ৰতিশব্দ আছে কিন্তু চলিত অসমীয়া ভাষাৰ শব্দবোৰ প্ৰতিশব্দত চুখীয়া। উজনীয়া ভাষাত নামনিৰ ভাষাৰ উপনাম হ'ল ঢেকেৰী ভাষা। যি কি নহওঁক নামনিৰ ভাষাৰ শব্দৰ ভঁৰাল উজনিতকৈ বিপুল ভাৱে চহকী। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ ডুধনৈত অনুষ্ঠিত অধিবেশনৰ সমন্বয় ক্ষেত্ৰত গীত পৰিবেশন কৰি থকাৰ মাজতে পদ্মশ্ৰী প্ৰতিমা পাণ্ডেই কৈছিল যে "আমি গোৱালপাৰা বাসী মানুহবোৰ আচলতে কব? অসমৰ পশ্চিম প্ৰান্তৰ বঙালীভাষা সকলে আমাক কয় অসমীয়া বুলি আৰু গোৱালপাৰাৰ পূব প্ৰান্তৰ মানুহে আমাক কয় বঙালী বুলি। কিন্তু আমিতো আজন্ম অসমীয়া। আমাৰ এটা নিজা ভাষা আছে, সংস্কৃতি আছে যাক গোৱালপাৰীয়া ভাষা আৰু সংস্কৃতি বুলি সকলোৱে জানে।" আচলতে কথাটো বাস্তৱ সত্য। অসমৰ কামৰূপ জিলাক যদি বাদ দি ধৰো তেতিয়া গোৱালপাৰীয়া সকলৰ বাহিৰে আন কাৰ আছে এটা নিজা স্বকীয়া ভাষা এটা স্বকীয়া সংস্কৃতি।

কিন্তু এটা সময় আছিল যি সময়ত অবিভক্ত গোৱালপাৰা জিলাৰ চাৰিসীমাৰ বাহিৰলৈ গোৱালপৰীয়া লোকগীতে ওলাই যাবলৈ হয়তো সাহস কৰা নাছিল। সেই সময়ত জ্যোতি বিষ্ণুৰ দৰে সংস্কৃতিৰ কাণ্ডাৰীয়ে থলুৱা গীত মাত

আদিৰে অসমীয়া লোক সাহিত্যৰ প্ৰতি যি ধাৰণাৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত আগবঢ়ুৱা হৈছিল, স্বাধীনতোৰ কালছোৱাত তাৰ উত্তৰাধীকাৰী আজিকোপতি ওলোৱা দেখা নগল। (তৰশ্যে আংশিক পৰিমানে হ'লেও গোৱালপাৰীয়া লোক-গীতক আন থলুৱা গীত মাতৰ সতে সমপৰ্যায়লৈ লৈ আহি ৰাষ্ট্ৰীয় মৰ্য্যদা দিয়াত প্ৰতিমা পাণ্ডেৰ অবিহণা নিশ্চয় কম নহয়। ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মানেৰে কেৱল প্ৰতিমা পাণ্ডেকেই মাথো বিভূষিত কৰা নাই, ইয়াৰ দ্বাৰা গোৱালপাৰীয়া লোক সংস্কৃতিক ৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত হোৱাত পলমকৈ হ'লেও স্বীকৃতি দিছে।) এই ক্ষেত্ৰত নিষ্ঠাহীনতা একমাত্ৰ কাৰণ নহয় বুলি ভৱাৰ থল নথকা নিশ্চয় নহয়। তাৰোপৰি দলাদলি, আৰ্থিক, সামাজিক, ৰাজনীতি, কু-সংস্কাৰ আদিত ইয়াৰ প্ৰসাৰতাৰ প্ৰতি ভাবুকি হিচাবে থিয় হৈ থকা দেখা যায়।

সংস্কৃতি জাতিৰ মেৰুদণ্ড স্বৰূপ। সংস্কৃতিহীন কোনো জাতিয়ে নিজৰ অস্তিত্ব ৰক্ষা কৰা দেখা নাযায়। চীনৰ মহান নেতা মাওচে তুঙেও সাংস্কৃতিক বিপ্লৱতহে গুৰুত্ব দিছিল। ধাৰ কৰা সংস্কৃতিৰে জাতিক বহুৱাহে সজাব পাৰি; যি দৰে আজি অশোধিত অনা অসমীয়া আৰু অহিন্দুস্থানী গীতে অসমক গ্ৰাস কৰাৰ বাবে হেতা উপৰা কৰিছে। আনৰ সংস্কৃতিৰ সংস্কাৰ সাধি নিজৰ সংস্কৃতিৰ সতে সাঙুৰি নিজ সংস্কৃতিৰ উন্নতি সাধিব পাৰি; উদাহৰণ স্বৰূপে বিভিন্ন জাতিৰ পৰা সংস্কৃতি আনি সংশোধন কৰি নিজক উন্নত বুলি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা বৃটিছ সকলৰ প্ৰতি আঙুলিয়াব পাৰি যি সকলে আনকি আনৰ দেশত উৎপাদিত চিগাৰেট এডালো হুপিব নিবিচাৰে সংস্কৃতি শব্দৰ সংস্কৃত অৰ্থই হ'ল সংস্কাৰ (শোধন অৰ্থতহে)। এই সংস্কৃতি শব্দটোয়ে কৃষ্টিৰ পৰাই আহিছিল এই কথা হয় আমি পাহৰি গৈছো বা নাজানো।

বিভেদ কামী চক্ৰৰ ক্ৰিয়া-প্ৰক্ৰিয়াত সবল আৰু উদাৰ ৰংসনা মনৰ থলুৱা ৰংমনইঁতৰ সন্মুখত নীলাভ প্ৰান্তত উদ্ভাষিত হোৱা অনিশ্চয়তাৰ কলীয়া ডাৱৰৰ আঁৰতো গোৱালপাৰীয়া লোকগীত সংস্কৃতিৰ সাহিত্যত একোঁপাহ ফুল ফুলাই যাবলৈ যত্নবান হোৱাৰ পৰতো অসমীয়া সংস্কৃতিৰ কিছুমান স্বয়ম্ভু অভিভাৱকে লুইতৰ দৰে দীঘল হিমালয় সদৃশ উচ্চ ভাষণেৰে বাইজৰ ধন বিশেষৰে নিজৰ ঘৰপেৰা ভৰাই আহিছে যদিও সংস্কৃতিৰ সেই মহান (?) অভিভাৱক সবে প্ৰতাৰণা সনা ভাষণেৰে "বহুৱা বস্তে লঘু ক্ৰিয়া" হে পুনঃ পুনঃ প্ৰমাণ কৰে। এই প্ৰতাৰণাৰ যথাৰ্থ প্ৰত্যুত্তৰ প্ৰতিমা পাণ্ডেলৈ জনোৱা পদ্মশ্ৰী সন্মানে কঢ়িয়াই আনিলে আৰু আনিলে সংস্কৃতিৰ সৎ কাণ্ডাৰী সকললৈ অদম্য প্ৰেৰণা। উপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে গোৱালপাৰীয়া লোকগীত এক থলুৱা শব্দৰ ভঁৰাল। এই শব্দ সম্ভাৰেৰে ৰচিত এই গীত সমূহত প্ৰস্ফুটিত হোৱা জন জীৱনৰ হাঁহি কান্দোন, প্ৰেম বিৰহ, অভাৱ অভিযোগ, আশা-নিৰাশা, পোৱা-নোপোৱা আদি বহু উপাদানেৰে গোৱালপৰীয়া লোকগীতবোৰ ভৰপুৰ। এই মাত সমূহত প্ৰকাশ পোৱা মানৱ জীৱনৰ সমস্যাৰাজি আজি আৰু মাথো গোৱালপাৰীয়া জনসাধাৰণৰ সমস্যা নহয় ই গোটেই বিশ্বৰে মানৱ জাতিৰ মনৰ কথা। যিহেতু গোৱালপাৰীয়া লোকগীত-লোক সাহিত্যৰ অন্তৰ্ভুক্ত গতিকে এই গীতে যে অনাগত দিনত বিশ্বজনীন হৈ নপৰিব তাক ন-দি কব নোৱাৰি। ইয়াৰ বাবে লাগিব মাথো একান্ত সাধনা আৰু বস্তু নিষ্ঠ প্ৰয়াস। মনত ৰাখিব লাগিব—

"সবুৰে মেৱাঁ পাকে।"

আশাকৰোঁ ইতিহাসে অসমীয়া সংস্কৃতিৰ পোৱা নোপোৱাৰ তহবিলত নিৰ্মম হাতৰ কলমেৰে সেই প্ৰৱঞ্চক পণ্ডিত মখাৰ মুখা খুলি দি আগত কালৰ অসমীয়াৰ চকুৰ আগত সিহঁতৰ উলঙ্গ স্বৰূপ প্ৰকাশ কৰি দিব।

# -ঃ নাটকৰ স্বৰূপ ঃ-

অধ্যাপক উত্তম শৰ্ম্মা

নাটক সাহিত্য কলাৰ ভিতৰত উন্নত পৰ্য্যায়ৰ কলা। জগতৰ লগত জীৱনৰ সম্পৰ্ক আৰু মানৱ মনৰ বিভিন্ন আৰু বৈচিত্ৰৰূপ তথা চিন্তাধাৰা আৰু কাৰ্য্যাৱলীৰ ৰসোত্তীৰ্ণ ৰূপেই হল নাটক। মানৱ জীৱনৰ চৰিত্ৰ প্ৰকাশৰ এক উচ্চতৰ আহিলা হ'ল নাটক। সেয়েহে এৰিষ্টটলে নাটকৰ স্বৰূপ সম্পৰ্কে এনেদৰে কৈছে— "Drama was a higher and larger form of art. (Poeties,"

সাহিত্যৰ আধাৰ হল মানৱজীৱন। মানৱ জীৱনৰ হাঁহি চকুলো, আনন্দ-বিষাদ, ঘাত-প্ৰতিঘাটত প্ৰতিভাত মানৱমনৰ বিচিত্ৰ ছবিয়েই সাহিত্যৰ মাজেৰে প্ৰকাশ পায়। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত— "সাহিত্য মানৱ জাতিৰ অন্তৰ্বৃত্তিৰ সমষ্টি, মানৱ জীৱনৰ বেদ। সাহিত্যত মানুহৰ এক জীৱনৰ নহয়, অনন্ত জীৱনৰ অনন্ত ভাৱনা আছে। সেই কাৰণেই জীৱন অপূৰ্ণ সাহিত্য সম্পূৰ্ণ।"

সাহিত্যৰ বিভিন্ন বিভাগ বিলাকেও প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে মানৱজীৱন আৰু মনৰ ভাৱনাৰ কথা কলেও নাটক, উপন্যাস, ছুটিগল্প কাব্য বা মহাকাব্যত মানৱ জীৱনৰ কথা প্ৰত্যক্ষ ভাবে প্ৰকাশ পায়। তথাপিও নাটকৰ লগত আন বিভাগ কেইটাৰ পাৰ্থক্য নোহোৱা নহয়। পাৰ্থক্য মানৱ জীৱনৰ স্বৰূপ দাঙি ধৰাত নহয়, প্ৰকাশ ৰীতিতহে। ইয়াৰ মাজেৰেই নাটকৰ স্বৰূপ প্ৰকাশ পায়।

নাটক, মহাকাব্য, উপন্যাস, ছুটিগল্প এইবোৰত একোটা কাহিনী আৰু একাধিক চৰিত্ৰ থাকে। নাটক আৰু উপন্যাসত কাহিনী আৰু চৰিত্ৰ থাকিলেও নাটক আৰু উপন্যাসৰ স্বৰূপ একে নহয়। প্ৰকাশ ভঙ্গীৰ কৌশলৰ মাজত বিশেষ পাৰ্থক্য আছে। নাটক এক পাহাৰী নিজৰা, যাৰ লক্ষ ক্ষুদ্ৰ পৰিসৰৰ মাজতেই সঙ্গীত মধুৰ ধ্বনিৰে আগবাঢ়ি যোৱা লক্ষ স্থানলৈ। থমকি ৰবৰ সময় নাই, নিজৰ বুকু ভৰাবৰ বাবে দুই এটা ক্ষুদ্ৰ সঙ্গীৰ বাহিৰে অযথা সঙ্গীৰ লগত অনাৱশ্যক আলাপত গতি মন্থৰ কৰাৰ অৱকাশ নাই। নাটক এডাল দেৱদাৰু বৃক্ষ যাৰ অৱয়ৱ সৰল ঋজু। সীমিত ডাল-পাতে তাৰ ঋজু আৰু উন্নত শিৰক ঢাক খুৱাব নোৱাৰে। বাধা দিব নোৱাৰে। ই বটগছ বা জৰি গছ সদৃশ উপন্যাসৰ দৰে নহয়।

মহাকাব্য বা কাব্যতো একোটা কাহিনী আৰু কাহিনী প্ৰকাশৰ বাবে চৰিত্ৰও থাকে। কিন্তু মহাকাব্য বা কাব্যতো একোটা কাহিনী আৰু কাহিনী প্ৰকাশৰ বাবে চৰিত্ৰও থাকে। কিন্তু মহাকাব্য বা কাব্যত কাহিনী আৰু চৰিত্ৰ কেৱল কবিত্ব প্ৰকাশৰ মাধ্যম হিচাবেহে ব্যৱহাৰ হয়। কাব্য বা মহাকাব্যৰ মূল প্ৰতিপাদ্য বিষয় হ'ল ৰসানন্দ (Esthetic pleasure) আৰু ৰসোপলব্ধি। এই ৰসোপলব্ধিৰ বাবে কাহিনীক মাধ্যম হিচাবে লৈ ধ্বনি ব্যঞ্জনা, অৰ্থ-ব্যঞ্জনা আৰু ভাৱ ব্যঞ্জনাৰ সহায়েৰে বিভিন্ন অলঙ্কাৰ প্ৰয়োগেৰে বিভিন্ন ছন্দৰ মাধ্যমেৰে কবিত্ব প্ৰকাশ কৰাই কবিৰ মূল উদ্দেশ্য। কাহিনী আৰু চৰিত্ৰ থাকিবই, কিন্তু গৌণ। মূখ্য উদ্দেশ্য হ'ল কবিৰ অনুভূতিক মনোহাৰিত্ব ভাবে লয়ৰ মাজেৰে প্ৰকাশ কৰা যত সঙ্গীতৰ মাধুৰিমাও

থাকিব। কিছুমান নাটকত যে ছন্দৰ বা ছান্দিক গদ্যৰ ব্যৱহাৰ নাই তেনে নহয়। কিন্তু কবিত্ব শক্তি প্ৰকাশৰ উদ্দেশ্য নাটকৰ নহয়। নাটকৰ বিষয়বস্তুৰ লগত জড়িত কাহিনী আৰু চৰিত্ৰৰ মহত্ব আৰু গভীৰত্ব প্ৰকাশৰ বাবেহে কিছুমান নাটকত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ দেখা যায়। অৰ্থব্যঞ্জনা বা অলঙ্কাৰ প্ৰয়োগ নাটকত নিষিদ্ধ নহয়। বৰঞ্চ কাব্যগুণ একেবাৰে নাথাকিলে নাটক উপভোগ্য নহয়। নাটকত কিন্তু কাব্যগুণ গৌণ অথচ অপৰিহাৰ্য্য।

উপন্যাসত চৰিত্ৰ বিলাকক লৈ এক মনোৰম কাহিনী উপস্থাপন কৰাই উপন্যাসিকৰ মুখ্য উদ্দেশ্য আৰু সাৰ্থকতা নিৰ্ভৰ কৰে সেই মনোৰম কাহিনীৰ অন্তৰালত থকা মানৱীয় প্ৰমূল্য সমূহ প্ৰকাশ কৰাত উপন্যাসত কিন্তু কবিত্ব প্ৰকাশৰ থল নিচেই সামান্য। নাটক কিন্তু কাব্যও নহয় উপন্যাসো নহয়। অথচ নাটকত দুয়োবিধ সাহিত্যৰ গুণ নিহিত আছে। সংলাপত থকা কাব্যিক গুণে যেনেভাবে নাটক ৰসোত্তীৰ্ণ কৰি তোলে তেনেভাবে এক নিপোটল কাহিনীয়ে নাটকক উপন্যাস বা গল্পৰ সোৱাদো দিয়ে।

নাটকৰ স্বৰূপ জনাৰ আগতে এইটো কথা জনা আৱশ্যক যে নাটকৰ সৃষ্টি কেৱল হৃদয়ৰে উপলব্ধিৰ বাবে নহয়, ই দৰ্শনেন্দ্ৰিয় আৰু শ্ৰৱণেন্দ্ৰিয়ৰ সহায়ত নন্দন তাত্বিক আনন্দ উপভোগৰ জৰিয়তে এক বিশেষ দৰ্শন, তত্ব বা চিন্তাৰ অথবা আদৰ্শক হৃদয়ঙ্গম কৰা। গতিকে ইয়াৰ প্ৰকাশৰ ৰীতিও কিছু সুকীয়া।

নাটকৰ স্বৰূপৰ কথা কবলৈ হলে প্ৰথমতে নাটকত এটা কাহিনী (Plot) থাকিব লাগিব। এই কাহিনী বা আখ্যান সুসংহত আৰু সুনিৰ্দ্দিষ্ট লক্ষ্যযুক্ত হব লাগিব। নাটকৰ প্ৰতিপাদ্য বিষয় সেই কাহিনীৰ মাজেদি প্ৰকাশ পাব লাগিব। নাটকীয় বিষয়বস্তুক উজ্বল কৰি তুলিবলৈকেহে উপকাহিনী বা উপঘটনা সন্নিবিষ্ট কৰিব পাৰে কিন্তু প্ৰতিটো উপ-কাহিনীয়ে মূল কাহিনীৰ লগত নিবিৰ ভাৱে জড়িত হৈ মুল আখ্যান বা কাহিনীক অযথা ভাৰাক্ৰান্ত নকৰাকৈয়ে নাটকীয় বক্তব্য প্ৰকাশত সহায়ক হব লাগিব। ইয়াকে আখ্যানৰ ঐক্য (Unity of Plot) বুলি কোৱা হয়। তেনেকুৱা আখ্যানেইহে নাটকীয় আখ্যানৰ মৰ্য্যদা পাব পাৰে। আজি কালি অৱশ্যে কিছুমান নাটকত তেনে কোনো আখ্যান বা কাহিনী চকুত নপৰে। কেৱল নাট্যকাৰৰ চিন্তাধাৰা বা বক্তব্যক কিছুমান চৰিত্ৰৰ মাজেৰে এক বিশেষ পৰিস্থিতি সৃষ্টিৰ মাজেৰে দেখুৱাবলৈ চেষ্টা কৰে। গদোৰ অপেক্ষাত, পাগলা ঘোঁৰা, আহাৰ, এবং ইন্দ্ৰজিৎ, নায়িকা নাট্যকাৰ আদি তেনেধৰণৰ নাটক। এনে ধৰণৰ নাটকত নাট্যকাৰৰ চিন্তা আৰু দৰ্শনক ৰূপ দিবলৈ এক বিশেষ পৰিস্থিতিৰ সৃষ্টি কৰে। এনেবোৰ নাটকত কাহিনীৰ ঐক্যতকৈ ভাৱৰ ঐক্যতহে (Unity of thought) বেছি গুৰুত্ব দিয়া দেখা যায়।

নাটকৰ স্বৰূপ নিৰ্ণয়ত আন এটা বিশেষ ভুমিকা গ্ৰহণ কৰে। সেয়া হ'ল সংঘাত বা ঘাত প্ৰতিঘাত (Conflict)। এই সংঘাতেই নাটকৰ কেন্দ্ৰ বিন্দু। নাটক হ'ল মানুহৰ জীৱনৰ কাৰ্য্যৰ অনুকৰণ। এৰিষ্টটলৰ ভাষাত "Imitation of action" মানুহৰ জীৱনত ঘাত প্ৰতিঘাত আছেই। জীৱনক নিজস্ব চিন্তা ধাৰাৰে ৰূপ দিবলৈ প্ৰতিজন মানুহেই ইচ্ছা কৰে। কিন্তু বিভিন্ন পৰিস্থিতিয়ে তাত বাধা দিয়ে। ইচ্ছাৰ গতিত যেতিয়াই বাধা আহি পৰে তেতিয়াই জীৱনলৈ আহিপৰে সংঘাত। জীৱনৰ এই সংঘাতেই নাটকীয় কাহিনীৰ কেন্দ্ৰবিন্দু। এই সংঘাত অৱশ্যে বিভিন্ন ধৰণে আহিব পাৰে। প্ৰথম অৱস্থাত এই সংঘাত এক অদৃশ্য শক্তিৰ প্ৰভাৱ বুলি ভাবিছিল আৰু এই পৰম্পৰা আজিও মানুহৰ মনৰ পৰা সম্পূৰ্ণ আতৰ হোৱা নাই। মানুহে আজিও ভাবে যে মানুহৰ জীৱন এক ৰহস্যময় দৈৱ (নিৰ্যাত শক্তি অথবা নৈসৰ্গিক শক্তিৰ দ্বাৰা চালিত। এই শক্তিৰ বিৰুদ্ধে মানুহৰ ইচ্ছা শক্তিৰ এক মহাৰণ অহৰহ চলি আছিছে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাই তেখেতৰ "অসমীয়া নাট্য সাহিত্য" গ্ৰন্থত উল্লেখ কৰাৰ দৰে এই মহাৰণ—

"সৃষ্টিৰ দিনৰে পৰা নিয়তিৰ সতে হেৰা
মানুহৰ সংগ্ৰাম অক্ষয়।
আমি তাৰ স্মৃতি স্তম্ভ সৌৰবাই মানুহৰ
বীৰ্য্য আৰু নিয়তিৰ জয়।।"

অৱশ্যে কেৱল যে দৈৱ বা নিয়তিৰ লগতেই মানুহৰ সংগ্ৰাম বা সংঘাত এনে নহয়, এই সংঘাত মানুহৰ বিৰুদ্ধে মানুহৰ, সমাজৰ বিৰুদ্ধে মানুহৰ, নীতিৰ বিৰুদ্ধে মানুহৰ আনকি নিজৰ মাজত লুকাই থকা প্ৰবৃত্তি সমূহৰ বিৰুদ্ধেও এই সংঘাত বা সংগ্ৰাম হব পাৰে। সেয়েহে ব্ৰন্তেৰ মেঠিউৱে তেখেতৰ গ্ৰন্থ "The Law of Drama"ত এনেদৰে লিখিছে—

"Drama is a representation of the will of man in comflict with the mysterious powers or natural forces which limit and be little us, it is one of us thrown living upon the stage there to struggle against fatality, against social law, against one of the follow mortals, against himself if need be, against the ambitions the interests the prejudies, the folly, the malevolee of these around him."

নাটকৰ এই সংঘাতৰ আন নাম দ্বন্দ। নাটকত দ্বন্দ থাকিবই তেহেলে সেয়া বহিৰ্দ্বন্দই হওক বা অন্তৰ্দ্বন্দই হওক। অৱশ্যে নাটকত বহিৰ্দ্বন্দতকৈ অন্তৰ্দ্বন্দই নাটকক উচ্চ পৰ্য্যায়লৈ উন্নীত কৰে। ছেক্সপীয়েৰৰ "হেমলেট" অথবা "কিংলিয়াৰ," "মেকবেথ" আৰু "মাৰ্চেণ্ট অৱ ভেনিছ" অতকৈ সেয়েহে উচ্চ খাপৰ। কিংলিয়াৰ নাটকত অন্তৰ্দ্বন্দ হ'ল— স্নেহ আৰু বিশ্বাসৰ, জ্ঞান আৰু মূঢ়তাৰ, অক্ষমতা আৰু প্ৰবৃত্তিৰ। "হেমলেটৰ অন্তৰ্দ্বন্দ হল — ইচ্ছা আৰু অলসতাৰ, নৈতিকতা আৰু প্ৰতিহিংসাৰ, বিশ্বাস আৰু সন্দেহৰ। অসমীয়া নাটকত উচ্চ অন্তৰ্দ্বন্দৰ নাটক নাই বুলিয়েই কব পাৰি। ডঃ ভবেন শইকীয়া, সত্যপ্ৰসাদ বৰুৱা, অৰুণ শৰ্ম্মাৰ দুই এখন নাটকত অন্তৰ্দ্বন্দৰ সীমিত আভাস পাব পাৰি। পৌৰাণিক নাটকত অন্তৰ্দ্বন্দ দেখুওৱা কঠিন। অলৌকিক ধ্যান ধাৰণাৰে পুষ্ট দৈৱ শক্তিৰ অমোঘ প্ৰভাৱৰ কাহিনীৰে ভাৱাক্ৰান্ত পৌৰাণিক নাটকত অন্তৰ্দ্বন্দৰ সুবিধা নাই বুলি কব পাৰি। কিন্তু ঐতিহাসিক নাটকৰ কিছুমান কাহিনীৰ নায়ক-নায়িকাৰ ক্ষেত্ৰত যে অন্তৰ্দ্বন্দ দেখুৱাব নোৱাৰি তেনে নহয়। কিন্তু তেনে উচ্চ পৰ্য্যায়ৰ কালজয়ী নাটক সৃষ্টি কৰিবলৈ নাট্যকাৰ হব লাগিব বিৰল প্ৰতিভাৰ গৰাকী। অৱশ্যে সামাজিক নাটক অথবা মনস্তত্ব ধৰ্মী নাটকত অন্তৰ্দ্বন্দ সৃষ্টি কৰাত নাট্যকাৰে কিছু সুবিধা পায়।

আচলতে আন্তঃ সংঘাত বিশ্বৰ সকলো বিখ্যাত নাটকতেই পৰিলক্ষিত হয়। মানুহৰ প্ৰবৃত্তি সমূহৰ মাজত হোৱা গভীৰ সংঘৰ্ষ তথা সংকতৰ ফলত মানুহৰ মনৰ মাজত সৃষ্টি হোৱা প্ৰবল ধুমুহাৰ স্বৰূপ দেখুৱাব পাৰিলেহে সেই নাটক উচ্চ পৰ্য্যায়লৈ উন্নীত হব। অৱশ্যে বহিৰ্দ্বন্দক সমুখত ৰাখি কিছুমান নাটকত অন্তৰ্দ্বন্দ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা দেখা যায়। অসমীয়া ভাষাত যি দুই এখন ভাল নাটক সৃষ্টি হৈছে তাত এনে ধৰণৰ প্ৰচেষ্টাহে দেখা যায়। মানৱ প্ৰবৃত্তি সমূহ যেনে দয়া, প্ৰেম, সাহস, ধৈৰ্য্য, সংযম, ত্যাগ, বীৰত্ব প্ৰত্যুত্‌পন্নমতি আনহাতে ঘৃণা, বিদ্বেষ, প্ৰতিহিংসা, লোভ, নিষ্ঠুৰতা, কামনা আদিৰ মাজত অহৰহ সংঘৰ্ষই হল মানৱ জীৱন। তাকেই মহতী ৰূপত কলাত্মক ভাৱে প্ৰকাশ কৰিব পৰাতোৱেই নাট্যকাৰৰ কৃতিত্ব। কিন্তু এই কাম সহজ নহয়।

নাটকৰ স্বৰূপ প্ৰকাশত নাটকৰ চৰিত্ৰৰ এক বিশেষ ভূমিকা আছে। নাটকৰ কাহিনীক ৰমণীয় কৰি তোলে চৰিত্ৰইহে। হেনৰী আৰ্থাৰ জোন্‌ছৰ মতে— "Story and incident and situation in theatrical work are unless related to character are comperatively childish and unintellectual." আচলতে চৰিত্ৰৰ যথাযথ ৰূপায়ণৰ মাজেৰেহে নাটক আৰু নাট্যকাৰে

মানুহৰ মাজত নিজৰ স্থান সুদৃঢ় আৰু স্থায়ী কৰিব পাৰে। "Characterisation is the really fundamantal and lasting element in the great ness of any dramr.'' – [William Henry Hudson] এনে চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত নাট্যকাৰৰ গভীৰ জীৱন জীজ্ঞাসা আৰু পৰিমিত জ্ঞান থকা নিতান্তই আৱশ্যক।

আচলতে চৰিত্ৰ মানে আমি বুজো মানুহৰ আচৰণ বা বৃত্তি। মানৱ সমাজত সৎ বুলি চিৰ প্ৰচলিত নীতি আৰু মানৱ প্ৰবৃত্তিৰ সহায়ত মানুহে কৰা আচৰণৰ মাজেৰে চৰিত্ৰৰ স্বৰূপ নিৰ্দ্ধাৰণ কৰা হয়। G.R. Gordon অব Personality নামৰ গ্ৰন্থত চৰিত্ৰ সম্বন্ধে এনেদৰে উল্লেখ কৰিছে— "By term character we mean the dominant sentiments and beliefs of an individual at any given time where by his attitude to himself and his environment is determined.

নাটকৰ চৰিত্ৰ সম্বন্ধে এৰিষ্টটলে এনেদৰে মন্তব্য দিছে– "By Character I mean that in virtue of which we ascribe certain qualities to the agents." এৰিষ্টটলে Virtue মানে দোষ গুণ সমন্বিত মানুহৰ ধৰ্ম বা স্বভাৱৰ কথাই কব খুজিছে। নাটকত মানৱ ধৰ্ম সুষম ৰূপত প্ৰকাশ পালেই ভাল চৰিত্ৰ বুলি কোৱা হয় এৰিষ্টটলৰ ভাল চৰিত্ৰৰ ব্যাখ্যাত উচ্চ নৈতিক আদৰ্শক প্ৰথম স্থান দিছে। ঔচিত্যক (Propriety) দ্বিতীয়, জীৱনৰ বাস্তৱতাক তৃতীয় (true to life, সংগতিক (Consitency) চতুৰ্থ স্থান দিছে। উচ্চতৰ নৈতিক আদৰ্শক বাস্তৱ ধৰ্ম্মী কৰি প্ৰকাশ কৰাৰ ক্ষমতা বৰ সহজ নহয়। সেই কাৰণে জীৱনৰ বাস্তৱতা আৰু নাট্যকাৰৰ উদ্দেশ্যৰ লগত ইয়াৰ সংগতি নাটকীয় চৰিত্ৰ সৃষ্টিৰ বাবে অপৰিহাৰ্য্য বুলি কব পাৰি।

আচলতে নাটক মানেই কিছুমান চৰিত্ৰৰ সমষ্টি। তাৰে ভিতৰত নাট্যকাৰৰ বক্তব্য তথা আদৰ্শ প্ৰস্ফুতিত কৰিবৰ বাবে নাটকৰ দুই এটা চৰিত্ৰই মুখ্য ভূমিকা গ্ৰহণ কৰে। তাকেই নায়ক বা নায়িকা বুলি কোৱা হয়। এৰিষ্টটলে কিন্তু কাহিনীকেই (Plot) নাটকৰ আত্মা বুলি কৈ চৰিত্ৰ বোৰ কেৱল আত্মাৰ স্বৰূপ প্ৰকাশৰ আহিলা বুলি কৈ তেওঁ নাটকৰ চৰিত্ৰ সমূহক দ্বিতীয় স্থান দিছে। কাহিনীৰ যি সংঘাত বা কাৰ্য্য (action) তাক দেখুৱাৰ বাবেহে চৰিত্ৰ সমূহ সৃষ্টি কৰা হয়। "Dramatic action, therefore, is not with a vew to the represention of Character, Character comes in as subsidiary to the action"– Aristotle. কিন্তু পৰবৰ্ত্তীকালত ড্ৰাইডেন, জোন্‌ছ আদি সমালোচক সকলে এৰিষ্টটলৰ মন্তব্যৰ বিৰোধীতা কৰিছে। ড্ৰাইডেনৰ মতে "Story is the least part of the drama. চৰিত্ৰ সম্বন্ধে গল্‌ছ ওৱাৰ্থৰ মন্তব্য হ'ল "চৰিত্ৰই পৰিস্থিতি" (Character is situation)

প্ৰকৃততে নাটকত চৰিত্ৰই মূখ্য নে কাহিনী নে দ্বন্দ মূখ্য এই চিন্তা আজিৰ যুগত তাৰ্কিক বিষয়। নাটকীয় ৰীতি নীতিবোৰো পৰিবৰ্ত্তনশীল আৰু ইমান পৰিবৰ্ত্তন শীল যে কোনো নীতিকেই অপৰিহাৰ্য্য বুলি কব নোৱাৰি। আচল কথা সকলো বিষয়ৰে সংগতি (Consistency) ৰাখি নাটকীয় বক্তব্য দাঙি ধৰিব পৰাটোহে মূল কথা। তথাপিও ডঃ মহেন্দ্ৰ বৰাৰ চৰিত্ৰ সম্বন্ধে কৰা মন্তব্য অধিক মননশীল। তেখেতৰ মতে— শ্ৰেষ্ঠ নাট্যকাৰৰ হাতত প্ৰধান চৰিত্ৰ কেৱল পূৰ্ণাঙ্গ চৰিত্ৰ ৰূপেই চিত্ৰিত নহয়; সিবিলাক সুগভীৰ মানবীয় মনস্তাত্বৰ সুন্দৰ আলোকপাতেৰে ৰঞ্জিত হৈ উঠে। মানুহৰ পৰিচত হৃদয় বৃত্তি আৰু নৈতিক তথা চাৰিত্ৰিক গুণ বৈশিষ্ট্যৰে অভিষিক্ত যি কোনো চৰিত্ৰই নাট্য সমালোচনাৰ বিচাৰত পূৰ্ণাঙ্গ চৰিত্ৰ।" এই ক্ষেত্ৰত কিন্তু কাহিনীক অগ্ৰাধিকাৰ দিয়া নাই। আজি কালিৰ বিশ্ব বিশ্ৰুত নাট্যকাৰৰ কিছুমান নাটকতো কাহিনীতকৈ ভাৱৰ গুৰুত্বহে বেছি দিয়া দেখা যায়। নাট্যকাৰৰ ভাব বা

দৰ্শনক প্ৰদৰ্শনৰ বাবে কাহিনী এটা নথকা নহয়। কিন্তু কাহিনীৰ গুৰুত্ব চৰিত্ৰতকৈ কম দিয়া দেখা যায়।

নাটকত চৰিত্ৰ কেনে হোৱা উচিত এই বিষয়ে বিভিন্ন মত প্ৰকাশ পালেও নাটক হ'ল— "লোক বৃত্তান্ত কৰণম" "Imitation of action of man." মানুহ ভাল-বেয়া সৎ অসৎ আদি বিপৰীত প্ৰবৃত্তিৰ অধিকাৰী। মানুহৰ কেৱল ভাল প্ৰবৃত্তি দেখুৱাব গ'লে সি হৈ পৰিব প্ৰচাৰ ধৰ্ম্মী নাটক। মানুহৰ প্ৰকৃত স্বৰূপ তাত প্ৰকাশ নাপায়। মানুহৰ মনৰ গহণত প্ৰৱেশ কৰি বিচিত্ৰ চৰিত্ৰ সমূহক সুসংহত ৰূপত কলা সন্মত ভাবে প্ৰকাশ কৰিব পৰাটোৱেই নাট্যেকাৰৰ কৃতিত্ব। হৃদয় বৃত্তিৰ স্বৰূপ প্ৰকাশ পোৱাকৈ মানুহৰ মনৰ অন্তৰ্বিৰোধ সমূহ যি চৰিত্ৰৰ মাজেৰে প্ৰকাশ পায় সেয়ে নাটকৰ প্ৰকৃত চৰিত্ৰ।

নাটকৰ স্বৰূপ প্ৰকাশৰ বাবে আন এটা আলোচ্য দিশ হ'ল ইয়াৰ সংলাপ। নাটকৰ কাহিনী ৰসঘন কৰি দৰ্শকৰ হৃদয় তন্ত্ৰীত সুৰ তুলিবলৈ লাগে চৰিত্ৰৰ মুখত উপযুক্ত সংলাপ। সংলাপৰ প্ৰধান কাম হ'ল নাটকীয় কাৰ্য্য গতিশীল কৰা। (Dialogue then becomes an essential adjunct to action, or even an integral part of it, the story moving beneath the talk, and being stage elucidated by it.

সংলাপৰ আন এটা কাম হ'ল ঘটনাৰ উত্তৰণ ঘটাই পৰিণতি পথলৈ আগবঢ়াই নিয়াত সহায় কৰা। সংলাপৰ সাৰ্থকতা নিৰ্ভৰ কৰে নাটকীয় পৰিস্থিতিৰ উপস্থাপন আৰু ক্ৰম বিকাশৰ সাৰ্থক কৰি তোলাত। (The success of dialogue depends on its efficiency in presenting and developing the situation of the play.) সংলাপ মানেই হ'ল কথোপকথন। নাটকীয় সংলাপ মানেই কিন্তু সাধাৰণ কথোপকথন নহয়। সাধাৰণ কথোপকথনত মাজে মাজে বিষয়ৰ পৰা আতৰি অবান্তৰ কথাও আহিপৰা দেখা যায়। নাটকীয় সংলাপ কিন্তু লেগাম লগোৱা ঘোঁৰাৰ দৰে। সম্ভৱপৰ সকলো অবান্তৰ কথা বাদ দি স্বাভাৱিক প্ৰকাশেই নাটকীয় সংলাপৰ মূল ধৰ্ম্ম। নাটকৰ কাহিনী, চৰিত্ৰৰ অৱস্থা আৰু মৰ্য্যদা অনুসৰি সাধাৰণ কথা কোৱাৰ ভঙ্গী অক্ষুন্ন ৰাখিব পাৰিলেই সংলাপৰ স্বাভাৱিকতাত ব্যাঘাত নপৰিব। মনত ৰাখিব লাগিব যে বাস্তৱ জীৱনৰ ঘাত প্ৰতিঘাতলৈ নাটক লিখিলেও সাহিত্য কলাৰ দৰে নাট কলা বাস্তৱৰ ফটোগ্ৰাফ নহয়। নাটকতো কিছু পৰিমাণে কল্পনা বা অবাস্তৱতা থাকিবই। সংলাপৰ ক্ষেত্ৰটো সেয়া ঘটা নিতান্তই স্বাভাৱিক। সংলাপক ৰসঘন কৰিবকৈ কিছু ব্যঞ্জনা ধৰ্ম্মী কৰিবই লাগিব। সেইখিনিয়েই হ'ল নাটকৰ কাব্যিক গুণ। ভাৱ শব্দ আৰু অৰ্থ ব্যঞ্জনাৰ মাজেদিহে নাটকত কাব্যিক অভিব্যঞ্জনা প্ৰকাশ পায়। তাকো কথ্যভঙ্গীৰ স্বভাৱিকতাৰ বুকুতহে স্থাপন কৰিব লাগিব। সেয়েহে নাটকীয় সংলাপৰ ভাষা কথ্য ভঙ্গীৰ এক বিশেষ ৰূপহে হব, অবিকল কথ্যভঙ্গী নহয়। নাটকীয় পৰিস্থিতিয়ে সেই ভাষাক গঢ় দিব। সংলাপে নাটকত তিনিটা উদ্দেশ্য পূৰণ কৰে— (১) নাটকীয় কাহিনীক গতিশীল কৰি নাটকীয় উৎকণ্ঠাক উচ্চ পৰ্য্যায়লৈ লৈ যোৱা, (২) চৰিত্ৰ সমূহক উজ্বল কৰি তোলা আৰু (৩) দৰ্শক শ্ৰোতাক মুগ্ধ কৰি ৰখা।

নাটকত যে কথ্য ভঙ্গী ভাষাৰহে ব্যৱহাৰ হৈ আহিছে তেনে নহয়। পৌৰাণিক বা বুৰঞ্জীমুলক নাটকত অথবা ছেক্সপীয়েৰৰ নাটকত অমিত্ৰাক্ষৰ (Blank verse) ছন্দ ব্যৱহাৰ কৰা হৈছিল। বিশেষকৈ প্ৰধান প্ৰধান চৰিত্ৰ সমুহৰ মুখত এই ছান্দিক গদ্যৰ প্ৰয়োগ দেখা যায়। এই কাব্যিক সংলাপে মানুহক অতীত পৰিবেশ উপলব্ধি কৰাত কিছু পৰিমাণে সহায় কৰিছিল লগতে কাব্যিক ৰস আচ্ছাদন কৰাৰ সুবিধা দিছিল। বঙলা আৰু অসমীয়া পৌৰাণিক আৰু ঐতিহাসিক নাটকত তেনে ছান্দিক গদ্যৰ বা অমিত্ৰাক্ষৰ চন্দৰ ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্ত্তী কালত নাটকত গদ্য সংলাপে স্থান ললেও নাটকৰ বিষয় আৰু তত্ব অনুসৰি

ছান্দিক গদ্যৰ ব্যৱহাৰ গদ্যৰ ভঙ্গী লগতে ব্যৱহাৰ কৰা দুই এখন নাটকত লক্ষ কৰিলেও খুব কম। সিও বিশেষ এক পৰিস্থিতিত বিশেষ ভাৱ প্ৰকাশৰ আহিলা হিচাবেহে। অৱশ্যে কাব্যিক নাটক (Poetic drama) বা কাব্য ধৰ্ম্মী নাটকৰ কথা স্বকীয়া।

এয়া নাটকৰ বাহ্যিক স্বৰূপ যিটো সহজে দৰ্শকৰ চকু কাণ, আৰু মনৰ ওচৰ চাপে। কিন্তু কৃতকাৰ্য্য নিৰ্ভৰ কৰে নাটকৰ ঔচিত্য (Propriety) আৰু সংগতিৰ (Consistency) ওপৰত। নাট্যকাৰৰ দৰ্শন বা বক্তব্য বা ভাবনা প্ৰকাশৰ বাবে লোৱা কাহিনী, চৰিত্ৰ, সংলাপ আদি ব্যৱহাৰৰ পৰিমিতাচাৰ আৰু প্ৰতিটো বিভাগৰ লগত উপযুক্ত সংগতিয়েহে নাটকৰ উৎকৰ্ষতাৰ পৰিচয় দিব। ইয়াৰ উপৰিও নাটকত স্থান সময় আৰু কাৰ্য্যৰ ঐক্যৰ প্ৰতিও লক্ষ্য ৰখা উচিত। যদিও এই তিনি ঐক্য সম্বন্ধে এৰিষ্টটলৰ দিনৰ পৰা বৰ্ত্তমানলৈ বিভিন্ন বাদানুবাদ চলি আছে তথাপি স্থান, সময় আৰু কাৰ্য্যৰ সংগতি (Consistency) নাটকত নিশ্চয় আৱশ্যক। এই সংগতি কেনেদৰে ৰক্ষা কৰিব সেয়া নাট্যকাৰৰ প্ৰতিভাৰ ওপৰত নিৰ্ভৰ কৰিব।

যদিও সকলো সাহিত্য সমাজৰ প্ৰতিবিম্ব, তথাপি নাটক সমাজৰ বেছি ওচৰ চপা। সমাজৰ ওপৰত নাটকৰ প্ৰভাৱ যেনেদৰে বেছি তেনেদৰে নাটকৰ মাজেৰে সমাজৰ প্ৰতিচ্ছৱিও উজ্জ্বলতৰ ভাবে প্ৰকাশ পায়। গতিকে সমাজৰ বিষয়ে গভীৰ জ্ঞানৰ লগতে নাট্যকলাৰ জ্ঞানো সঠিক ভাবে আয়ত্বাধীন হলেহে উচ্চ পৰ্য্যায়ৰ নাটক সৃষ্টি হব পাৰে। ডঃ মহেন্দ্ৰ বৰাৰ ভাষাত কবলৈ হলে – "সামাজিক অভিজ্ঞতাৰ পৰিপূৰ্ণতাই নাটকত তাৰ সত্য ৰূপ প্ৰদান কৰে। আনহাতে শিল্প জ্ঞানৰ পৰিপূৰ্ণতাইহে নাটকত তাৰ স্বাস্বত ৰূপ প্ৰদান কৰে। ............... .... নাট্যকাৰৰ কল্পলোকত জীৱনৰ অভিজ্ঞতা আৰু শিল্পজ্ঞানৰ মধুৰ সমন্বয়হে শ্ৰেষ্ঠ নাটকৰ জন্ম দিব পাৰে।

উৎকৃষ্ট নাটক হবলৈ হ'লে নাটকৰ কাহিনী, চৰিত্ৰ আৰু সংলাপৰ বাহ্যিক স্বৰূপৰ লগতে ঘটনাৰ ঐক্য ঘটনাৰ সাৰ্থকতা, ঘটনাৰ ঘাত প্ৰতিঘাত, কবিত্ব আৰু স্বাভাৱিকতা এই সকলোৰে সংগতি পুৰ্ণ সমন্বয় ঘটিব লাগিব।

---

"আমি যে এখন পৃথিৱীৰ বাসিন্দা এই কথা নিৰ্ঘাত সত্য। কাৰো ভাল পোৱা বেয়া পোৱাৰ ওপৰত এই সত্য নিৰ্ভৰ নকৰে।"

ডঃ ৰাধাকৃষ্ণণ।

# অসমীয়া ভাষা সাহিত্যত ফকৰা যোজনা

শ্ৰীশ্যামাচৰণ দাস

ফকৰা যোজনা, পটন্তৰ, দিষ্টন এইবোৰ একে ধৰণৰ অৰ্থ প্ৰকাশ কৰা প্ৰায় সামৰ্থক শব্দ। ৺হেম চন্দ্ৰ বৰুৱা দেৱৰ মতে এইবোৰ নীতি বচন। এইবোৰ প্ৰথমতে কোনে কেতিয়া ৰচনা কৰিছিল তাক সঠিককৈ কোৱা টান। হয়তো সময়ৰ সোঁতত আগবাঢ়ি যাওঁতে মানুহে বিভিন্ন দিশত লাভ কৰা অভিজ্ঞতাৰ আধাৰতে এইবোৰৰ সৃষ্টি হৈছিল।

এই ফকৰা যোজনাবোৰৰ মাজত কোনো শ্ৰেণী বিভাগ কৰা হোৱা নাই যদিও প্ৰচলিত সকলো দিশকেই সামৰি লোৱা হৈছে। যেনে - ধৰ্মনীতি, সমাজনীতি, অৰ্থনীতি, ৰাজনীতি, বুৰঞ্জী, শিক্ষা, কৃষি, শিষ্টাচাৰ, কৌটুহল, দৰ্শণ বিজ্ঞান আদি সকলো বিষয়ৰ সাৰুৱা অভিজ্ঞতা ইয়াৰ মাজত থুপ খাই আছে।

বচন ভঙ্গিয়ে ভাষাক প্ৰভাৱশালী কৰে, যোজনাই ভাষাতকৈও ভাৱ প্ৰকাশত অধিক সহায় কৰে। লগতে ভাষাক চহকী আৰু শুৱনী কৰি তোলে। দীঘলীয়া কথা, যোজনা নাইবা পটন্তৰৰ দ্বাৰা সহজে বুজাব পাৰি।

অতীজৰে পৰা ভাৰতীয় সংস্কৃত কোষ বাক্যবোৰত এনে ধৰণৰ নীতি বচন ব্যৱহাৰ কৰা হৈ আহিছে। ভাৰতীয় অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাতো ডাকৰ বচন, নীতি কথা, হিতোপদেশ আদিৰ লগতে ফকৰা যোজনা সমূহ বহু অতীতৰ পৰাই ৰচনা আৰু ইয়াৰ ব্যৱহাৰ কৰা হৈ আহিছে। মুঠতে এই ধৰণৰ ফকৰা যোজনাৰ মাজত যথেষ্ট অতিসত্য অভিজ্ঞতা লুকাই আছে। বিশেষকৈ ভকতীয়া ফকৰাবোৰৰ মাজত নিগূঢ় অৰ্থও অন্তনিৰ্হিত হৈ আছে। সেয়ে এইবোৰ বচন উক্তি ভাষা সাহিত্যৰ অমূল্য অলংকাৰ।

ভকতীয়া ফকৰাৰ ক্ষেত্ৰত নাৰায়ণ দাস ঠাকুৰ আতাক প্ৰৱৰ্ত্তক বুলি কব পাৰি। আধুনিক যুগত কৰ্ণেল গৰ্ডন চাহাবকে আদি কৰি মিছনাৰী চাহাব সকলে ফকৰা যোজনা সংগ্ৰহত আগ ভাগ লয় যদিও বেণুধৰ ৰাজখোৱা ৺হৰেন্দ্ৰ নাথ শৰ্ম্মা, কবি ৺কালিদাস খাটনিয়াৰ আদিয়ে যথেষ্ট অৱদান আগবঢ়ায়। লগতে প্ৰসন্ন বৰুৱাৰ পটন্তৰ মালা আৰু ৺শ্ৰীৰাম চন্দ্ৰ দাসৰ নাম উল্লেখ কৰিবলগীয়া।

ফকৰা যোজনা সমূহৰ মাজত বেদনাই যা শাস্ত্ৰৰ উচ্চ তত্বৰ পৰা আৰম্ভ কৰি সাধাৰণ ঘৰুৱা কথালৈকে দৃষ্টান্তৰ পোৱা যায়। এইবোৰৰ দ্বাৰা অসমীয়া মানুহৰ শিক্ষা অভিজ্ঞতা, আচাৰ ব্যৱহাৰ, নীতি নিয়ম, ৰুচীবোধ সভ্যতা,

সংস্কৃতিৰ প্ৰতিচ্ছবি পৰিদৃশ্যমান হোৱা দেখা যায়। অসমীয়া সমাজ সংস্কৃতিৰ এইবোৰ যেন বাবে বৰঙীয়া তৰী। কাৰণ শিক্ষিত অশিক্ষিত প্ৰায় সকলো লোকে ক্ষেত্ৰ বিশেষে কথা বতৰা, আলাপ-আলোচনা বক্তৃতা, লিখনি আদিৰ মাজেৰে এনেবোৰ ফকৰা যোজনা ব্যৱহাৰ কৰি আহিছে।

সৰ্ব্ব সাধাৰণ মানুহে ব্যৱহাৰ কৰা সকলোবোৰ ফকৰা যোজনা, পটন্তৰ আদি আলোচনা কৰিলে বৰ দীঘলীয়া হব। সেয়ে সাধাৰণতে ব্যহাৰ কৰা কেইটিমানহে তলত আলোচনা কৰা হ'ল

- o কল পটুৱাৰ চৌ তোক সবজিলো মই মোক দৰ তই।
- o বাপ জনমে নাইকিয়া গাই চালেঙি লৈ দুৱাৰা যাই।
- o বন্দাই আনিল তিৰি হাপাই হ'ল ওপৰতে গিৰি।
- o হাবাঙত নুন্ সস্তা আমাৰ বাপুৰ কি অৱস্থা।
- o আঞ্জাত নাখায় নুন্, পিটিকাত যায় তিনি গুণ।
- o মই হেৰিয়া পৰৰ খাম, শুনিব নোৱাৰো অতিথিৰ নাম।
- o ভাত নোপোৱা বান্দীয়ে চাউলে হাগে।
- o ভাতৰ নাও ভোকত মৰে এগল পানীত পিয়াহ পিয়াহ কৰে।
- o নাই ভূমি চতুৰ (চাৰি) সীমা।
- o গছত কঠাল, ওঠত তেল, নৌ খাওঁতে ধাতু গেল।
- o নিজক নাটে বিয়েনী পাতে।
- o যতে দেখে ৰৌৰ জাপ তাতেই মাৰে প'লৰ চাপ।
- o কিনা হাঁহৰ ঠোটলৈ মঙহ।
- o আছে গৰু নাবায় হাল, তেনে গৰু নোহোৱাই ভাল।
- o কোটাৰ পো কুটি লোকলৈ বুলি হুল পুটি আপুনি মৰে ফুটি।
- o হাতীৰ হানিবা মূৰত, আত্মীয়ৰ কবা আগত।
- o লাই পোৱা কুকুৰে গললেকে জপিৱায়।
- o কেৰ্কেটুৱাই তামোল খায় নেউলক বান্ধি কিলায়।
- o সেই ৰামো নাই, সেই অযোধ্যাও নাই।
- o অসতীৰ সজ জ্ঞান গৰু চোৰৰ গঙ্গাস্নান।
- o পাবা পক্ষী পেলাবা পাখি, বাঢ়া ভাতক নথবা ৰাখি।
- o যদিও হয় মুনিজন, তথাপি সোধে তিনিজন।
- o পাপীৰ মন সদায় পিঠাতহে।
- o সাপেহে সাপৰ ঠেং দেখে।
- o গুৰুতকৈ শিষ্য সিয়ান, খুচুৰি খুচুৰি লয় জ্ঞান।
- o মানুহ মৰে কৈ, চৰাই মৰে বৈ।
- o জীয়াই থাকোতে নিদিয়ে কিয়া পুঠি, মৰিলে দিয়ে শ্ৰীআঙুঠি।
- o আগত ওলালে আই ৰাণী, পিছ দিলেই কয় ভেটাকাণী।
- o কণা হাঁহক পতান দিয়া।
- o গৰু পেলাই গা ধোৱা।
- o চকুৰ কুটা দাঁতৰ হুল।
- o নাই মোমাইতকৈ কণা মোমাই ভাল।
- o কিন্চিত হওঁক, বঞ্চিত নোহওঁক।
- o শিয়ালৰ শিং দেখা।
- o গৃহ শত্ৰু বিভিষণ।
- o পেট নষ্ট কৰে মুৰী, ঘৰ নষ্ট কৰে বুঢ়ী।
- o হাল বায় ৰাতিলৈ, ভাটে নাটে কাতিলৈ।
- o হাঁহৰ ওপৰত শিয়াল ৰজা।
- o ঘনকৈ খুটিয়াতে শিঙিবাও মাছ।
- o হয় গুৱাহাটী, নহয় ৰঙা মাটি।
- o পৰৰ ওপৰত তিন তেলনী।
- o পৰৰ ওপৰত খোৱা, ভটিয়া নাওঁত যোৱা।
- o আইদেউতকৈ বাইদেউ চাৰ।
- o কাইটেৰেহে কাইট উলিয়াব পাৰি।
- o আনৰ পিঠাৰে বিহু খোৱা।
- o দেহত নাই চিৰি, জোটে জোটে পিন্ধে পিতলৰ বিৰি।
- o ধান পকে মানে টুনীৰ মৰণ।
- o এপাচী আঞ্জাত একেটা মাত্ৰ জলকীয়া।
- o হাতীবো পিছলে পাৱ, সজনবো বুঢ়ে নাওঁ।
- o যিয়ে দিয়ে ভোকত ভেকুৰা চাউল, পিয়াহত কিয়া পানী, তাই হওঁক ভেটা কাণী।

o নিচিনা কাঠৰ ঢেকীৰ থুৰাও নলগাবা ।
o গৰম ভাতৰ ধোঁৱাই কামোৰা ।
o যিমানেই বাটে, সিমানেই ফাটে ।
o বেজীৰ ফুটা মনে, কুঠাৰৰ ফুটা নমনে ।
o অতি ভক্তি চোৰৰ লক্ষণ ।
o চোৰৰ বোলে বৰ বল, চোৰে খোজে দৈ কল ।
o উলুৰ লগত বগৰী পোৰা ।
o এক বৰাই ধান খায়, এক বৰাই হান খায় ।
o আদাক দেখি উঠিল গা, কাটুৰীয়ে বোলে মোকেই খা ।
o ওচৰৰ বামুণ খুৰী খুৰী যেন লাগে ।
o ওপৰলৈ থু পেলালে নিজৰ গাতে পৰে ।
o আলাগ মাতাৰ বাটত ঘৰ, আহোতে লাঠি, যাওঁতে চৰ ।
o কথাত বঁটা পায়, কথাত কটা যায় ।
o কৰিব নোৱাৰাৰ বৰ কথা, খাব নোৱাৰাৰ বৰ হাথা ।
o খাব জানিলে চাউলে চিৰা, বহিব জানিলে মাটিয়েই পিৰা ।
o খোৰাৰ ঠেং খালত ।
o দুষ্টৰ লটপট, শান্তৰ মৰণ ।
o সৰুৱে পানী পেলায়, ডাঙৰে পিছলি পৰে ।
o ল'ৰাক নিদিবা লাই, কুকুৰক নিদিবা ঠাই ।
o জুই, ব্যাধি, ঋণ, এই তিনিৰ নাৰাখিবা চিন ।
o টেঙা আম এবাৰহে বজাৰত বেছিব পাৰি ।
o ঠেকিলেহে শিকে ।
o টানত পৰিলেহে বান্ধৰ নাচে ।
o ডাঙৰে কৰিলে লীলা, সৰুয়ে কৰিলে কিলা ।
o ঢিলা মাটি পালে মেকুৰীয়ে হাগে ।
o ঢোলৰ লগত টেমকা ।
o তিৰি লৈ গিৰি, তিৰি লৈ হতশ্ৰী ।
o দহো আঙুলিৰে খায় বুঢ়াই ঠেলিলেহে যায় ।
o একৰ বোজা দহৰ লাঠি ।
o হাতী মহৰ যুজত নল খাগৰীৰ মৰণ ।
o বাতি পুৱালে লক্ষণ মৰে, খাটতে ছয় মাহ ।
o বেচ দিলে ধোবাই মেখেলাও ধোৱে ।
o হাজাৰে লাউ ডাঙৰ হওঁক পাতৰ তল ।
o কৃপণ বুঢ়ীৰ ধন, নিজেও নাখায়, আনকো নিদিয়ে, চাই থাকিবৰ মন ।
o খাব খোৱা জিভা, মুখত আছে কিবা ।
o লোকৰ কথা নুশুনিবা, বাটত নাঙল নাচাচিবা ।
o পাপৰ ধন পৰাচিত্তত যায় ।
o দৈৱ পানী, এৰীৰ কানি ।
o সাগৰৰ জলেও নাটে, নিয়ৰৰ জলেও আটে ।
o বাহিৰে ৰংচং ভিতৰে কোৱা ভাতুৰী ।
o বান্দৰে কি বুজে নাৰিকলৰ মূল ।
o ভাতৰ তিতা খাব পাৰি, মাতৰ তিতা সহিব নোৱাৰি ।
o যি মূলা বাঢ়ে দুপাততে চিন ।
o ভালে পায় ভালক, জাবৰে পায় খালক ।
o দুখীয়া হলে ভাৰ্য্যাও নিচিন্তে হিত, বাটত লগ পালে মিটিৰেও নামাতে দিব লাগিব বুলি ধন বিত ।
o মনে খোজে ৰজা হব, বিধাতাই নিদিয়ে খুজি খাব ।
a হাউচে বিদ্যা, কৃপণে ধন ।
o নাকাটাৰ বাহ, নিচিঙাৰ পান ।
o কাটিন কটা ভাত, বৰশী বোৱা মাছ ।
o এটা গৰু যাৰ, সকলো পথাৰে তাৰ ।
o যাৰেই যহত শাখা সিন্দুৰ, তাকেই কৰ ভোকোৰা এন্দুৰ ।
o যোৰো যোৰ পাভ যোৰ, তাইও হাড়ীত খাইতি, সিয়ো গৰু চোৰ ।
o ৰাইজে নখ জোকাৰিলে নৈ বয় ।
o ৰূপে কি কাম কৰে, গুণেহে সংসাৰ তৰে ।
o যেতিয়া আছে ভাটাৰটো, তেতিয়া লয় যঁতৰটো ।
o পৰত আশ, বনত বাস ।
o সাত গাইৰ দুধ খায়, তিয় মূৰালী ক্ষীণাই যায় ।
o মাউখে উটিলে গুৰি পকৱাৰো মৰণ নাই ।

- মিছা কথাৰ ঠেং ছুটি ।
- মাকতকৈ জীয়েক কাজী, ঢেকীৰ থুৰাৱে বটে পাজী ।
- আইৰো যাত্ৰা, গঙ্গাৰো যাত্ৰা ।
- আই বান্ধিলেও কাটা মূৰা, বাই বান্ধিলেও কাটা মূৰা ।
- অধিক মাছত বগলী কণা ।
- হাতী খায় যিমান লাদেও সিমান ।
- হেলা গছ দেখিলে সকলোৱে বাগী কুঠাৰ মাৰে ।
- হব চলি বুলিব বাপ তেতিয়াহে গুচিব মনৰ তাপ ।
- নিঃকীন হৈ নাথাকিবা দেশত, কুকুৰে কামুৰিব ভাদৰ শেষত ।
- সাপ হৈ খুটে, বৈদ হৈ জাৰে ।
- সৰুতে সাপে কামুৰিলে ডাঙৰত কেচুলৈকে ভয় ।
- এবাৰ বুঢ়াই লাঠি হেৰুৱালে ফিৰবাৰ বুঢ়াই পাৰি বহে ।
- সাতো ভাইৰ মূৰ পকা কাৰো কেৱে নবলে ককা ।
- বল বল বাহুৰ বল জল জল সাগৰৰ জল ।
- সকলো চৰাইয়ে মাছ খায় মাছ ৰখিয়াৰ নাম ।
- বাণৰ গু বইঠাৰে উটুৱাই দিয়া ।
- নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰা ।
- উপকাৰীক অজগৰে খায় ।
- এনেই বুঢ়ী নাচনী তাতেই আকৌ নাতিনীৰ বিয়া ।
- এশ গৰু খালে বাঘৰ মৰণ ।
- কন্দা কটা কৰাতকৈ লগত যোৱাই ভাল ।
- গোৰ মাৰি গঙ্গাত পেলোৱা ।
- সাপ মাৰি নেজত বিষ এৰা ।
- তুলসী পাতৰ লগত কল পটুৱাৰ মুক্তি ।
- চোৰ পলালে বুদ্ধি ওলোৱা পানী এৰিলে জাপি লোৱা ।
- দিনৰ পৰ্বত ৰাতিৰ জুই তাক দেখি থাকিবা শুই ।
- আপোন ভালেই জগৎ ভাল ।
- হৰিণাৰ গাৰ মঙহেই শত্ৰু ।
- বাৰটা মাহত তেৰটা জগৰ ।
- নালাগা তামোলত জেং বান্ধা ।
- অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ ।
- বুঢ়াৰ কথা নুশুনা ডেকা বাটত পৰি কিয় কেঁকা ।
- ভাং ভাজিবৰ খোলা নাই ঘটিয়ে ঘটিয়ে মদ খায় ।
- পুত্ৰহীন তিৰি মস্তহীন পুখুৰী ।
- নাটে ৰজাক নাটে বাজাক ।
- আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ লোৱা ।
- হনুমন্ত ভাই মুখৰ অগ্নি মুখেৰে নুনুমালে নুমোৱা নাই ।
- কামাৰৰ ঘৰত ভাঙা দাওঁ সুতৰ ঘৰত ভাঙা নাওঁ ।
- অকাটন দাওঁৰ ঠহ ঠহিয়া নাহি আবুয়েনীৰ মুখত মুলমুলীয়া হাঁহি ।
- মাছৰ খাবি ইল চা ভাতৰ খাবি বিল চা ।
- আহক নাহক বৰ, সিয়াটো ফালি মৰ ।
- তিৰিৰ গুষ্টি বপুৰা পুৰুষৰ গুষ্টি ঢেকুৰা ।
- নাটন দিনত টেন্টন বুদ্ধি ।
- চোৰে নেৰে চোৰ বিদ্যা শহা পহুয়ে নেৰে শৰ ।
- অলপ আৰ্জুন বিস্তাৰ ভোজন, সেই পুৰুষৰ দাৰিদ্ৰৰ লক্ষন ।
- আগ নুগুনি গুণে পাচ লোভত পৰি মৰে বৰশীৰ মাছ ।
- অলপ ঘাত নিদিয়ে ঔষধি, অধিক হ'লে হয় হত বুদ্ধি ।
- আইৰ ঘৰলৈ যাম দুয়ো হাতে খাম বিধাতাই বোলে ময়ো পিছে পিছে যাম ।
- আপোন হাত জগন্নাথ লোকৰ হাত চুৱা পাত ।
- কাণা, খৰা, ভেঙৰা এই তিনি হাৰামৰ লেঙৰা ।
- বাছি খাবা জাগি শুবা ।
- দিছো বেটি খাইছো মাটি ।
- টিক বলধা ওলাই মাটি, মায়েক ভালেহে জীয়েক জাতি ।
- তাঁতৰ বিজুতি ল'ৰাৰ দাটি ।
- নিজৰটোক মাৰিলেও কব আই, পৰৰটো গালি পাৰিলেও কব তাই ।
- হালতকৈ কোৰ মাৰা টান, তথাপি নহয় বাহি বণৰ সমান ।
- এনেও কাণী, তেনেও কাণী, ভালকৈ দিও শাকত পানী ।
- দেখাত কানা কিন্তু মনে মনে সব জানা ।

- জ্বৰৰ দাহত বেৰত লঠিয়ায় ঢেকীত মহে খালে উৰলত ফৰফৰায় ।
- পুষ্পহীন ফুলনি শস্যহীন ধাননি ।
- হাতী ঘোঁৰাই নাপায় ঠাউনি বাঙেনাই বোলে কিমান পানী ?
- উদক দেখি বন্দাই ডুব মাৰা
- ভালুকৰ হাতত খন্তা (চিপৰাং) দিয়া, চোৰক ৰখিয়া খোৱা ।
- উমৈহতীয়া শ সদায় বাহি ।
- আপদত ভাত, বিপদত মাত ।
- কোলাৰটোক এৰি পেটৰটোক আশা কৰা ।
- আঠুৱাৰ তলৰ মহ ।
- আগ্নাৰ মাছ ধৰি খাব নজনা ।
- ফিৰিঙটিৰ পৰা খাণ্ডৱ দাহন হয় ।
- ভিঁটিত তিতা লাউ গজা ।
- চকুত তেল দি কান্দা ।
- কটা ঘাত চেঙা তেল দিয়া ।
- চিকা মাৰি হাত গন্ধোৱা ।
- গছত তুলি গুৰি কাটা ।
- দলনিত পোনা মেলা ।
- দুখে কুলাই পাচিয়ে নধৰা ।
- যত দোষ নন্দ ঘোষ ।
- কপালৰ ঘাম মাটিত পেলোৱা ।
- শালৰ মাজত শিঙি সোমোৱা ।
- বাটৰ কচু আনি গাত ঘঁহা ।
- ইন্দ্ৰৰ সভাত কেঁচাৰ কুৰুলী ।
- আঠুৱা চাই ঠেং মেলা ।
- উদক ভেটা ৰখীয়া পাতা ।
- গছ নোহোৱা ঠাইত এৰাই বৃক্ষ ।
- গড়গাৱৰ মিটিৰৰ ভাও, মুখত ৰোলে থাক্ থাক্, ভৰিৰে হেচুকে নাওঁ ।
- মাছে নিচিনে নৈ, তিৰিয়ে নিচিনি পৈ ।
- এলাহত দাবি চুলি নাকাটে, সুধিলে কয় বাৰাজী হম ।
- চহ চিকন পৰৰ, পো-চিকন ঘৰৰ ।
- মা'ক বখনায় জী, গুৱালে বখনায় ঘি ।
- যেনে কুকুৰ তেনে টাঙণ ।
- পিন্ধি উৰি নাৰী, ঘেৰী বেৰী বাৰী ।
- ধাৰ কাপলাই হাগিব বহে মাটিৰ আঠ আঙুল খহে ।
- ধ্বজে গজে চিপাহী বন্দুক মাৰাত ফচ্ ।
- যাক সেৱা কৰা তাক মুবুলিবা গোধা যাৰ লোণ খোৱা তাক মুবুলিবা গুদা ।
- গিৰি নোহোৱা গৰু ঢাকন নোহোৱা চৰু ।
- শুনা কথাত নিদিবা কাণ, দেখিলেও লবা তিনিটা প্ৰমাণ ।
- ষাঠি ৰছৰত বোলে আই তাৰ সমান ভাগ্যৱান নাই ।
- আৰাক নিন্দে কাৱাই, পুঠি মাছক নিন্দে ভেট্‌ভেটিয়া মোৱাই ।
- ভয়ত ভগৱন্ত পলায় কিলনৈ বাসুদেৱ দৰায় ।
- ভক্তিৰ ভাল একচিট্‌, সোধৰ ভাল মাট্‌মিট ।
- ভালৰ ভাল সৰ্ব্বতি কাল, বেয়াৰ ভাল কতো নাই ।
- পঞ্চিশে বিদ্যা পঞ্চাশে ধন তাৰ পিছত ঠন্‌ঠন্ ।
- খেতি নকৰিবি ভাগুৱা, চলিৰ নাম নথবি মাগুৱা ।
- খেতিৰ কণা বনিজৰ দুনা ।
- লাজত কাজ হেৰায় টোপনিত ভাত হেৰায় ।
- বাবু মৰে শীতে, বাবু মৰে ভাতে ।
- মূৰত নাই চুলি গিৰিয়েকে মাতে ৰূপহী বুলি ।
- বুজাক বুজাবা আকাৰে ইঙ্গিতে, মুবুজাক বুজাবা ধাৰিৱা চাপাৰে ।
- গড়গাৱৰ পিচল বাট, ডেকা বুঢ়া নিচিনা, হাতে হাতে লাখুটি পাত ।
- শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে ।
- ভৰিৰ তলেৰে ৰৌ যায় দৰিকনালৈ বৰশী বায় ।
- কেচু খান্দতে সাপ ওলোৱা ।
- ধেইকে নিয়তা নাই, দোলাত যায় ।
- খেদিলে শিয়াল, পাবি কি, মাৰিলে শিয়াল, খাবি কি ?

o হুাল এৰি দি শিয়াল খেদা।
o সপোন দেখিলে বুঢ়াও মুতে, ধাৰত পৰিলে শিলো উটে।
o জ্বৰে নুবুজে, পৰে নুবুজে।
o কামাৰৰ দিম দিম; বনিয়াৰ কালি, ডোমৰ বৌ মাছ হাততে পালি।
o আহক খাৰিষা কাটিক পাত, বৈ যা ভিনিহি, খাই যা ভাত।
o কাঠৰ মেকুৰি হওক, যদিহে ইন্দুৰ ধৰে।
o জোৰ যাৰ মুলুক তাৰ।
o এঙাৰ গাখীৰেৰে ধুলেও বগা নহয়।
o কোনেও মৰে হাড়ে হাড়ে, কোনেও মৰে মঙহৰ ভৰে।
o হাজোলীয়া ফটা, সৰ্থেবাৰীৰ লতা, ৰংপুৰীয়া জাপি গৌৰীপুৰীয়া আপি।
o হাগবাৰ নাই মাটি, বেটাৰ ৰংপুৰীয়া ধুতি।
o নেজ গবেৰা গাই, শিয়ানটেপা তিৰি, উপযুক্ত হয় গিৰি।
o মামেকহঁতৰ গাই ধেন দিছে, ভাগিনহঁতৰ নাম দুধ কোৰৰ হৈছে।
o আছে কাপোৰ আছে জাৰ, নাই কাপোৰ নাই জাৰ।
o খানেৱালাৰ খৰি মাটি, দেখনেৱালাৰ গাৰ ফাটি।
o শাকে শুকুতাই ভক্ষণ, সুপুৰুষৰ লক্ষণ।
o পহুৰ খাবি খইটা, মাছৰ খাৰি বইটা।
o ফালি থকা বাহ, ডিমা নাপাৰা হাঁহ।
o নিজৰ নগুন পৰক দি বামুন মৰে হুটাশন হৈ।
o এমুঠি কঠীয়াত সাতজনী ৰোৱনী, কামলৈ নহয় কেৱল পথাৰ শুৱনী।
o আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি।
o এক কান দুই কান সহস্ৰ কান।
o অলপ ভাতে বেছি বল, বেছি ভাতে ৰসাতল।
o এনেই মৰে ঋষিৰ শাপত, তাতে দিয়ে আকৌ ধানৰ তাপত।
o কথাত কথা বাঢ়ে, মথাত বাঢ়ে ঘি।
o কঠিয়া দেখাত চুটি, তলে তলে ঘন ঘন গাঠি।
o কাকো দেখি ৰান্ধে বাঢ়ে, কাকো দেখি দুৱাৰ বান্ধে।
o গধূলিতে সাত হাল বায়, পুৱা হলে এহালো নাই।
o ঘহি থাকিলে শিলো ক্ষয় যায়, লাগি থাকিলেহে কাৰ্য্য সিদ্ধি হয়।
o চৰাইৰ বসন্ত কাল ঘনে কাঢ়ে ৰাও, মানুহৰ বসন্ত কাল নাজানে বাপ মাওঁ।
o জাপী, টকন, টানা ইয়াক এৰিলে দিনতে কাণা।
o তেল চাবোন চিৰি, ভাত কাপোৰে গিৰি।
o লংবাৰ মেল, ভীম কলৰ ভেল।
o ঘৰত থাকোতে মানিক মুকুতা, পৰৰ পৰা টানে লাম লুকুতা।
o নকলেও নোৱাৰি ফটা মুখ, কলেও হয় ভকতৰ দোষ।
o পায় দাইনী খায় পৰৰ, নাপায় দাইনী খায় ঘৰৰ।
o ফটা হওঁক চিটা হওঁক পাটৰ টঙালী, কণা হওঁক কুজাঁ হওঁক ভূঞাৰ পোৱালী।
o কোপজহী ৰঙাপান, ধান নাইকীয়া শুদা চাং।
o বাপৰ ধনেও নাটে, পাপৰ ধনেও নাটে।
o কালো কাল বিপৰীত কাল, হৰিণে চেলেকে বাঘৰ গাল।
o বুঢ়া গৰুৰ চিন ঘাহনিত, মহন্তৰ চিন গাহনিত।
o মনক নিদিবা লাই, দুৰ্জ্জন মনক দমাব নোৱাৰী যেন গজ মূৰী গাই।
o যমপুৰী নিজান ঠাই, ইয়াত দিলেহে তাত পাই।
o বৰ কেকনি গেঠনী নৰীয়া টান, ভাত খায় উধানৰ সমান।
o যাৰ নাই গৰু, সি সবাতকৈ সৰু।
o সভাত থাকি নকয় হিত, পাপে চোৱে কিঞ্চিত কিঞ্চিত।
o যাৰ পো মেলত নাই তাৰ ভাগ কনা।
o মৰিলে স্বৰ্গ, তৰিলে দেশ।
o ৰামে মাৰিলে মাৰা, ৰাৱণে মাৰিলেও মাৰা।
o মাৰক পহু এভাগ আছেই।
o লাজত নলয় ভাৰ, বোকোচাত ভাঙে কামিহাড়।
o লুইতেহে জানে বঠা কিমানলৈ বহে।
o লুকাই খায়, শুকাই যায়।

o হবৰ দিনত কুকুৰে মৈ টানে।

o এক বুঢ়ীৰ দুই কাম, ধান বানতে চুহে আম।

o হাতৰ নিব, কাণৰ নিব, কপালখন কোনে নিব।

o চুনত পাণ পিছলা।

o ঢৌটোকে ৰৌটো কৰা।

o বৰপেটাৰ হলি কেচা খাইটিব বলি, গুৱালকুছীৰ পাট, উপৰ অসমৰ মাত।

o দুষ্টৰ কথাত মিঠা আছে, ফন্দি কৰি কথা পাতে প্ৰাণো লয় পাছে।

এই যোজনা বোৰৰ ভিতৰত কিছুমানৰ ভাৱৰ গভীৰতা ভাষাৰ পাকলতা আৰু অৰ্থৰ তাৎপৰ্য্যৰ উচ্চ খাপৰ। যেনে:—

(১) "একে যুৰি বৃক্ষ আছে জগতকে জুৰি।
তললৈ ডাল পাত ওপৰলৈ গুৰি।।"

এইটো ভগৱত গীতাৰ উৰ্ধমূলমধ—

"শাসমশ্ব ঋং প্ৰাহুৰ অধ্যয়ম, ছন্দাং সি
যম্য পৰ্ণানি সপ্তং বেত্তিম বেদৰিৎ।"

সংসাৰ ৰূপ অশথ বৃক্ষৰ মূল ওপৰত। অৰ্থাৎ ভগৱানেই বৃক্ষৰ মূল। এই বৃক্ষৰ শাখা প্ৰশাখা তলৰ পিনে। অৰ্থাৎ পঞ্চ ভূতাদি ক্ষিতি, অপ, তেজ, মৰুৎ ব্যোম এই গছৰ ডাল। বেদ তেওঁৰ মুখৰ বাণী নাইবা উপদেশ সমূহ এই গছৰ পাত। এই সংসাৰ ৰূপ বৃক্ষ মূল ঈশ্বৰ। তেওঁৰ সৃষ্টিয়ে পঞ্চ ভূতাদি ডাল আৰু উপদেশ বাণী পাত সমূহ পৃথিৱীত বিয়পি আছে আৰু স্বয়ং ঈশ্বৰ সকলোৰে ওপৰত অদৃশ্য হৈ লুকাই আছে। এই কথা যিয়ে জানে তেওঁয়েই যথাৰ্থ দেৱজ্ঞ পুৰুষ।

(২) প্ৰকৃতি আশ্ৰয়ে আছে সংসাৰ বৃক্ষ জোপা।
সুখ দুখ দুই ফল, তিনি গুণে মূল শিপা।।
চাৰি বৰ্গে ৰস, পাঁচ ইন্দ্ৰিয়ে শাখা মূল।
ছয় উৰ্ম্মিয়ে আত্মা, সাত ধাতুয়ে ছাল।।
অষ্ট প্ৰকৃতিয়ে ডাল, দশ বায়ুয়ে পাত।
ঈশ, জীৱ দুই পক্ষি বাস কৰি আছে তাত।

এই সংসাৰ বৃক্ষ অৰ্থাৎ প্ৰাণীবোৰ প্ৰকৃতিৰ আশ্ৰয় লৈ আছে। সুখ দুখ এই দুই বৃক্ষৰ ফল স্বত্ব ৰজ, তম এই তিনি গুণে বৃক্ষৰ মূল শিপা। ধৰ্ম অৰ্থ কাম মোক্ষ এই চাৰি বৰ্গে ৰস। ত্বক চকু কাণ নাক আৰু জিভা এই পাচ ইন্দ্ৰিয়ই শাখা শিপা। জন্ম, মৃত্যু ক্ষুধা তৃষ্ণা, জৰা-ব্যাধি এই ছয় প্ৰকাৰ আত্মাৰ উৰ্ম্মি। ছাল তেজ মাংস চৰ্বী হাড় মজ্জা আৰু শুক্ৰ এই সাত ধাতুয়ে বৃক্ষ জোপাৰ ছাল। ক্ষিতি, তাপ তেজ মৰুৎ ব্যোম মণ বুদ্ধি আৰু প্ৰকৃতিয়ে বৃক্ষ জোপাৰ ডাল। প্ৰাণ অপাণ সমান উদান নাগ কুকৰ কুৰ্ম দেৱদত্ত ব্যান আৰু ধনঞ্জয় এই দশ বায়ু বৃক্ষ ডালৰ পাত স্বৰূপ। ঈশ পৰমাত্মা আৰু জীৱ জীৱাত্মা এই দুই পক্ষীয়ে ইয়াত বাস কৰি আছে।

(৩) তিনিশ ষাঠি বছৰত ইটা মাটি হয়,
খোলাই তেতিয়াহে দাঁত জিলিকায়,
এঙাৰৰ আকৌ তেতিয়াহে ৰাতি পুৱায়।

ইয়াৰ অৰ্থ হ'ল ইটা খোলা আৰু এঙাৰ বহু বছৰলৈ নজহাকৈ থাকে। ওপৰৰ হিচাব মতে তিনিশ ষাঠি বছৰৰ পিচত ইটা মাটি হয়। তেতিয়া খোলাৰ দাঁত গজে অৰ্থাৎ মানুহৰ দাঁতে গজা অৱস্থা প্ৰাপ্ত হয় অৰ্থাৎ শিশুৰ পৰা কিশোৰ অৱস্থা প্ৰাপ্ত হয়। আৰু তেতিয়াহে এঙাৰৰ ৰাতি পুৱায় অৰ্থাৎ মাত্ৰ এদিন অতিবাহিত হয়।

(৪) মহন্ত হই নবধিলে ভাই,
বামুণ হই নামাৰিলে গাই,
ভকত হইও নাখালে মদ,
এই তিনি নাপায় মোক্ষ পদ।

ইয়াত ভাই শব্দই কাম ক্ৰোধ আদি বুজাইছে আৰু গাই শব্দই বেদক বুজাইছে। সেইদৰে মদ শব্দই আহঙ্কাৰ

বুজাইছে। গতিকে যদিহে মহন্তই কাম ক্ৰোধাদিক দমন কৰিব নোৱাৰে আৰু ব্ৰাহ্মণ হৈ বেদ অধ্যয়ণ নকৰে আৰু ভকত হৈ অহঙ্কাৰ কৰে। মনক দমন কৰিব নোৱ'ৰে তেন্তে তেওঁলোক কোনোটিয়ে মোক্ষ পদ অৰ্থাৎ মুক্তি লাভ কৰিব নোৱাৰে।

(৫) কহনা আছে ৰহনা নাই
সাত হাল বায় নটা নাই"

অৰ্থ্যাৎ কওঁতা আছে পালন কৰোতা নাই। কিন্তু আমি জানো যে উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ। সেয়ে আমাৰ সমাজত ধৰ্মৰ উপদেশ দিয়া মানুহৰ অভাৱ নাই। কিন্তু ধৰ্মৰ আদৰ্শ বোৰ আখৰে আখৰে পালন কৰোঁতা মানুহৰ অভাৱ। সেইদৰে সাত হাল বায়, অৰ্থাৎ চৈধ্য প্ৰসঙ্গ কৰে প্ৰতি দিনে। কিন্তু নটা নাই অৰ্থাৎ শ্ৰৱন কীৰ্ত্তনাদি ন বিধ ভক্তিৰ এবিধো আচৰণ নকৰে। ইয়াত ৰবি ঠাকুৰৰ কথা এষাৰি উল্লেখ কৰিব পাৰি। "কাৰোৰ ৰ'ঙায় যোগী মন নাৰ'ঙায়।"

তদুপৰি এই ফকৰা যোজনাবোৰৰ মাজত কিছুমান আকৌ সৰু সৰু কাহিনীও সোমাই আছে। যেনে ঃ

ক) "ঘেৰী বেৰী বাৰ, ঘৰতে বহি তেৰ"

কোনো এঠাইত চৈধ্যজন বন্ধু আছিল। সিহঁত একে লগে ফুৰে আৰু পৰাপক্ষত একেলগে কাম কৰে। মুঠতে সিহঁতৰ মাজত বৰ মিল! এদিনাখন একেলগে মাছ মাৰিবলৈ ওলাল। কিন্তু লগৰ এজনৰ অসুখ বাবে যাব নোৱাৰিলে বাকী তেৰ জনে মাছ মাৰি প্ৰতিজনে ভাগত তেৰটাকৈ মাছ পালে। সিহঁতৰ লগত মাছলৈ যাব নোৱাৰা জনক বন্ধু বুলি প্ৰতিজনে নিজ ভাগৰ পৰা এটাকৈ মাছ দিলে। সি মুঠতে তেৰ জনৰ পৰা তেৰতা মাছ পালে কিন্তু যি তেৰ জনে বৰ কষ্ট কৰি ঘেৰী বেৰী মাছ মাৰিছিল সিহঁতৰ ভাগ বাৰটাকৈহে থাকিল। সেয়ে কোৱা হৈছিল যে ঘেৰী বেৰী বাৰ আৰু ঘৰতে বহি তেৰ। এইষাৰ কথা এনে ধৰণেও কব পাৰি বহু পৰিশ্ৰম কৰিও দুবেলা খাব পৰা নাই আৰু কিছুমানে পৰিশ্ৰম নকৰাকৈ সুন্দৰ ভাৱে খাই আছে।

খ) হাতো আছে ভৰিও আছে মানুহৰ কায়া।
বাহা বান্ধি লব নোৱাৰা কিয় বান্দৰ ভায়া॥

এখন হাবিত চৰাই কিছুমানে গছত ডালত থাকি ৰ'দত শুকাই বৰষুণত তিতি বৰ কষ্ট পোৱা বান্দৰ এজনৰ প্ৰতি সমবেদনাৰে এনেদৰে কৈছিল। কিন্তু বান্দৰটোয়ে তাক ইতিকিং কৰা বুলি ভাবি বৰ লাজ পালে লগতে তাৰ খঙো উঠিল। সেয়ে সি চৰাইবোৰৰ বাহবোৰ ভাঙি চিঙি সিহঁতৰ কনিবোৰ নষ্ট কৰি পেলালে। তেতিয়া চৰাইবোৰে মনত বৰ দুখ পাই এনেদৰে কলে ঃ—

"অজ্ঞানীক জ্ঞান দি মনত পালো কষ্ট।
কণিবোৰো ভঙালো বাহো কৰিলো নষ্ট॥

(গ) আকৌ, এজন খকুৱা ব্ৰাহ্মণে লগত এজন বুধিয়ক বহুৱা লৈ শিষ্যৰ ঘৰলৈ গ'ল। শিষ্য গৰাকীয়ে ব্ৰাহ্মণক খোৱাৰ কাৰণে অন্যান্য বহুতো ভাল বস্তুৰ লগতে দহোটা কাৱৈ মাছ দিলে। ব্ৰাহ্মণে বৰ জুটি পুটিকৈ ৰান্ধি খোৱাৰ সময়ত বহুৱাক মাত্ৰ এটাহে দিলে। সি ভাবিছিল যে ব্ৰাহ্মণে তাক কমেও দুই তিনিটামান দিব। কিন্তু ভাতৰ পাতত মাত্ৰ এটা কাৱৈ মাছ দেখি মনত দুখ পালে আৰু কিবা বুধি সাজি ব্ৰাহ্মণক অকলে নটা কাৱৈ মাছ খোৱাৰ পৰা বঞ্চিত কৰাৰ কথা ভাবিলে। অলপ চিন্তা কৰিয়েই বুধিয়ক বহুৱাই উপায় বিচাৰি পালে। সেই মৰ্ম্মে সি ব্ৰাহ্মণক এটি প্ৰশ্ন কৰিলে— "দেউ! বাৰিষা কাৱৈ মাছে উজান দিব গলে, অকলে অবলে যায় নে লগ লাগি জাক পাতি যায়?" মাছৰ লোভত বহুৱাই কিবা দুৰভিসন্ধি কৰা বুলি আগ পাছ নাভাবি ব্ৰাহ্মণে সৰল ভাৱে উত্তৰ দিলে - "বাৰিষা কাৱৈ মাছে উজান দিলে লগ লাগি জাক পাতিয়ে যায়।" সেই সুয়োগতে বহুৱাই

তাৰ মাছটো ব্ৰাহ্মণৰ পাতপৈ দলি মাৰি দি কৈ পেলালে,

“জাকৰ কাৰৈ জাকক যাওঁক ।
ব্ৰাহ্মণৰ বহুৱাই শুদাই খাওঁক ॥”

এতিয়া বহুৱাই চুৰা মাছবোৰ ব্ৰাহ্মণে খায় কেনেকৈ। গতিকে আটাইকেইটা মাছ বহুৱাকে দিলে। তেতিয়াহে ব্ৰাহ্মণে উপলব্ধি কৰিলে :—

অতি লোভে হত বুদ্ধি ।

গতিকে এনেকুৱা গল্প কাহিনী, উপমা হিতোপদেশ আদিৰে ভৰপুৰ ফকৰা যোজনাবোৰযে যিকোনো ভাষা সাহিত্যৰ অমূল্য সম্পদ তাত অকণো সন্দেহ নাই ।





‘‘লেখকৰ কৰ্তব্য হ’ল -সত্যক অভিব্যক্ত কৰা সত্যৰ প্ৰতি তেওঁৰ অনুগত্য ইমান প্ৰবল হোৱা উচিত যাতে তেওঁৰ অভিজ্ঞতা প্ৰসূত সৃষ্টি বাস্তৱ তথ্যতকৈ অধিকতৰ সত্য কাহিনী একোটিৰ অৱতাৰণা কৰে।’’

অৰ্নেষ্ট হেমিংৱে।

# কপাৰনিকাচ আৰু ৰাষ্ট্ৰ বিপ্লৱ

॥ ৰতন সূত্ৰধাৰ ॥
স্নাতক মহলা
৩য় বৰ্ষ (বিজ্ঞান)

লিখনি সমূহৰ ওপৰত ধৰ্মীয় বাধা বিপত্তি নথকা-'হেতেন De revolutionibus orbium coelestium' কিতাপখন সময়মতে প্ৰকাশ পালেহেতেন। এই কিতাপখনৰ লিখকজন আছিল বিশ্ববিখ্যাত জোতিৰ্বিদ নিক'লাচ কপাৰ-নিকাচ (Nicelus coppernicus or Correctly Niklas Koppernigk) কিতাপখন 1530 চনতেই প্ৰকাশৰ বাবে সাজু কৰি উলিওৱা হৈছিল। কিন্তু ধৰ্মীয় বাধা বিপত্তি (Cntrover soil) ৰ বাবে জীৱনবশেষ মূহুৰ্ত্তলৈ অপেক্ষা কৰিব লগীয়া হয়। মৃত্যুৰ কেইদিনমান আগত, 1543 চনত তেওঁৰ বন্ধু এজনে এই কিতাপখন প্ৰকাশ কৰি উলিয়ায়। ক'পাৰনিকাচে সৰুৰে পৰা বিধি আইন (canon law) সম্বন্ধে অধ্যয়ণ কৰিছিল আৰু শেষলৈ Freunberg ৰ Canon হৈছিলগৈ। কিন্তু Craccw বিশ্ববিদ্যালত পঢ়াকালত Padua আৰু Bologna ই তেওঁৰ জোতিৰ্বিদ্যা (Astronomy) আৰু গণিত বিদ্যা (Mathmatics) অ প্ৰতি অভাবনীয় মনোযোগ (interest) আনিদিছিল।

সেই সময়ত কোনোবাই দৰ্শন আৰু জোতিৰ্বিদ্যা বিষয়ক আধুনিক বিজ্ঞান ভিত্তিক চিন্তা শক্তিৰে কোনো ধৰণৰ মতবাদ আগবঢ়ালে গীৰ্জাৰ পুৰোহিত (Church) সকলে তেওঁক মৃত্যুদণ্ডলৈকে শাস্তি বিহিছিল। খ্ৰীষ্টপূৰ্ব ৩য় শতিকাৰ কথা, এটা স্কুলীয়া শিক্ষাই (সূৰ্য্য বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰ) এৰিষ্টটল (Aristotle) ৰ মতবাদ আৰু টলেমি (Ptolemy) ৰ ভূকেন্দ্ৰীয় (Bed-rock) মতবাদত বৰকৈ প্ৰভাব পেলাইছিল। যিয়ে পৰবৰ্ত্তী কালত খ্ৰীষ্টীয়ান কিম্বদন্তী প্ৰবাদ এটাৰ অন্ত পেলাইছিল। এই খ্ৰীষ্টীয়ান মতবাদটো আছিল 'পৃথিবী বিশ্বব্ৰহ্মাণ্ডৰ (universe) কেন্দ্ৰ আৰু গ্ৰহ, নক্ষত্ৰ (heavenly bodies) আদিয়ে ইয়াৰ চাৰিওফালে ঘূৰে। এইদৰে ঘূৰি থকা গ্ৰহ, নক্ষত্ৰবোৰ হ'ল চন্দ্ৰ (Moon), বুধ (Mercury), শুক্ৰ (Venus), সূৰ্য্য (Sun) মঙ্গল (Mars), বৃহস্পতি (Jupiter) আৰু শনি (Saturn)। কপাৰনিকাচৰ কিতাপখনে এই মতবাদৰ বিপৰীতে প্ৰচণ্ড ধোৱাৰৰ ঢৌ সৃষ্টি কৰিলে। তাৰোপৰি কপাৰনিকাচে আৰু কৈছিল যে বিশ্বব্ৰহ্মাণ্ডৰ আকাৰ ইতিমধ্যে মানি লোৱা আকাৰতকৈ বহুত ডাঙৰ।

কপাৰনিকাচৰ মতবাদ নাইবা তাৰ কিতাপ খনে সৃষ্টি কৰা আন এটা উত্তেজনা হ'ল 'সহজ পদ্ধতিৰে পৃথিবীৰ মধ্যাকৰ্ষনিক শক্তি Gravity) ৰ ব্যাখ্যা। পৃথিবীয়ে বিশ্বৰ

একমাত্র গ্রহ যত সকলো বস্তুৱে তাৰ নিজ নিজ স্থানত অবস্থান কৰিব পাৰে। এই শক্তিৰ ফলত কোনো বস্তু ওপৰলৈ দলিওৱাৰ পিছত আকৌ পৃথিৱী পৃষ্ঠলৈ ঘূৰি আহে। আনহাতে, তীব্ৰগতিত ঘূৰি থকা বস্তু এটা কেনেকৈ তাৰ গতিপথত জিৰণি লয় বা ঘূৰি থকা বস্তুটো চিৰদিনলৈ কিয় ঘূৰি নাথাকে এইবোৰ বিষয়ত এটা সন্তোষজনক ব্যাখ্যা দিবলৈ আন এটা তত্বৰ প্ৰয়োজন হৈ পৰে। কপাৰনিকাচৰ পিছত ছাৰ আইজাক নিউটন (Sir Isaac Newton) এই বিষয়ত এটা সঠিক তত্ব আগবঢ়াইছিল যিটো নিউটনৰ 'মহাকৰ্ষনিক (Gravitation) সূত্ৰ বুলি জনা যায়।

যিহেতু কপাৰনিকাচ নিজেই এজন Canon আছিল সেয়ে সমাজত তেওঁৰ মতবাদে সৃষ্টি কৰা ধুমুহা সহজেই দৃষ্টি গোচৰ কৰিব পাৰিছিল। 1533 চনত পোপ সপ্তম ক্লিমেণ্টে (Pope Clement vii) তেওঁৰ কিতাপখন প্ৰকাশ কৰিবলৈ অনুমতি দিছিল। কিন্তু সমাজৰ ধুমুহাই ইয়াক কাৰ্য্যত পৰিণত হব নিদিলে বৰঞ্চ সমাজৰ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিলে। আনকি মাৰ্টিন লুথাৰ (Mertin Luther) নামৰ সমাজবাদী মানুহজনেও ইয়াক মানি লবলৈ অস্বীকাৰ কৰিছিল। লুথাৰে খ্ৰীষ্টীয়ান ব্ৰহ্মবিদ্যা (theology) মতে 'পৃথিৱী বিশ্বৰ কেন্দ্ৰ' এই মতবাদৰ ওপৰতহে মত পোষণ কৰিছিল।

এই ধুমুহা গেলিলিওৰ দিনলৈ পূৰ্ণগতিত চলিছিল। গেলিলিওৱে অতি সাহসেৰে কপাৰনিকাচৰ যুক্তিক সমৰ্থন কৰিছিল। তেওঁ টেলিস্কপ (Telescope) যন্ত্ৰৰ সহায়ত পৰীক্ষা নিৰিক্ষা কৰি "পৃথিৱী সূৰ্য্যৰ চাৰিওফালে ঘূৰা বুলি প্ৰমাণ কৰিছিল আৰু বৃহস্পতি গ্ৰহৰ উপগ্ৰহবোৰ আবিষ্কাৰ কৰিছিল। গেলিলিওৰ এই মতবাদে চাৰ্চ সকলক ভয় খুৱাই দিছিল আৰু চাৰ্চ সকলে তেওঁৰ বিৰুদ্ধে গোচৰ তৰিছিল। গেলিলিওৱে কৈছিল তেওঁ এটায়ে ভুল কৰিছে সেয়া হৈছে 'কপাৰনিকাচৰ সত্যক বিশ্বাস কৰা'। পৰৱৰ্ত্ত কালত গেলিলিওৱে কপাৰনিকাচৰ মতবাদক সত্য বুলি প্ৰমাণিত কৰি এখন মহান গ্ৰন্থ লিখে; গ্ৰন্থটো 'Dialegue on the Two Greatest systems a studys of the ptolemic and Coppernicus system) নামে জনাজাত।

অৱশ্যে কপাৰনিকাচৰ ধাৰণা সৰ্বতোপকাৰে (absolutely acurate) শুদ্ধ নাছিল। উদাহৰণ স্বৰূপে তেওঁৰ মতে গ্ৰহ, নক্ষত্ৰবোৰে বৃত্তাকাৰ পথত সমবেগত ঘূৰে। কিন্তু জোহানচ কেপলাৰে (Johannes Kepler) ইয়াক বৃত্তাভাগ (elliptical) বুলি প্ৰমাণ কৰে। যিয়েই নহওক কপাৰনিকাচে অশেষ দুখ কষ্ট সহি সভ্য পৃথিৱীবাসীক বিজ্ঞান, ধৰ্ম আৰু দৰ্শন সম্বন্ধে এটা নতুন জ্ঞান দিলে।

[A Collect From Coppernicus and Revolution]

বিঃদ্ৰঃ কপাৰনিকাচৰ মতবাদঃ সূৰ্য্য বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰ আৰু গ্ৰহ-উপগ্ৰহবোৰে ইয়াৰ চাৰিওফালে বৃত্তাকাৰ পথেৰে সমবেগত পৰিভ্ৰমণ কৰে।

# অসমত চলচিত্ৰ শিল্প, ইয়াৰ সমস্যা আৰু সমাধান

আচ্‌ৰাফুল হক
স্নাতক মহলা
৩য় বাৰ্ষিক (কলা)

এটা জাতিৰ সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ আৰু ৰক্ষাৰ আধুনিক, শক্তিশালী আৰু প্ৰভাৱশালী মাধ্যম হ'ল চলচিত্ৰ। ১৯৩৫ চনতে জ্যোতি প্ৰসাদ আগৰৱালা দেৱে 'জয়মতী' ছবিৰ জৰিয়তে অসমত এই চলচিত্ৰ শিল্পৰ পাতনি মেলিছিল। কিন্তু এটা শিল্পক জীয়াই ৰাখিবলৈ হ'লে সেই শিল্পক উদ্যোগৰ ৰূপ দিব লাগিব। অথচ ১৯৩৫ চনৰ পৰা আজি ৫৫ বছৰ পিছতো অসমত চলচিত্ৰ শিল্পই উদ্যোগৰ ৰূপ নাপালে। তুলনামূলক দৃষ্টিৰে যদি চাওঁ, তেনেহলে দক্ষিণত বিশেষকৈ কেৰেলাত ছবি নিৰ্মাণ আৰম্ভ হৈছিল ১৯৩৭ চনত, অৰ্থাৎ আমাতকৈ পিছত। কিন্তু আজি তেওঁলোক ক'ত আৰু আমি ক'ত? তেওঁলোকে প্ৰথমতে উদ্যোগ গঢ়িবলৈ নানান 'ভাল', 'বেয়া' ছবিৰ জৰিয়তে সকলো শ্ৰেণীৰ দৰ্শকক আকৰ্ষণ কৰিব ধৰিলে আৰু যেতিয়া এই চলচিত্ৰ উদ্যোগৰ দ্বাৰা কুশলী শিল্পীয়ে জীৱন নিৰ্বাহ কৰিব পৰা হ'ল; তেতিয়া উন্নত মানৰ ছবি সৃষ্টি কৰি তেওঁলোকে পুৰস্কাৰো সংগ্ৰহ কৰিব ধৰিছে। কিন্তু অসমৰ চলচিত্ৰ শিল্প উদ্যোগত পৰিণত নোহোৱা হেতুকে আজি অসমৰ কলাকুশলী শিল্পী সকলে ছবি নিৰ্মাণৰ অভাৱত লঘোণ দিব লগাত পৰিছে আজি কেৰেলাত বছৰি ১১৫ খনৰ পৰা ১২৫ খনলৈ ছবি মুক্তি পায়। আনহাতে আমাৰ অসমত ৮৮ চনৰ হিচাব মতে যোৱা ৫৩ বছৰত মাত্ৰ ১৪২ খন পূৰ্ণ দৈৰ্ঘ্য ছবিয়ে মুক্তি লাভ কৰিছে। অৰ্থাৎ অসমত বছৰি গড়ে ৩ খনকৈও ছবি মুক্তি নাপায়। অসমৰ চলচিত্ৰ শিল্পৰ এই দুৰৱস্থাৰ মূলতে আছে কিছুমান সমস্যা। বৰ্ত্তমানে এই সমস্যা সমূহৰ বিশ্লেষণ আৰু সমাধান অতি প্ৰয়োজনীয় হৈ পৰিছে। নহলে অসমীয়া বোলছবিৰ মৃত্যু আসন্ন।

ভাল কথাছবি এখন নিৰ্মাণৰ বাবে পোন প্ৰথমে প্ৰয়োজন এটা ভাল, সকলো প্ৰকাৰৰ সুবিধা থকা ষ্টুডিও। কিন্তু অসমত এটা সুবিধাজনক ষ্টুডিওৰ অভাৱ। সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ ভিতৰতে গুৱাহাটীৰ কাহিলীপাৰাত অৱস্থিত 'জ্যোতি চিত্ৰবন' নামৰ অসম ৰাজ্যিক কথাছবি ষ্টুডিওটো ১৯৬৮ চনৰ ১৭ জানুৱাৰীত তেতিয়াৰ মুখ্যমন্ত্ৰী

৺ বিমলা প্ৰসাদ চলিহা দেৱে উদ্বোধন কৰিছিল। ভাৰতৰ ভিতৰতে সৰ্ব প্ৰথম অসমৰ এই ষ্টুডিওটো চৰকাৰী খণ্ডত স্থাপন কৰা হৈছিল। কিন্তু আজি ২২ বছৰ পিছতো এই ষ্টুডিওৰ সা-সৰঞ্জাম বিলাক সম্পূৰ্ণ হৈ উঠা নাই। এই বিলাকৰ ভিতৰত বিশেষকৈ কেমেৰা আৰু লাইটৰ অভাৱ। হওঁতে ইয়াত দুটাকৈ কেমেৰা আছে। এটা হ'ল ARRIFLEX-35 MM আৰু এটা MITCHELL 35 MM। আজি দুবছৰ মান আগতে আৰু এটা নতুন ১৬ মিঃ মিঃ কেমেৰা কিনিছে। আওপুৰণি ARRIFLEX-35 MM টোৰ দুখ লগা অৱস্থা। MITCHELL-35 MM কেমেৰাটোও বৰ্ত্তমান ব্যৱহাৰ কৰিব নোৱাৰি। শব্দ পুনৰ সংযোজন (Rerecording) আৰু সঙ্গীত গ্ৰহণৰ কাৰণে উন্নতমানৰ শব্দ যন্ত্ৰ ৰখা হৈছে। কিন্তু বেছি ভাগ ক্ষেত্ৰতে দেখা গৈছে Documentary ছবিৰ বাহিৰে পূৰ্ণ দৈৰ্ঘ ছবিৰ কাম সীমিত অৱস্থাত আছে।

এইবোৰৰ উপৰিও Set-construction কৰিবলৈ ষ্টুডিওত Professional মিস্ত্ৰিৰ অভাৱ। ফলত প্ৰযোজকে ষ্টুডিওত কাম নকৰা অনভিজ্ঞ বাহিৰা মিস্ত্ৰিৰ দ্বাৰা কাম কৰাই অনাহকত ধন ভৰিব লগীয়া হয়। তদুপৰি বাৰিষাৰ দিনত বৰষুণ দিলে ষ্টুডিওৰ মজিয়াত পানী জমে। তাত যদি চেট্ বনাব লগীয়া হয়-তেন্তে বৰষুণৰ পানী পৰি চেট্ৰ ৰং নষ্ট হয়। তাত লাইট বা কেমেৰা ফিট কৰিব নোৱাৰি। ঘৰটো চাউণ্ড প্ৰুফ নোহোৱাৰ কাৰণে ৰাস্তাৰে গাড়ী গ'লে বা নানান ধৰণৰ শব্দৰ ফলত দৃশ্য গ্ৰহণ, শব্দ গ্ৰহণ আদি কাৰ্য্যত নানান অসুবিধাৰ সৃষ্টি হয়। ষ্টুডিওৰ মজিয়াৰ বেকস্ক্ৰিনখন ষ্টুডিও আৰম্ভ কৰোতেই কিনা। বৰ্ত্তমান সেইখন কেবাঠাইতো ফাটি গৈছে। লাইটৰ লাইনবোৰ বহুঠাইত লুজকানেক্সন হৈ থকাৰ কাৰণে বহুত দামৰ বাল্ব ফিউজ হয়। এইবোৰ হেজাৰটামান সমস্যাৰে জৰ্জৰিত ষ্টুডিও এটাৰ পৰা নিশ্চয় ভাল (Technicaly) কথাছবি এখন আশা কৰিব নোৱাৰি।

গতিকে এই ষ্টুডিওটো সুবিধাজনক পূৰ্ণাঙ্গ ষ্টুডিও হিচাপে গঢ় দিয়াত চৰকাৰে আগভাগ লব লাগে। ষ্টুডিওটো পূৰ্ণাঙ্গ কৰি তুলিবলৈ হলে—

(ক) কমেও তিনিটা unit সকলো প্ৰকাৰৰ আহিলা পাতিৰে সু-সজ্জিত কৰি ষ্টুডিওত ৰাখিব লাগে।

(খ) বৰ্ত্তমান এই ষ্টুডিওত মাত্ৰ এখনহে ফ্লোৰ আছে। সেইখনো ক্ৰটিপূৰ্ণ। ষ্টুডিওটো পূৰ্ণাঙ্গ হবলৈ কমেও তিনিখন ফ্লোৰ লাগে।

(গ) ষ্টুডিও পৰিচালনাৰ বাবে এখন Autonomous body গঠন কৰিব লাগে। তেতিয়াহে সাংস্কৃতিক সম্থা এটাৰ কাম সুকলমে চলাত সুবিধা হয়।

অসমীয়া কথাছবিৰ আন এটা ডাঙৰ সমস্যা হ'ল অসমৰ জনসংখ্যাৰ অনুপাতে অসমত বোলছবি প্ৰেক্ষাগৃহৰ অভাৱ। অসমত থকা মাত্ৰ ১৪৩ টা (৮৮ চনৰ হিচাপ মতে) প্ৰেক্ষাগৃহই কেতিয়াও অসমবাসীৰ চাহিদা পূৰণ কৰিব নোৱাৰে। (এই সীমিত প্ৰেক্ষাগৃহতো আকৌ অসমীয়া ছবি দেখিবলৈকে নাপাই।) আনহাতে অসমতকৈ সৰু কেৰেলাত ১২৩৯ টা (৮৮ চনৰ হিচাপ মতে) চলচিত্ৰ প্ৰেক্ষাগৃহ আছে। অৰ্থাৎ তুলনামূলক ভাৱে আমি কিমান পিছ পৰি আছো?

গতিকে বৰ্ত্তমান অসমীয়া কথাছবিক জীয়াই ৰাখিবলৈ হলে অসমৰ গাৱেঁ ভুঞে ৩০০ বা ৪০০ আসনযুক্ত কিছুমান সৰু প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিব লাগিব। যেনেকৈ কেৰেলা, অন্ধ্ৰ প্ৰদেশ, তামিলনাডু, কৰ্ণাটকৰ গাওঁবোৰত প্ৰেক্ষাগৃহ হৈছে। এই ছবিঘৰৰ অনুজ্ঞা পত্ৰত একমাত্ৰ আঞ্চলিক ছবি প্ৰদৰ্শন হব। গাওঁত এইদৰে প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিলে প্ৰত্যেকটো প্ৰেক্ষাগৃহত ১৫ গৰাকী থলুৱা লোকৰ সংস্থাপনো হব। ইয়াৰ লগতে অসমীয়া কথাছবিও জীয়াই থাকিব।

অসমীয়া কথাছবি শিল্পৰ উন্নতিত বিধিপথালি দিয়া আন এটা সমস্যা হ'ল কথাছবি প্ৰেক্ষাগৃহৰ অত্যাধিক

ভাড়া। অসমীয়া কথাছবিৰ ক্ষেত্ৰত প্ৰেক্ষাগৃহৰ ভাড়া ২০% ৰেহাই দিয়াৰ ব্যৱস্থা আছিল। কিন্তু সেই ৰেহাই প্ৰদৰ্শক পৰিবেশকে কেতিয়া যে কেনেকৈ উঠাই দিলে কোনেও গমকে ধৰিব নোৱাৰিলে। ইপিনে আকৌ প্ৰেক্ষাগৃহ ভাড়াৰ অঙ্কটোৰ সমান টিকট বিক্ৰী নহলে, ছবিৰ প্ৰযোজকে টকাখিনি নিজৰ ঘৰৰ পৰা দিব লগা হয়।

এইবোৰৰ উপৰিও কথাছবি উদ্যোগৰ লগত তিনিটা বিভাগ ওতঃপ্ৰোত ভাবে জড়িত। সেই তিনিটা বিভাগ হ'ল— প্ৰযোজনা, পৰিবেশনা আৰু প্ৰদৰ্শন। এই বিভাগ তিনিটা এনেকুৱা ভাবে জড়িত যে এটাক এৰি আনটো চলিব নোৱাৰে। কিন্তু ঘনিষ্ঠ ভাবে জড়িত হ'লেও এটা বিভাগে আনটোক সহায় কৰা দেখা নাযায়। অসমীয়া ছবিৰ ক্ষেত্ৰত পৰিবেশক (Distributor) সকলে প্ৰযোজকৰ লগত ভাল ব্যৱহাৰ কৰা দেখা নাযায়। সেয়ে অসমীয়া ছবিয়ে মুক্তিৰ বাবে প্ৰেক্ষাগৃহ বিচাৰি হতাশগ্ৰস্ত হৈ ঘূৰি ফুৰিব লগীয়া হয়। কাৰণ প্ৰদৰ্শক সকল অৰ্থাৎ প্ৰেক্ষাগৃহবোৰ পৰিবেশকৰ হাতৰ মুঠিত থাকে। প্ৰেক্ষাগৃহ সমূহৰ ৯৫% পৰিবেশক সকলৰ কুক্ষিগত। প্ৰত্যেকটো প্ৰেক্ষাগৃহ তেওঁলোকে ভাড়ালৈ লৈ থৈ দিছে। ভাড়াত নিদিলে প্ৰেক্ষাগৃহ সমূহে কতো ছবি নাপায়। কাৰণ— মাদ্ৰাজ, বোম্বাই, কলিকতা আদিৰ প্ৰযোজক সকলৰ লগত পৰিবেশক সকলৰ আগতীয়া বন্দোবস্ত আছে। এওঁলোকৰ জড়িয়তেহে অসম, বঙ্গ, বিহাৰ ইত্যাদি একোটা কেন্দ্ৰলৈ যাক ফিল্মৰ ভাষাত 'চাৰ্কিট' বুলি কোৱা হয়, ছবি আহে। গতিকে 'চাৰ্কিট' কিনি থোৱা পৰিবেশক সকলে যাকে ইচ্ছা যায়, যাৰ লগতে দাম-দৰ মিলে তাকেহে ছবি দিব। সেইটো সম্পূৰ্ণ ভাৱে তেওঁলোকৰ ইচ্ছাৰ কথা। গতিকে নিৰুপায় প্ৰেক্ষাগৃহ মালিক সকলে হিন্দী ছবিৰ 'চাৰ্কিট' লৈ বহি থকা সকলৰ ওচৰত সেও নামানিলে তেওঁলোকৰ ছৱি গৃহই খালি পৰি থাকিব। এনেকুৱা খেলি-মেলিত পৰি একো একোটা চিত্ৰ গৃহ মালিকৰ কি দুৰ্দশা হৈছে সি এক অন্য ইতিহাস।

এই পৰিস্থিতিত অসমীয়া ছবি মুক্তিৰ বাবে ধৰ্ণা দিব লাগে পৰিবেশৰ দুৱাৰত। মুক্তি যেনিবা পালে। তাৰ পিছত কিমান যে চৰ্ত্ত। তাৰোপৰি বহুতো পৰিৱেশকে অংশৰ টকা অৰ্থাৎ Show money ঘূৰাই দিওঁতে অসমীয়া ছবিৰ প্ৰযোজকক বছৰৰ পিছত বছৰ ঘূৰায়। এইবোৰ সমস্যাৰ বাবেই অসমীয়া ছবিৰ প্ৰযোজক বিচাৰি পোৱা নেযায়। পৰিবেশন (Distribution) ৰ এই খেলিমেলিৰ কাৰণে অসমীয়া বোলছবি পৰিবেশনৰ সমবায় সমিতি এখন গঠন কৰা হৈছিল। সেই সমিতি খনৰ প্ৰাৰম্ভিক কাম চলাবলৈ এক লাখ টকাৰ অনুদানো দিছিল। কিন্তু লাহে লাহে সেই সমিতিওঁ নিস্ক্ৰিয় হৈ পৰিল। গতিকে এইটো সমস্যা সমাধানৰ বাবে প্ৰথমে অসমীয়া কথাছবি পৰিবেশন সমবায় সমিতি খন শক্তিশালী কৰি পুনৰ গঢ়িব লাগিব।

আনহাতে অসমীয়া ছবি নিৰ্মাণৰ হাৰ কমি অহাৰ প্ৰথমটো কাৰণ হ'ল অসমীয়া ছবিৰ দৰ্শক দিনে দিনে কমি অহাটো। আমাৰ অসমীয়া মানুহেই অসমীয়া কথাছবি নাচায়। আনহাতে খুউব ভাল অসমীয়া ছবি এখনৰ ক্ষেত্ৰতো দেখা যায় যে প্ৰেক্ষাগৃহত তৃতীয় শ্ৰেণীৰ দৰ্শক নাই। অসমীয়া ছবিৰ ক্ষেত্ৰত ''হাউছ ফুল' মানে বিশেষ শ্ৰেণী, প্ৰথম শ্ৰেণী আৰু কোনোৰকমে দ্বিতীয় শ্ৰেণীহে ফুল বাকী তেনেই খালি। কিন্তু অসমীয়া কথাছবি শিল্পক 'উদ্যোগৰ' ৰূপ দিবলৈ হলে তৃতীয় শ্ৰেণীৰ দৰ্শকক আকৰ্ষণ কৰিব পৰাকৈ ছবি নিৰ্মাণ কৰিবই লাগিব। কাৰণ এই শ্ৰেণীটোৱেহে বেছিকৈ চিনেমা চায়।

অসমীয়া ছবিৰ দৰ্শকৰ সংখ্যা কমি অহাৰ মূল কাৰণ বোৰ হ'ল –

ক) টিকটৰ দাম বৃদ্ধি।

খ) অসমত (বিশেষকৈ গাওঁ অঞ্চলত) ছবি ঘৰৰ অভাৱ।

গ) দূৰদৰ্শনৰ জনপ্ৰিয়তা।

ঘ) অসমীয়া ছবিবোৰত লাহে লাহে বৈচিত্ৰ্যৰ অভাৱ।

অসমীয়া কথাছৱিক আজিলৈকে জীয়াই ৰাখিছে গাওঁৰ দৰ্শকে। কিন্তু টিকটৰ দাম বৃদ্ধি হোৱাত গাওঁৰ দৰ্শকে চহৰলৈ আহি চিনেমা চোৱা অতি ব্যয়বহুল হৈ পৰিছে। তাৰোপৰি দূৰদৰ্শনৰ প্ৰভাৱে বৰ্ত্তমানে মানুহক ঘৰৰ মাজতে আবদ্ধ কৰি ৰাখিছে আৰু অসমীয়া কথাছবি প্ৰায়বোৰ একে ধৰণৰ, নগৰ আৰু গাওঁ ভিত্তিক কিছুমান দুৰ্বল কাহিনীৰ হোৱা হেতুকে দৰ্শকৰ এই অভাৱ পৰিলক্ষিত হৈছে।

এইবোৰৰ উপৰিও আমি যদি সুক্ষ্ম ভাবে বিচাৰ কৰি চাওঁ, তেনেহলে দেখা যাব যে— অসমীয়া ছবিত দৰ্শকৰ অভাৱ তথা অসমীয়া ছবিৰ উন্নতিৰ মূল অন্তৰায় হৈছে অসমত আমোদকৰ অত্যাধিক হোৱাটো। ৮৮ চনৰ হিচাব মতে যিটো টিকটৰ প্ৰকৃত মূল্য ১.০০ টকা তাৰ মূল্য আমোদকৰ সৈতে অসমত মূল্য ১.৫০ টকা। আৰু যিটো টিকটৰ প্ৰকৃত মূল্য ১.৫০ টকা তাৰ মূল্য ৩.০০ টকা হয়গৈ। অথচ দিল্লীৰ দৰে ঠাইত এটকীয়া টিকটতো আমোদকৰ সৈতে ১.৪০ টকা আৰু ১.৫০ টকাৰ টিকটটোৰ মূল্য ২.২৫ টকা। ২.৫০ টকীয়া প্ৰকৃত মূল্যৰ টিকটটোত অসমৰ চিত্ৰগামীয়ে ৩.২৫ আমোদকৰ সৈতে দিব লাগে আৰু ৩.০০ টকাৰ টিকটত দিব লাগে ৩.৯০ টকা। অথচ ৰাজধানীৰ চিত্ৰগামীয়ে সেই নিৰিখৰ টিকটত ভৰিব লাগে ১.৫০ টকা আৰু ১.৮০ টকাহে। এই পৰিস্থিতিত চিনেমা চোৱা লোকৰ সংখ্যা কমি অহাটো নিতান্তই স্বাভাৱিক কথা।

অসমীয়া ছবিৰ প্ৰযোজকক আমোদকৰৰ এই সমস্যাৰ পৰা মুক্ত কৰিবৰ বাবে ১৯৫৮ চনতেই ৺বিমলা প্ৰসাদ চলিহা চৰকাৰে অসমীয়া ছবি মুক্তি লাভ কৰা দিনৰে পৰা ৩৬৫ দিনলৈ যি আমোদকৰ উঠে সেই খিনি প্ৰযোজকক ওভতাই দিয়াৰ ব্যৱস্থা প্ৰচলন কৰিছিল। এই ব্যৱস্থা চলি থকা বাবেই বহুতো প্ৰযোজকে অসমীয়া কথাছবি কৰিবলৈ আগবাঢ়ি আহিছে।

কিন্তু এই এবছৰত অসমীয়া ছবি যিমান প্ৰেক্ষাগৃহত চলিব লাগে, যিমান দিন চলিলে মূলধন উঠি আহিব, সাধাৰণতে সিমান দিন নচলে বা দৰ্শক নাহে। গতিকে আমি অসমীয়া ছবিৰ ওপৰত 'ছাতি ধৰি' থাকিবই লাগিব। এইবোৰ কাৰণতে এবাৰ কোনো প্ৰযোজকে অসমীয়া ছবি কৰিলেও আমোদকৰ ঘূৰাই পোৱাৰ পিছত তেওঁ আৰু অসমীয়া ছবি কৰিব নোখোজে। এই ক্ষেত্ৰত আমি এটা কথা মন কৰিব লাগিব যাতে কোনো প্ৰযোজকে আমোদকৰৰ লৈ ছবি নকৰাকৈ আঁতৰি যাব নোৱাৰে। যি আমোদকৰ ঘূৰাই দিয়া হয়; তাৰে প্ৰথম কিস্তিটো ঘূৰাই দিয়াৰ লগে লগে পিছৰ ছবিখনৰ কাম আৰম্ভ কৰিব লাগিব। তেতিয়াহে দ্বিতীয় কিস্তিটো দিয়া হব। পিছৰ ছবিৰ কাম আৰম্ভ নকৰিলে দ্বিতীয় কিস্তিটো কেতিয়াও ঘূৰাই দিয়া নহব। এইদৰে দুটা কিস্তিত আমোদকৰ ঘূৰাই দিয়াৰ আইন প্ৰণয়ণ কৰিব লাগিব আৰু সেই আইনত কোনো সুৰুঙা থাকিব নালাগিব। ইয়াৰ ফলত প্ৰযোজকে এখনৰ পিছত এখনকৈ অসমীয়া ছবি কৰিবলৈ বাধ্য হব আৰু তেতিয়াহে অসমৰ ফিল্ম শিল্পই প্ৰাণ পাব, উদ্যোগৰ ৰূপ লব।

আজি অসমীয়া ছবি যেয়েই নকৰক গুজৰাটী, মাৰাঠী বঙালী, হিন্দুস্থানী, অসমীয়া যেয়েই নকৰক কিয়; তেওঁলোকক আজি মাতি আনি কব লাগিব অসমীয়া ছবি কৰক, অসমীয়া শিল্পীক শিল্পচৰ্চাৰ মাজেৰে জীৱন ধাৰণ কৰিবলৈ সুযোগ দিয়ক। কোনে ছবি কৰিছে সেই কথা গৌণ, মূল কথা আমি চাব লাগিব আমাৰ সহায়কৈ তেওঁলোকে অসমীয়া ছবি কৰিছেনে নাই; অসমীয়া কলা-কুশলী শিল্পীক কামত লগাইছেনে নাই। আমি চাব লাগিব-তেওঁলোকে যাতে আমি আগবঢ়োৱা সুবিধালৈ ছবি নকৰাকৈ আঁতৰি যাব নোৱাৰে।

সেয়েহে আজি যদি অসমত 'ফিল্ম শিল্পক' উদ্যোগ হিচাবে গঢ় দিবলৈ প্ৰকৃতাৰ্থত সংকল্প কৰা হয়, যদি ফিল্ম

উদ্যোগৰ জড়িয়তে শিল্পী, কলা-কুশলীক জীৱন নিৰ্বাহ কৰিবলৈ দিয়াৰ কথা চিন্তা কৰা হয় ; যদি কলাপ্ৰেমী বিমলা প্ৰসাদ চলিহাই প্ৰৱৰ্ত্তন কৰা আমোদকৰ ওভতাই দিয়াৰ সৎ প্ৰচেষ্টাক ফলৱতী কৰিবলৈ মানস কৰা হয় — তেনেহলে আমি ৰহল দৃষ্টি ভঙ্গীৰে উপৰুক্ত পন্থা লোৱাৰ বাহিৰে আন উপায় আছে বুলি মই নাভাবো। অন্যথায় অসমীয়া ফিল্ম শিল্পই কাহানিও উদ্যোগৰ ৰূপ নাপাব। আৰু অসমৰ শিল্পী, কলা-কুশলীৰ অসীম হতাশাৰ বাহিৰে আন পথ নাথাকিব।

বিঃ দ্ৰঃ- প্ৰৱন্ধটি সহায়লৈ লিখা।



---

"কবিতায়ে যে মানুহৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতি জগাই তুলিব পাৰে আৰু পৰমানন্দৰ সোৱাদ দিব পাৰে ই এটা মণোবৈজ্ঞানিক সত্য।"

ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা।

# কবি নজৰুল ইছলাম আৰু তেখেতৰ দুটিমান কবিতা

মোজাম্মিল হক
গ্ৰন্থাগাৰিক

জীয়াই থকাৰ প্ৰচেষ্টা মানৱ জীৱনৰ এক অদৃশ্য সংগ্ৰাম স্বৰূপ। উবুৰি হোৱা, আঠুকৰাৰ পৰা আৰম্ভ কৰি শিশুই থিয় হোৱা খোজ কাঢ়িবলৈ লোৱা আৰু দৌৰা-দৌৰি কৰিব পৰালৈকে গোটেইখিনি স্থিতাৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম। খোৱা বস্তু মুখত সুমুৱাই চোবোৱাৰ পৰিশ্ৰম আমাৰ প্ৰয়োজন। এটি বিৰুদ্ধ শক্তিৰ প্ৰচেষ্টাক আমি শক্তিৰ দ্বাৰা ঠেলি দিয়ালৈকে আমাৰ কৰ্ম সমাধান নহয়। খোলা চকু মুদিবলৈ হ'লে যেনেকৈ শক্তিৰ প্ৰয়োজন তেনেকৈ বন্ধ চকু খুলিবলৈ হ'লেও শক্তি প্ৰয়োগৰ কথাযাবলৈ আমি লক্ষ্য নকৰো, কিন্তু এজন অসুস্থ ব্যক্তিৰ অস্বাভাৱিক উঠা বহালৈ লক্ষ্য কৰিলে বুজা যায় যে সেই ব্যক্তিৰ কাৰণে কিমানখিনি শক্তিৰ সাহায্যৰ প্ৰয়োজন। সেয়ে শক্তি যুদ্ধ আৰু সংগ্ৰামৰ প্ৰধান উপাদান।

পৰিয়াল সমাজ তথা নিজ জীৱনত এই যুদ্ধ বা সংগ্ৰাম অহৰহ চলিয়েই আছে। কিন্তু এই অদৃশ্য যুদ্ধ বা সংগ্ৰামক যুদ্ধ বা সংগ্ৰাম বুলি আমি নকওঁ। স্নায়ু-যুদ্ধৰ বলি হৈ যুৱক এজন অকাল বয়সতে যে বৃদ্ধ হ'ব পাৰে তালৈ আমাৰ চিন্তা চকু নাই। ৩৪ বছৰ বয়সত লৰ্ড বাইৰণৰ (Lord Byron) চুলি পকি বুঢ়া হৈছিল। ৩৮ বছৰ বয়সত মৃত্যুৰ পাছত বুজা গ'ল তেখেতৰ ৩৮ বছৰীয়া হৃদপিণ্ডটো এজন অতিশয় বৃদ্ধ মানুহৰ হৃদপিণ্ডৰ অৱস্থা পাইছেগৈ। কিয়? কাৰণ Lord Byron ৰ প্ৰতিটো তেজৰ কণিকা সংগ্ৰামি হৈ ভিতৰি ভিতৰি জ্বলি পুৰি শেষ হৈ গৈছিল — তাৰে কিছু বিস্ফোৰিত Stanza অথবা ইতিহাসৰ টুকুৰা তেখেতে ভৱিষ্যত মানৱ সমাজৰ কাৰণে এৰি গৈছে। মানুহৰ তেজৰ লগত জড়িত নেদেখা সংগ্ৰামী জুইৰ প্ৰকাশ ঘটিলেই যুদ্ধৰ ৰূপ পৰিগ্ৰহণ কৰে।

যুদ্ধৰ অৰ্থ আমি বিভিন্ন ধৰণে কৰিব পাৰো। মহা-পুৰুষ যীশুই এগালত চৰ পৰিলে আনখন গাল আগুৱাই দিয়া বুলি কলেও সেয়া যুদ্ধৰ বিপক্ষে কোৱা বুলি ক'ব নোৱাৰি, তেনেকে মহামানৱ গৌতম বুদ্ধৰ বাণী 'অহিংসা পৰম ধৰ্ম' বোলা কথা ফাকিও যুদ্ধ বিৰোধী নহয়। আমি যেতিয়া 'যুদ্ধক' ন্যায় আৰু অন্যায় দুভাগ কৰি বিচাৰ কৰিবলৈ লওঁ, তেতিয়া ইয়াৰ পৰিসৰ বহুখিনি বাঢ়ি যায়।

পাৰিবাৰিক জীৱনত স্বামী-স্ত্ৰীৰ মাজৰ কাজিয়া আৰু

তাৰ বাবে ইটোৱে সিটোৰ লগত কথা বতৰা বন্ধ ৰখাটোও এক প্ৰকাৰ যুদ্ধ। গান্ধীজীৰ অসহযোগ আন্দলনো এক প্ৰকাৰৰ যুদ্ধই আছিল। লিখকে যেতিয়াই যিকোনো বিষয়ে লিখে তেতিয়া বুজা যায় যে তেওঁ কিবা এটি বিৰুদ্ধ শক্তিৰ বিৰুদ্ধে লিখনি ধাৰণ কৰিছে। সেয়ে প্ৰেমৰ কবিতাও এক প্ৰকাৰ যুদ্ধ কবিতা।

কবি নজৰুল ইছলামে তেখেতৰ লিখনিত দুই প্ৰকাৰ বিদ্ৰোহ বা সংগ্ৰামৰ কথা শুনাইছে। ১ সৰ্বজয়ী মানুহৰ অভ্ৰভেদি মহিমা আৰু সেই মহিমাক প্ৰতিষ্ঠিত কৰাৰ কাৰণে সৃষ্টিকৰ্তাৰ বিৰুদ্ধে বিদ্ৰোহ। ২ সমাজৰ অবিচাৰ আৰু শোষণৰ বিৰুদ্ধে বিদ্ৰোহ। কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ আত্মসমাহিতিয়ে তৰুণ মনক বিস্মিত কৰিলেও নজৰুল ইছলামক সেই সময়ত অকল তেজ মঙহৰ মানুহ বুলি কল্পনা কৰা টান হৈছিল। তেখেত আছিল যেন সুদূৰ নক্ষত্ৰলোকৰ অধিবাসী।

কাজী নজৰুল ইছলাম (১৮৯৮-১৯৭৬) এই শতাব্দীৰ তৃতীয় দশকৰ ফালে বীৰত্বপূৰ্ণ ভাবৰ কবিতা লিখি যি অভিনৱত্বৰ সূচনা কৰিছিল, যাৰ বিস্ফোৰণত কিছুদিন স্বয়ং কবি গুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱও কিছু পৰিমান ম্লান হৈ গৈছিল। কাজী চাহাবৰ জীৱন আৰু কাব্য দুয়োটিয়ে বিস্ময়কৰ আৰু অভিনৱ। ৰবীন্দ্ৰ যুগৰ প্ৰেম, আধ্যাত্মবাদ সৌন্দৰ্য্যবোধ আদি শান্ত ৰসৰ আশ্ৰয় এৰি হাৱিলদাৰ কবি বিদ্ৰোহী নজৰুলে কবি জীৱনৰ প্ৰায় আৰম্ভণীতে সামৰিক হুঙ্কাৰেৰে কাব্য প্ৰাঙ্গণত প্ৰৱেশ কৰিলে। উচ্চ শিক্ষা বা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ মাজত থাকি ডিগ্ৰী পোৱা তেখেতৰ ভাগ্যত নাছিল, কিন্তু শিক্ষাৰ ফলাফল জ্ঞান আৰু দৰ্শন অবলিলা ক্ৰমে তেখেতে আয়ত্ব কৰিবলৈ সক্ষম হৈছিল। প্ৰথম মহাসমৰৰ সময়ত কাজী চাহাব সৈনিক হিচাবে সামৰিক পৰিৱেশৰ মাজত কিছুদিন থাকি নিজৰ কাব্যবোধক তীক্ষ্ণ কৰি লৈছিল। সামৰিক জীৱনৰ পাছত বিয়া-বাৰু কৰাই সংসাৰ পাতিলে যদিও সাংসাৰিক মায়াৰ সুতাঁই তেখেতক বান্ধি ৰাখিব নোৱাৰিলে। ওঁঠত তামোলৰ ৰস আৰু কণ্ঠত গীতৰ সুৰ লৈ তেজি ঘোঁৰাৰ দৰে যাত্ৰা আৰম্ভ কৰিলে দেশবাসীক আহ্বান জনাবলৈ বুলি। বিদ্ৰোহাত্মক কবিতা— গীত লিখি তেখেত দেশবাসীৰ পৰা "বিদ্ৰোহী কবি" আখ্যা পাইছিল। স্বয়ং কবি গুৰুৱে বিদ্ৰোহী নজৰুলক অতিশয় মৰম কৰিছিল। এই কালচোৱাত নজৰুলৰ লিখনি পাঠক সমাজৰ কাৰণে নিচা জাতীয় বস্তুত পৰিণত হৈছিল। ইংৰাজ চৰকাৰৰ তেজৰঙা চকুক কেৰেপ নকৰি সংগ্ৰামী কবিয়ে লিখনিৰ দ্বাৰা সিকালৰ কাকত পত্ৰে আৰু অন্য উপায়ে অগনিৰ ফিৰিঙতি চতিয়াবলৈ ল'লে, যাৰ সামান্য পৰশত বৃটিছ সাম্ৰাজ্যত ভয়াবহ লঙ্কা কাণ্ড ঘটিব পাৰিলেহেঁতেন। ইয়াৰ কাৰণে তেখেত কাৰাবৰনো কৰিব লগা হৈছিল। সম্ভৱতঃ ৰাজনৈতিক চেতনাৰ ক্ষেত্ৰত এইজনা কবিয়ে যি উদ্দিপনা, উৎসাহ আৰু ভাৱৰ সঞ্চাৰ কৰিছিল অইন কবি লিখক বা প্ৰবন্ধকাৰে সেইটো কৰিব পৰা নাছিল। তেখেতৰ গীত-মাত তথা কবিতাই জাতি ধৰ্ম বৰ্ণহীন ভাৰতীয় ঐক্যৰ নিগুঢ় উপলব্ধি, বিশুদ্ধ স্বদেশিক মনভাৱৰ সৃষ্টি কৰিছে। কিছু সংখ্যক কবিতাই জৰা মৃত্যু ব্যাধিৰ ওপৰত আঘাত কৰি যৌৱনক বৰমালা পিন্ধাইছে। ইয়াৰ সহধৰ্মী দৃষ্টান্ত বিৰল। হিন্দু-মুছলমানৰ স্বাভাৱিক ভেদা-ভেদ গুচাই দুয়ো সম্প্ৰদায়ৰ ঐক্যৰ খাতিৰত কবি জনাই যি শুভ আদৰ্শ প্ৰচাৰ কৰিছে তাৰ মূল্য দেশবাসীয়ে নিশ্চয় এদিন দিব। দুৰাৰোগ্যৰ তাৰণাত মানসিক ভাৰসাম্য হেৰুৱাই বহুদিন বিচনাত পৰি থাকি সৌ-সিদিনা বিদ্ৰোহী কবি, নজৰুল ইছলাম এই ধৰাধামৰ পৰা অনন্তকাললৈ গুচি গ'ল।

অকল বিদ্ৰোহ আৰু ৰণ হুঙ্কাৰ দিয়েই নজৰুলৰ কাব্য জীৱনৰ সমাপ্তি ঘটা নাই। প্ৰকৃতি আৰু প্ৰেমৰো আবেগপূৰ্ণ কিছু কবিতা তেখেতে ৰচি গৈছে। তাবোপৰি এই বিদ্ৰোহীজনাৰ অন্তৰত যি ভক্তিৰ জোৱাৰ উঠিছিল সেইবোৰ তেখেতে ৰচি যোৱা শ্যামা সঙ্গীত আৰু ইছলামি

গজলৰ পৰা উপলব্ধি কৰিব পাৰি। প্ৰেমৰ গীত আৰু গজল তেখেতৰ মূল্যবান সৃষ্টি।

কাজী নজৰুল ইছলামৰ কবিতাত যুদ্ধৰ বিষয়বস্তু সম্পূৰ্ণ ভিন্ন মুখি। তেখেতৰ কবিতা সমূহৰ ভাৱধাৰা আৰু বিষয় বস্তুক আমি Historical war অৰ্থাৎ ঐতিহাসিক যুদ্ধৰ পটভূমিত বিচাৰ কৰিব লাগিব। এই ঐতিহাসিক যুদ্ধৰ ভুমিকা দুই ধৰণৰ এটি আক্ৰমণাত্মক আৰু আনটো আত্মৰক্ষাত্মক মূলক। আক্ৰমণকাৰীৰ যেনেকৈ প্ৰয়োজন আত্মৰক্ষাত্মক যুদ্ধৰ ঠিক তেনেকৈ আত্মৰক্ষাকাৰীৰো আক্ৰমণাত্মক যুদ্ধৰ প্ৰয়োজন হয়। আত্ম ৰক্ষাৰ কাৰণে নজৰুলে আক্ৰমণাত্মক ৰণ ডঙ্কা বজাইছে।

'অগ্নী বীণাৰ বিখ্যাত কবিতা 'কোৰবাণীত" তেখেতে কৈছে—

আস্তানা সিধা রাস্তা নয়,
'আজাদী মেলেনা পস্তানো'য়!
দস্তা নয় সে মস্তা নয়!

অনুশোচনা আৰু হমুনিয়াহ কাঢ়ি থাকি 'আজাদী' অৰ্থাৎ স্বাধীনতা অৰ্জন কৰিব নোৱাৰি। স্বাধীনতা সহজতে আপোনা আপুনী নাহে। ই দস্তাৰ দৰে কম মূল্যৰ ধাতু নহয়। খু-উ-ব সস্তা বা কম দামত ইয়াক পাব নোৱাৰি। বহু আত্মত্যাগ, বহু বলিদান, বহু তেজ আৰু ঘামৰ বিনিময়তহে ইয়াক পাব পাৰি।

এটি বিশেষ ঘটনাক কেন্দ্ৰ কৰি কাজী নজৰুল ইছলাম চাহাবে এই "কোৰবাণী" কবিতাটি লিখে। ১৯২০ চনৰ জুলাই অথবা আগষ্ট মাহত "সবুজ পত্ৰ" কাকতত "আজ ঈদ" নামৰ এটি প্ৰবন্ধ প্ৰকাশ হৈছিল। প্ৰবন্ধকাৰৰ ভাষা আছিল ঃ

আজ এই আনন্দ উৎসবে আনন্দের চেয়ে বিষাদের ভাগই মনের উপর চাপ দিচ্ছে বেশী ক'রে। যেদিকে তাকাচ্ছি সেই দিকেই কেবল নিষ্ঠুরতার অভিনয়। অতীত এবং বর্ত্তমানের ইতিহাসে চোখের সামনে অগনিত জীবের রক্তে ভিজে লাল হ'য়ে দেখা দিচ্ছে। এই লাল রঙ আকশে বাতাসে, চারিদিকে ছড়িয়ে রয়েছে—যেন সমস্ত প্রকৃতি তার রক্ত নেত্রের ক্রুদ্ধ দৃষ্টিতে পৃথিবী বিভীষিকা ক'রে তুলেছে।

প্ৰবন্ধকাৰে 'কোৰবাণী'ক বৰ্বৰ যুগৰ সাক্ষী বুলি অভিহিত কৰিছে। আৰু বিদ্ৰোহী কবিয়ে ইয়াক উপলক্ষ্য কৰি প্ৰতিবাদ কৰিছে ঃ

এ তো নহে লোহ তরবারের।
ঘাতক জালিম জোরবারের।
কোরবাণের জোর—জানের
খুন এ যে এতে গোর্দা—ঢের রে, এ ত্যাগ
বুদ্ধ মণ।
এতে মা রাখে পুত্র পণ।
তাই জননী হাজেরা বেটারে চারালো
বলীর পুত বসন।

তাৎপৰ্য্য নাজানি নুবুজি 'কোৰবাণী'ক বৰ্বৰতা বুলি অভিহিত কৰিলে মহাভূল হব। নজৰুল ইছলামে ক'ব খুজিছে যে এই তেজবল প্ৰয়োগকাৰী অত্যাচাৰি হত্যাকাৰীৰ তৰোৱালৰ তেজ নহয়, এই তেজ হ'ল আত্মউচৰ্গাকাৰী মহাপ্ৰাণ মানুহৰ, শ্বহিদী আত্মাৰ—এই ৰক্তপাতত মহত্ব আছে বুলি উপলব্ধি কৰি এই শ্বহিদী যুদ্ধত জননীয়ে সন্তানক ৰণক্ষেত্ৰত উচৰ্গা কৰে— মাতৃ হাজেৰায়ে তেখেতৰ অতি মৰমৰ পুত্ৰ হজৰত ইছমাইল (আঃ) ক মহান সৃষ্টি কৰ্তাৰ নামত মহৎ কাম সম্পন্ন কৰাৰ উদ্দেশ্যে পৱিত্ৰ কাপোৰ পিন্ধাইছিল।

আচল কথা ইয়াৰ দ্বাৰা বিদ্ৰোহী কবি জনাই জনতাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছে আৰু ক'ব খুজিছে যে শোষিত দেশৰ শোষিত মানুহে তেজ দেখি ভয় কৰিলে নচলিব। অহিংসাৰ নীতি যত আত্মধ্বংসৰ নীতি, অস্তিত্ব

বিনাশৰ আদৰ্শ তাত হিংসাৰ আদৰ্শই মহান আদৰ্শ কাৰণ এই হিংসা প্ৰকৃতাৰ্থত হিংস্ৰ জানোৱাৰৰ দৰে মানুহ খেদাৰ হিংসা। স্বাধীনতা আৰু শান্তিৰ বাবে এই হিংসাৰ প্ৰয়োজন।

মানুহ সাধাৰণতে শান্তি প্ৰিয়। কিন্তু পৰাধীন দেশ এখনত শান্তি ক'ত! সেয়ে বিদ্ৰোহী কবিয়ে তেখেতৰ 'আনন্দময়ী 'কবিতাত' আক্ষেপ কৰি কৈছেঃ

শান্তি কোথায়? শান্তি কোথায়! কেউ
জানি না।
মাগো তোমার দনুজদলন সংহারিনী মূৰ্ত্তি
বিণা!

কবিৰ বিশ্বাস শান্তি অৰ্জনৰ একমাত্ৰ পথ যুদ্ধ। সেয়ে 'ঘোর ঘোর রে আমার সাধের চরকা ঘোর'— মহাত্মা গান্ধীৰ 'চৰখা' আন্দোলনক কেন্দ্ৰ কৰি এই কবিতা ফাঁকি লিখিলিওঁ পৰবৰ্ত্তী কালত গান্ধীবাদৰ প্ৰতি কবি নজৰুলৰ বিশ্বাস নাইকীয়া হৈছিল আৰু এনেকি গান্ধীজিৰ অহিংসা নীতিক কবিজনে আক্ৰমণাত্মক ভাষাৰে আক্ৰমণ কৰি কৈ উঠিছে ঃ

মাদীগুলোর আদি দোষ ঐ অহিংসা বোল
নাকি নাকি
খাঁরায় কেটে কর মা বিনাশ নপুংসকের
প্রেমের ফাঁকি।

জাতীয় জীৱনক যেতিয়া ভয়ানক অন্ধকাৰে বেৰি ধৰে অত্যাচাৰ-অনাচাৰ, উৎপিড়ন যেতিয়া জাতীয় জীৱন জৰ্জৰিত এনে অৱস্থাত প্ৰেমৰ বাণী কাপুৰুষতালীৰ বাহিৰে অইন একো হ'ব নোৱাৰে।

কবি নজৰুল ইছলামৰ মতে গান্ধীজিৰ অসহযোগ আন্দোলন আৰু লগতে অহিংসা আন্দোলন ভাৰতৰ স্বাধীনতাৰ পক্ষে যথেষ্ট নহয় — "দস্তা নয় সে সন্তানয়"।

প্ৰথম মহাসমৰৰ বহু আগৰে পৰা এচিয়া বাসী মহা দুৰ্যোগৰ মাজত দিন নিয়াইছিল। এচিয়া আৰু আফ্ৰিকাৰ বিভিন্ন দেশ বৃটিছ, ফ্ৰান্স তথা পৰ্তুগীজ আদি সাম্ৰাজ্যবাদীৰ কৰতলীয়া হৈ পৰিছিল। অকল ভাৰতবৰ্ষই নহয় আৰৱ, আফ্ৰিকা আৰু এচিয়া মহাদেশৰ বহু দেশ সাম্ৰাজ্যবাদীৰ শোষণ ক্ষেত্ৰত পৰিণত হয়; জৰ্জৰিত নিঃসহায় মানুহৰ পক্ষ লৈ বিদ্ৰোহী কবিয়ে কবিতাৰ মাধ্যমেৰে এই জুলুমৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে।

বিদ্ৰোহী কবিৰ এই জেহাদ বা Holy war বহল অৰ্থত অকল ইংৰাজ, ফ্ৰান্স আৰু পৰ্তুগীজ জাতিৰ বিৰুদ্ধে নহয়, এই জেহাদ শোষণকাৰী বুৰ্জোয়া গোষ্ঠীৰো বিৰুদ্ধে সম্প্ৰসাৰিত হয়। ইয়াৰ পৰিচয় পোৱা যায় তেখেতৰ 'সাম্যবাদী' 'সৰ্বহাৰা' 'ফনিমনসা' আদি কাব্যৰ মাজত।

কবি জনাই যুদ্ধক কেতিয়াও ঘৃণাৰ চকুৰে চোৱা নাই বুলি কলেও ভুল নহব। যুদ্ধ বা সংগ্ৰামৰ অৰ্থ তেখেতে অন্য ধৰণে বুজিছিল। Positive যুদ্ধ দৰ্শনত তেখেত বিশ্বাসী আছিল। কবি জীৱনৰ প্ৰথম কাব্যগ্ৰন্থ "অগ্নী বীণাত" তেখেত এই যুদ্ধ দৰ্শনৰ বৰ্ণনা দিছে। শান্তিৰ বাবে যুদ্ধৰ প্ৰয়োজনাতাক ইয়াত স্বীকাৰ কৰা হৈছে।

বিদ্ৰোহীত তেখেতে কৈছে:

আমি পরশুরামের কঠোর কুঠার
নিক্ষত্রিয় করিব বিশ্ব আনিব শান্তি
শান্ত উদার!

নজৰুল ইছলামৰ সমগ্ৰ কবি জীৱনৰ সদা জাগ্ৰত সকলোতকৈ মূল্যৱান প্ৰেৰণাৰ উৎস হ'ল শোষণহীন সুন্দৰ নিকা এখন সমাজ আৰু সুস্থ বলিষ্ঠ মানবতা সম্বন্ধে মাথো এটি আঁশা আৰু ইয়াৰ বাবে ক্লান্তিহীন আৰোহীন সংগ্ৰামৰ সংকল্প। এই ক্ষেত্ৰত তেখেতে মহান বিদ্ৰোহী। সেই বিদ্ৰোহৰ প্ৰকাশ তৰল বাস্পীয় পদাৰ্থ নহয়, মানুহৰ মূল্য আৰু মহিমা সম্বন্ধে অটল বিশ্বাসৰ নিৰ্ভীক স্বীকাৰোক্তি হে।

'সকল কালের সকল দেশের
সকল মানুষ আমি
এক মোহনায় দাড়াইয়া শোনো
এক মিলনের বাঁসী।
একজনে দিলে ব্যথা—
সমান হইয়া বাজে সে বেদনা
সকলের বুকে হেথা।
একের অসম্মান
নিখিল মানৱ জাতিৰ লজ্জা
সকলের অপমান।

কবি নজৰুল ইছলামৰ বাল্যকাল অতিবাহিত হয় দৰিদ্ৰতাৰ লগত কঠোৰ সংগ্ৰাম কৰি। দহ বছৰ বয়সতে তেখেত পিতৃহীন হয়। পিতাকৰ মৃত্যুৰ পিছত কাজী পৰিয়ালক দৰিদ্ৰতাৰ কলা ডাৱৰে আৱৰি ধৰে। সেয়ে মাথো দহ বছৰ বয়সতে মক্তবৰ নিম্ন প্ৰাথমিক শিক্ষা সাং কৰি গাওঁৰ সেই মক্তবৰে শিক্ষকতাৰ পদ গ্ৰহণ কৰে। তাৰোপৰি ওচৰ পাজৰ গাওঁত মোল্লাগিৰি, খাদেমাগিৰি কৰি কিছু অৰ্থ উপাৰ্জন কৰিছিল।

পাৰ্চী সাহিত্যত সু-পণ্ডিত আত্মীয় কাজী ফজল কৰিমৰ সাহাৰ্য্যত থাকি তেখেতৰ প্ৰেৰণাত নজৰুল ইছলামে সেই সৰু কালতে পাৰ্চী উৰ্দু-বঙলা মিশ্ৰিত কবিতা লিখা আৰম্ভ কৰে

মেরা দিল বেতাব কিয়া
তেরে আব্রুয়ে কামাণ
জ্বলা জাতা হায়
ইশক মে জান পেরেশান
হেরে তোমার ধ্বনি
চন্দ্ৰ কলঙ্কিনী
...............

এইটোৱেই নজৰুল ইছলামৰ কবি জীৱনৰ প্ৰথম কবিতা। সেই লʼৰালি কালতে (১১/১২ বছৰ বয়সত) সংসাৰ পৰিচালনাৰ বহুখিনি দায়িত্ব তেওঁ বহন কৰিব লগা হৈছিল। সেয়ে শিক্ষকতা, মোল্লাগিৰি তথা খাদেমাগিৰিৰ পৰা হোৱা সামান্য উপাৰ্জনেৰে যেতিয়া সংসাৰৰ যাবতীয় খৰছ চলোৱা অসম্ভৱ বুজিলে তেতিয়া নজৰুলে গাওঁৰ 'যাত্ৰা' দলত সোমাই দলৰ হকে পালাগান ৰচনা কৰি অৰ্থ উপাৰ্জন কৰিবলৈ লʼলে। এই দলৰ লগত থকা সময়চোৱাত তেখেত 'চাযাৰ খং, 'শকুনি বধ', 'মেঘনাদ বধ', ৰাজপুত' প্ৰভৃতি পালা ৰচনা কৰে। ইয়াৰ উপৰিও তেখেতৰ 'ফাৰসী বাংলা ৰুবাই গান, একটি প্ৰেমেৰ গান, বাংলা ইংৰাজী মেশান কমিক গান' প্ৰভৃতি এই যাত্ৰা দলত (নেটৰ দল) থকা কালতে ৰচিত হোৱা।

কবি নজৰুল বাল্যকালৰ পৰা সঁজাৰ বাহিৰৰ উৰি ফুৰা ঘুৰি ফুৰা চৰাইৰ নিচিনা স্বভাৱৰ আছিল। যাত্ৰা দলৰ ধৰাবন্ধা নিয়ম নীতিৰ মাজত নিজক অটল ৰাখিব নোৱাৰি ঘৰ, গাওঁ, দল সকলো এৰি এদিন আসানসোলত উপস্থিত হলগৈ। তাত মাত্ৰ ৫ (পাচ) টকা দৰমহাত 'বেকাৰী বয়'ৰ চাকৰীত সোমায়। কাজী ৰফিজউদ্দিন নামৰ সদাশয় দাৰোগা এজনে নজৰুল ইছলাম চাহাবক 'বেকাৰী বয়'ৰ পৰা গুচাই আনি দৰিৰামপুৰৰ এখন বিদ্যালয়ত নাম লগাই দিয়ে। তাত কিছুদিন অধ্যায়ণ কৰাৰ পাছত নজৰুল ইছলাম সিয়াৰসোল চৰকাৰী হাইস্কুলত নাম ভৰ্ত্তি কৰে।

'বেকাৰী বয়'ৰ পৰা সিয়াৰসোৰ চৰকাৰী হাইস্কুলত থকালৈকে এই সময় চোৱাৰ ভিতৰত নজৰুলে 'মৌণীফকিৰ চড়ুই পাখীৰ ছানা, ৰাজাৰ গড়, ৰাণীৰ, কৰুণ গাথা, কৰুণ বেহাগ আদি গম্ভীৰ ভাৱৰ কবিতা খিনি ৰচনা কৰে।

তেখেতৰ বিদ্ৰোহী কবি সত্তাৰ যথাৰ্থ পৰিচয় পোৱা যায় তলৰ কেই ফাঁকিত —

'মহা বিদ্রোহী রন ক্লান্ত
আমি সেই দিন হব শান্ত
যবে উৎপীড়িতের ক্রন্দন রোল
আকাশে বাতাসে ধ্বনিবে না

অত্যাচারীর খড়্গ কৃপাণ
ভীম রনভূমে রণিবেণা
বিদ্রোহী রনক্লান্ত
আমি সেইদিন হব শান্ত'

---

পুথি পৰিচয়—

১। নজৰুল বিচিত্ৰা
২। অগ্নিবীণা
৩। বাংলা সাহিত্যৰ সম্পুৰ্ণ ইতিবৃত্ত
৪। নজৰুল সংখ্যা কাফেলা (১৩৯৪)
৫। প্ৰলয় শিখা।



---

"কবিতা সকলো প্ৰকাৰ জ্ঞানৰেই জীৱনী শক্তি আৰু শ্বাস প্ৰশ্বাস।"

ওৱার্ডছৱার্থ।

# প্ৰবাদ বাক্য আৰু গোৱালপাৰীয়া সমাজ

এ, এ, আমিন
স্নাতক মহলা (ক'লা)
চূড়ান্ত বৰ্ষ

পূৰণি গোৱালপাৰীয়া সম্প্ৰদায়ক দুটা ভাগত ভগাব পাৰি। প্ৰথম ভাগ কোচ ৰাজবংশীয় আৰু আনটো ভাগ উজানী মুছলমান। উজানি মুছলমানহতে গোৱালপাৰাৰ কোচ ৰাজবংশী সম্প্ৰদায়ৰ এক অপভ্ৰংশ ধৰ্ম্মান্তৰ শাখা। সিহঁতৰ কৃষ্টি, সভ্যতা, আচাৰ-ব্যৱহাৰ, ভাষা এতিয়ালৈকে বহুলাংশে কোচ ৰাজবংশীৰ লগত মিল দেখা যায়।

গোৱালপাৰীয়া কোচ ৰাজবংশীৰ ঐতিহ্যৰ বিশাল ইতিহাসৰ প্ৰকাশ নহলেও অতীতক সোঁৱৰণ কৰিবলৈ গুৰুমুখী বিদ্যাৰ প্ৰচলন সিহঁতৰ আছে। সেইবোৰ সিহঁতৰ বহুমূলীয়া প্ৰচলিভ প্ৰবাদ আৰু উপদেশ। ইয়াৰ পাতনিৰ লগে লগে সমাজৰ কথা আলোচনা কৰা হ'ল।

"নাই পাও ঘোঁৰা, দৌৰিবে কতো দূৰ ॥"

ভৰি নথকা ঘোঁৰাৰ কথাৰে এজন ব্যক্তিৰ সমৰ্থৰ কথা প্ৰমাণ কৰিছে। ইয়াত ভৰি নথকা ঘোঁৰা এটাৰ যেনেকৈ দৌৰৰ কোনো প্ৰশ্নই নুঠে; ঠিক তেনেকৈ আমাৰ গোৱালপাৰীয়া সমাজত কিছুমান মানুহ আছে যি সকলৰ কৰিবলৈ কোনো সমৰ্থ নাই অথচ মুখত বহুত কিবা-কিবি কৰিব খুজে তেনেকুৱা মানুহবোৰক উদ্দেশ্য কৰি উক্ত কথাফাঁকি আমাৰ এইখন গোৱালপাৰীয়া সমাজত অতীতৰ পৰা চলি আছে।

"পৰশীৰ সুখে অৰণ্যে বাস।
গিয়ানীৰ সুখে পন্তাত গাস ॥"

পাবা পৰশী অৰ্থাৎ ওচৰ-চুবুৰীয়া যদি ভাল হয় তেনেহ'লে জঙ্গলতো বাস কৰিব পৰা যায়। ঘৰৰ গৃহিনী-জনী ভাল হ'লে তাইৰ পৰিবেশনৰ গুণত তৃপ্তি অনুভৱ কৰিব পৰা যায়। গৃহস্থ জীৱনত পৰশী আৰু গৃহিনীৰ ওপৰত মানসিক সুখ-শান্তি বহু পৰিমাণে নিৰ্ভৰশীল। ইংৰাজীত এষাৰ প্ৰবাদ বাক্য আছে— "Upright Society is the heaven of villagers." পৰিবেশৰ কথা ভাবি চিন্তি গোৱালপাৰীয়া ৰাইজে গাওঁ পাতি বাস কৰি আছে।

"অলপ পানীত পুঠিৰ তেও, পুঠি নাজানে বাইশেও ॥"

অলপ মানে কম পানী। পুঠি মাছ সাধাৰণতে কম পানীত উঠি আহি অত্যাচাৰ কৰে যাৰ ফলত মাছমৰীয়াৰ জালত ধৰা পৰিবলগীয়াত পৰে। ঠিক তেনেদৰে আমাৰ গোৱালপাৰীয়া সমাজত কিছুমান মানুহ আছে, যিহঁতৰ নেকি অলপ কিবা এটা হ'লে সাধাৰণ মানুহক মানুহ

হিচাবে গণ্য নকৰে। আত্ম অহংকাৰত আত্মহাৰা হৈ পৰে। তেনেকুৱা ব্যক্তিৰ দ্বাৰা সমাজখনৰ কোনো প্ৰকাৰ উন্নতি আশা কৰিব নোৱাৰো।

"বাঘা ছাগা তেল আৰু জল
ফৰাক সদায় হাৱায় বল ॥"

ছাগলী আৰু বাঘ কেতিয়াও একেলগে বাস কৰিব নোৱাৰে, তেনেদৰে তেল আৰু পানী এক পাত্ৰত ৰখা সম্ভৱ নহয়। ছাগলী চৰিত্ৰহীন, বাঘ হিংসাকুৰীয়া আৰু আত্মগৌৰৱী/আত্মপ্ৰসাদী। সেয়ে ইয়াৰ তাৎপৰ্য্য বিশ্লেষণ কৰিলে বুজা যায় চৰিত্ৰহীন মানুহ যেনেকুৱা সমাজৰ বাবে আৰ্বজনা, তৎৰূপ আত্মপ্ৰসাদী, হিংসাকুৰীয়া মানুহ তেনে ক্ষতিকৰ। এই দুয়ো স্বভাৱৰ মানুহেও কেতিয়াও একত্ৰ বসবাস কৰিব নোৱাৰে। ইংৰাজীত এষাৰ কথা আছে— "Money loss is nothing loss, Health loss is something loss, But character loss is everything loss." আকৌ আন এষাৰ কথা হ'ল—"Proud is the downfull of all."

"তেল আৰু জল"— আমাৰ সমাজত তেল আৰু জল স্বভাৱৰ মানুহ দেখিবলৈ পোৱা যায়। কিছুমান মানুহ আছে– সিহঁতে নেকি নিজৰ স্বাৰ্থৰ বাবে আনৰ ওচৰত এজনৰ বিষয়ে হয়-নহয় কৈ বেয়াকৈ গোচৰ দি, তোষামদ কৰে। এইবিলাক মানুহক এইখন সমাজত তেলীয়া স্বভাৱৰ মানুহ হিচাবে আখ্যা দিয়া হৈছে। তেলীয়া স্বভাৱৰ মানুহ উই পোকৰ দৰে ক্ষতিকাৰক। ইহঁতে কদাপি আনৰ ভাল সহ্য কৰিব নোৱাৰে। সিহঁতে সমাজ সংগঠনৰ কামৰ অযোগ্য বুলি বিবেচিত হৈছে। আনহাতে, পানীৰ যেনেকৈ কোনো বৰণ নাই, ঠিক তেনেদৰে আমাৰ সমাজত কিছুমান মানুহ আছে সিহঁতৰ কোনো নিজা ব্যক্তিত্ব নাই। সিহঁতৰ ভাল বেয়া বিচাৰৰ কোনো ক্ষমতা নাই; এনে ধৰণৰ জাবৰৰ দৰে হাজাৰ-হাজাৰ মানুহৰ দ্বাৰা আমাৰ সমাজখনৰ কোনো প্ৰকাৰ উন্নতিৰ আশা কৰা ভুল হ'ব।

"নিৰ্ধনীয়াৰ পুত যদি হয় ধনবান ॥
মূৰ্খৰ পুতে যদি হয়তো বিদ্বান ॥
চোৰৰ পুত যদি হয়ৰে পণ্ডিত।
পৃথিৱী কাপে এই তিনিজনাৰ কষ্টিত ॥
দশেৰ-দেশেৰ হিত কোণ বেলায় না কৰে।
অহঙ্কাৰে মজে তিন গৌৰৱতে মৰে ॥"

উপৰোক্ত প্ৰবাদটো সমাজ সংগঠনমূলক নীতি কথা বিশেষ। কেতিয়াবা সুযোগ লৈ ব্যক্তি মূলক ভাৱেও ব্যৱহাৰ কৰা দেখা যায়। উল্লেখিত প্ৰবাদ ফাঁকিৰ পৰা বুজিব পৰা যায় যে দৰিদ্ৰৰ সন্তান যদি ধন ঘটি কিবা কাৰণত অকস্মাৎ ধনী হয়; তেন্তে দৰিদ্ৰ সন্তানজনে অতিৰিক্ত ধনৰ গৌৰৱত আত্মহাৰা হৈ উঠে। তেওঁ ধনৰ অহঙ্কাৰত মতলীয়া হৈ হিতা-হিত জ্ঞান শূন্য হৈ পৰে। তেওঁৰ ঘৰ-দুৱাৰ, সাজ-পাৰ সালসলনি হ'লেও মনৰ সলনি নহয়। তেওঁ যে দৰিদ্ৰ মানুহৰ সন্তান— সকৰে পৰা নিম্ন পৰ্য্যায়ৰ পৰিবেশত ডাঙৰ দীঘল হৈছে, সেই অতীত আচাৰ-ব্যৱহাৰ এতিয়া উচ্চ শিক্ষিত হোৱাৰ পাছতো মনৰ সংকীৰ্ণতাৰ বাবে সকলো ক্ষেত্ৰতে প্ৰকাশ পায়।

তেনেকৈ মূৰ্খ মানুহৰ ল'ৰাও যদি কেনেবাকৈ উচ্চ শিক্ষা লাভ কৰে, তেওঁও ঠিক মূৰ্খ মানুহৰ ঘৰত ডাঙৰ দীঘল হোৱা বাবে অতীত সংকীৰ্ণ মনভাৱৰ ফলত উচ্চ শিক্ষা লাভ কৰাৰ পিছতো অভ্যস্ত হোৱা ব্যৱহাৰৰ বাবে শিক্ষিত সমাজত ভালকৈ মিলি চলাত অসুবিধা আহি পৰে। ফলত মনৰ গৌৰৱত সমাজ ত্যাগ কৰিবলগীয়া হয়।

আনহাতে চোৰৰ ল'ৰা যদি পণ্ডিত হয়, তেওঁ তেওঁৰ দেউতাকৰ অতীত জীৱনি ভুল গৈ বাস্তৱ গৌৰৱেৰে সাধাৰণ মানুহৰ মন জয় কৰাৰ ঠাইত ভাঙিহে দিয়ে।

ওপৰোক্ত তিনি গৰাকী মানুহৰ লগৰ চৰিত্ৰৰ পৰা আমাৰ এইখন সমাজত যে অতীতৰ পৰা বৰ্তমানলৈকে

মুকলি মনৰ আৰু স্বাৰ্থ ত্যাগী মানুহৰ জন্মৰ লগতে কিছুমান আত্মগৌৰৱী নিম্ন মনৰ মানুহৰ জন্ম পৰিবেশৰ অৰ্থাৎ পিতৃৰ গুণৰ ওপৰত নিৰ্ভৰ কৰি থাকে তাক স্পষ্টকৈ বুজিব পাৰো। এই তিনি গৰাকী মানুহৰ দ্বাৰা আমাৰ সমাজৰ মঙ্গল নহয় বৰং ক্ষতিৰ আশংকা বেছি। সিহঁত নিম্ন পৰিবেশত জীৱন গঢ় দিয়া বাবে অহংকাৰী হৈ উঠে, যাৰ ফলত উচ্চশিক্ষা ধনী আৰু গুণী হৈও সমাজত স্থান নোপোৱা হয়। সিহঁত সমাজ সংগঠনৰ কামৰ একেবাৰে অযোগ্য।

"আপোন ভালে, জগত ভাল।"

আপোন বুলি নিজকে কোৱা হৈছে আৰু জগত মানে সংসাৰৰ সকলোকে বুজাইছে। যদি নিজে সৎ চৰিত্ৰৰ হব পৰা যায়, দয়ালু হোৱা যায় আৰু নিস্বাৰ্থ হব পৰায়, তেনেহ'লে দেখিবলৈ পোৱা যায় পৃথিৱীত থকা সকলে ভাল ব্যৱহাৰ দিয়ে। আৰু তেতিয়া সুখ শান্তিৰে সংসাৰত বাস কৰা যায়। কিন্তু যদি অসৎ চৰিত্ৰৰ হৈ আনৰ লগত বেয়া ব্যৱহাৰ কৰা হয়, তেতিয়া হ'লে সংসাৰৰ সকলোৰে লগত হাই কাজিয়া লাগিব আৰু সংসাৰৰ সকলোৱে নিজৰ কাৰণে বেয়া হৈ উঠিব। সেয়ে প্ৰবাদ বাক্য মতে---নিজৰ চৰিত্ৰ ভাল হ'লে নিশ্চয় আনৰ চৰিত্ৰও ভাল কৰিবলৈ চেষ্টা কৰা যায়, কিন্তু নিজে বেয়া চৰিত্ৰৰ হ'লে আনৰ ভাল বেয়া বুজিব নোৱাৰি। গতিকে নিজে ভাল হ'লে সংসাৰত কোনেও বেয়া থাকিব নোৱাৰে। তেতিয়া নিশ্চয় আমাৰ সমাজখনৰ লগতে অসম মাতৃৰ ঐক্য, সংহতি অক্ষুন্ন থাকিব। সকলোৱে নিজক সংশোধন কৰি লোৱাটোৱে মহৎ লোকৰ পৰিচয়।

"গবৰত পদ্মফুল।"

গবৰ মানে গৰুৱে ত্যাগ কৰা মলমূত্ৰ আৰু পদ্মফুল মানে পদুম ফুল। ইয়াত গবৰ মানে বেয়া পৰিয়ালৰ কথা কোৱা হৈছে আৰু পদ্মফুল শব্দৰে এজন সু-সন্তানৰ কথাকে বুজাইছে। আমাৰ এইখন সমাজত কেতিয়াবা-কেতিয়াবা বেয়া পৰিয়ালৰ পৰাও সু-সন্তান জন্ম গ্ৰহণ কৰা দেখা গৈছে। কিছুমান ল'ৰা আছে, তেওঁলোকে বেয়া পৰিয়ালত জন্ম গ্ৰহণ কৰা স্বত্বেও আমাৰ সমাজত সিহঁতৰ স্থান উচ্চ। সিহঁত সৰুৰে পৰা ডাঙৰক কেনেকৈ সন্মান কৰিব লাগে আৰু সৰুক কেনেকৈ মৰম কৰিব লাগে আৰু আন অচিনাকি মানুহৰ লগত কেনেকৈ আচাৰ ব্যৱহাৰ কৰিব, দেশৰ প্ৰতি থকা ভক্তি, শিক্ষা গুৰুক দিয়া সন্মান সকলোবোৰ ভাল গুণৰ অধিকাৰী "পবিত্ৰ জলৰ" নিচিনা আমাৰ সমাজৰ যশস্যা বঢ়ায়। এওঁলোকৰ দ্বাৰা আমাৰ সমাজ, অসম তথা ভাৰত মাতৃৰও উন্নতি হ'ব পাৰে। এওঁলোক অকল পৰিয়ালটিৰ বাবে পদ্ম ফুল নহয়, গোটেই দেশৰ হ'কে পদ্মফুল।

"জাতেৰ ধাৰা যদিও নাধৰে তবুতো থোৰা।"

এই কথাষাৰ তাৎপৰ্য্যপূৰ্ণ। জাতেৰ ধাৰা বহুত অৰ্থ বিশিষ্ট। ইয়াত জাত শব্দটো কোনো সম্প্ৰদায়ক উদ্দেশ্য কৰি কোৱা নাই, এটা বংশ আৰু এখন পৰিয়ালক উদ্দেশ্য কৰিয়ে কোৱা হৈছে। ধাৰা--- অৰ্থ ইয়াত প্ৰবাহ বুজাইছে। এজন ল'ৰাৰ ওপৰত ল'ৰাজনৰ বংশৰ নাইবা পৰিয়ালৰ ভাল-বেয়া গুণবোৰ কম বেছি পৰিমাণে প্ৰতিফলিত হয়। এজন ল'ৰাই যদি উত্তম চৰিত্ৰৰ অধিকাৰী হৈ থাকে আৰু সেই ল'ৰাটিৰ পিতাই যদি সৎ চৰিত্ৰৱান নহয় তেনেহলে পিতাৰ অসৎ চৰিত্ৰজনিত দোষবোৰ হেজাৰ চেষ্টা কৰিলেও এদিনাখন তাৰ চৰিত্ৰৰ ওপৰত প্ৰতিফলিত হবই। অকল চৰিত্ৰৰ দোষেই নহয় পিতৃ মাতৃৰ দুৰাৰোগ্য ব্যধিও সন্তানৰ গাত সংক্ৰমিত হয়। জন্ম সংস্কাৰ কেতিয়াও এৰা নপৰে।

পিতাই সন্তানৰ আদি মূল। পিতাৰ বিন্দু বিন্দু তেজেস্বিত শুক্ৰৰ পৰাই সন্তানৰ জন্ম হয়। পুৰাণ বা দৰ্শন শাস্ত্ৰ সম্মত হিচাবে পিতৃতেজ যথা সম্ভৱ নিৰ্দোষ হোৱা প্ৰয়োজন। পিতৃতেজ যদি নিৰ্দোষ নহয়, দোষিত হয়, তেনেহলে সেই পিতৃৰ দোষিত তেজৰ পৰা সৃষ্টি

হোৱা সন্তান কেতিয়াও নিৰ্দোষ হ'ব নোৱাৰে। দোষিত হ'বই। ইয়াক জন্ম সংস্কাৰ বা জাতৰ ধাৰা বুলি কোৱা হৈছে। ইয়াকে ৰক্ত সম্পৰ্ক অৰ্থাৎ তেজৰ লগত তেজৰ মিল থকা বংশ পৰিয়ালক বুজায়। গতিকে ভালদৰে চিন্তা কৰিলে দেখা যায় যে দোষিত তেজৰ পৰা সৃষ্টি হোৱা সন্তান বোৰৰ ভৱিষ্যৎ উজ্জ্বল নহয়।

"মোল্যাৰ দৌৰ মৰজিদ পৰ্য্যন্ত।"

উক্ত প্ৰবাদ বাক্য উজনী মুছলমান সকলোৰ বাবে প্ৰযোজ্য। মোল্যা ইয়াত নামাজ পঢ়া মুন্সীক বুজোৱা হৈছে। মৰজিদ মানে পৱিত্ৰ স্থান মহজিদৰ য'ত মুছলমান সকলে নামাজ পঢ়ে আৰু পৱিত্ৰ কোৰাণ পাঠ কৰে। মুন্সী নামাজ পঢ়াৰ বাবে মহজিদলৈ যায় - এয়া সকলোৰে জনা কথা। ঠিক তেনেদৰে মুন্সী আৰু মহজিদক কেন্দ্ৰ কৰি কিছুমান মানুহৰ সমৰ্থ অৰ্থাৎ কামৰ দক্ষতা আগতে জনা থাকে বুলি উক্ত কথাফাঁকিৰে বুজাইছে। তেনেদৰে ব্ৰাহ্মণৰ লক্ষ্যও মন্দিৰলৈকে থকা বুজায়।

"কানা খোড়া ভেঙুৰ।
তিন হাৰামীৰ নেঙুৰ।।"

অন্ধ মানুহে পৃথিৱীৰ ভাল-বেয়া কোনো বস্তুকে দেখা নাপায়। সিহঁতৰ মন যিমান ভাল বুলি ভবা নাযায় কিয় চকুৰে দেখা নোপোৱা বাবে স্বাভাৱিকতে সিহঁত সন্দেহান মনৰ হয়। তদুপৰি সিহঁত সকলো সময়তে পৰনিৰ্ভৰশীল, খোড়া অৰ্থাৎ খোজ কঢ়াৰ স্বাভাৱিক অৱস্থা সিহঁতৰ নাই। সিহঁতৰ মনো সন্দিহানযুক্ত হয়। ঠিক তেনেকুৱা কাণেৰে নুশুনা মানুহৰ মনও ভাল নহয়। সিহঁত সন্দিহান মনৰ মানুহ। সিহঁতে নিজে নেদেখে, ভালকৈ শুনা নাপায় আৰু বুলিবও নোৱাৰে, গতিকে সন্দিহান মনেৰে আনক বিশ্বাস কৰিব নোৱাৰে। সিহঁত বৰ শঠ হয়। সিহঁতক কেতিয়াও বিশ্বাস কৰা নাযায়।

"মন ভালো যাঁৰ, বনত সোণা"

উক্ত প্ৰবাদ বাক্যটোৰে আমাৰ এইখন সমাজ বাস কৰা মানুহৰ মন সম্পৰ্কে বিশ্লেষণ কৰিছে। আমাৰ এইখন সমাজত কিছুমান মানুহ আছে সিহঁতে কাকো সহজে বিশ্বাস কৰিব নোৱাৰে যাৰ ফলত ঠগ খায়। আনহাতে কিছুমান মানুহ আছে সিহঁতে মনৰ বিশুদ্ধতাৰ বাবে সকলোকে আপোন কৰি তুলিব পাৰে। এওঁলোকৰ বাবে বনতো সোণ পোৱাৰ লেখীয়া হয়। এয়া শুদ্ধ মনৰ পৰিচয় দিয়ে। এওঁলোকে আমাৰ সমাজৰ তথা দেশৰ গৌৰৱ স্বৰূপ। এওঁলোকৰ দ্বাৰা সমাজখনৰ লগতে দেশৰ উন্নতি দ্ৰুতগতিত হব পাৰে।

"পাচঁ পণ্ডিতেৰ সাথে নাই পাতালতো দুখ।
শ-মূৰ্খেৰ সাথে নাই স্বৰ্গে গেইলে সুখ।।"

পাতাল পৃথিৱীৰ তল পৃষ্ঠ, মানুহৰ অজানিত দেশ। তেনেকুৱা কোনো অজান দেশলৈ গৈ পণ্ডিত অৰ্থাৎ বিজ্ঞ মানুহৰ লগত বসবাস কৰিবলগীয়া হ'লেও তাত সুখ পোৱা সম্ভৱ। পণ্ডিত সকলোৰ দূৰদৰ্শিতা আদি গুণে সকলো সময়ত বিপদ মুক্ত হৈ নিৰাপদে জীৱন যাত্ৰা কৰা সম্ভৱ হয়। স্বৰ্গ যদিও চকুৰে দেখা নাযায় তথাপি তাক উচ্চ স্থান দিয়া হৈছে। কোনো কোনোৰ মতে তাত দেৱ-দেৱী, কোনো কোনোৰ মতে তাত ভগৱানৰ বাসস্থান। স্বৰ্গত হিংসা, দ্বেষ, জৰা, মৃত্যু নাই। সুখেৰে ভৰপুৰ। তেনেকুৱা সুখেৰে ভৰা কোনো ৰাজ্য বা ঠাই যদি থাকে তথাপি তাত শ-মূৰ্খকলৈ বসবাস কৰা নিৰাপদ নহয়। তাত সুখ পোৱা কোনো সম্ভৱনাই নাথাকে। মূৰ্খহঁতৰ অজ্ঞনতা জনিত কৰ্মই জীৱনক খোজে প্ৰতি বিভ্ৰান্ত কৰে। সুখতকৈ দুখৰ প্ৰতিক্ৰিয়াই হয় অধিক। গতিকে মূৰ্খ অৰ্থাৎ বিবেকহীন মানুহৰ সম্পৰ্ক এৰি বিজ্ঞ জনৰ লগত বসবাস কৰিলে যিকোনো ঠাইত নিৰাপদে জীৱন যাপন কৰিব পৰা যায়।

এই প্ৰবাদটোৱে সিহঁতৰ অতীত সমাজখনৰ প্ৰতিছবি দাঙি ধৰে।

'য ৰটে, কিছুনা কিছু বটে।'

য-ৰটে মানে— যি প্ৰচাৰ বা প্ৰকাশ পায় আৰু বটে মানে সৎ হয়। আমাৰ সমাজখনত অতীতৰ পৰা, কিছুমান কথা হয়/নহয় প্ৰকাশ পায়। এই কথাবোৰ সত্য- সত্যা বিচাৰ কৰিলে দেখা যায় যে যি বোৰ কথা প্ৰকাশ পায় তাত আংশিক হ'লেও সৎ লুকাই থাকে। গতিকে যিটো কথা অলপ অলপ প্ৰচাৰ হয়, সেইবোৰ আংশিক পৰিমাণে সত্য হয়।

"সঙ্গ গুণে ৰঙ্গ ধৰে।"

গোৱালপাৰীয়া সকলে সন্তান পালনৰ ক্ষেত্ৰত এই কথা বেছিকৈ ব্যৱহাৰ কৰে। এই কথাষাৰ সমাজ সংগঠন মূলক কথাৰ অংশ বিশেষ। এজন অসৎ মানুহ যদি কিছুমান চৰিত্ৰবান মানুহৰ লগত চলা-ফুৰা কৰে, সিহঁতৰ লগত বাস কৰিবলৈ লয়, সেই মানুহজনে চৰিত্ৰবান মানুহৰ লগত আলাপ আলোচনা, চলন ফুৰণ আদব-কায়দা সকলো বিষয় জানি শুনি নিজেও সেই বিলাকৰ লগত সকলো বিষয় খাপ খুৱাই চলাৰ চেষ্টা কৰাৰ ফলত লাহে লাহে মানুহজনৰ চৰিত্ৰৰ সলনি হৈ যায় আৰু চৰিত্ৰবান হয়। ঠিক তেনেকুৱা ভাৱে এজন সৎ মানুহ যদি অসৎ চৰিত্ৰৰ মানুহৰ লগত অনাবিল মিলাপ্ৰীতি কৰে তেনেহ'লে অসৎ চৰিত্ৰৰ মানুহ-বোৰে লাহে লাহে ফুচুলাই সেই মানুহজনক সিহঁতৰ দল ভুক্ত কৰিবলৈ চেষ্টা কৰে। মানুহ জনেও লাহে লাহে সিহঁতৰ লগত খোজ মিলাই সময়ত অসৎ কৰ্মত লিপ্ত হবলগীয়া হয় আৰু দিনক দিনে অধঃপতনলৈ নামি আহে। ঠিক তেনেকুৱা ভাৱে ল'ৰা-ছোৱালী প্ৰতি পালনৰ ক্ষেত্ৰতো এই কথাষাৰ প্ৰযোজ্য। এখন ঠাইৰ, এখন সমাজৰ সকলো ল'ৰা-ছোৱালী ভাল নহয়। সকলো ল'ৰা-ছোৱালীয়ে খেল ধেমালীৰ লগৰী বিচাৰি ফুৰে। এই সময়ত লগৰী বিচাৰি ফুৰাটো প্ৰকৃতিৰ এটা অৱদান। কম বেছি সকলো ল'ৰা-ছোৱালী লগৰী ভাল পায়। গতিকে ল'ৰা-ছোৱালী প্ৰতি পালনৰ ক্ষেত্ৰত লক্ষ্য ৰখা উচিত যে কোনো ল'ৰা-ছোৱালীয়ে যাতে বেয়া সঙ্গ নলয়। বেয়া সঙ্গ পালে সিহঁতৰ শিশুমন অতি সোনকালে বেয়াৰ পিনে ঢাল খায়। সিহঁত বেয়া হৈ যায়। ঠিক তেনেকুৱাকৈ ধৰ্মা-ধৰ্মৰ ক্ষেত্ৰতো সুন্দৰ ভাৱে প্ৰযোজ্য হয়।

"Society is a Part of Nation
Children are future of Nation
but they creat over the Society."

সমাজ জাতিৰ অংশ বিশেষ। ল'ৰা-ছোৱালী জাতিৰ ভৱিষ্যৎ। সমাজ আৰু ল'ৰা-ছোৱালী পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰে। যি জাতিৰ সমাজ ব্যৱস্থা আৰু পৰিবেশ যিমান সুন্দৰ, সেই জাতিৰ ল'ৰা-ছোৱালীও সিমান সুন্দৰ। সেই জাতিৰ ভৱিষ্যতও তেনে উজ্বল। গতিকে ভালকৈ গমি চালে দেখা যায় গোৱালপাৰীয়াৰ সমাজ দৰ্শন ব্যৱস্থা উন্নত আছিল।

উক্ত প্ৰবাদবোৰৰ তত্বানুযায়ী এই কথা প্ৰতিপন্ন হয় যে, গোৱালপাৰীয়াই অকল ভালটোহে বিচাৰিছে। তেনেহলে সিহঁতৰ মাজত কি বেয়া মানুহ নাছিল? যদি আছিল সেইবোৰ লৈ সিহঁতে কি সমাধান কৰিছিল? উক্ত প্ৰসঙ্গৰ সমিধানাৰ্থে এই কথাৰে অৱতৰণা কৰা যায় যে—

"নদীৰ মাছ হৈল নানান জাতি।
ৰুই, ইলিশা, খৈলশা, পুঠি।।'

এখন নৈত অকল ৰৌ, ইলিছ জাতীয় ডাঙৰ ডাঙৰ মাছেই নাথাকে, তাত পুঠি খলিহ জাতীয় বিবিধ ধৰণৰ সৰু-সৰু মাছো থাকে, ঠিক এখন নৈৰ দৰে এখন সমাজ

নাইবা এটা সম্প্ৰদায়। নৈৰ মাছৰ দৰে এখন সমাজত নাইবা এটা সম্প্ৰদায়তো বিভিন্ন ধৰণৰ মানুহৰ সৃষ্টি হয়। আৰু এখন নদীৰ দৰে সমাজ এখন, সম্প্ৰদায় এটা ভৱিষ্যৎলৈ আগবাঢ়ি যাব লাগে। এখন নৈত যেনেকৈ সৰু বৰ সকলো ধৰণৰ মাছ অপৰিহাৰ্য্য, এখন সমাজতো তেনে বিবিধ মানুহ অপৰিহাৰ্য্য। গোৱালপাৰীয়াৰ এই প্ৰবাদটোৱে মানৱ সমাজখনক নৈৰ লগত তুলনা কৰিছে। সৰু বৰ মাছৰ লগত জ্ঞানী, গুণী, ধনী দুখীয়া সকলো শ্ৰেণীৰ মানুহক তুলনা কৰা দেখা যায়।

"নিছলীয়াক না কৰিস হেলা।
তাকো লাগিবে নিদানেৰ বেলা॥"

হে মানৱ সমাজ! তুমি সমাজৰ দুখীয়া মানুহবোৰক চাই কেতিয়াও হীন মানাভাবাপন্ন হৈ নিজকে ডাঙৰ ভাবি নিছলীয়া দুখীয়া বোৰক অৱহেলা নকৰিবা। তোমালোকৰ বিপদে আপদে এওঁলোকৰ পৰা সহায় পাবা। সেয়ে তুমি এওঁলোকক ভাল পাবলৈ শিকা। এই কথা ফাঁকিৰে সিহঁতৰ সাম্যবাদ নীতি অনুকৰণ কৰা কথাকে বুজাইছে।

"বাপেৰ চাইতে বেটা শিয়ান।
পুছি পুছি নেয় গিয়ান॥"

গোৱালপাৰীয়া বিলাকৰ পাৰিবাৰিক ভিত্তিত এই কথা· যাৰৰ উদ্ভৱ হৈছে। যি ল'ৰাই ভাল বুদ্ধিমান সি পিতা নাইবা তেনে বৃদ্ধৰ ওচৰত বহে। শিকিবলগীয়া নানা কথা আলোচনা কৰি মীমাংসা কৰি লয়, অভিজ্ঞতাৰ সঞ্চয় কৰে, কাৰণ বৃদ্ধ বিলাকৰ জ্ঞান অভিজ্ঞতা ল'ৰা-ছোৱালী বোৰৰ জ্ঞানতকৈ বহুত গুণে বেছি থাকে। গতিকে এই কথা কোৱা যায় যে সিহঁতৰ পিতা-পুত্ৰ সম্পৰ্ক বৰ মধুৰ আৰু জ্ঞান স্পৃহা অতিশয় প্ৰৱল আছিল।

"পিতৃঋণ মাতৃঋণ সগাৰে থাকি বৰ।
যদিও না হয় শোধ তবু চেষ্টা কৰ॥
পিতৃঋণ শোধ হয় মাত্ৰ অৰ্দ্ধখান।
মাতৃঋণ না হয় শোধ তিলেৰ সমান॥"

গোৱালপাৰীয়া সমাজত সন্তানহঁতলৈ এয়া শিক্ষা মূলক উপদেশ বিশেষ। হে সন্তানহঁত তোমালোকে যিয়ে নকৰা লাগে "পিতা-মাতাৰ যত্ন লোৱা।" পিতা-মাতাৰ ঋণ কেতিয়াও পৰিশোধ নহলেও তাক লাঘৱ কৰিবলৈ চেষ্টা কৰা। পিতৃ-মাতৃৰ সেৱাতেই সিহঁতৰ ঋণ পৰিশোধ কৰাৰ চেষ্টা কৰা। তোমালোকে শত চেষ্টা কৰিলে হয়টো পিতৃ ঋণৰ আধা পৰিশোধ কৰিব পাৰিবা; কিন্তু মাতৃ ঋণ শত চেষ্টা কৰিলেও অকণ তিলৰ সমানো পৰিশোধ কৰিব নোৱাৰিবা। গতিকে পিতা-মাতাক যত্ন কৰি সিহঁতক সন্তোষ কৰি সিহঁতৰ পৰা তুমি ঋণ মুক্তিৰ প্ৰাৰ্থনা কৰা। এই ঋণৰ পৰা তেওঁলোকে মুক্তি নিদিলে ঋণ মুক্তিৰ আৰু কোনো উপায় নাই। এই শ্লোকফাঁকিৰ পিনে লক্ষ্য কৰিলে দেখা যায় যে, গোৱালপাৰীয়া সকলে অকল পিতাকে ঈশ্বৰ তুল্য জ্ঞান কৰা নাই, সেই অনুপাতে মাতালৈও সমপৰ্য্যায়ৰ শ্ৰদ্ধা ভক্তি ৰাখিছিল।

"জননী জন্ম ভূমিশ্চ স্বৰ্গাদপি গৰিয়সী।"

"স্বামী ইষ্ট, স্বামী গুৰু, স্বামী বন্ধুজন
এই জন্মে স্বামী সেৱা মুক্তিৰ কাৰণ।"

গোৱালপাৰীয়া নাৰীৰ উক্ত প্ৰবাদটোৱে নাৰীৰ স্বামী ভক্তিৰ আদৰ্শৰ এক উজ্বল দৃষ্টান্ত। নাৰী বিলাকে এনে স্বামী ভক্তি পৰায়ণা আছিল যে, স্বামীৰ মৃত্যুৰ লগত পতিভক্তি পৰায়ণা নাৰীয়ে স্বামীৰ লগতে সহমৰণ বৰণ কৰিছিল। গোৱালপাৰীয়া কোচ ৰাজবংশীয়সকলে নাৰীৰ এনেকুৱা সহমৰণ সতী যোৱা বুলি কৈছিল। আৰু উক্ত প্ৰৱাদটি তেনে নাৰীৰ মুখত শুনা গৈছিল।

"দিলে স্যেন পায়।"

গোৱালপাৰীয়া সম্প্ৰদায়ৰ বহুতো ক্ষেত্ৰতে যোজনাটি

প্ৰচলিত প্ৰবাদ। কথাষাৰৰ তাৎপৰ্য্য বিচাৰ কৰিলে দেখা যায় যে,— স্বামী-স্ত্ৰী, পিতা-পুত্ৰ, আত্মীয় বান্ধৱ, উত্তমৰ্ণ-অধমৰ্ণ সকলোৰে ক্ষেত্ৰতে দেনা পাওনাৰ এটা ডাঙৰ আদান-প্ৰদানৰ তথ্য লুকাই আছে। স্বামীয়ে যি পৰিমাণে পত্নীক ভাল পায়, পত্নীয়ে সেই পৰিমাণে স্বামীলৈ অন্তৰৰ ভালপোৱা নিবেদন কৰে। পিতাই পুত্ৰলৈ যি পৰিমাণে ভালপায়, মৰম চেনেহ কৰে, সন্তানে পিতালৈ ঠিক সেই অনুপাতে ভাল পায় শ্ৰদ্ধা ভক্তি কৰে। এজন নেতাই এখন সমাজৰ, এখন দেশক, যি পৰিমাণে ভাল পাই সমাজৰ হ'কে দেশৰ হকে আত্মোৎসৰ্গ কৰে সমাজ আৰু দেশ-দহেও নেতাজনক সেই পৰিমাণে ভাল পায়, শ্ৰদ্ধা কৰে, তেওঁৰ যশস্যাৰ গুণকীৰ্ত্তন কৰে। ব্যৱসায়ৰ ক্ষেত্ৰতো ঠিক একে কথা খাটে। লগতে উচ্চ-নিম্ন খাপৰ মানুহৰ মাজতো উপৰোক্ত ধৰণে উক্ত প্ৰৱাদটি প্ৰযোজ্য হৈ পৰিছে। গতিকে দেখা যায়, সকলো ঠাইতে একে কথা। কিছু দিলেহে কিছু পোৱাৰ সম্ভাৱনা থাকে। নিদিলে পোৱাৰ আশা নাথাকে। অতীতৰ এই সম্প্ৰদায়ৰ পণ্ডিত সকলে সাম্প্ৰদায়িক ভিত্তিত কোনো কথাৰ অৱতাৰণা কৰা নাই। সকলো ক্ষেত্ৰতে সকলো সম্প্ৰদায়ৰ গ্ৰহণ যোগ্য উপদেশ দি গৈছে।

"যাৰ নাই কুলেৰ মান
কেনে জোৰ বিয়েৰ গান।"

যি জনৰ নিজৰ কুল গৌৰৱ নাই, বংশ মৰ্য্যদা নাই সি জনৰ বিয়াৰ কথা পাতিবলৈ যোৱা নিৰৰ্থক বুলি কৈছে। কিয়নো সিহঁতে কেতিয়াবা বিয়া কৰালেও আত্ম প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। পিচলৈ গৈ সিহঁতৰ ভৱিষ্যৎ বংশধৰ বিলাকেও কুলহীন, বংশ মৰ্য্যদাহীন হৈ দিন নিয়াবলৈ বাধ্য হয়। গতিকে আত্ম প্ৰতিষ্ঠা নোহোৱা দৰালৈ ছোৱালী দিয়াৰ কোনো অৰ্থ নাই বুলি উল্লেখ কৰিছে।

"মাটি গুণে ভিটি
মাও গুণে বেটী।
মাটি গুণে ভেটা
বাপ গুণে বেটা।।"

ঘৰৰ ভেটিৰ মাটি ভাল হলে সেই ঘৰখনৰ স্থায়ীত্ব অধিক হয়, ধুনীয়াকৈ সজাব পাৰি। যি মাটি যেনে আঠালেতীয়া সেই মাটিৰ দ্বাৰা প্ৰস্তুত কৰা বস্তুও সিমানে সুন্দৰ আৰু টান হয়। ঠিক তেনেকৈ ছোৱালী নাইবা ল'ৰাৰ মাক দেউতাক যদি ভাল হয়, তেনেহলে মাকে ছোৱালী জনীক ভালকৈ শিকাই বুজাই তুলিব পাৰে। মাকৰ চৰিত্ৰ অনুযায়ী আচাৰ ব্যৱহাৰ কৰ্ম কৌশল সকলো গুণবোৰ ছোৱালীয়ে আয়ত্ব কৰে। গতিকে বিয়াৰ ক্ষেত্ৰত সৎ চৰিত্ৰৰ মাক থকা পৰিয়ালৰ ছোৱালী চাই বিয়া কৰা মঙ্গল। পিতাৰ চৰিত্ৰ আৰু স্বাস্থ্যৰ গুণাগুণৰ ওপৰতো সন্তানৰ চৰিত্ৰ আৰু স্বাস্থ্য নিৰ্ভৰ কৰে। যি পিতৃ যেনে চৰিত্ৰৰ আৰু যেনে প্ৰতি-পতিশীল সেই পিতাৰ সন্তানো তেনেকুৱা হয়। পুত্ৰ সকলো সময়ত পিতৃ স্বভাৱৰ আৰু কন্যা মাতৃ স্বভাৱ অনুকৰণ কৰে। গতিকে পিতাৰ চৰিত্ৰৰ ভাল বেয়াৰ খবৰ জানিলৈ ল'ৰাৰ ভাল বেয়াৰ বিচাৰ কৰি ছোৱালী বিয়া দিবলৈ অভিমত প্ৰকাশ কৰা দেখা যায়।

"আগা হাল খেদি যায়
পাছা হালো অদি যায়।।"

উক্ত শ্লোকফাঁকি গোৱালপাৰীয়া কৃষি জীৱি মানুহৰ কৃষি কাৰ্য্যক ভিত্তি কৰি মানৱ সমাজৰ অতীত বৰ্ত্তমান আৰু ভবিষ্যতৰ সম্পৰ্কে মানুহ এজনৰ প্ৰভাৱ যে তাৰ পৰবৰ্ত্তী বংশধৰ ওপৰত পৰে তাকে প্ৰমাণ কৰিব বিছাৰিছে। ইয়াত আগা হাল মানে কৃষক সকল পথাৰত শাৰীপাতি এটাৰ পিছত এটাকৈ হাল দি হাল বাই যোৱাকে বুজাইছে অৰ্থ্যাৎ আগত থকা হালুৱা জনক লক্ষ্য কৰি পিছৰ হালুৱাই হাল বোৱাই যায়। ঠিক তৎৰূপে, এজন মানুহৰ কৰ্ম লক্ষ্য কৰি তাৰ পৰবৰ্ত্তী বংশধৰ সকলো আগুৱাই যায়। সমাজ সংগঠনৰ ক্ষেত্ৰতো, তেনেকুৱা ফলকেই দেখিবলৈ পোৱা যায়। এজন নেতাক লক্ষ্য কৰি তাৰ

তাৰ পৰবৰ্ত্তী নেতাজনো দেশৰ হকে একে এনেধৰণে কাম কৰা দেখা যায়।

গোৱালপাৰীয়া সম্প্ৰদায়ৰ এনেকুৱা অজস্ৰ সমাজনীতি বাচক আৰু অন্যান্য নীতি মূলক প্ৰবাদ প্ৰচলিত আছে। সেইবিলাক একত্ৰ সন্নিবিষ্ট কৰিলে সমাজখনৰ কৃষ্টিমূলক আলোচনাৰ ডাঙৰ গ্ৰন্থ হ'ব পাৰে। ইয়াত তাৰে কিছুমান প্ৰবাদ বাক্যৰে সমাজখনৰ এখন দাপোনৰ আগত ধৰা হ'ল। ইয়াত যি আভাষ পোৱা যায় তাৰ পৰা সহজতে অনুমান কৰিব পাৰি যে, গোৱালপাৰীয়া সকলৰ আজিৰ এই অনুন্নত সমাজখন প্ৰকৃততে এদিনাখন অনুন্নত নাছিল। অতীতত সিহঁতে তৎকালীন প্ৰয়োজনীয় শিক্ষাত শিক্ষিত আছিল। আৰু আদৰ্শ সমাজৰূপে পৰিচয় দিয়াৰ দক্ষতা সিহঁতৰ আছিল।

গোৱালপাৰীয়া সকলৰ এইধৰণৰ প্ৰবাদ বাক্যৰ লগতে লোকগীত, আচাৰ ব্যৱহাৰ অতীত ঐতিহ্য, সংস্কৃতি, কৃষ্টি সভ্যতাৰ নিদৰ্শন স্বৰূপ। বৰ্ত্তমানৰ গোৱালপাৰীয়া সম্প্ৰদায়ে তেওঁলোকৰ সাংস্কৃতিক কৃষ্টি হেৰুৱাই পেলাই অইন অইন বিভিন্ন সম্প্ৰদায়ৰ সাংস্কৃতিক কৃষ্টি অনুকৰণ কৰিবলৈ গৈ বৰ্ত্তমান তেওঁলোকে লাঞ্চিত হোৱাৰ বাহিৰে কোনো সম্প্ৰদায়ৰে প্ৰিয় ভাজন হ'ব পৰা নাই। সংস্কৃতি, কৃষ্টি সভ্যতাই সম্প্ৰদায় আৰু জাতিৰ মেৰু দণ্ড। গোৱালপাৰীয়া সম্প্ৰদায়ৰ সুপ্ত সংস্কৃতি, কৃষ্টি তেওঁলোকৰ মাজত অনুপ্ৰেৰণা জগোৱা হ'লে এই সম্প্ৰদায়টোৰ ভৱিষ্যৎ চেতনা আহিব পাৰে। হেৰুৱা সংস্কৃতি, কৃষ্টি সভ্যতা উদ্ধাৰ কৰিবলৈ যোৱা সহজ নহয় যদিও, ইয়াৰে আমি বুকুত সাহস বান্ধি আগুৱাই যাব পাৰো যে, 'কুনটা কিনটা' শব্দৰ ওপৰত নিৰ্ভৰ কৰি যদি মাৰ্কিনৰ অজ্ঞতে কুলশীল পৰিয়ালৰ সন্তান অলেস্ক হেলীয়ে মাৰ্কিনৰ অবহেলিত ক্ৰীতদাস সকলৰ ঐতিহ্য বিকাশ, সংস্কৃতি কৃষ্টি বিকাশ জগতত এক আলোড়ন আনিব পাৰে, আৰু আমি? আমি নোৱাৰিমেই বা কিয়? অলেস্ক হেলীতকৈ সহস্ৰ গুণ বেছি নিৰ্ভৰশীল সাংস্কৃতিক নিদৰ্শন আমাৰ হাতত জিলিকি আছে। আমি তাৰ সৎ ব্যৱহাৰ কৰি জীৱন্ত ৰূপ দিব পাৰিলেও হব।

সহিদ শব্দৰ পৰাই সাহিত্যৰ সৃষ্টি হৈছে। সমাজৰ, সম্প্ৰদায়ৰ, জাতিৰ উন্নতি চেতনা অনুপ্ৰেৰণা জগোৱাই সাহিত্যৰ শ্ৰেষ্ঠ উদ্দেশ্য। আৰু এই উদ্দেশ্যক সাৰোগত কৰি গোৱালপাৰীয়া সম্প্ৰদায়ৰ অতীত ঐতিহ্য, সাংস্কৃতিক কৃষ্টি সভ্যতাৰ চমু আলোচনাৰ সূত্ৰ পাতেই— "গোৱালপাৰীয়া সমাজ সভ্যতা আৰু সাংস্কৃতিক পৰিচয়ৰ জন্ম হয়।

আমাৰ সকলোৰে ব্যক্তিগত ইচ্ছা থাকিলে নিশ্চয় মামৰে ধৰা সমাজখন আকৌ মামৰ মুক্ত হৈ এখন অতীত মণ্ডিত সমাজৰ পুণৰ স্বঞ্জীৱিত হ'ব। এয়ে অসংখ্য প্ৰবাদ বাক্য এয়াই আমাৰ গোৱালপাৰীয়া সমাজ।

# ভূমিকম্পৰ আগজাননী

অধ্যাপক শ্ৰীঅৰুণ চন্দ্ৰ শৰ্মা

ইমান ধীৰ, স্থিৰ আৰু শান্ত পৃথিৱীখনে, হঠাতে ইয়াৰ উপৰিভাগৰ কোনো অঞ্চলত ধ্বংসৰ কি তাণ্ডৱলীলা চলায় নেদেখিলে বৰ্ণাব নোৱাৰি। সৌ সিদিনা উত্তৰ প্ৰদেশৰ আলমোৰাত হৈ যোৱা ( ২০ অক্টোবৰ, ১৯৯১) ভূমিকম্পটোৱে ১৫০০ ৰো অধিক লোকৰ প্ৰাণ নাশ কৰি সা সম্পত্তিৰো বিস্তৰ ক্ষতি সাধন কৰিছে। ১৮৯৭ আৰু ১৯৫০ চনত হৈ যোৱা প্ৰলয়ঙ্কৰী ভূমিকম্প দুটাই অসমৰ মানুহক জনমৰ শিক্ষা দি থৈছে। এনেকুৱা বা তাতোকৈ ডাঙৰ ভূমিকম্পই বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰ পৰা পৃথিৱীৰ বিভিন্ন অংশত কোনো পাৰ্থিৱ শক্তিয়ে ৰোধ কৰিব নোৱাৰা প্ৰচণ্ড শক্তিৰে সময়ে সময়ে যি ধ্বংশলীলা চলাই আহিছে, সেইবোৰৰ বৰ্ণনা আমি পাই আহিছো।

## ● ভূমিকম্পৰ কাৰণঃ—

আগতে মানুহে বেলেগ ভাবিছিল। আজিকালি বিখ্যাত "টেকটনিক মতবাদ" ৰ (Plate tectonic hypothesis) ওপৰত ভিত্তি কৰি ভূমিকম্পৰ কাৰণ ব্যাখ্যা কৰিবলৈ লৈছে। অৱশ্যে সকলো ভূমিকম্পৰ কাৰণ একে নহয়।

পৃথিৱীৰ উপৰি অংশৰ ছয়টা ডাঙৰ ভাগ চিনাক্ত কৰি প্ৰতিটো ভাগৰ ইয়াৰ কাষত থকা ভাগবোৰৰ সাপেক্ষে আপেক্ষিক গতি আছে বুলি বিজ্ঞানী সকলে প্ৰমাণ কৰিছে। এই গতি কিন্তু ধীৰ, বছৰত মাত্ৰ কেই চেন্টিমিটাৰ মানহে। এই ভাগবোৰক ইংৰাজীত plate (থাল) নাম দিয়া হৈছে। ছয়খন থাল হ'ল ;— ভাৰতীয় থাল, আমেৰিকান থাল, আফ্ৰিকান থাল, প্ৰশান্ত থাল, ইউৰেছীয়ান থাল আৰু এন্টাৰটিকান থাল। গড় হিচাপে এই থালবোৰ প্ৰায় ১০০ কিলমিটাৰ ডাঠ। এই ডাঙৰ থালবোৰৰ মাজত অৱশ্যে সৰু বৰু ভালে কেইখন অন্য থাল ধৰা পৰিছে। ভাৰতীয় থাল খনত ভাৰতবৰ্ষ, পাকিস্থানৰ পূৱ অংশ, আৰব সাগৰ পূৱ অংশ, ভাৰত মহাসাগৰৰ উত্তৰ অংশ বঙ্গোপ সাগৰ, অষ্ট্ৰেলিয়া আৰু ইয়াৰ কাষত থকা সমগ্ৰ অঞ্চল অৱস্থিত। আফ্ৰিকান থালখনত সমগ্ৰ আফ্ৰিকা মহাদেশ, আটলান্টিক মহাসাগৰৰ দক্ষিণ পূৱ অংশ আৰু ভাৰত মহাসাগৰৰ পশ্চিমাংশ পৰিছে। ভাৰতীয় থালখনে পশ্চিম উত্তৰ দিশত ইউৰেছিয়ান থাল খনৰ তলেদি সোমাব লাগিছে আৰু ইয়াৰ কিছু অংশত কাশ্মীৰৰ পৰা অৰুণাচললৈ সমগ্ৰ হিমালয় অঞ্চল অৱস্থিত। আন্দামান নিকোবৰ দ্বীপ সমূহ, মিজোৰাম, মণিপুৰ, নগালেণ্ড আদিও ভাৰতীয় থালখনৰ সীমাত পৰিছে। যিবোৰ অঞ্চল যি কোনো দুখন থালৰ সীমাই সীমাই অৱস্থিত, সেইবোৰ অঞ্চলতে ভূমিকম্প হৈ থাকে। ওপৰত উল্লেখ কৰা থাল বিলাকে, আপেক্ষিক গতিৰ বাবে এখনে আনখনক অনবৰত হেঁচা প্ৰয়োগ কৰি আছে। কোনো এটা অঞ্চলত এই হেঁচা যদি হঠাতে এৰা পৰে ( sudden strain release ), সেই ঠাইতে ভূমিকম্পৰ সৃষ্টি হয়। ভূমিকম্প সৰু বৰ যি কোনো হব পাৰে। এটিয়ালৈকে হোৱা আটাইতকৈ প্ৰবল ভূমিকম্প

টোৰ মান ৰিখ্‌টাৰ স্কেলত (Richter's Scale) ৮·৯ লৈকে উঠিছে। ১৮৯৭ আৰু ১৯৫০ চনৰ অসমৰ ভূমিকম্প দুটাৰ মান ৰিখটাৰ স্কেলত আছিল ৮·৬। উত্তৰ প্ৰদেশৰ ভূমিকম্পটোৰ (আগতে উল্লেখ কৰা) মান এই স্কেলত ৬·১ পোৱা গৈছে। ভাৰতৰ উত্তৰ পূৰ্ব্বাঞ্চলত ৪ বা ৫ মানৰ ভূমিকম্প হব বুলি বিজ্ঞানী সকলে কৈছে। মাত্ৰ কেতিয়া এই ভূমিকম্পটো হব সেই বিষয়ে খাতাংকৈ কব পৰা নাই।

## ভূমিকম্পৰ ভৱিষ্যত বাণী—

স-সম্পতিৰ বাহিৰেও মানুহক অবৰ্ণনীয় কষ্ট আৰু মৃত্যুৰ গৰাহৰ পৰা বচাবলৈ ভূমিকম্পৰ আগজাননী অতি প্ৰয়োজন। পিছে ভূমিকম্পৰ সঠিক ভৱিষ্যতবাণী কৰাটো বৰ্ত্তমানলৈ সম্ভৱহৈ উঠাগৈ নাই। মাত্ৰ সাতটামান ভূমিকম্পৰ হে ভৱিষ্যতবাণী কৰি কৃতকাৰ্য্য হোৱা গৈছে। তাৰ ভিতৰত ১৯৭৫ চনৰ চীনৰ ভূমিকম্প আৰু আলস্কাৰ ভূমিকম্প উল্লেখযোগ্য।

বৰ্ত্তমান সময়ত বানপানী বা-মাৰলী আদিৰ সঠিক আৰু নিৰ্ভূল ভৱিষ্যতবাণী সম্ভৱ হৈ উঠিছে, কিয়নো অত্যাধুনিক যন্ত্ৰপাতি, কৃত্ৰিম উপগ্ৰহ, আধুনিক চুপাৰ কম্পিউটাৰ আদিৰ যোগেদি এই বিষয়ৰ প্ৰয়োজনীয় তথ্য সহজে আহৰণ আৰু বিশ্লেষণ কৰিব পাৰি। কিন্তু মাটিৰ যিমান তলত ভূমিকম্প হয়, তালৈ গৈ তথ্য আহৰণ কৰাটো তেনেই দুৰুহ। আনহাতে পৰীক্ষাগাৰত ভূমিকম্পৰ লগত জড়িত পৰিঘটনাবোৰৰ বাস্তৱ পৰীক্ষা নাই বুলিলেই হয়। তথাপি বিজ্ঞানী সকলে পৰোক্ষ প্ৰকাৰে কিছু সমল গোটাব পাৰিছে আৰু তাৰ সহায়ত ভূমিকম্পৰ আগজাননী দিবলৈ চেষ্টা কৰিছে। দুই ধৰণে এই চেষ্টা চলিছে— (১) দীঘলীয়া সময়ৰ বাবে, বছৰৰ হিচাবত (Long term Prediction)

ইঞ্জিনীয়াৰ সকলে দলং, বান্ধ, অট্টালিকা আদি নিৰ্মান কৰাৰ সময়ত সেইবোৰ আয়ুস এটা (Design Period) নিৰ্দ্ধাৰণ কৰি লয়। সেই সময়ছোৱা দলংখনে বা বান্ধটোৱে বা অট্টালিকাটোৱে কি ধৰণৰ ভূমিকম্পৰ সন্মুখীন হব, সেই মতে তেনে ভূমিকম্পৰ আঘাট সহ্য কৰিব পৰাকৈ সেইবোৰৰ নিৰ্ম্মাণৰ সময়ত প্ৰয়োজনীয় ব্যৱস্থা লোৱা হয়। সেই কাৰণে দীঘলীয়া সময়ৰ ভৱিষ্যত বাণী, ইঞ্জিনীয়াৰ সকলৰ কামত আহে। দীঘলীয়া সময়ৰ বাবে ভৱিষ্যতবাণী কৰিবলৈ ভূতাত্বিক অধ্যয়ন, অঞ্চলটোত আগতে হৈ যোৱা ভূমিকম্প বিলাকৰ বিভিন্ন তথ্য আহৰণ আৰু সেই বোৰৰ পৰিসংখ্যাগত বিশ্লেষণ কৰা হয়।

চুটি সময়ৰ বাবে ভূমিকম্পৰ আগজাননী দিবলৈ আমেৰিকা যুক্তৰাজ্য, চোভিয়েত ৰাছিয়া, চীন, জাপান আদি দেশত বিশেষ ব্যৱস্থা লৈছে। কোনো এটা অঞ্চলত ভূমিকম্প হোৱাৰ আগতে কিছুমান পৰিঘটনাৰ সৃষ্টি হয়। এই পৰিঘটনাবোৰ সুক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিবলৈ বিভিন্ন ধৰণৰ আধুনিক আৰু সুবেদী যন্ত্ৰপাতিৰ প্ৰয়োজন। গোটেই অঞ্চলটোৰ চুকে কোনে এই যন্ত্ৰপাতিবোৰ বহুৱাই অসংখ্য পৰ্য্যবেক্ষণ কেন্দ্ৰ স্থাপন কৰা হয় আৰু তাৰ পৰাই প্ৰয়োজনীয় তথ্য আহৰণ কৰা হয়। পৰিঘটনাবোৰ হ'ল—

(ক) ভূমিকম্পটো হব লগা ঠাইখিনিৰ ৰূপ বিকৃতি (deformation) হয় আৰু কোনো নিৰ্দ্দিষ্ট অংশ এটা লাহে লাহে ওফন্দি আহে সামান্য পৰিমাণে। টিল্ট মিটাৰ (Tilt Meter) নামৰ যন্ত্ৰেৰে ইয়াক জুখিব পাৰি।

(খ) আচল ভূমিকম্পটোৰ আগে আগে ঠাইখিনিৰ অসংখ্য ক্ষুদ্ৰ ভূমিকম্পৰ (Micro-tremors) সৃষ্টি হয় আৰু কেইটামান সৰু বৰ মধ্যম ধৰণৰ ভূমিকম্প (fore shocks) হয়।

(গ) পৃথিৱীৰ অভ্যন্তৰত ভূমিকম্প সৃষ্টি হোৱা স্থানৰ পৰা কেউফালে দুই ধৰণৰ কম্পন ওলায় — অনুপ্ৰস্থ আৰু অনুদৈৰ্ঘ। দুয়োটা কম্পন বিভিন্ন বেগেৰে গতি কৰে। ভূমিকম্প হব লগা অঞ্চলটোত বহুত আগৰে পৰা এই দুয়োটা বেগৰ অনুপাত সলনি ঘটে। প্ৰত্যেক দিনে পৃথিৱীৰ কোনো নহয় কোনো অংশত ভূমিকম্প হৈয়ে আছে, আৰু সেই ভূমিকম্পবোৰৰ পৰাও উক্ত কম্পন দুটা ওলায়ে আছে। গতিকে আচল ভূমিকম্পটো হব লগা স্থানত এই কম্পন দুটাৰ বেগৰ অনুপাত অনবৰত পৰ্য্যবেক্ষণ কৰি আগন্তুক ভূমিকম্পটোৰ আগজাননী দিব পাৰি।

(ঘ) ভূমিকম্পটো হব লগা স্থানত আগৰে পৰা মাটিৰ তলত থকা পদাৰ্থৰ বৈদ্যুতিক ৰোধ বিদ্যুৎচুম্বকীয় ক্ষেত্ৰৰ পৰিবৰ্ত্তন ঘটে।

(ঙ) অঞ্চলটোত তেজস্ক্ৰিয়তাৰ পৰিবৰ্ত্তন ঘটে।

(চ) অঞ্চলটোত থকা কুৱা বা নাদৰ পানীৰ লেভেলৰ পৰিবৰ্ত্তন ঘটে।

ওপৰত উল্লেখ কৰা পৰিঘটনাবোৰৰ উপৰিও অঞ্চলটোত মাটিৰ তলত থকা চ্যুটিৰ অস্বাভাৱিক (fault creep anomaly). তেলৰ গতি (oil flow) আদিও লক্ষ্য কৰা হয়। কিন্তু এই আটাইবোৰ ঘটনা অঞ্চলটোৰ মাটিৰ তলত থকা শিলৰ গঠনৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে সকলো ঠাইতে একে ধৰণৰ ঘটনা নঘটে।

ভূমিকম্পৰ আগজাননীৰ লগত জন্তুৰ আচৰণবো সম্পৰ্ক আছে বুলি কিছুমানে কয়, অৱশ্যে এইবিলাক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়োজনীয় বৈজ্ঞানিক ব্যাখ্যা এতিয়াও হোৱা নাই।

ভূমিকম্পৰ আগজাননী দিব পৰা, ওপৰত উল্লেখিত সকলোবোৰ পৰিঘটনা পৰ্য্যবেক্ষণ কৰিবলৈ আধুনিক যন্ত্ৰপাতিৰ প্ৰয়োজন বুলি আগে কোৱা হৈছে। চহকী দেশেহে এনে কামৰ বাবে অৰ্থ বিনিয়োগ কৰিব পাৰে। ভাৰতৰ নিচিনা অৰ্থনৈতিক দিশত অনগ্ৰসৰ দেশে ভূমিকম্পৰ আগজাননী দিয়াৰ নামত শকত পৰিমাণৰ ধন ভঙা মানে বিলাসিতাৰ বাহিৰে একো নহয়।



# ড০ নিৰ্মল প্ৰভা বৰদলৈৰ গীত

শ্ৰীমৃনাল কান্তি গোস্বামী
স্নাতক মহলা ৩য় বৰ্ষ (ক'লা)

গীতে মানুহৰ মনত আনন্দৰ জোৱাৰ বোৱাই আনে, গীতৰ জৰিয়তে মানুহে নিজৰ মনটোক সজীৱ কৰি ৰাখিব পাৰে, গীতৰ মাজেৰে নিজৰ মনৰ কথা আনক কবলৈ সুযোগ পায় আৰু সেইবাবেই মানুহে গীত ভাল পায়। গীতৰ অবিহনে কোনো মানুহে নিজক এখন সুন্দৰ জগতলৈ নিয়াৰ সুবিধাকনো নাপায়।

নিৰ্মল প্ৰভা বৰদলৈয়ে গীত ভাল পাইছিল, সেইবাবেই মাজে মাজে দুই এটি গীত গোৱাৰ উপৰিও মনোমহা গীত ৰচনা কৰিছিল। কিন্তু তেখেত যে এদিন সুগীতিকাৰ হিচাবে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব সেই বিষয়ে তেখেতে কোনো দিনে কল্পনা কৰা নাছিল। কিন্তু তেখেতে নিজে কল্পনা নকৰা তেখেতৰ সংগীতৰ প্ৰতিভাৰ বিষয়ে আৱিস্কাৰ কৰিছিল, সেই সময়ৰ আকাশবাণীৰ সংগীত প্ৰযোজক, গীতিকাৰ, প্ৰবীন শিল্পী পুৰুষোত্তম দাস ডাঙৰীয়াই। তেখেতে নিৰ্মল প্ৰভা বৰদলৈৰ গীতৰ মাজত যি গুণ দেখিবলৈ পাইছিল, তাতেই তেখেতে ধৰিব পাৰিছিল যে নিৰ্মল প্ৰভা বৰদলৈ এদিন সমাজৰ উচ্ছ শিখৰৰ কবি সাহিত্যিক হোৱাৰ উপৰিও গীতিকাৰ হিচাবে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব আৰু সেইবাবেই নিৰ্মল প্ৰভা বৰদলৈক তেখেতে লগ পালেই অনুৰোধ কৰিছিল গীত কেইটামান আকাশবাণীলৈ পঠাবলৈ।

নিজৰ মনৰ জোখাৰে হয়তো তেতিয়াও নিৰ্মল প্ৰভা বৰদলৈয়ে গীত ৰচনা কৰিব পৰা নাছিল আৰু সেইবাবেই আকাশবাণীৰ জৰিয়তে গীত প্ৰচাৰ কৰিবলৈ সংকোচ বোধ কৰিছিল। ঠিক তেনেতেই তেখেতৰ এই সংকোচ ভাব আঁতৰাই দিলে প্ৰখ্যাত শিল্পী ব্ৰজেন বৰুৱাই। বৰুৱাদেৱে তেখেতক চিনেমাৰ বাবে গীত লিখিবলৈ অনুৰোধ কৰিলে। এইবাৰ নিৰ্মল প্ৰভা বৰদলৈয়ে বৰুৱাৰ অনুৰোধ পেলাব নোৱাৰিলে আৰু গীত ৰচনা কৰিলে অনুপম ভাষাৰে। গীত বাণীবদ্ধ হ'ল। চিনেমাৰ প্ৰতিজন শিল্পীৰ মুখে মুখে প্ৰচাৰ হ'ল তেখেতৰ এই গীতৰ মালা। তেখেতৰ সকলো সন্দেহ, সংকোচ আঁতৰিল আৰু নতুন নতুন গীত লিখাৰ প্ৰেৰণা পালে।

নিৰ্মল প্ৰভা বৰদলৈয়ে এইবাৰ আকাশবাণীলৈ গীত পঠালে। পঁচিশটা সুৰদী-সুৰীয়া গীতেৰে পূৰ্ণ বহী এখন পুৰুষোত্তম দাস ডাঙৰীয়াৰ হাতত দিলে। দাস ডাঙৰীয়াই বাচি উলিয়ালে ইয়াৰ পৰা এটি সুন্দৰ গীত আৰু এই গীতটো তেখেতৰ সুৰ আৰু প্ৰযোজনাত বানীবদ্ধ হ'ল প্ৰণতি শইকিয়াৰ কণ্ঠত।

ইয়াৰ পাছত নিৰ্মল প্ৰভা বৰদলৈৰ গীতৰ মৌ-বৰষা সুৰ বিয়পি পৰিল চাৰিও দিশে। প্ৰতিজন গায়ক, সুৰকাৰ,

প্ৰয়োগকে বিছাৰিলে তেখেতৰ গীত। মিহিৰ বৰদলৈ, দেবেন শৰ্মা, খগেন মহন্ত আদি বিখ্যাত গায়কৰ কণ্ঠেৰে ওলাই আহিল নিৰ্মল প্ৰভা বৰদলৈৰ গীতৰ শৰাই। তেখেতৰ গীতক জিতেন দেব, হেমেন হাজৰিকা মুকুল বৰুৱা আদি কৃতি সুৰকাৰে সুৰেৰে সজাই অমৃত কৰি তুলিলে। আৰু আকাশে-বতাহে ভাহি উঠিল নিৰ্মল প্ৰভা বৰদলৈৰ গীত—

"সোণৰ খাৰু নালাগে আই
বিয়াৰ বাবে আই
চেনেহ জৰী তই দিয়া মোক
হাততে গুৱায়।"............

নিৰ্মল প্ৰভা বৰদলৈৰ সুন্দৰ পিয়াসী মন যেতিয়াই জাগ্ৰত হৈ উঠে তেতিয়াই ৰচনা কৰে গীতৰ কলি। আৰু নাৰী মনৰ আকুতি মধুময় কৰি প্ৰকাশ কৰে গীতৰ মাজেৰে—

"সাৰ পাম মই পুৱতি নিশাতে
নিয়ৰ যেতিয়া সৰে
বাটৰ শুকান ধুলিত সেমেকা
যিটো প্ৰহৰে কৰে
আই মোক জগাবি............"

জন-জীৱনৰ বুকুত লুকাই থকা প্ৰকৃত দুখৰ প্ৰজ্ঞা চিনিলৈ জীৱন জগত সুন্দৰ কৰাৰ বাসনাৰে তেখেতে গীত ৰচনা কৰিলে আৰু আগবাঢ়ি আহিল সুৰৰ যাদুকৰ ডঃ ভূপেন হাজৰিকা, তেখেতৰ গীতত অপৰূপ সুৰ ঢালিবলৈ –

"মই বিছাৰিছো অগ্নিৰ খোজত
বলিষ্ঠ বিদ্যুত গতি,
চেতনা লুপ্ত নিথৰ স্তব্ধ
যুগক দিবলৈ গতি।........"

গাওঁৰ ল'ৰা গাওঁতহে থাকি ভাল পায়। গাওঁ এৰি যোৱা কোনোবা ডেকা ল'ৰাই পুনৰ গাওঁলৈ উভতি অহাৰ কথাই কৈছে নিৰ্মল প্ৰভা বৰদলৈয়ে আৰু সুৰেৰে সজাইছে ডঃ হাজৰিকাই—

"মই এই মাটিৰে ল'ৰা
হৈছিলো অঘৰী মাটিৰ মোহ এৰি
দিছিলো ভাৱনাৰ চং
আই মই কৰিছো পণ
আকালৰ জুইতে
পোৰা ৰঙা মাটিৰ
গুচাম গেৰুৱা ৰং ........."

ডঃ ভূপেন হাজৰিকাই কঢ়িয়াই লৈ যায় তেখেতৰ সুৰৰ মায়াৰে হেজাৰ জনৰ কাষলৈ নিৰ্মল প্ৰভা বৰদলৈৰ নাৰী হৃদয়ত জাগি উঠা বিপ্লৱৰ সাহসী দীপ্তিক

"ধুমুহাত মই থৈ যাওঁ
মোৰ গতি
এই পৃথিৱীত ধুলি উৰুৱাও
বৰ বৰ গছ উভালি পেলাও
সৃষ্টিৰ ন সহাৰি বিলাও
পুৰণিক দিও যতি ..."

ইয়াৰ পাছত ডঃ বৰদলৈৰ গীত নিৰ্গত হ'ল ৺জয়ন্ত হাজৰিকাৰ মিঠা মিঠা লগা সেই অনুপম কণ্ঠত—

"নিবিড় বনে যে
মাতিছে যা
যা যা দূৰণিলে
হেৰোৱা সুবাসে
মাতিছে যা
সোণৰে সজাটি
এৰি তই যা
যা নীলিম আকাশলৈ
সোণালী ৰ'দে যে
মাতিছে যা
জোনৰ জোনাকে
মাতিছে যা।"

আৰু ইয়াৰ লগে লগে তেখেতে সৃষ্টি কৰিলে চিনেমাৰ মোহনীয় গীতবোৰ –

## আচল ঠিকনা

অনুৰুপা দাস
স্নাতক মহলা
৩য় বৰ্ষ (কলা)

এই জানো তুমি মোক বিচাৰি ফুৰিছা
থাকি গোপনে
তুমি মোৰ ঠিকনা বুদ্ধিতো লাভৰ, সৰু পলুমি
উৰবৰ চলাই [illegible]

## কবিতা

[illegible]
[illegible] লিখাৰ হাতত খৰা ভাগিকাত
[illegible] ফুৰিছা বাহপথৰ ধুলিত
[illegible] আজিৰো মোৰ
তেজৰ কনিকা তাৰ বিচাৰি পোৱা
তুমি মোক বিচাৰিছা [illegible]
কেতিয়াবা বিচাৰিছা তোমাৰ [illegible]
কিন্তু তুমি মোক পোৱা নাই।
এই মাথো ভাবিছো, তুমি কোন?
মোক বিচাৰি এইদৰে হাবাথুৰি খাইছা [illegible]
[illegible] পিন্ধাবলৈ মোক বিচৰা নাইতো?
তুমি কাক চোৰাংচোৱা, তোমাৰ [illegible]
ন কোনোবা আঙ্কাৰ [illegible]
ন কোনোবা পুলিচ বিষয়াৰ [illegible]
[illegible] অতীতৰ।

[illegible] কিন্তু মই চিনি পোৱা নাই
[illegible] তুমি মোক বিচাৰি ফুৰিছা
থাকি গোপনে....।
তোমাৰ হাতত মই এটা ৰাইফেল দেখিছো
পিষ্টল দেখিছো। তুমি শুনা নাই আমো
চাৰিওপিনে সৈনিকসকলৰ বুট জোতাৰ
শব্দ। সিহঁতৰ জ্বলি থকা চকু দেখা নাইনে?
কেতিয়াবা এই সৈনিক সকলৰ বুকুত আহ
যাব বুলি ভাবিছা নেকি?
এইদৰে যে অনাই বনাই ফুৰিছা?
কেতিয়াবা আবেগময় [illegible] কোঠাক
কবৰ হৈ যাব। তেতিয়া তুমি মোক
কেনেকৈ বিচাৰিবা....।
তোমাৰ জুৰুলা চাই মোৰ চকুপানী
[illegible] মই তোমাক মোৰ ঠিকনা
[illegible] তুমি মোক এইদৰে
[illegible]



[illegible]
আচল ঠিকনা [illegible]।

# এন্ধাৰ গলি

খুৰ্শীদ হুচনেয়াৰা হক
স্নাতক মহলা
৩য় বৰ্ষ (ক'লা)

এন্ধাৰ গলিৰ সিমুৰেদি
এটি দিগন্ত ৰেখা
এটি এটি কৰি জ্বলন্ত প্ৰদীপ

নুমাই যোৱাৰ উপক্ৰম
অৰ্দ্ধ নগ্ন পোছাকত
জাৰত ঠৰ, ঠৰ কৈ
কঁপিছে ভাৰতীয় দৰিদ্ৰতাৰ
জ্বলন্ত প্ৰতীক।

এটি পগলাৰ উল্লাসৰ
জয় ধ্বণি।
মদৰ নিচান মাতালৰ
ক্ষন্তেকীয়া সপোনৰ
ৰঙীণ কল্পনা।

ভোকত শুই থকা
কেঁচুৱাৰ কৰুণ বিনণি।

ওচৰেদি লৰি যোৱা
খাদ্য বোজাই ট্ৰাকৰ
বিকট চিঞৰ।

হঠাৎ কোনোবা
আৰ্টিষ্টৰ আগমন,
দেৱালত ছবি আঁকি
এমুঠি পোৱাৰ হেপাঁহ।

# প্ৰেমৰ উমাল নদী

(পাপৰিৰ হাতত)

শ্ৰীজ্যোতিৰ্ময় জ্যোতি পাটগিৰি
স্নাতক মহলা (৩য় বাৰ্ষিক)

মোক এখন নদী লাগে
ঢৌবোৰৰ স'তে কথা পাতিম
ইপাৰে সিপাৰে
নাওঁৰীয়াৰ গীতৰ সুৰে সুৰে
লৈ যাম হৃদয়
দুয়োপাৰৰ সেমেকা বালিত
আনমনা হৈ আঁকিম
এটি ফুল
লিখিম
এটি নাম

মোক এখন পাহাৰ লাগে
তাত মোৰ প্ৰতিটো কথা
প্ৰতিধ্বনিত হ'ব আকাশে আকাশে
বনৰীয়া ফুল বোৰৰ স'তে
হালি জালি মোৰ হৃদয় বিলসে
প্ৰতিটো শিলত খোদিত কৰি থ'ম
সেইটো নাম
য'ত প্ৰেমৰ জন্ম হয় যুগে যুগে

মোক এখন পথাৰ লাগে
ধাননী দৰাৰ দৰেই মৰো
কথা পাতিম বতাহৰ স'তে
নদীখনে মোক সাগৰৰ
বতৰা দিব
ঢৌবোৰে কঁহুৱা জোপাক
মোৰ পাপৰিৰ কথা ক'ব
নাওঁৰীয়া গীতৰ সুৰত
জুৰ পৰিব অশান্ত হৃদয়
বালিয়ে ক'ব প্ৰেম কিমান
ৰসাল
পাহাৰ খনত ৰৈ যাব স্মৃতি
পথাৰ খন মোৰ সেউজী
ৰুমাল
তুমি তাত ফুল তুলি
দিবা
মই কিনি ল'ম সুগন্ধি
আতৰ।

# 'হঠাৎ'

শ্ৰীবিক্ৰম চৰকাৰ
উঃ মাঃ (২য় বৰ্ষ)

হঠাৎ
ব্লেক বোৰ্ডত পালো
এখনি চিত্ৰ
ৰঙ আৰু ৰেখাৰ
অভিনৱ সংমিশ্ৰণ

যদি চিত্ৰ খন হয়
নীল নদীৰ দৰে উত্তাল
আহত বন ৰজাৰ দৰে
ক্ৰোধান্বিত
তেতিয়া অচিৰেই কম
বন্ধ কৰা যাওঁক
নৃশংস হত্যাকাণ্ড
অগ্নি সংযোগ
অনৰ্থক প্ৰতিশ্ৰুতি

হঠাতে
ব্লেক বোৰ্ড ফাটি
ওলাই আহিল
উমাল পোহৰৰ ঢৌ
হঠাতে পালো
গৰ্ভাংশত প্ৰথম জাননী
সমুখত তোমাৰ জীৱন মৃত্যুৰ
সচিত্ৰ আদি পাথ

হঠাতে
ৰৌদ্ৰস্নাত কুঁৱলী ভেদি
মুকলি হ'ল
প্ৰথম পুৱাৰ কিৰণ

হঠাতে
প্ৰতিবাৰেই সমুখত
ভাঁহি উঠে
নিৰ্বিঘ্নে এক অজ্ঞাত চিত্ৰকাৰ

## পনবন্দী

অতনু ভট্টাচাৰ্য

অন্ধকাৰৰ পৰা সকলো শিশুক মুক্ত কৰি দিয়া
ওভোতাই দিয়া সকলো সন্তানক সিহঁতৰ স্বপ্নময় ভৱিষ্যত

অন্যথা সকলো ফুল আৰু শস্যৰ উশাহ বন্ধ কৰা হ'ব
অন্যথা সকলো গান আৰু পখীৰ কাকলি ৰুদ্ধ কৰা হ'ব

মই কিৰ্ড্‌নেপ্‌ কৰি আনিছোঁ ফুলৰ সকলো সুগন্ধ,
প্ৰতিটো গান আৰু কৰিতাৰ অন্তহীন উচ্চাৰণ
মই বন্দী কৰি ৰাখিছোঁ ওঁঠত

মোক সকলো নাৰীৰ শ্লীলতা মুক্ত কৰি দিয়া
নিৰ্মম 'চেল'ৰ পৰা এৰি দিয়া যুৱকৰ উদ্যম আৰু
সকলো সততা

অন্যথা সকলো নদীৰ যাতায়ত বন্ধ কৰা হ'ব
বৃক্ষৰ প্ৰতিটো প্ৰশাখাক হত্যা কৰা হ'ব

মোৰ তেজত লুকুৱাই ৰাখিছোঁ সকলো ঋতুৰ উন্মাদনা
পণবন্দী কৰিছোঁ অৰণ্যৰ দুৰন্ত জীৱন

মই কাৰো স'তে কোনো আপোচ নকৰোঁ
আলাপ যদিও সম্ভৱ, কেৱল বিবেকৰ স'তে মোৰ
কথা হ'ব পাৰে ; যুক্তিয়ে মধ্যস্থতা কৰিব পাৰে
কোনো গোপণ কক্ষত

মুক্তি অথবা মৃত্যুৰ সময়সীমা অনিৰ্দিষ্ট কাল

## সময়

শ্ৰীৰাধেশ্যাম নাথ
উঃ মাঃ ২য় বাৰ্ষিক

মোৰ এনে ভাৱ হয়
সময়বোৰ যেন মানুহৰ
কালশত্ৰু, ই যেন মৃত্যুদূত
প্ৰতিটো পলে পলে
সময়বোৰ এনে ভাৱে
পাৰ হয়
যেনিবা মোৰ ওচৰেৰে
ধাৱমান হৈছে
এটি তেঁজী ঘোঁৰা
গভীৰ ৰাতিৰ
নিস্তব্ধতা ভাঙি
টোপনিত লাল-কাল দি
পৰি থকা ..
মানুহবোৰৰ সোণালী
সপোন গছকি ।
সচাঁকৈ সময়বোৰ
অবাঞ্চিত ভাৱেই...
আতঁৰি যায় .. ॥

কথা কবিতাঃ

# মাজনিশাৰ সপোন

শ্ৰীপূৰৱী নাথ
প্ৰাক্তন ছাত্ৰী

মোৰ প্ৰতিটো মধুৰ ক্ষণত বন্ধু তুমি আছিলা মোৰ নিচেই কাষত। সময় তেতিয়া আছিল নিশ্চয় সুন্দৰ। মোৰ প্ৰতিটো হাঁহি কান্দোনত নিহিত আছিল তোমাৰ সুখ-দুখবোৰ। কিন্তু বন্ধু, আজিৰ সময়? মোৰ জীৱনত এতিয়া মাজনিশাৰ গভীৰ এন্ধাৰ। এতিয়াতো মই চকুলোৰে মালা বোৱাইছোঁ এধাৰি দুধাৰিকৈ। এতিয়া তুমি ক'ত? দূৰত্ব কিমান? জনা হ'লে !! দুখ কিন্তু নাই! সপোন যদি সঁচা হয় সময় নিশ্চয় সুন্দৰ হ'ব; তোমাৰ বাবে, মোৰ বাবে। চিৰদিনে। ●

মিনি কবিতাঃ

# ঃ আশা ঃ

মিচ্ কল্পনা দাস
স্নাতক মহলা
তৃতীয় বাৰ্ষিক (ক'লা)

শলিতা এগছিৰে
চাকি এটি জ্বলালোঁ।
কিন্তু কিয় জানো নুমাই গ'ল
শলিতা গছি শেষ হ'ল নেকি? ●

# "অৰুন্ধতীঃ এখন প্ৰেমৰ চিঠি তোমালৈ"

অহিদুল জামান
প্ৰাক্তন আলোচনী সম্পাদক
গোৱালপাৰা মহাবিদ্যালয়
১৯৭৮-৮০

তুমি মোৰ শইচৰ পথাৰৰ যাদুকৰী হেপাহ
পুৱা-গোধূলিৰ স্বতস্ফুৰ্ত্ত প্ৰাৰ্থনা
তোমাতেই ভাস্বত মোৰ অমোঘ অহঙ্কাৰ

তোমাৰ প্ৰেমত টগ্‌ বগ্‌ মোৰ সহজ ভৱিষ্যত
তেনেকৈয়ে অন্তৰংগ তোমাৰ চেনেহ-চাৰনি
সেই কাৰণেই নেকি
মোৰ হৃদয়ৰ ভিতৰে বাহিৰে
আমোল মোল তোমাৰ হৃদয় অনাবৃৰত

সেই যে সিদিনাই মই তোমাৰ প্ৰেমত পৰিছিলো
এতিয়াও হাত মেলিলেই আঙুলিবোৰ ডুব যায় জোনাকত

এতিয়াও ব'লাগি ৰয় মোৰ স্বপ্নময় শৈশৱ অবাক আনন্দত
কেতিয়াবা কৰবাত হঠাতে মই
যেতিয়া তোমাৰ প্ৰশংসাত
উল্লাসিত হওঁ
সকলোৰে কয়, তোমাৰ বাহু বন্ধনত একাকাৰ
মই এজন মাতাল কৰি
আচলতে কি জানা
মোৰ কোনো নিজা ভাষা নাই
মই গান গাওঁ তোমাৰ ভাষাৰেই অসল উচ্ছাসৰ গান
তুমিতো জানায়
তোমাৰ ওঁঠত ওঁঠ থওঁতেই মোৰ ওঁঠত
ধুক্‌ ধুক্‌ সোণ হালধি হাঁহি উজ্জ্বল উত্তাল
তোমাৰ ওঁঠত অমৃতৰ সন্ধান কঁৰো মই
এবাৰলৈ তোমাৰ ওঁঠযুৰি মোক দিয়া
মই বৈ যাওঁ
দেশৰ পৰা দেশান্তৰ
নীৰৱে
নিঃ শব্দে।

# —অস্পষ্ট ছবি—

গৌতম জাহাংগীৰ পাশা
স্নাতক মহলা
তৃতীয় বৰ্ষ (বিজ্ঞান)

মহানগৰীৰ ৰাজপথত
তেতিয়া মাথো ব্যস্ততা
হিয়া খনিত বাজে
নীৰৱতাৰ কৰুণ সুৰ।

কোনোবা এখন মটৰ গাড়ীৰ
হৰ্ণ বজোৱাৰ শব্দত
মোৰ চকুলো বোৰ
বাগৰি বাগৰি সৰে।

হঠাৎ এটা বিৰাট শব্দ
নদীখন, শান্ত হ'ল আৰু
হৃদয় ......
ৰঙা বজাৰত হেনো
বোম ফুটিল আৰু
মই শুই পৰিলো
আজ নিশাৰ সেই
ৰাজপথটোৰ দৰে।

# গঢ়ি তোলা মোক আদিম কবিতা কৰি

কৃষ্ণমোহন বৰুৱা
স্নাতক মহলা
২য় বৰ্ষ (ক'লা)

এখন সেউজীয়া পথাৰ
এটা ৰূপালী জোন
এ আকাশ জোনাক
বৰ মন যায়
এখন সেউজীয়া পথাৰ হওঁ
গাত সানি লওঁ
ৰূপালী জোনাক, সোণোৱালী ৰ'দ
বৰ আবদ্ধ লাগে
এই বন্ধ কোঠালী।

এতিয়া মই
লাহে লাহে হৈ পৰিছো
উৰ্বৰা শইচৰ পথাৰ
হে মাটিৰ শিল্পী কৃষক
বহুৱাই দিয়া মোৰ বুকুত
ধাৰাল নাঙলৰ ফাল,
গঢ়ি তোলা মোক
শইচৰ সোণালী পথাৰ কৰি
ৰতৰৰ সোণালী সোণ গুটিৰে
ওপচাই দিয়া মোৰ দেহা

তাৰ পিছত,
এজাক চৰায়ে
কুটি কুটি খাব মোৰ বুকু।

নাইবা,
মই হৈ পৰোঁ এখন
মাটিৰ কেন্‌ভাচ্‌
তুমি মোৰ বুকুত নাঙলৰ ফালেৰে
ছবি আঁকা মাটিৰ শিল্পী
ঋতুৱে সানি দিব মোৰ দেহত
ৰতৰৰ সুগন্ধী ৰং

এনেকৈয়ে,
তুমি সৃষ্টি কৰা
সৃষ্টিৰ আদিম শিল্প।
মোক তুমি ওলমাই দিয়া
পৃথিৱীৰ মুক্ত প্ৰদৰ্শনী কক্ষত
আকাশ হৈ ৰব মোৰ চালি।

এনেদৰেই,
মোৰ বুকুত জন্ম হওঁক
এটা আদিম কবিতাৰ।

# উজাগৰী জোনাক নিশা

নমিতা নাথ
স্নাতক মহলা
তৃতীয় বাৰ্ষিক (ক'লা)

উচপিচাই থকা
উজাগৰী এটি কঠিন নিশা
খিৰিকিখন খুলি দিলো,
এসোপা জোনাক বিচনাখনত শুই পৰিল
এয়া তুমি নোহোৱাৰ চিন ।

নিৰ্জনতাৰ পৰা
ভাহি আহিছে ছুটিমান গীতৰ আধাফুটা কলি
দ্বিতীয় নিশাৰ কথাছবি শেষ হ'ল
সেয়া আছিল গীত আঁওৰোৱাৰ গুণগুণনী
তাৰে এটি ছন্দও মোৰ যে হেৰাই গৈছে।
খিৰিকিৰ কাষতে ডালিম জোপা কোবাই
বতাহখিনি মোৰ মুখত চপৰিয়াই কোঠাত সোমাল
বতাহখিনি শীতল
যদিওবা হৃদয় ধুই নিব পৰা নাই।
সন্মুখৰ কাৰ্য্যালয়টোৰ চকিদাৰ জনৰ মুখত ফুটিছে এটি অঘৰী শব্দ

ছেই, ছেই ..................
কুকুৰ এটা ভুকি পাৰ হৈ গ'ল
তাৰ ঠিকনা নাছিল
এতিয়া সি ৰেডিওটোৰ চেণ্টাৰ খুচুৰিছে
টোপনি ভঙাৰ বাবে
মোৰ যে টোপনিয়ে নাহে
অলপ জোনাক, অলপ বতাহ, আৰু নিৰ্জনতা সাৰতি
উদাসীন ভাবে চাই পঠিয়ালো কেইটিমান তৰা।

# তোমাক লগ পালে

[ মোৰ আইলৈ (পৃথিৱী) উৎসৰ্গ ]

দিগন্ত কুমাৰ বৰুৱা
স্নাতক মহলা
২য় বাৰ্ষিক (ক'লা)

তোমাক লগ পালে
খুলি দিলোহেঁতেন বুকুৰ বিশাল গাঠনি,
বহুদিনৰ ঘনীভূত নদীৰ সুদৈৰ্ঘ্য কাহিনী,

তোমাৰ বাবেই মই
ৰাতিৰ কুঁৱলী ফালি
বিছাৰি আনিছো শেৱালীৰ সুগন্ধ
সূৰ্য্যৰ উত্তাপ বুকুত বহন কৰিছো
দুৰ্ভেদ্য অৰণ্য ফালি আহিছো
প্ৰিয় ঋতুৰ গানৰ কোমল কলি,

কোমল হাতেৰে
দিনে নিশাই মাটিৰ উৰ্বৰতাত
তোমাৰেই হাতৰ ভঙা খাৰুৰ অন্বেষণ কৰিছো,
তোমাৰ সেউজীয়া চঁকুৰ মণিমুকুতাৰ
উজ্বল পোহৰ বিছাৰিছো,
তুমি ক'ত বা আছা ?

হয়টো ৰাতিৰ নিদাৰুণ গাঠনিৰ কোনো
গোপন আন্ধাৰত ;
তেজফালি দেখা দিয়া
সুৰুযৰ কোমল ঘাহঁনিত
নতুবা মোৰ বিশাল বুকুত।

# ভাল নে তোমাৰ

তবিবুল ইচ্‌লাম
স্নাতক মহলা
৩য় বৰ্ষ (ক'লা)

নজগাবা তাক
বহুদিনৰ মূৰত নিতাল মাৰি শুইছে সি
শোকে-দুখে, খঙে-অভিমানে লালকাল দি

মোৰ আশাৰ বালিচৰত
এপাহি-দুপাহি ফুল ফুলিছে।

সি তোমাক বৰ কাষত অনুভৱ কৰিছে জানা
উত্তেজনাত কঁপিছে তাৰ দেহা।

আজি বহু বছৰৰ মূৰত
তোমাক নতুনকৈ সুধিবৰ মন গৈছে
কেনে আছা সোণ ?

# গল্প



# এভুমুকি, ভৱিষ্যতৰ পৰা কলেজলৈ

নীলাঞ্জন দাস
স্নাতক মহলা
৩য় বাৰ্ষিক

গাড়ীৰ পৰা নামি এবাৰ চাৰিওফালে চাই ল'লো। নাই আজিৰ পৰা দহবছৰ আগতে যেনে আছিল আজিও ঠিক তেনেদৰেই আছে। মাথো দুটামান ডাঙৰ ডাঙৰ বিল্ডিঙহে উঠিছে। তাৰ বাহিৰে আন কোনো পৰিবৰ্তন মোৰ চকুত নপৰিল। বাচষ্টেচনটোৰ পৰা গুলাই এনেয়ে এবাৰ কলেজখনকে চাই যাওঁ বুলি দুখোজ দিছোহে, এনেতে 'আৰে, ৰমেন' বুলি পিঠিত এটা প্ৰকাণ্ড থাপ্পৰ পৰিল। উচপ্‌ খাই কোন বুলি ঘুৰি চাওঁতেই পল্লৱক দেখা পালো। কলেজীয়া জীৱনতো তাৰ এইটো স্বভাৱ আছিল। হাঁহি উঠিলেও সোঁফালে থকাজনৰ পিঠিত প্ৰচণ্ড থাপ্পৰ, খঙ উঠিলেও ওচৰত থকাজনৰ পিঠিত থাপ্পৰ, টেবুলত ভুকু মৰা আদি তাৰ স্বভাৱেই আছিল। সৰু সৰু কিছুমান কথাতেই তাৰ পটকৈ খঙটো উঠে। আৰু তাৰ যিটোহে হাঁহি। হাঁহিত ওচৰৰ আটাইবোৰেই ঘুৰি চাবলৈ বাধ্য। এতিয়াও তাৰ মুখত সেই একেই হাঁহি লাগি আছে। পিঠিৰ বিষটো মনতে সহ্য কৰি হাঁহি এটা মাৰি তাক ক'লো, "তই কিন্তু একদম সলনি হোৱা নাই দেই। সেই কলেজীয়া পল্লৱটোৱেই হৈ আছ। ঐ তোৰ বয়সেও চোন এতিয়ামানে ত্ৰিশৰ দেওঁনা পাৰ হওঁ হওঁ। স্বভাৱ এৰিব পৰা নাই নহয়?"

সেই একেই হাঁহিৰে পল্লৱে উত্তৰ দিলে," কি কৰিবি ভাই। জীৱনটোক মই হাঁহিৰেই পাৰ কৰিব বিচাৰো। অলপ হাঁহি স্ফুৰ্ত্তিৰ বাবেই যদি অতীতটোক পাহৰি থাকিব পাৰো তেনেহ'লে তাতনো তোৰ আপত্তিটো কি?

কি ক'ম ভাৱি নাপাওঁতেই সি আকৌ ক'লে, 'আচ্ছা, তই এতিয়া ঘৰৰ পৰা আহিছি নেকি?"

মই তাক ক'লো মোৰ গোৱালপাৰালৈ চাকৰি বদলী হৈ অহাৰ কথা আৰু 'জইন' কৰি আজিয়েই আকৌ ঘৰলৈ ওভতাৰ কথা। মোৰ কথাখিনি শুনি পল্লৱে ক'লে, 'তই তক দেখা পালে কিবা College life ঘুৰাই পোৱা যেন লাগে অ'। আহিবিচোন মোৰ তালৈ। আচ্ছা তই যা, মোৰ এটা কাম আছে। কি কৰিম, এতিয়াও বেকাৰ। অফিচাৰ এজনক লগ কৰিবলগীয়া আছে। আহো, পিচত লগ পাম।' একেলগে কথাখিনি কৈ সি গুচি গ'ল। মই তাৰ যোৱাৰ ফালে চাই ভাৱিলো সি এতিয়াও তাৰ 'মানা'ৰ কথা পাহৰিব পৰা নাই।

মই লাহে লাহে আহি কলেজৰ সন্মুখৰ পৰা, এবাৰ কলেজলৈ চালো। সেই একেদৰেই আছে ল'ৰা ছোৱালীৰ জাকবোৰ বলেজলৈ আহিছে। কেইটামান ল'ৰ-ছোৱালীয়ে যোৱা পাতি ইউকেলি প্টাচ্ কেইডালৰ তলত বহি ভৱিষ্যৎ ৰচনা কৰিছে। কলেজখনৰ পিচফালে এটা ওখ ঘৰ। সেইটোৱেই হয়তো নতুনকৈ বনোৱা ইন্‌ডোৰ্ হ'লটো। এনেতে কোনোবাই কাণৰ কাষতে কোৱা শুনিলো, ৰমেনদা নহয়নে। মূৰ ঘূৰাই চাওঁ স্বপ্নালী। কপালত ডাঙৰকৈ সেন্দুৰৰ ফোঁট, কাষত এজন অচিনাকী মানুহ থিয় হৈ আছে। স্বপ্নালীয়েই ক'লে, 'ৰমেনদা, বহুদিনৰ মূৰত দেখা পালো। কি খবৰ? অ' বৰ চিনাকী কৰি দিছো।' এইবুলি কাষৰ মানুহজনক দেখুৱাই ক'লে, 'এইয়া মোৰ স্বামী আৰু এইয়া ৰমেনদা। আমাতকৈ চিনিয়ৰ বেট্চ, একে ডিপাৰ্টমেণ্ট আছিল। ইত্যাদি, ইত্যাদি এসোপামান কিবা কিবি গাই গ'ল। চিনাকী পৰ্বৰ পিচত দু-আষাৰ কথা পাতি স্বপ্নালীহঁত গ'ল। মই তাতেই ভাৱিব ধৰিলো, এই স্বপ্নালী, যিজনী ছোৱালীয়ে আমাক কলেজত এবাৰলৈ মাতি নাপালে, তাই আজি মোক ইমান বঢ়িয়াকৈ মাত দি গ'ল।

স্বপ্নালীক দেখা পাই মোৰ আকৌ পল্লৱৰ কথা মনলৈ আহিব ধৰিলে। পল্লৱ-এটা নাম। আমি লগ পোৱাৰ পৰাই তাক স্ফূৰ্ত্তিবাজ হিচাপেই পাইছিলো। অনৱৰত হৈ-হাল্লা। সেয়েহে এদিন তাক মই সুধিছিলো, 'আচ্ছা পল্লৱ তোৰ কি কোনো দুখ নাই নেকি যে অনৱৰতে হাঁহি-মাতি স্ফূৰ্ত্তি কৰি থাক? উত্তৰত সি শেতা হাঁহি মাৰি কৈছিল, 'জান ৰমেন জীৱনত এতিয়ালৈকে বহু কিছুয়েই পালো। প্ৰেমিকাৰ প্ৰেম, বিচ্ছেদ সকলো।' তাৰ পিচত সি কৈছিল তাৰ জীৱনৰ সেই লুকাই ৰখা কথাবোৰ। কেনেদৰে সি স্বপ্নালীৰ বায়েক মনালিচাৰ প্ৰেমত পৰিছিল। তাৰ প্ৰেমৰ কাহিনী। সিহঁত দুটা প্ৰায়েই পাহাৰৰ ওপৰলৈ গৈছিল। মনালিচাই তাক প্ৰায়েই কৈছিল, 'জানা পল্লৱ, পাহাৰৰ ওপৰৰ পৰা চহৰখন চাবলৈ বৰ ধুনীয়া লাগে। যদি এবাৰ আকাশৰ পৰা চাব পাৰিলো হয়।' তেনেদৰেই এদিন পাহাৰৰ পৰা স্কুটাৰেৰে নামি আহোতে হঠাৎ স্কুটাৰৰ পিচৰ চকা খুলি গৈ দুয়োটা চিটিকি পৰিছিল। মনালিচাৰ মূৰটো শিলত খুণ্ডা খোৱাত তাইৰ থিতাতে মৃত্যু হৈছিল। তাৰ পিচত কেনেকৈ মনালিচাক পাহৰিবলৈ সি এটা উদণ্ড অথচ স্ফূৰ্ত্তিবাজ ল'ৰালৈ পৰিবৰ্ত্তিত হৈছিল, সি মোক সকলো কথাই খুলি কৈছিল। কথাবোৰ শুনি মই অলপ সময় তলকা মাৰি তাৰ মুখলৈ চাইছিলো। তাৰ দুয়ো চকুৰ পৰা চকুপানী নামি আহিছিল। অলপ সময় পিচত সি মোক কৈছিল, জান ৰমেন, তায়েই প্ৰথম ব্যক্তি যাক মই আজি মোৰ সকলো কথাই ক'লো আৰু সচাঁই কৈছো নাজানো কিয় আজি মোৰ চিঞৰি চিঞৰি কান্দিবৰ মন গৈছে।' মই একো নকৈ চুপ লাগি আছিলো। সিদিনাই মই পল্লৱক বুজি পাইছিলো। আৰু ..........

হঠাৎ কিবা এটা ডাঙৰ শব্দ হোৱা যেন লাগিল। উচপ্ খাই চাওঁ মোৰ একেবাৰে সন্মুখতে এখন গাড়ী জোৰেৰে ব্ৰেকমাৰি ৰৈ গৈছে। মই তেতিয়াহে গম পালো যে ম ইতিমধ্যে অতীতৰ ভাৱাবেগত আহি আহি ৰাস্তাৰ মা পাইছোহি। ততাতৈয়াকৈ কাষলৈ আহি মই অফিচটৈ খোজ ললো।

# -দাগ-

মিচ্ পাঞ্চালী সিনহা
প্ৰাক্তন ছাত্ৰী

দুপৰীয়া বাৰ বজাৰ পিছত কেতেকীৰ আৰু এটা ক্লাছ আছিল। মাজত দুটা 'অফ্'। বাৰান্দাৰ বেঞ্চখনত বহি প্ৰিয়া, ইন্দুহঁতৰ লগত বহি তাই কথাৰ মহলা মাৰি আছিল। এনেতে মনিকাই চিঞৰি উঠিল "ৰামধেনু, ৰামধেনু!" গোটেইজাক ছোৱালীয়ে জুমি জুমি আকাশলৈ চাই পঠিয়ালে। ৰঙা, নীলা, হালধীয়া, সেউজীয়া ৰংবোৰ এটা এটাকৈ খেলিমেলিকৈ মাতি মাতি হুলস্থুল আৰম্ভ কৰিলে।

"ব'ল ব'ল এতিয়া আৰু এল্ পি স্কুলৰ ছোৱালীৰ দৰে ৰামধেনুৰ ৰং মুখস্থ মাতি থাকিব নালাগে। বতৰটো বেয়া কৰিছে, ৰৰষুণ দিয়াৰ আগতে ঘৰা-ঘৰি যোৱাই ভাল।" ইন্দুয়ে আদেশৰ সুৰত কৈ উঠিল। এৰা, ফৰকাল আকাশখনত দূৰ-দূৰণিৰ পৰা উৰি অহা ভাৱৰৰ চপৰাবোৰ ছাটি ধৰিছে। বতাহজাক শুকান, ধূলিও উৰিছে। পিছৰ ক্লাছটোলৈ ইমান সময় বৈ থাকিব নোৱাৰি আৰু। আটাই-জাক ছোৱালী যাবলৈ উঠিল।

কেতেকী আৰু ইন্দুৰ ঘৰ একেটা বাটেৰে যাব লাগে। কলেজৰ পৰা অলপদূৰ আহিয়েই কৃষ্ণৰ দোকানখন, তাৰ কাষতেই ওলমি আছে ৰঙা এটা ডাকবাকচ। কেতেকীৰ চিঠি এখন ডাকত দিবলগীয়া আছিল। তাই বেগৰ পৰা লেফাফাটো উলিয়ালে। দীঘল লেফাফা। টিকটৰ লানিটো দেখি ইন্দুয়ে হাতলৈ নি চালে। "অ' তেখেতলৈ? কিমান পৃষ্ঠা লিখিছ এইবাৰ?" কেতেকীয়ে হাঁহি দিলে। "বাৰ পৃষ্ঠা।" ইন্দু বিশেষ আচৰিত নহ'ল। বৰুণলৈ লিখা আগৰ চিঠিবোৰ পোন্ধৰ পৃষ্ঠাৰ কম কেতিয়াও নহয়। কি যে লিখে ভগৱানেহে জানে। প্ৰথম দুখনমান চিঠি সিহঁতে পঢ়ি চাইছিল। বৰুণৰ জন্মদিনৰ দিনা কেতেকীৰ আঙুলিত পখিলা পৰাৰ ঘটনাটোও চিঠিত আছিল। উৰুৱাই দিলেও ঘূৰি ঘূৰি আহি তাইৰ গাতেই বহেহি। গোটেইজাক ছোৱালীয়ে কেতেকীক সিদিনা জোকাই মাৰিছিল। এটা সৰু অথচ কিমান অৰ্থব্যঞ্জক ঘটনা। কেতেকীয়ে বৰ ৰস লগাই লিখে কথাবোৰ। প্ৰিয়াইতো কৈয়েই দিলে, "সাহিত্যিকৰ প্ৰেমত পৰি তোৰ ভাষাৰ যথেষ্ট উন্নতি হৈছে দেই, কেতেকী।" বৰুণৰ চিঠিবোৰ বৰ ধুনীয়া। ইন্দু আৰু প্ৰিয়াই তাৰ প্ৰত্যেকখন চিঠিয়েই পঢ়ি চায়। পঢ়িব নোৱাৰা লাজতে মনিব নোৱাৰা এটা শব্দও দুয়োটাৰে চিঠিত পাবলৈ নাই।

ওচৰৰে কৃষ্ণৰ দোকানখনত চাৰি পাঁচটামান ল'ৰা বহি আছিল। কেতেকীক চিঠি পোষ্ট কৰা সিহঁতৰ চকুত পৰিল।

"কিহে, আজি কালি দেখোন কাৰোবাৰ কাৰোবাৰ বজাৰ বেলেগ গৰম।" এটাই চিঞৰি উঠিল।

"হবই ভাই, আমাৰতো হাতত ডাঙৰ ডাঙৰ ঠিকাদাৰ নাই, লাগ বুলিলে সোণৰ আঙুঠি গঢ়াই দিবও নোৱাৰো।" আন এটাই ক'লে।

"ঠিকেই দোস্ত, আমাৰ কপালত ৰেজিষ্টাৰড্ চিঠিতো দূৰৰ কথা, এখন পোষ্টকাৰ্ডেই চিঠি নাহে।"

কেতেকীৰ ভৰিৰ তলুৱাৰ পৰা মূৰলৈকে জিনজিনাই যোৱা যেন লাগিল। খোজটো দিবলৈকে তাইৰ যেন শক্তি নাই। ইন্দুৱে তাইক টানি নিয়াদি নিলে। "এই কেইটা দেখোন কমলৰ দলৰ ল'ৰা?" ইন্দুৱে আচৰিত হৈ প্ৰশ্ন কৰিলে। "ইহঁতে কেনেকৈ জানিলে অ' কেতেকী?" কেতেকীয়ে কি উত্তৰ দিব? গভীৰ অপমান বোধত তাইৰ বাক শক্তি ৰুদ্ধ।

"এই ল'ৰাবোৰ মহা সাংঘাতিক বুজিছ। ক'ৰ কথা কেনেকৈ যোগাৰ কৰে তলা নলাই পোৱা নাযায়। কমলৰ এটা আগৰ আখেজ তোৰ ওপৰত আছেই। হাজাৰ হওঁক পূৰ্বৰ বিফল প্ৰেমীকে তোৰ এই নতুন অনুৰাগ কেনেকৈ সহ্য কৰে, ক'চোন?"

"নাই নাই ইন্দু, মোৰ যে কেনে লাগিছে কেনেকৈ বুজাম? এইবোৰ ল'ৰাই কোনো দিনে মোলৈ মূৰ তুলি চাবৰ সাহস কৰা নাছিল জাননে? কৰ পৰা জানিলে এইবোৰ? তদুপৰি আঙুঠিৰ কথাটো?"

"মযোতো কথাটো ধৰিব পৰা নাই। ইহঁতে চিঠি পত্ৰ মনে মনে চুৰ কৰা নাইতো?"

কেতেকী সজাগ হৈ উঠিল। হ'বও পাৰে। কাৰণ বৰুণে তাইলৈ লিখা দুখন চিঠি আজিলৈকে তাই পোৱা নাই। কলেজৰ ঠিকনাত লিখা চিঠি। সিহঁতে Letter Box খুলি চিঠি চুৰ কৰিবও পাৰে।

"তই ইমান চিন্তা কৰি থাকিব নালাগে। মাত্ৰ অলপ সাৱধানে চলিবি। জানইতো ছোৱালী মানুহ পান দোকানৰ কাষৰ হ্বাইট পোষ্টৰ দৰে। তামোলৰ পিক ছটিয়াই, চুণ ঘহাই থৈ যোৱাটোও এটা পৰিতৃপ্তি।" ইন্দুৰ কথা শুনি দুখৰ মাজতো কেতেকীৰ হাঁহি উঠি গ'ল। ছোৱালীৰ জীৱন বুলি তাইৰ যে কিমান সতৰ্কতা! সেইকণ সতৰ্কতা কেতেকীৰ চৰিত্ৰত নাই কাৰণে তাইৰ দুঃচিন্তা। কৰবাত ধুনীয়া ল'ৰা এটা দেখিলে চাওঁ বুলিয়েই ৰ লাগি চাই থাকিব; ক্লাছ নাথাকিলে কেতিয়াবা কলেজৰ দাদা বুলি জনাজাত মস্তান মস্তান ল'ৰাবোৰৰ লগত হাঁহিব, ক্লাছ ফাঁকি দিয়া, পঢ়া-শুনা নকৰা কাৰণে ভয় ভীত নোহোৱাকৈ গালি পাৰিব — এইবোৰ স্বভাৱ তাইৰ আজন্মৰ। এনেকুৱা সময়ত ইন্দু, প্ৰিয়াহঁতেও তাইক এৰাই চলে। এবাৰ এনেকৈ তাইৰ নাম কোনোবাই কলেজৰ দেৱালত লিখি থলে ল'ৰা এজনৰ লগত জোৰাই। ল'ৰাজন চৰ অঞ্চলৰ। নাম আজিজ। কেতেকীৰ লগত তাৰ ঘনিষ্ঠতা কাৰো চকুৱে এৰাই যোৱা নাছিল। একেবাৰেই দুঃস্থ পৰিয়ালৰ ল'ৰা আজিজ। লাইব্ৰেৰীত বহি সদায়েই নোট লিখি থকা আজিজৰ প্ৰতি কেতেকীৰ এক স্বাভাৱিক কৌতুহল আছিল। তাৰ কথা শুনিয়েই প্ৰিয়াহঁতে দেখিলে কেতেকীয়ে নিজৰ কিতাপ বহীবোৰ নোট কৰিবলৈ আজিজক দি দিলে। দুয়োটাই বহি প্ৰায়েই বিভিন্ন বিষয় সম্পৰ্কে তত্বগধুৰ আলোচনা কৰি থকা হ'ল। তাৰ কিছুদিন পিছত দেৱালত নাম লিখি থোৱা অঘটনটো ঘটিল। কেতেকী লগে লগে নিশ্চুপ হৈ গ'ল। আজিজৰ লগতো মাত বোল বন্ধ। আজিজে সকলোৰে সমুখতে তাইক ক্ষমা খুজিলে। কিন্তু কেতেকীৰ কোনো ভাবান্তৰ নাই। তাই মাত্ৰ কলে, "তুমি একো দোষ কৰা নাই, মই তোমাক খং কৰা নাই, কিন্তু এতিয়াৰ পৰা আৰু আমি মিলা মিছা কৰাটো উচিত নহ'ব, আজিজ।"

"কিন্তু কোনোবাই সঁচাই-মিছাই কিবা এটা কলেই কিয় তালৈ কাণ কৰিবা? ইমান সাহসী ছোৱালী হৈ ইমান সহজে কিয় হাৰ মানিবা কেতেকী?"

কেতেকীৰ চকু মুখ কঠিন হৈ উঠিল। "যি ভাল দেখিছো মই তাকে কৰিম আজিজ। মানুহলৈ নহয় মই সত্যলৈ ৰেৰেপ কৰি চলো।" প্ৰিয়াহঁতে একো সুবুদ্ধি তথা লাগি চাই থাকিল। পিছত কেতেকীয়ে নিজেই সিহঁতক ক'লে, "আজিজৰ চকুত বহুদিন ধৰি মই এক আকুতি অনুভৱ কৰো বুজিছ। মই কৰা সহায়খিনিক সি হয়তো মোৰ দুৰ্বলতা বুলি ভাবিছে। মোক ভাল পাই পেলোৱাটো অস্বাভাৱিক একো নহয়। কিন্তু স্বাভাৱিক কথাটোকে স্বীকৃতি দিবলৈ মই অপাৰগ যেতিয়া তাক সংযত হ'বলৈ সুবিধা দিয়াই উচিত নহয় জানো?"

"মই আগেয়েই জানিছিলো এনেকুৱা হ'বই বুলি।" ইন্দুয়ে আৰু নিজকে চম্ভালিব নোৱাৰিলে।

"নলগা ভেঙাত লাগি ফুৰিবলৈ তোৰ বাহিৰে কোনো নাযায়। তোক লাগেও শিক্ষা।"

কিন্তু কেতেকীৰ শিক্ষা হ'ল জানো? তাৰ পিছত কিমানে প্ৰস্তাৱ দিলে, কিমানে পিছে পিছে ঘুৰি ফুৰিলে, কেতেকী নিৰ্বিকাৰ। অৱশেষত সকলো হাৰ মাৰি একমত হ'ল— কলেজৰ আটাইতকৈ চকুত লগা ছোৱালী বুলি। শিক্ষকসকলে ভাল ৰিজাল্ট কৰিব বুলি সুনিশ্চিত হৈ থকা ছোৱালী বুলিয়েই কেতেকীৰ ইমান অহংকাৰ। ইন্দুহঁতে কেতিয়াবা সোধে, "তোৰ বাৰু হৃদয় বোলা বস্তুটো আছেনে নাই অ'? ইমান ভক্তই মূৰ খুন্দিয়াই মৰিছে অথচ পাষাণ প্ৰতিমাৰ কোনো সাৰ-সিকতিয়ে নাই।" কেতেকীয়ে মাথো হাঁহে। সেই বছৰৰেই যুৱ মহোৎসৱত হোৱা নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠা অভিনেত্ৰীৰ বঁটা পালে তাই। সেইখন নাট চহৰৰ আলোক ভবনতো প্ৰদৰ্শিত হৈছিল। কেতেকীৰ সাৱলীল প্ৰেমৰ অভিনয়ত সকলো অবাক। নাটক শেষ হোৱাৰ পিছত প্ৰেক্ষাগৃহতেই তাইৰ বৰুণৰ সৈতে চিনাকী। স্থানীয় সংবাদদাতা বিজয় দত্তৰ লগত সি এনেই ফুৰিবলৈ আহিছিল। বিজয়েই কেতেকীক মাতি নি বৰুণৰ লগত তাইক চিনাকী কৰি দিলে। তাৰ দুদিন পিছতেই বৰুণৰ অন্য ৰূপ আৱিষ্কাৰ কৰিলে তাই। বজাৰ কৰি আহি থাকোতে তাই দেখিলে দোকান এখনত জপৰা চুলিৰে দাড়িয়ে গোঁফে ভোবোকাৰ বৰুণে থিয় দি কিবা চাই আছে। তেনেতে জাৰত কপি কপি খোজনীয়া তিৰোতা এজনীয়ে কোলাত নাঙঠ কেঁচুৱা এটা লৈ তাৰ আগত হাত পাতিলেহি। সি জেপ খুচুৰি চালে। ভুগনীয়া পইচা বিচাৰি নাপালে নেকি। অলপ সময় কেঁচুৱাটোৰ ফালে চাই থাকি সি গাত লৈ থকা স্কাৰ্ফখনকে মানুহজনীক দি দিলে। তাই সিদিনা বহু ৰাতিলৈ উজাগৰে থাকিল। বহুকাল অপেক্ষাৰ পিছত তাই যেন অনুভৱ কৰিলে ইমানদিনে বন্ধ হৈ থকা খিৰিকী এখন দুৰন্ত বতাহে প্ৰচণ্ড শব্দৰে খুলি দিছে আৰু তাইৰ সৰ্বত্ৰ বিয়পি পৰিছে জোনাক আৰু ফুলৰ সুৰভি। অসীম আকাশ যেন তাইৰ অকণমান হৃদয়ৰ কুঠৰীটোতে সীমাবদ্ধ এতিয়া। কেতেকীয়ে জানে তাইৰ তুলনাত বৰুণ একোৱেই নহয়। বি, এছ, ছি পাছ কৰি সি ঠিকাৰ কামত ধৰিছে। মাক অসুস্থ। সি খোজ কাঢ়িব নৌহওঁতেই দেউতাকে পুনৰ বিয়া কৰালে। মাকে তাক লৈ গাৱঁৰ ঘৰলৈ গুচি গ'ল। গাৱঁৰ প্ৰাইমাৰী স্কুলখনত কাম পাইছিল তেওঁ। বৰুণে বি, এছ, ছি চূড়ান্ত বৰ্ষত থাকোতেই মাক বিছনাত পৰিল। হাৰ্টৰ অসুখ। বৰুণৰ আৰু বিশ্ববিদ্যালয়ৰ চৌহদ গৰকাৰ সৌভাগ্য নহ'ল। সি হেনো ইঞ্জিনিয়াৰিঙত চিটো পাইছিল। শৈশৱৰে পৰা আঘাতৰ উপৰি আঘাতে তাক বোধকৰো নিজৰ প্ৰতি নিষ্ঠুৰ কৰি তুলিলে। কেতেকীৰ আগত সি স্বীকাৰ কৰিছে, প্ৰতিটো সন্ধিয়া মদ নহ'লেই নচলাৰ কথা। জুৱাৰ আড্ডাত পাৰ কৰি দিয়া কলিজা কামুৰি ধৰা ৰাতিবোৰৰ কথা। কেতেকীয়ে তাৰ আউল বাউল হৈ থকা চুলিৰ মাজেৰে আঙুলি বুলাই স্তব্ধ হৈ শুনি গৈছিল সকলোখোৰ। নিজৰ ধুনীয়া মুখখনিক লৈ তাইৰ চিৰকালৰ আশংকা আছিল বাহ্যিকতাই ভোল নিয়াৰ পৰা মানুহ এজনৰ জীৱনৰ লগত বান্ধ খাই পৰিবলগীয়া হয় বুলি। অথচ বৰুণেতো তাই নিচেই কাষতে বহি

থাকিলেও সজ্ঞানে তাইৰ আঙুলিটোও স্পৰ্শ নকৰে। হোমৰ গুৰিত বহি মন্ত্ৰ উচ্চাৰণ কৰি ওৰেটো জীৱন একেলগে কটোৱা মানুহ এহালৰ মাজত প্ৰেম থাকেই জানো ? কেতেকীৰ মাজে মাজে ভয় ভয় লাগে। যদি ভাল নালাগে তেতিয়া ?? সম্পৰ্কীয় ভীনিহি এজনে তাইকযে এদিন অকলশৰে পাই সাৰটি ধৰিছিল ! তাইক দেখিলে হেনো যিকোনো পুৰুষেই চঞ্চল হৈ উঠা স্বাভাৱিক। সেই বাইদেউ-ভীনিদেউৰ মাজত বিয়াৰ আগতে প্ৰেম আছিল। বৰুণৰ কাষত থাকিলেতো তাইৰ একো ভয় নালাগে। চৌপাশৰ ইমান বাহ্যিকতাৰ প্ৰাবল্যৰ মাজত কোনো আড়ম্বৰ নোহোৱাকৈ, কোনো প্ৰকাশ নোহোৱাকৈ দুয়ো দুয়োকে ভাল পাইছে। এই অন্তঃসাৰতেই বৈ আছে শান্তিৰ ফল্গুধাৰা। কেতিয়াবা ক্লান্ত শিশু এটাৰ দৰে বৰুণে তাইৰ কোলাত মূৰটো গুজি দিয়ে। কেতেকীৰ কেতিয়াও পাপবোধ হোৱা নাই। চকুহাল ভৰি উঠিব খোজে তেতিয়া। ডিঙিত বিষ এটা বাজি ৰোৱাৰ দৰে লাগে। তাইৰতো মাক নাই। কেতেকীয়ে জানে দেউতাকে এই বিয়াত কেতিয়াও সন্মতি নিদিয়ে। তাইৰ কাৰণে বিভিন্ন উচ্চপদস্থ চাকৰিয়াল ল'ৰাই মেট্ৰিক পাছ কৰাৰ পিছৰে পৰাই বিয়াৰ প্ৰস্তাৱ দিয়েই আছেই। তথাপি বৰুণ উপযুক্ত হৈ উঠাৰ পিছত দেউতাকে হয়তো না কৰিব নোৱাৰিব। তাইৰ আত্মবিশ্বাসক দেউতাকে যথেষ্ট মূল্য দিয়ে। বৰুণে জাৰ্নালিজমত নাম লগাইছে যোৱাবাৰ। সি ভাল লিখে। মাজে মাজে কাকতে-পত্ৰই তাৰ প্ৰবন্ধ পাতি প্ৰকাশ হয়। কেতেকীহঁতৰ নাটকখনবো সি সুন্দৰ সমালোচনা কৰিছিল। কেতেকীয়ে সাহিত্যৰ বিশেষ একো বুজি নাপায়। গল্প উপন্যাস মাজে মাজে পঢ়ে দুই এখন। বৰুণে তাইক পাবলে নেৰুদাৰ কবিতাৰ অনুবাদ পুথি এখন পঢ়িবলৈ দিছিল। আগ-গুৰি একো বুজি নাপাই তাই তাক ওভোতাই দিছিল কিতাপখন। সি নিজেই তেতিয়া কিছুমান কৱিতা তাইক বুজাই দিছিল। তাই তন্ময় হৈ শুনিছিল। বুকুৰ গভীৰত সাৰ পাই উঠিছিল ঘন সেউজীয়া অৰণ্য এখন। বৰুণে এদিন তাইক কৈছিল, "তোমাৰ নামটোৰ দৰে তুমি এপাহ কাঁইটীয়া দুষ্প্ৰাপ্য ফুল; মানুহে সহজে দেখিবলৈ নোপোৱা গানৰ দৰে বিননি শুনি ভাল লগা এজাতি চৰাই। তোমাক বান্ধি থবলৈ পিজঁৰাহে সাজিব লাগিব।" কেতেকীয়ে স্থিৰ চকুৰে বৰুণৰ ফালে চাইছিল, মোক বান্ধিবলৈ সঁজা নালাগে নহয়, গছ এজোপা হলেই হ'ল, সদায় পৰি গান গাই থাকিমগৈ।" বৰুণে হেঁা-হোৱাই হাঁহি দিছিল। "তোমাৰ কথাবোৰ শুনিলে কবিতা কবিতা লাগে জানানে? তুমি লিখা মেলা নকৰাকৈয়ে এপাহ জীয়া কবিতা।" তাৰ হাঁহিটো তাইৰ শিৰা উপশিৰাইদি ঢউৰ দৰে বাগৰি আহিছিল। বৰুণক তাই কুটুৰি আছে গণিতত এম, এছ, ছি দিবলৈ। পঢ়া-শুনাৰ কথা শুনি বৰুণ যেন আকাশৰ পৰাহে পৰিল। তাৰ ওজৰ আপত্তিলৈ তাই বিন্দুমাত্ৰ কাণ নকৰিলে। এটা সম্ভাৱনাৰ অপমৃত্যু তাই সহ্য কৰিব নোৱাৰে। বৰুণে শেষত কথা দিবলৈ বাধ্য হ'ল— জাৰ্নালিজম পঢ়া হ'লেই সি এম, এছ, ছিৰ বাবে পঢ়া আৰম্ভ কৰিব।

কিন্তু আজিৰ ঘটনাটো! আঙুঠিৰ কথাটো এই ল'ৰা কেইটাই কেনেকৈ জানিবলৈ পালে ? কেতেকীৰ জন্মদিনত বৰুণে এটা সোণৰ আঙুঠি উপহাৰ দিবলৈ আনিছিল। কেতেকীয়ে তৎক্ষণাৎ প্ৰত্যাখ্যান কৰিলে। সিহতঁৰ আন্তৰিক সম্পৰ্কটোক তাই কোনো ধৰণৰ বহুমূলীয়া উপহাৰেৰে অলংকৃত কৰিব খোজা নাই। "তুমি মোক ফুলৰ পুলি এটাও উপহাৰ দিব পাৰিলা হেতেঁন বৰুণ। এইবোৰ সোণৰ অলংকাৰ মই নিপিন্ধো আৰু পিন্ধিলেও তোমাৰ পৰা এতিয়াই গ্ৰহণ কৰিব নোৱাৰো। বেয়া নাপাবা।" অব্যক্ত শান্ত অথচ কঠিন স্বৰেৰে তাই ক'লে। বৰুণে প্ৰতিবাদ কৰিবলৈ নাপালে। যোৱাৰ সময়ত সি তাইক এসোপামান ৰজনীগন্ধাৰ পুলি দি থৈ গ'ল। টাবত ৰুই থোৱা পুলিবোৰ ফুলি উঠিছে এতিয়া। তাইৰ খিৰিকীৰ কাষতে থকা টাবকেইটালৈ কেতিয়াবা চাই থাকি নিজেই আত্মহাৰা হৈ যায়। উলাহত বুকু ভৰাই লয় ভালপোৱাৰ সুগন্ধি। এইটো কথাই বাহিৰত

কিমান কদর্য্যভাৱে প্ৰচাৰ হ'ল। সকলোৱে চাগে ভাৱিছে তাই বৰুণৰ পৰা আঙুঠিটো লৈছে। বৰুণে এইবোৰ কথা কাৰোবাক কৈছে জানো? হঠাৎ তাইৰ মনত পৰিল তাইযে তাক সুধিছিল আঙুঠিৰ কথাটো কোনে কোনে জানে বুলি। বৰুণে দীপাংকৰ শৰ্মাৰ নামটো কৈছিল। আঙুঠিটো গঢ়াবলৈ দিয়া দোকানখনত শৰ্মাও হেনো বহি আছিল। দীপাংকৰ শৰ্মাৰ ঘৰ এইখন চহৰতে। হাত দীঘল ব্যাৱসায়ী। কেতেকীয়ে ভালদৰে চিনি পায়। সুৰা আৰু নাৰী বুলিলে পাগল মানুহজন। বৰুণৰ যথেষ্ট বুৰ্বকামী আছে। সি এবাৰ দীপাংকৰৰ হাতত তাইলৈ চিঠি দি পঠিয়াইছিল। তাইক চিঠিখন দিবৰ সময়ত সি যিটো দৃষ্টিৰে তাইলৈ চাই হাঁহিছিল এতিয়াও ভাবিলে তাইৰ ঘিন লাগি যায়। এতিয়াও বাটে ঘাটে কেতিয়াবা দেখিলে তাইক খবৰ-বাতৰি সুধি বিৰক্ত কৰে সি। দীপাংকৰেই এইবোৰ উলিয়াব পাৰে ইয়াত। ইকান সিকান হৈ কথা ইমান বহল হ'ল। অস্বস্তিৰ গোটেই ৰাতি কেতেকীৰ চকুৰ পতা জাপ নাখালে। এনেকৈ যাৰে তাৰে আগত সৰু হৈ যোৱাৰ যন্ত্ৰনাত কেতেকী চটফটাই থাকিল।

প্ৰিয়াই কিছুদিনৰ কাৰণে মাহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। উভতি আহিয়েই তাই ইন্দু আৰু কেতেকীক একাষৰীয়াকৈ মাতি নিলে।

"শুন, ইন্টাৰেষ্টিং। মাহীৰ ল'ৰা গুঞ্জন দাই বৰুণক খুব ভালদৰে চিনি পায়। মই যোৱাৰ লগে লগে তোৰ কথাহে দাদাই প্ৰথমে সুধিলে।"

"কেনেকৈ চিনি পায় অ'? "কেতেকীয়ে আচৰিত হোৱাৰ দৰে সুধিলে।"

দাদাহতঁৰ মেছৰ ওচৰতে বৰুণে ভাড়া থাকে। তোৰ চিঠি-পত্ৰ, সমস্ত বিৱৰণ আমাতকৈ সিহঁতেই বোধকৰো বেছি জানে।"

কেতেকী চক খাই উঠিল। কি জানে? কিমান জানে? "তোৰ আঙুলিৰ বেৰ কিমান, তই কোন দিনা কি সপোন দেখ চব।" দাদাই আৰু কি কৈছে জান? বৰুণক দেখিলে বোলে ছোৱালীবোৰে এনেই পিছ নেৰা হয়। বহুতৰে লগত তাৰ ঘনিষ্ঠতাও আছিল। এতিয়া তোক পাই সিহঁতলৈ পিঠি দিছে। দাদাহঁতৰ লগৰ চবৰে তাৰ প্ৰতি ঈৰ্ষা। ইমান ছোৱালী নচুৱাই শেষত তোৰ দৰে লক্ষ্মী সৰস্বতীৰ 'টু-ইন-ৱান' এজনীক পাই গৈছে। তাৰ ক্ৰেডিটেই বেলেগ।"

"তই সচাঁই কৈছ প্ৰিয়া?" কেতেকীয়ে যেন চিঞৰি উঠিব।

কিয় মিছাকে ক'ম কচোন? দাদাই বা মোক সজাই কিয় ক'ব? এনেয়ে ল'ৰাটো ভালেই, কিন্তু ঘোৰ মদপী বুজিছ। মদ খাই কিমান ৰাতি দাদাহঁতৰ মেছতেই পৰি থাকে হেনো। নিচাৰ ঘোৰত তোৰ কথা যিহকে তিহকে কয়। সঁচাই দেই, তোৰ দৰে ছোৱালীৰ মন জিনিব পাৰিছে যেতিয়া ক'ব লাগিব তাৰ দৰে ছোৱালী পটোৱাত ওস্তাদ খুউব কমেই আছে।"

"মনে মনে থাক।" ইন্দুয়ে হঠাৎ প্ৰিয়াক ধমক দি উঠিল। "ওস্তাদৰ ইমান গুণ-গান নকৰিলেও হ'ব।" ঘটনাটো কি হ'ল প্ৰিয়াই ঠিক ধৰিব নোৱাৰিলে। কিন্তু কেতেকীৰ মুখৰ আন্ধাৰখিনি ইন্দুৰ আগোচৰ নহ'ল। ক্লাচত তাই কোনো পধ্যেই মন বহুৱাব নোৱাৰিলে। প্ৰিয়াৰ কথা বোৰ যদি সচাঁ হয়!! বৰুণেতো তাইক চিঠিত লিখে মদৰ গিলাছটো আগত লৈ বহিলেও তাইৰ তীব্ৰ চকুহালে তাক হাত মেলিবই নিদিয়ে।

প্ৰতিটো শব্দকে কেতেকীয়ে উৰাই ঘূৰাই পঢ়ে। মৃত্যুৰ পৰা অমৃতৰ পথত ভৰি দিয়া এক তীৰ্থ যাত্ৰীৰ দৰে লাগে বৰুণক। বৰুণে যদি তাইক সঁচাকৈ ফাঁকি দি আছে তাই কি কৰিব বাৰু? কেতেকীৰ দুচকুত এন্ধাৰ গাঢ় হয়।

কিমান নির্ভৰতাত তাই বৰুণৰ প্ৰত্যেকটো কথাকে বিশ্বাসত লৈ আহিছে ইমান দিনে। সেই বিশ্বাসৰ ভেটিতেইতো তাই অকনমান নিকপকপীয়া বাহ এটা সাজিবলৈ আশা কৰিছে; কেতেকী চৰাইৰ বাহ।

এদিন গা বেয়া লগা কাৰণে কেতেকী কলেজলৈ নগ'ল। আবেলি ইন্দু খবৰ লবলৈ আহিল। বহু সময় কথা পতাৰ পিছত ইন্দুই কও নকওঁকৈ কলে, "আজি এটা কথা শুনি খুব বেয়া লাগিছে জান?"

কি কথা? কাৰ কথা? "কেতেকীয়ে সুধিলে।

তহঁতৰ কথাটো বৰকৈ বিয়পিছে বুজিছ? আজি নিৰ্মলদা হতঁৰ দলটোৰ ছোৱালীবোৰে আলোচনা কৰি আছিল। তই বোলে বৰুণৰ পৰা পাৰমাণে বস্তু আদায় কৰি লৈছ। ইয়ালৈ আহিলে হোটেলত থকাটো দেখুৱায়হে। দিনৰ দিনটো তহঁতৰ ঘৰতেই লেনচেলাই থাকেহি। তোৰ মাৰ নাই, দেউতাৰ ইফালে সিফালে ওলাই যায়, গতিকে গাখীৰতে মহৰ খুটি। তোৰ দেউতা ৰিটায়াৰ কৰিছে, কিছু খৰছ যদি তাৰ পৰা উলিয়াই লব পাৰ কি বেয়াটো ...... এইবোৰ।"

কেতেকীৰ মুখটো আচন্দ্ৰাই কৰাৰ দৰে লাগিল। এইবোৰ তাই কি শুনিছে? কাৰ মুখত হাত দি মনে মনে ৰখাব তাই?

"নিৰ্মলৰ দাদাক গুৱাহাটীত কিবা পঢ়ে নহয়। সিয়েই বোলে এইবোৰ আহি কৈছে। বৰুণক সি ভালদৰে জানে।" কেতেকীয়ে একো ক'ব নোৱাৰিলে। নিৰ্মলৰ দাদাকে প্ৰিয়াৰ দাদাকে ৰৰুণক যেনেকৈ জানিলে কেতেকীয়ে সিমান ভালকৈ জানিব নোৱাৰিলে নেকি? যদি ভুলকৈ জানিলে তাইতো নিজকে শুধৰাব লাগিব। তাইৰ বৰ অসহায় যেন লাগিল নিজকে।

বৰুণৰ পৰা উত্তৰ আহিছে। কেতেকীয়ে তাৰ প্ৰত্যেকখন চিঠি উবাই ঘুৰাই পঢ়ি গৈছে। কতো এটা শব্দ নাই য'ত আঘাট লাগি তাই তিলমানো কষ্ট পাব পাৰে। কেতেকীয়ে ভাৱি থৈছে তাই আৰু এতিয়া তালৈ চিঠি পত্ৰ একো নিলিখে। সি সৰস্বতী পূজাৰ সময়ত অহা কথা। তেতিয়া সকলো কথা খোলাকৈয়ে পাতিব। অন্য কোনোবাই এইবোৰ পাতল স্বভাৱ দেখুৱালে দেখুৱাওক, কিন্তু বৰুণৰ দৰে সুকীয়া জীৱনাদৰ্শনৰ মানুহ এজনৰ পৰা সেই ব্যাৱহাৰ কল্পনাৰো আগোচৰ। মানুহে তিলটোকে তাল কৰি উলিয়াবও পাৰে, তাইৰ প্ৰতি সকলোৰে এটা স্বাভাৱিক ঈৰ্ষা আগৰে পৰাই আছে। সেও মনাব নোৱাৰাৰ ক্ষোভ।

কিছুদিন সকলো স্বাভাৱিক ভাবে চলি থকাৰ মাজতে সেই অঘটনটো ঘটিল। কৃষ্ণৰ দোকানৰ সমুখেৰে পাৰ হৈ আহোঁতে কমলহঁতৰ দলৰ ল'ৰা এজনে চিঞৰি উঠিল "অ' মাইজান; আমি এতিয়া মদ খাবলৈ এৰিলো নহয়? মদৰ সলনি আমি এতিয়া তাতোকৈ মিঠা কিবাবোৰহে খাওঁ।" কেতেকী থমকি ৰ'ল। লৰাকেইটাই বিকৃত শব্দেৰে চিঞৰি হাঁহি উঠিছিল। কেতেকীয়ে পোন, স্পষ্ট দৃষ্টিৰে সিহঁত আটাইকেইজনৰ মুখলৈ চাই পঠিয়ালে। ল'ৰা কেইটাৰ হাঁহি বন্ধ হৈ গ'ল। তাই তলমূৰকৈ আগবাঢ়িল।

"কাঁইটে গাত বিন্ধিছে হ'ব পায়।" "নাপায় ঐ এনেকৈ ক'ব...." ল'ৰাবোৰে পিছৰ পৰা চিঞৰি থাকিল। তাৰ পিছত কেবাদিনো তাই কলেজলৈ নগ'ল। ইন্দু আৰু প্ৰিয়া এদিন দুয়ো উধাতু খাই আহিল।

"তই পঢ়া শুনা বাদ দিবি নেকি এনেকৈ? ইন্দুয়ে স্বভাৱসুলভ অভিভাৱকত্বৰ সুৰেৰে সুধিলে তাইক।

"শুকাই খীণাই কি হৈছে অৱস্থা তোৰ?"

"আগতে ৰহচোন, খবৰ খাতি কেনে কৈ ল। তাৰ পিছত গালি পাৰিবি।" কেতেকীয়ে হাঁহিলে।

"হাঁহিব নালাগে। কথা সাংঘাতিক। তইতো মৰিছ আমাকো জলা কলা কৰি মাৰিছ।"

"কি হ'ল ভালকৈ ক'চোন।" কেতেকী ব্যস্ত হৈ উঠিল।

"আজি আমাৰ লগত নিৰ্মলা-দেবিকাহঁতৰ বিৰাট কাজিয়া গ'ল তোকলৈ।" প্ৰিয়াই মাত লগালে।

"দেবিকা দীপাংকৰ শৰ্মাৰ সম্পৰ্কীয় ভনীয়েক নহয়? সিহঁতে আজি কলেজত উলিয়াইছে তোৰ আৰু বৰুণৰ বোলে কেৱল লোকে দেখাকৈ বিয়াখন পাতিবলৈহে বাকী। এইবোৰ বহুত লেতেৰা কথা। তোৰ চিঠিত হেনো লিপষ্টিকৰ দাগেই দাগ। সেইবোৰ বৰুণে বোলে আটাইবোৰ বন্ধুকে দেখুৱাইছে।"

"আমি দুয়ো গৈ সিহঁতক খুব গালি পাৰিলো জান, তোৰ কথা এনেকৈ উলিওৱা কাৰণে।" ইন্দুয়ে কৈ উঠিল। "দেবিকাই ক'লে বৰুণে বোলে দীপাংকৰক নিজে কৈছে এইবোৰ কথা। নিৰ্মলাৰ দাদাকেও নিজ চকুৰে চাই আহিছে চিঠিবোৰ। আমি যেনিবা তোৰ চিঠি পঢ়াই নাই!" "এইবাৰ বৰুণ আহিলে কাঢ়া ধমক লগাবি যাকে তাকে যি তি কথা যেন কৈ নুফুৰে। ল'ৰাবোৰক বিশ্বাস কৰিবই নোৱাৰি দেই।" প্ৰিয়াই বিৰক্তি প্ৰকাশ কৰিলে।

"হৈছে এতিয়া এইবোৰকে ভাৱি গুণি কেটেঙা লগাৰ দৰকাৰ নাই। কলেজলৈ নোযোৱাকে থাকিলেই তোৰ নামত লগা দাগবোৰ মচ খাব বুলি ভাবিছ নেকি? মাত্ৰ বৰুণ আহিলে কৰি এইবোৰ বন্ধুৰ কবলত পৰি কেতেকীৰ পাহিত যেন কাঁইট খুচি নিদিয়েহি।'

সিহঁত যোৱাৰ পিছতো ভালেসময় নিঃসাৰে বিছনাখনত পৰি ৰ'ল কেতেকী। সচাঁ মিছাৰ দোমোজাত বহুদিন ছুলি থকাৰ পিছত আজি তাই সঠিক উত্তৰ এটা বিচাৰি পাইছে। ইন্দু আৰু প্ৰিয়াই তাইৰ শেষৰ চিঠিখন পঢ়া নাছিল। মদ নাখাবলৈ তাই এখন বগা পাতত লিপষ্টিক লগোৱা ওঁঠৰ সাঁচ বহুৱাই বৰুণলৈ পঠিয়াই দিছিল। চিঠিখনত একান্ত গোপনীয়তাৰ শপত নিদিয়াৰ কাৰণেই সি এনেকৈ সকলোৰে আগত কেতেকীৰ দৰে ছোৱালীক বশ মনোৱাৰ কৃতিত্ব প্ৰমাণ পত্ৰই জাহিৰ কৰিলে নেকি?? বহুমূলীয়া আপুৰুগীয়া সম্পদ মানুহে বাৰু কিমান আলফুলকৈ, গাত দাগ এটা নলগাকৈ সাঁচি থয়? কেতেকীৰ মনত পৰিল প্ৰথম চিনাকীৰ দিনা একেলগে বহি কথা পাতি থাকোতে তাইৰ ৰুমালখনত বৰুণৰ কলমডালৰ ওচৰতে মেজৰ ওপৰত আছিল। খোল খাই থকা কলমডালৰ পৰা ৰুমালখনত চিয়াহী লাগি গোল দাগ এটা হৈছিল। মুগা-বৰণীয়া ৰুমালখনত সেউজীয়া ৰঙৰ দাগটো এতিয়াও আছে, তাই ৰুমালখন ধোৱাও নাই। প্ৰত্যেকটো শব্দ, প্ৰত্যেকটো ঘটনাই দাগ বহুৱাই বহুৱাই তাইৰ গোপনত ছবি এখন আঁকি থৈছিল। কিমান আতোলতোলকৈ সাঁচি থৈছে তাই সেই দাগ!

কেতেকীয়ে গোটেই ৰাতি নিঃশব্দে কান্দিলে। এটা সময়ত তাইৰ উশাহ লব নোৱাৰা অৱস্থা হ'ল। নিজকে খুটিয়াই খুটিয়াই প্ৰশ্ন কৰিলে, সামান্যতম দুৰ্বলতাকো প্ৰশ্ৰয় নিদিয়াকৈ তাই বিবেকৰ মুখামুখি হ'ল। তাই জানে ডাক্তৰ ইঞ্জিনিয়াৰ বোৰ বাদ দি বৰুণৰ দৰে ঠিকাদাৰ এটাক তাইৰ দৰে নাগিনী এজনীয়ে বিয়া কৰাবনে বুলি বাটে ঘাটে, ঘৰে বাহিৰে সমালোচনা চলিব। বৰুণক তাই কেৱল নিজৰ বাবে গঢ়িব খুজিছিল নে? অমৃতৰ পথত তাইতো এজন সহযাত্ৰীহে বিচাৰিছিল। অলপ কষ্ট কৰি বৰুণ কিয় নিদাগ হৈ নাথাকিল। আজি কমলহঁতৰ লগত বৰুণৰ সীমাৰেখাডাল এতিয়াযে আৰু তাই মনিব নোৱাৰে। হৃদয়ৰ গভীৰৰ পৰা ভালপোৱা খানি উলিয়াবলৈ যিমান কষ্টৰ প্ৰয়োজন সেই যোগ্যতা সিহঁতে অৰ্জন কৰিব নোৱাৰিলে। মুখাৰ মোহৰ প্ৰতি চিৰকালৰ ঘৃণা কেতেবীয়ে পুনৰ উপলব্ধি কৰিলে। বিবেকৰ দাপোনত তাই স্পষ্টকৈ দেখিলে নিজৰ উজ্জ্বল চকুহাল। ভালপোৱাই জীৱনক পোহৰ দিয়ে অন্ধ নহয়।

টেক্নিক মাত্র। এইবোৰত ৰীতাৰ আস্থা হেৰাই গৈছে কেতিয়াবাই। অফিচাৰক খুছ (!) কৰিব পৰা হলে বহুদিন আগতেই চাকৰি পালেহেঁতেন। তাকো ইন্টাৰভিউ নিদিয়াকৈয়ে। এইবাৰো ইন্টাৰভিউ দিছিল গতানুগতিক ভাবে। বেয়া হোৱা নাই। অফিছাৰজন হেনো নতুনকৈ ইয়ালৈ আহিছে। এইবাৰৰ ইন্টাৰভিউ সম্পৰ্কে ৰীতা যথেষ্ট আশাবাদী। অ'ৰেলত মাতিছে। তাইৰ নাম এক নম্বৰত। গতিকে চাকৰিৰ আশা দেখিছে কিছু পৰিমাণে। কিন্তু ইন্টাৰভিউৰ দিনা সেই অফিছৰে টাইপিষ্ট মণিকাৰ মুখত যেতিয়া অফিচাৰৰ নামটো শুনিলে তাইৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে। অৱশ্যে ৰীতাৰ অসহজ ভাবটো কাৰো চকুত নপৰিল। ইন্টাৰভিউ দি উঠি বাহিৰে বাহিৰে টিউচন দুটা কৰি ঘৰলৈ আহোতে ৰাষ্টাৰ লাইটবোৰ জ্বলিছে। পদুলিৰ জপনাখন একাষৰীয়াকৈ খুলি তাই আগচোতাল পালেহি। ড্ৰয়িং ৰুমত মাকৰ সতে কাৰোবাৰ কথোপকথন তাইৰ কাণত পৰিল। কোননো হ'ব পাৰে উমান লব খুজিলে। নোৱাৰিলে। তাই ভিতৰ সোমাই গ'ল। মাকেই তাইৰ সতে চিনাকী কৰাই দিলে, "ৰীতা তই যে ইন্টাৰভিউটো দিছিলি এওঁলোকৰ অফিছত, তোৰ ইন্টাৰভিউ হেনো ভাল হৈছে। সেয়ে অফিছাৰে তোক মাতি পঠিয়াইছে। এওঁ তাকে খবৰ দিব আহিছে।" ৰাতি ভাতৰ পাততো মাকে কথাটো আকৌ উলিয়ালে, "ভগৱান আমাৰ প্ৰতি বোধহয় সদয় হৈছে, ৰীতা, মানুহজনে কৈছে যে, তোৰ চাকৰিটো হোৱাৰ হেনো খুবেই আশা দেখা গৈছে। গতিকে তই অফিছাৰজনক লগ ধৰি আহিবি। অফিছাৰজনো হেনো ভাল।" ৰীতাই মাকৰ কথাবোৰ নীৰৱে শুনি হাত ধুই উঠি আহিল। নিজৰ ৰুমত সোমাই বিচনাখনত পৰি মাকৰ কথাবোৰ ভাবিলে। মণিকাই আজি দিনত অৰ্পনৰ নামটো কওঁতে তাইক ইতিকিং কৰিছিল নেকি বাৰু? প্ৰশ্নটো তাই নিজকে কৰিলে। তাই বাৰু মাকক কেনেকৈ কয় যে তাইক অৰ্পন বৰায়েই মাতি পঠিয়াইছে বুলি। তাই মাকক কব খুজিছিল কিন্তু মাকৰ চকুলৈ চাই সেইখিনি কোৱাৰ সাহস তাইৰ নহ'ল। কাৰণ মাকৰ চকুত থকা প্ৰত্যাশাখিনি উলাই কৰাৰ ক্ষমতা তাইৰ নাই। মাকজনীও বয়সতকৈ অধিক বুঢ়ী হৈ গৈছে এই কেইবছৰত। ল'ৰা-ছোৱালী তিনিটাৰ চিন্তাতেই চুলিবোৰ পকালে। মাকেও তাইৰ মুখত হাঁহি বিচাৰে। মাকেও জানে তাই আজিলৈ কিয় বিয়াৰ কথা নুলিয়াই। অৰ্পনে যে অইনক বিয়া কৰাব সপোনতো ভবা নাছিল তাই। ভবা কথাতকৈয়ে বাস্তৱ বেছি নিৰ্মম মাকেও এতিয়া উপলব্ধি কৰিব পাৰিছে। সেয়ে মাকেও তাইক বিয়াৰ কথা নকয়। ৰীতায়ো জানে মাকৰ দুখ কোনখিনিত। মাকেও জানে। গতিকে বহুদিন ধৰি এইবোৰ বিষয়লৈ কোনেও কাৰো সমুখত থিয় দিয়া নাই। প্ৰেম ভাল পোৱাৰ পৰিণতি বিয়া হয়নে নহয় সেইটোৰ দাৰ্শনিক তত্ব ৰীতাই দিব নোৱাৰে। কাৰণ তায়ো জৈৱিক কামনা বাসনাৰ উৰ্দ্ধত নহয়। গতিকে অৰ্পনৰ সতে সংসাৰ কৰাৰ সপোন এদিন দেখিছিল। অৰ্পনৰ ওচৰত অংগীকাৰবদ্ধ হৈছিল বিয়াৰ বাবে। সেইদিনা অৰ্পনে আৱেগিক হৈ দিয়া প্ৰতিশ্ৰুতি খিনিৰ মাজত ৰীতাই আজিৰ নিৰ্মম সত্যটো বিচাৰি পোৱা নাছিল। অৰ্পনৰ সতে ৰীতাৰ চিনাকী কলেজত প্ৰথম এডমিছন লোৱাৰ সময়ত। অৰ্পন ডিগ্ৰী ফাইনেল ইয়েৰত তেতিয়া। দেউতাকৰ বদলি সুত্ৰে ইয়ালৈ আহিছিল। ৰীতাৰ লগত চিনাকী জৰিয়তে ৰীতাহঁতৰ ঘৰলৈ তাৰ অবাধ আহ যাহ আৰম্ভ হৈছিল। সিহঁতৰ চিনাকীয়েই গভীৰতৰ হৈ ভাল পোৱালৈ ৰূপান্তৰ হৈছিল। দুবছৰ মান পিছত অৰ্পন গুছি গৈছিল University ত সোমোৱালৈকে তাৰ পৰা চিঠি-পত্ৰ ঠিকেই আহি আছিল। তাৰ এবছৰ মান পিছৰ পৰা আৰু নাই। তাৰ চিঠিবোৰ ৰীতাই আজিও সযতনে থৈ দিছে। চিঠিৰ গভীৰ প্ৰেমৰ ভাষাবোৰে আজিকালি ৰীতাক ব্যংগ কৰা যেন লাগে। বহুদিন তাই সেইবোৰ ফালিব খুজিও ফালিব পৰা নাছিল। শেষ চিঠিখনৰ কথাখিনি আজিও মনত আছে। সেইখন চিঠি পোৱাৰ দিনা তাইৰ অৰ্পনক পলায়নবাদী, কাপুৰুষ আখ্যা দিব মন গৈছিল। তাৰ দৰে সংস্কাৰ বিচৰা বৰ্ণ

বৈষম্যৰ বিৰুদ্ধে আগতে লেকচাৰ মৰা ল'ৰাজনৰ মুখত চিঠিৰ ভাষাত তাই সেইবোৰ শুনিবলৈ বিচৰা নাছিল। অৰ্পনৰ সাহস নাছিল প্ৰচলিত ধাৰাৰ পৰা মুক্ত হৈ ঘৰৰ অমত হলেও নীচ বৰ্ণৰ ছোৱালী এজনীক বিয়া কৰাবলৈ। সেইদিনা তাই পাৰ্য্যমানে কান্দিছিল ; মাকেও অৱশেষত গম পাই বুজনি দিব বিচাৰিছিল। সেয়া এক দুঃস্বপ্ন বুলি ভাবিয়েই অৰ্পনক, সিহঁতৰ প্ৰেমক সমাধি দিছিল। তাৰ বাহিৰে অইন ৰাস্তাও তাইৰ বাবে নাছিল। কিন্তু আজি মণিকাৰ মুখত অৰ্পনৰ নামটো শুনাৰ লগে লগে নুমাই যোৱা জুইকুৰা যেন পুনৰ জ্বলি উঠিল। কলেজৰ সন্মুখৰ কৃষ্ণচুড়া ডাল যত ঘণ্টাৰ পিছত ঘণ্টা কথা পাতিছিল, সেইডাল আজিও আছে। কলেজৰ লাইব্ৰেৰীৰ কাষৰ বিশেষ কৰিডৰটো আজিও আছে সাক্ষী হৈ। কিন্তু সেয়াতো আজি বাস্তৱৰ সীমাৰেখাৰ পৰা বহু আঁতৰত। কৃষ্ণচুড়া ডালে আঁহোতে যাওঁতে সদায় তাইক বিদ্ৰূপ কৰা যেন লাগে। আজিকালিও তাৰ তলত অফ্ পিৰিয়ডত নিবিড় ভাবে কথা পাতি থকা কলেজীয়া ল'ৰা ছোৱালী দেখা যায়। ঠিক আঠ বছৰ আগতে যেনেদৰে সিহঁতে কথা পাতিছিল তেনেদৰেই। কলেজতো অৰ্পন ৰীতা হিট্-ৰোমান্টিক যুতি আছিল। তাই প্ৰেমক ৰোমাঞ্চ হিচাপে লব পৰা নাছিল। পঢ়া-শুনাৰ দৰে প্ৰেমকো চিৰিয়াছলি লোৱাৰ বাবেই হয়তো আজি ভুলৰ হিচাপ কৰিব লগা হৈছে। তাই আকৌ ভাবিলে কোনটোক প্ৰাধান্য দিব ! ক্ষুধা নিবাৰণ নে ব্যক্তিত্ব, বিবেক, আত্মসন্মানক ? তাই এইটোও জানে যে অৰ্পনক লগ ধৰিলে চাকৰিটো নোপোৱাৰ মানেই নাই। অৰ্পনে কিয় তাইক মাতি পঠিয়াইছে ? বোধহয় তাইৰ প্ৰতি অনুগ্ৰহ দেখুওৱাৰ বাবেই মাতিছে। ৰীতাই অৰ্পনৰ অনুগ্ৰহৰ পাত্ৰ হব নোখোজে ঠিকেই। কিন্তু মাকৰ দৈন্যতাত ভোগা মুখখনৰ কথা মনলে অহাৰ লগে লগে তাই দুৰ্বল হৈ পৰে। আজি তাই বিবেকৰ লগত কম্প্ৰমাইজ কৰাৰ বাহিৰে অইন পথ দেখা নাই। তাই পিছদিনাই যাব অৰ্পনৰ তালৈ। ৰাতিৰ অন্ধকাৰখিনি লাহে লাহে আঁতৰি যাবলৈ ধৰিছে আৰু পৃথিবীখন লাহে লাহে ধৱল বৰণ হৈ আহিছে ; তাই নিজকে মাকৰ মুখখনৰ লগত তুলনা কৰি চালে দাপোনহীন ভাৱে। ●

# "পত্ৰবন্ধু"

ৰাহিদৰ ৰহমান
প্ৰাক্তন ছাত্ৰ

— শুনিছে ? ছুলীয়াজানৰ পৰা চিঠি এখন আহিছে। আৰু ........ ........

ঘৈণীয়েকৰ কথাখিনি শেষ নৌহওঁতেই অনিৰুদ্ধই এক প্ৰকাৰ আতঙ্কিত হৈ সুধিলে "কোনে লিখিছে, কিয় লিখিছে ?"

অনুৰাধাৰ কথা শুনি অনিৰুদ্ধ যিদৰে আতঙ্কিত হৈ উঠিল একেদৰে অনিৰুদ্ধৰ আচৰণত অনুৰাধাও আচৰিত হৈ উঠিল। গিৰীয়েকৰ পিনে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি সহজ ভাৱে কলে —

মানে পত্ৰ বন্ধু হিচাপে লিখিছে। ইণ্টাৰেষ্টিঙ কি জানে চিঠি লিখা যুৱকজনৰ নামটো আৰু উপাধিটো আপোনাৰ সতে একে ।

অনিৰুদ্ধযেন ঘৈনীয়েক অনুৰাধাৰ কথাত কিবা ৰহস্যৰ সন্ধেদ পালে। হঠাৎ কলিজাৰ আঁৰত বুকুৰ জেপত লুকাই থকা কণমানি হৃদপিণ্ডটো আগতকৈ কিছু বেছি সক্ৰিয় হৈ উঠিল। যথাসম্ভৱ নিজকে সম্ভালি কিছু সংযত হৈ কলে —

তাৰ হবিতো নিশ্চয় মোৰ সতে একে ? .... ....

অনুৰাধাইনো কেনেকৈ কয় একে নহয় বুলি। ভাৱ হৈছে যেন তাইৰ পতীদেৱতা অনিৰুদ্ধই এপ্ৰিলফুল কৰিম বুলি তাইলৈ চিঠিখন লিখিছে। যদিও এপ্ৰিল মাহ নহয়। মাথো সাদৃশ্য দেখা পোৱা নাই হাতৰ আখৰ কেইটাত। চিঠিখন যিমানে পঢ়ি যাব ধৰিলে সিমানে শীতৰ বতৰটো গ্ৰীষ্মৰ প্ৰখৰ তাপত ঘামি যোৱাৰ দৰে হ'ল। পঢ়া শেষ কৰি ৰুমালেৰে মুখখন মচি ঘপ্‌হকৈ চোফাত বহি দিলে। — যোৱাচোন চাহ একাপ লৈ আহা, খুউব টেন্‌ডেন্‌চি ফিল কৰিছো।

অনিৰুদ্ধৰ ব্যৱহাৰত অনুৰাধা বিস্মিত হ'ল। একো প্ৰশ্নৰ অৱতাৰণা নকৰি বাধ্য ছাত্ৰীৰ দৰে ৰান্ধনী শাললৈ গ'ল। ঘৈণীয়েক যোৱাৰ পিনে একেথৰে কিছুপৰ চাই থাকি পুনৰ মুখৰ ঘামবোৰ আতঁৰাই ল'লে। ভাবিলে অনুৰাধাক কোৱাটো উচিত হ'বনে নহয়। অনুৰাধাটো অনিৰুদ্ধৰ অৰ্দ্ধাঙ্গিনী। শৰীৰৰ একাংশ। আজীৱন সহযাত্ৰী। তাইটো সকলো বুজে, উদাৰ। অসহনীয় কথাবোৰ প্ৰিয়-জনৰ আগত ব্যক্ত কৰিলে হেনো কিছু সকাহ পোৱা যায় মনলৈ শান্তি আহে। অনিৰুদ্ধৰো কেতিয়াবা নিজকে দোষী দোষী ভাৱ হয়। সি অনুৰাধাক সকলোখিনি দিওঁ যেন সকলোখিনি দিয়া নাই। শেষত এক অব্যক্ত অলিখিত

ইতিহাস তাইৰ আগত প্ৰকাশ কৰিব বুলি সিদ্ধান্ত লওঁতে অনুৰাধাৰ মাতত সম্বিত ঘুৰাই পালে। চাহ কাপ হাতত লৈ এপলক যৈণীয়েকৰ মুখলৈ চালে। এপাঁহ সদ্য প্ৰস্ফুটিত অচিনাকি ফুল যেন লাগিল। তাইক কাষত বহুৱাই লৈ তাইৰ হাত এখন তাৰ দুহাতৰ মাজত সুমুৱাই ললে। কেনেকৈ আৰম্ভ কৰিলে ভাল হব বুলি গমি থাকোতে হঠাৎ কৈ উঠিল –

— অনুৰাধা, তুমিতো মোক খুউব ভালপোৱা নহয় ?

– এয়া আকৌ নতুনকৈ কবলগীয়া কথা নেকি ?

—"নহয়, মানে তুলীয়াজান চিঠি এইবোৰে মোক কিছু বিব্ৰত কৰি তুলিছে। মই তোমাক অগাধ ভাল পাওঁ অনুৰাধা। তুমি কাহানিও মোক অকলশৰীয়া কৰি গুচি নাযাবা।" এখন বিস্তীৰ্ণ অচিনাকী পৃথিৱীৰ বুকুত যেন এটা পথিক আত্মাই নিৰ্ভয় আৰু নিশ্চিত হোৱাৰ অৱলম্বন বিচাৰিছে। তেনে এক মানসিক যাতনাৰ সন্মুখত অনিৰুদ্ধ অৱৰুদ্ধ। অনুৰাধাৰ পৰা নিৰ্ভয় আৰু নিশ্চয়তা পাই কলে –

—এটা সময়ত পত্ৰ-বন্ধু শিতাঁনটো মোৰো প্ৰিয় আছিল। তেতিয়া মই অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ শেষান্ত বৰ্ষৰ ছাত্ৰ। এদিন ইনষ্টিটিউতৰ দুজন ল'ৰাই এখন মেগাজিন আনি পত্ৰ-বন্ধু শিতাঁনৰ এটা ধুনীয়া নাম দেখুৱাই চিঠি লিখিব কলে। নামটো কি আছিল জানা— "অনুৰাধা, অনুৰাধা গোস্বামী" ঘৰ তুলীয়াজানত। মোৰ যে অনুৰাধা নামটোৰ প্ৰতি বিশেষ দুৰ্বলতা আছিল সেইটো সিহঁতে জানিছিল।

—আৰে, অনিৰুদ্ধদা আপুনি লিখকচোন। চাওঁচোন উত্তৰ আহে নে নাই।

—নাই হে নাহে। এইবোৰ কৰা মানে অযথা সময় আৰু পইচা খৰচ কৰা। পত্ৰ শিতাঁনটো কিছুমানৰ বাবে নাম আৰু জনপ্ৰিয়তা অৰ্জন কৰা এটা মাধ্যম।

—তেনেহ'লে এটা চৰ্তত লিখক

– কি ?

— যদি এমাহৰ ভিতৰত উত্তৰ আহে তেতিয়া হ'লে আপুনি আমাক এটা জোৰদাৰ পাৰ্টী দিব লাগিব।

—আৰু যদি নাহে ?

— তেতিয়া হ'লে আমি আপোনাক দিম।

অৱশেষত মই লিখিছিলো। লিখিছিলো অনুৰাধাই যেন মোৰ চিঠিৰ উত্তৰ নিদিয়ে আৰু মোৰ পাৰ্টিৰ পইচাখিনি বচাই দিয়ে। গতানুগতিক ভাৱে দিনবোৰ আহিল গ'ল। কিন্তু হঠাৎ পোন্ধৰ দিন মান পিছত অনুৰাধাৰ ; চিঠিৰ উত্তৰ আহিল। চিঠিখন মোক দিছিল সেই দুজন ল'ৰাই।

-- "আপোনাৰ পাৰ্টীৰ পইচাখিনি বচাব নোৱাৰাৰ বাবে দুঃখিত। আগলৈ চিঠি পঠিয়াব। মোৰ বহু লিখিবলগীয়া আছে।"

যদি আগতিয়াকৈ গম পালোহেতেঁন সেয়াই আছিল মোৰ জীৱনৰ এক নতুন অধ্যায়ৰ আৰম্ভনী তেনেহলে হয়তো পুনৰাই চিঠি নিলিখিলোহেঁতেন। মোৰ এই জ্ঞান পিপাসু অনুসন্ধিৎসু মনটোৱে অনুৰাধাৰ সেই বহু লিখিবলগীয়া কথাবোৰ জনাৰ বাবে তৃষ্ণাতুৰ হৈ উঠিছিল। বোধহয় সেইবাবেই লিখিছিলো।

—"মইওটো বিয়াৰ আগতে বহুতলে নানা ধৰণৰ চিঠি-পত্ৰ লিখিছিলো যোগাযোগ ৰাখিছিলো। অৱশ্যে এতিয়া সেইবোৰ নাই।"

দ্বিধাহীন ভাৱে অনুৰাধাই কথাৰ মাজতে ক'লে। কোনো নাৰীয়ে কামনা নকৰে যে তাৰ প্ৰিয়তম মানুহ গৰাকী আন কাৰোবাক ভাল পাওঁক; সম্পৰ্ক ৰাখক। এনে ক্ষেত্ৰত অনুৰাধাও ব্যতিক্ৰম হব নোৱাৰে বাহ্যিকতাত সেই প্ৰতি-ক্ৰিয়াৰ প্ৰকাশ নঘটিলেও অন্তঃস্থলত এক গঢ়াখহনীয়াৰ সুত্ৰপাত ঘটে। ক্ষন্তেকীয়া ভাৱে হ'লেও চাহ কাপত শেষ চোহাটো মাৰি অনিৰুদ্ধ পুনৰ স্মৃতিৰ জোলোঙাখন খোছৰিব ধৰিলে।

ক্ৰমান্বয়ে চিঠি-পত্ৰ আদান-প্ৰদান বাঢ়ি গ'ল আৰু তাৰ বিপৰীতে মন গহনত এক অজ্ঞাত অনুভুতি চঞ্চল হৈ আহিল। স্নায়ুৱে ক'লে উপলব্ধিৰ আঘাত ভিতৰি ভিতৰি এক অস্পষ্ট অনুভূতিৰ প্ৰত্যয় সেই প্ৰত্যয় আছিল অস্পষ্ট অশৰীৰী। এটা মুহূৰ্ত্তত মই নিজেই তাক চিঠিত প্ৰকাশ কৰিছিলো।

এজোপা কুঁহিপাতেৰে ভৰা প্ৰেমৰ গছ গজিল। আশা আকাংশা ভৱিষ্যত আঁচনীৰ ৰঙীন ফল ফুলেৰে গছ জোপা ক্ৰমে জাতিস্কাৰ হৈ আহিল। মই কেবাবাৰো নিজে গৈ তাইক সাক্ষাত কৰাৰ কথা কৈছিলো। তাই কৈছিল—

- এতিয়া নহয়।

— কিয় ?

— জীৱনত মই তোমাৰ সতে দুবাৰহে দেখা কৰিম। প্ৰথমবাৰ তোমাৰ চাকৰি হোৱাৰ পিছত আৰু দ্বিতীয়বাৰ মোক বিয়া কৰাই লৈ যোৱাৰ পিছত।

— মোৰ যে ধৈৰ্য্যচ্যুতি ঘটি আহিছে।

— ওহো নহব

—অনুৰাধা, কেতিয়াবা যদি মোৰ নৈতিকতাতকৈ যৌৱনক বেছি সন্মান জনাবৰ ইচ্ছা জাগে? সেই ইচ্ছাৰ ওচৰত তুমি আত্ম সমৰ্পন নকৰা বুলি মই জানো।

— কিন্তু নৈতিকতাৰ চকীদাৰী কৰিবৰ বাবে যে মই যৌৱনৰ গোলামি কৰা নাই, তুমিতো জানা।

— ছোৱালীবোৰ সেইবোৰ পুৰুষক আটাইতকৈ বেছি শ্ৰদ্ধা কৰে, যি নিজৰ অনুভূতিক শ্ৰদ্ধা কৰে, কিন্তু নিজৰ দুৰ্বলতাৰ ওচৰত বশ্যতা স্বীকাৰ নকৰে।

মোৰ ইচ্ছা অনুভূতিক সিমানতে কৱৰস্থ কৰি ভৱিষ্যতক আয়ত্বত আনিবলৈ একান্তমনে প্ৰচেষ্টা অব্যাহত ৰাখিলো। সেয়ে বোধহয় সুখ্যাতিৰে পাছ কৰি ইনষ্টিটিউতৰ পৰা ওলাই আহিলো। চাকৰিৰ বাবে বেছি দিন অপেক্ষা কৰিব লগা নহ'ল। অনুৰাধাৰ পৰামৰ্শত গুৱাহাটীত থকা তাইৰ মোমায়েক এজনৰ যোগেদি কৰ্ম সংস্থান ঘটিল। মোমায়েকক মাথো অনুৰাধাৰ বন্ধু বুলি চিনাকী দিছিলো।

চাকৰীত যোগ দিয়াৰ প্ৰায় দহ দিনমান আগেয়ে তাইৰ পৰা শুভেচ্ছাসহ এখন চিঠি পাইছিলো। উত্তৰত ধন্যবাদ সহ নানা কথা লিখিছিলো।

—মোৰ চাকৰী জীৱনৰ প্ৰথম দৰ্মহাখিনি তোমাৰ বাবে খৰছ কৰিব বিচাৰো। কাৰণ এই প্ৰাপ্য তোমাৰ। মই অহা মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত দুপৰীয়াৰ আগেয়ে তোমালোকৰ তালৈ আহিম। তুমি ৰৈ থাকিবা।

চাকৰী জীৱনৰ প্ৰথম দৰ্মহাখিনিৰে প্ৰায় গোটেই খিনি তাইৰ ভাল লগা বস্তু সামগ্ৰী কিনি যেতিয়া নৈশ বাছত উঠো ভাৱ হৈছিল ময়েই যেন পৃথিৱীৰ আটাইতকৈ সুখী ব্যক্তি।

—এইটো অনুৰাধা গোস্বামীৰ ঘৰ হয় নে?

হয়, পিছে আপোনাক ঠিক চিনিব পৰা নাই ?

— আগন্তুকৰ প্ৰশ্ন।

— "মই গুৱাহাটীৰ পৰা আহিছো। মোৰ নাম অনিৰুদ্ধ গোস্বামী।

উত্তৰ শুনি আগন্তুকে কি কৰিব, কি নকৰিব বুলি এক প্ৰকাৰ চিঞৰি দিলে—

"আই অনুৰাধা, অনিৰুদ্ধ গোস্বামী আহিছে।"

"জাগীৰোড পালো। ভাত খাই লব পাৰে।" বাছ কণ্ডাক্টৰজনৰ চিঞৰত অনিৰুদ্ধ হঠাৎ সাৰ পাই উঠিল।

তাৰ পিছত মোৰ আৰু ভাল টোপনি হোৱা নাছিল পিছ দিনা পুৱা প্ৰায় আঠমান বজাত তুলীয়াজানৰ মাটি ভৰি দিছিলো। সমগ্ৰ দেহত এক ৰোমাঞ্চ অনুভৱ কৰিছিলো সুদীৰ্ঘ ডেৰ বছৰ পিছত মোৰ আৰু অনুৰাধাৰ প্ৰথম দেখা হব। অটো এখন লৈ অনুৰাধাৰ ঘৰ বুলি ৰাওনা হ'লো। দুজন মানক সোধাৰ পিছত ঘৰটো পাই গলো

অটোখন বিদায় দি অনুৰাধাৰ ৰাজ্যত প্ৰৱেশ কৰিলো। বুকুৰ ভিতৰত এটা ভয় আৰু সংশয়ৰ উপস্থিতি বাৰুকৈয়ে উপলদ্ধি কৰিছিলো। আৰু সেইটো ক্ৰমান্বয়ে বৃহৎ আকাৰ ধাৰণ কৰিছিল। সকলো দমাই ৰাখি কলিং বেলটো টিপাৰ ক্ষন্তেক পিছতে দুৱাৰ খন মেল খাইছিল। এগৰাকী সাতাইশ/আঠাইশ বছৰীয়া ব্যক্তিয়ে মোক সুধিছিল—

—কাক বিচাৰিছে ?

–এইটো অনুৰাধা গোস্বামীৰ ঘৰ হয় নে ?

–হয়, পিছে আপুনি ?

—মই অনিৰুদ্ধ গোস্বামী। গুৱাহাটীৰ পৰা আহিছো।

নামটো শুনি আগন্তুক জনৰ দৃষ্টি মোৰ সমগ্ৰ দেহৰ ওপৰেদি কিছুসময়ৰ বাবে বাগৰি গৈছিল। কোনোবা আপোন জনৰ দৰে মাতি নি মোক ড্ৰইংৰুমত বহিব দিছিল। তেওঁ ভিতৰলৈ সোমাই যোৱাৰ ক্ষন্তেক পিছতে এগৰাকী আদবয়সীয়া মহিলা এজনী ধুনীয়া যুৱতী এজন যুৱক আৰু সদ্য বিবাহিতা তিৰোতা এগৰাকী ড্ৰইংৰুমত সোমাই আহিছিল। মোৰ পৰিচয়টো পাই আটাইয়ে বিভিন্ন দৃষ্টিৰে মোলৈ চাইছিল। কিন্তু তেওঁলোকৰ পৰিচয়বোৰ পোৱাৰ পিছত মই হতাশ হৈছেলো। কাৰণ তাৰ মাজত অনুৰাধা নাছিল। যাৰ বাবে এই পৰিক্ৰমাৰ আয়োজন তাইক দেখা নাপাই ভাবিছিলো লাজ কৰাৰ বাবে দেখা দিয়া নাই। তাইক দৰ্শনৰ তৃষ্ণা দ্ৰুতগতিত বাঢ়ি আহিছিল। এনেতে সেই ধুনীয়া যুৱতী গৰাকী যিজনী অনুৰাধাৰ ভনী, মোক মুখ হাত ধুবৰ বাবে মাতি নিছিল। তেওঁলোকে মোৰ প্ৰতি কৰা আপ্যায়ণ আৰু ব্যৱহাৰ দেখি ভাৱ হৈছিল মই যেন সেইখন ঘৰৰ জোঁৱাই ইতিমধ্যে হৈ গৈছো কিন্তু তেতিয়াও অনুৰাধাৰ দৰ্শন হোৱা নাছিল।

খোৱা বোৱা শেষ কৰি ড্ৰইংৰুমত বহোতে মোক আদৰি নিয়া সেই আগন্তুক গৰাকীও মোৰ সতে আহি বহিছিল। কিন্তু তেতিয়াও তেওঁৰ সতে মোৰ পৰিচয় হোৱা নাছিল। আজিও মোৰ স্পষ্টকৈ মনত আছে তেওঁৰ সতে মই কি কথা পাতিছিলো — আপুনিয়েই অনুৰাধাৰ পত্ৰ-বন্ধু অনিৰুদ্ধ গোস্বামী ?

— হয়, অনুৰাধা ঘৰত নাই নেকি ?

মোৰ প্ৰশ্ন শুনি মানুহজন বিব্ৰত হৈ পৰিছিল। তেওঁৰ দুগালেদি বৈ আহিছিল অশ্ৰুধাৰা। কওঁ নকওঁকৈ থোকাথুকি মাতেৰে মোক কৈছিল—

— নাই। আজি উনত্ৰিশ দিন হ'ল তাই ঢুকাইছে।

কথাখিনি কৈ মানুহজন একপ্ৰকাৰ ভাগি পৰিছিল। আৰু মই ? মোৰ বুকুৰ ভিতৰৰ ধ্বংসলীলা বাহিৰৰ পৰাই শুনা পাইছিলো। নিমিষতে থান বান হৈ গৈছিল মোৰ হৃদপিণ্ড, মোৰ আশা, মোৰ সৰ্বস্ব। কিবা বিপদ হোৱা বুলি আটাই-বোৰ মানুহ ড্ৰইংৰুমলৈ দৌৰি আহিছিল। ভাগি পৰা মানুহ গৰাকীৰ কাষত বহি অনুৰাধাৰ ভনীজনীয়ে তেওঁৰ চকুঁপানী মচি দি শান্তনা দিছিল। তেতিয়া দেখিছিলো মানুহজন আগতকৈ বেছি হাহাকাৰ কৰি উঠিছিল। বিভিন্ন জনে বিভিন্ন ধৰণে শান্তনা বাণী শুনাইছিল। পৰিবেশটো হঠাৎ মোৰ বাবে অস্বাভাৱিক হৈ পৰিছিল। তাৰ মাজত মই আকৌ এবাৰ আতংকিত হৈ উঠিছিলো যেতিয়া গম পাইছিলো সেই বিশেষ ব্যক্তি গৰাকী অনুৰাধাৰ গিৰীয়েক বুলি। মোৰ লগত সম্বন্ধ গঢ়ি উঠাৰ আগৰে পৰা অনুৰাধা বিবাহিতা আছিল। তাই হেনো স্থানীয় নাৰ্চিংহ'ম এখনত প্ৰথম সন্তানটো প্ৰসৱ কৰোতে মৃত্যু হয়। কিন্তু সন্তানটো জীয়াই থাকে।

সিদিনাই সন্ধিয়াৰ বাছেৰে মই গুৱাহাটীলৈ উভতি আহো। অনুৰাধাৰ মৃত্যুত ভাৱ হৈছিল যেন পৃথিৱীত একো নাই কোনো নাই এক নিঃসঙ্গ বেদনাতুৰ আত্মাৰ জীৰ্ণ দীৰ্ঘশ্বাস সুৰ হৈ নিগৰি আহিছিল। ক্ৰমাৎ সেই সুৰ গভীৰৰ পৰা গভীৰতালৈ নামি গৈছিল। মই বিচৰণ কৰি ফুৰা জগতখন শ্মশানৰ দৰে শূন্য ! কৰ্কশ ! এই শূন্য শ্মশানত কিবা এটা খামুচি ধৰি জীয়াই থকাও দুৰুহ হৈ পৰিছিল।

অনুৰাধাৰ উপস্থিতিত মই নিজৰ মূল্যখিনি উপলব্ধি কৰিছিলো। তাইয়েই মোৰ স্থিতি আৰু অৱলম্বন আছিল। হেৰাই যোৱা সেই স্থিতি আৰু অৱলম্বন পুনৰ ঘূৰাই পাওঁ, তোমাক বিয়া কৰাৰ পিছত অনুৰাধা। তোমাৰ প্ৰতি মোৰ গভীৰ বিশ্বাস আৰু ভালপোৱা আছে বাবে সকলো কথা অকপটে অকনো লুকঢাক নকৰাকৈ প্ৰকাশ কৰিলো।

চকুপানীখিনি মোঁহাৰি এটা দীঘলীয়া হুমুনিয়াহ এৰি অনুৰাধাই অনিৰুদ্ধক কলে।

—"এতিয়া মই এই খনৰ উত্তৰ দিম নে নাই?

অনুৰাধাক দুবাহুৰ মাজত আঁলফুলে আৱদ্ধ কৰি অনিৰুদ্ধই কলে—

— আলোচনীৰ পত্ৰ বন্ধু শিতাঁনলৈ লিখোতে মোৰ অনুমতি বিচাৰোতে তোমাক জানো কোৱা নাছিলো। সেয়া তোমাৰ একান্ত ব্যক্তিগত কথা। এতিয়াও তাকেই কওঁ।

## —ঃমন বলয়ঃ—

মিচ্‌ ৰুমি দাস

কলহটো উবুৰিয়াই মনিয়ে প্ৰথমতে পানীখিনি হাতৰ তলুৱাত ললে। তাৰ পিচত গোটেই কলহটোৰ গাটো সেইকণ পানীৰেই ধুই দিলে আলফুলকৈ যেন মুল্যবান অথচ তেনেই থুনুকা বস্তু এটাহে তাই হাতত লৈ ঘঁহিছে। ধুই থাকোতেই মণিয়ে হাতৰ দীঘল আঙুলী কেইটাত খহটা কিবা এটাৰ স্পৰ্শ অনুভৱ কৰিলে। সুৰসুৰণীটোৱে একধৰণৰ শিহৰণ তুলিছিল, একেখিনি ঠাইতে হাতখন ঘুৰাৰমান ইফালে সিফালে লৰালে মণিয়ে।

এনেয়ে ভাল লাগিছিল তাইৰ।

মাটিৰ কলহ। এদিন কলৰ পাৰতে অঞ্জুৰ বাল্টিটোৰ সৈতে ঠেকা খাই কলহটো ফুটিল, অভয়ে পাকঘৰ বনাবলৈ অনা চিমেণ্ট অকণমানেৰে ফুটাটো বাতিলে। তাৰ পিচতো তেনেকৈয়ে বহুদিন হ'ল সেইটো তাই ব্যৱহাৰ কৰিয়ে আছে। আগতে মাকে টেকেলি-টুকুলা ফুটিলে ধূনা আৰু কেৰাচিনেৰেই বাতিছিল। অভয়ে পিছে এইবাৰ চিমেণ্ট লগালে।

কলহটো বোধকৰো কেতিয়াবাই ভবিছিল কাৰণ পাক ঘৰৰ পৰা অভয়ে যেতিয়া তাইক চিঞৰি চিঞৰি মাতে তেতিয়া মানে কলহটো উপচি পানীৰ সোঁতটো নলাৰ কাষতে থকা নেমুজোপাৰ কাষ পাইছেগৈ।

মণি আহি পাইহি মানে অভয়ৰ আলু পোৰাৰ সৈতে ঠাণ্ডা ভাত আধা-আধি খোৱা হৈছিলেই। অভয়টোৰ ভাত হলেই হ'ল। ঠাণ্ডা নে গৰম অথবা লগত আলু আছে নে মাছৰ জোলেই আছে তাক সেইবোৰ একো জানিব নেলাগে। অভয় কলেজলৈ যোৱাৰ পিচত মণি অলপ আজৰি হ'ল। হওঁক তেওঁ। আজি অকণদা অফিচলৈ নেযায়। গতিকে মাকৰ লগত বাতিপুৱাই তাইও পাকঘৰলৈ যাব নেলাগে। মাকে ঢেকিত কিবা খুন্দি আছিল। অকণে আজি দেউতাকৰ কাগজ পত্ৰবোৰ চাফা কৰিছে। এইখিনি সময়ত মণিয়ে কৰিব লগা একো কাম ঘৰখনত পৰি নাই।

অকণ— মানে মণিৰ ভাষাত অকণ দাই যে পৰিপাটি কৰাত লাগিছে, সেইকেইটা আলমাৰি দেউতাকৰ আজীৱন পৰিশ্ৰমৰ একমাত্ৰ সম্বল। কেৱল কিতাপ, আলোচনী কাগজ পত্ৰই ঠাহ খাই আছে সৰু ডাঙৰ আলমাৰী তিনিটা। অৱশ্যে মাকৰ ধাৰণাটো বেলেগ। তেওঁ ভাৱে মানুহজনে গোটেই জীৱনে পৰিশ্ৰম কৰি লখা গঢ়াতেই মনোযোগ দিলে হয়, কিন্তু মানুহজনে তেওঁৰ কথা ভাবিয়ে যেন অভয়, অকণক সজাই থৈ গৈছে। ইয়াতক লৈ অন্ততঃ এজনী মানুহ, এগৰাকী মাক সন্তুষ্ট হব পাৰে। জীয়াই

থকাৰ বাবে জীৱনৰ অৰ্থ আছে বুলি মণিৰ দেউতাকে এসময়ত মণিৰ মাকক খুউব কৈছিল। মহানন্দ পাঠক নামৰ সাধাৰণ স্কুল শিক্ষক জনক আনে যেনেকৈয়ে নেভাৱক মণিৰ মাকে জানিছিল মানুহজনক। অন্তৰঙ্গতাই নহয়, সহৃদয়তাৰো প্ৰয়োজন মানুহক বুজি পাবলৈ।

আৰু অকণ!

মণিয়ে ভাবি নেপায় এই অকণ দাদাটোওঁ যে কিয় হঠাৎ এনেকৈ গহীন হৈ গ'ল। কিমান হুলস্থূলীয়া আছিল কলেজত পঢ়ি থাকোতে অকণ দাদাটো। অকণদাই গান গাইছিল, কবিতা লিখিছিল। অকণদাৰ গান নহলে কলেজখনেই জানো যুৱ মহোৎসৱলৈ যোৱাটো কেন্‌চেল্‌ নকৰিছিল? সেইজন অকণদাই দেউতা ঢুকুৱাৰ পিচত সাংঘাটিক ধৰণেৰে পৰিবৰ্ত্তন হৈ গ'ল। আগতে গান-বাজনা, গল্প-কবিতালৈ ব্যস্ত থকা অকণক মহানন্দ পাঠকে খুউব গালি পাৰিছিল। হব পাৰে, দেউতাক ঢুকুৱাৰ পিছত অকণে দেউতাকৰ কথাটো ৰাখিছে। হঠাৎ কোনো বেমাৰ-আজাৰ আগতীয়াকৈ নহোৱাকৈ মহানন্দ পাঠক এদিন আতৰি গল। মণিয়ে বুজে, দেউতাকৰ সেই অভাৱ ঘৰখনৰ এটা কোনত সদায়ে লাগিয়ে থকা কথাটো। অন্তৰত নিভৃত কোনত এটা শূণ্য অনুভৱ ঘৰখনৰ প্ৰতিজনে মনে মনে কঢ়িয়াইছে। তথাপিও তাৰ মাজতে এদিন মণিয়ে অঞ্জুহঁতৰ ঘৰলৈ দুডাল বেণী গুঠি যাব পৰা হ'ল। অভয়ে দুৱাৰ চুকত পৰি থকা ক্ৰিকেট বেটখন লৈ পথাৰলৈ ওলাই যোৱা হ'ল। মাকে আচাৰৰ বটলবোৰ ৰ'দত মেলি দিবলৈ ল'লে। মাথোন অকণৰ এটা এলাহ ভাৱ আছিল। এনেয়ে আগৰ কাম-কাজবোৰ কোনো ভাল নলগা হৈ আহিছে আজিকালি।

দেউতাক থাকোতেই চাকৰিটো হব লগা আছিল। পিচে কিয় জানো চাকৰিটোত সি দেউতাকৰ শ্ৰাদ্ধৰ এসপ্তাহ পিছতহে জইন কৰিব পাৰিছিল তাৰ চাকৰি দেউতাকে দেখা নাপালে। অকণৰ দায়িত্ব লাহে লাহে বাঢ়ি আহিছে। মণি, মণিয়ে জানো এটা গুৰু দায়িত্ব নহয়। ক'ত তাৰ গানৰ সা-ৰে গা-মাৰ স্বৰ, ক'ত সেই কবিতা —

হেৰাই গৈছে যেন অকণ ক্ৰমে নিজৰ পৰা।

অভয়ে কেতিয়াবা তাক কিবা কিবি লিখাৰ কথা কয়। ভেকাহি মাৰি দিয়ে সি। থ, থ, তোৰ এই লেখা মেলা। কি হব লিখি? সময় নষ্ট। পেলাই দিব বুজিছা ফটা কাকতৰ দমত। তহঁতৰ সম্পাদকবোৰে তেল বিচাৰে। তেল দিব জানিব লাগিব। প্ৰমাণ গাথি দিব লাগিব কোনোৱা ইতিমধ্যেই বিখ্যাটো (?) হৈ উঠা লিখকৰ হাতৰ আখৰৰ, কাৰণ তইতো বিখ্যাত নহয়। সেই বাবেই নপঢ়াকৈয়ে দলিয়াই দিব ডাষ্টবিনত— এটা সোঁত বৈছে জান, অভয়। ঠিক তই যুৱ ক্ৰিকেট দলত স্থান নোপোৱাৰ দৰে। মণিয়ে দেউতাৰ চাকৰিটো বাবে এপ্লাই কৰোতে দিব লগা শকত অঙ্কটোৰ কথা শুনি পিছুৱাই অহাৰ দৰেই। অথচ সকলোৱে জানে, তইও জান, তইটো খুউব ভাল বলাৰ অভয়। মণিৰো নিজা যোগ্যতা আছে ...। অভয়ে কেনেদৰে লয় নেজানো। কিন্তু মণিয়ে জানে এই কথাবোৰ, অকণদাই কোৱা প্ৰত্যেকটো কথাতেই উষ্মা, ক্ষোভ মিহলি হৈ আছে। নিজৰ যোগ্যতাৰ অপমান হোৱাৰ অপমান আৰু মণিৰো হৈছিল। মাহীয়েকৰ সম্পৰ্কীয় নিৰূপৰ সতে দেউতাকৰ সময়তেই তাইৰ বিয়াৰ থিক হৈছিল। এদিন নিৰূপৰ পৰিয়ালটো আহিছিলেও। খাই-বৈ লগত একো-খনকৈ গামোছাও নিছিল নিৰূপহঁতে। দেউতাকে ভাবিছিল মণিক এইবাৰ নিশ্চয় ভাল পাত্ৰতে গটাব পাৰিব। মানুহ ঘৰে কথা দিছিল। সকলোৱে মণিৰ বিয়া নিৰূপৰ লগত যে হবই সেয়া প্ৰায় খাটাং বুলিয়ে ধৰিলে। কিন্তু নহয়। সেই যে মানুহঘৰ গল আৰু ঘুৰি নাহিল। যেন প্ৰদৰ্শনী এখন দেউতাকে পাতিছিল। আৰু মানুহে নিৰবে তাক চাই গুচি গ'ল। আৰু এজাক কেতিয়াবাই। পাহৰিও গ'ল

কথাবোৰ ভাবিলে নিৰূপ নামৰ ল'ৰাজনলৈ এসোপা থুই পেলাই দিবৰ মন যায় মণিৰ। মণিয়ে এই "না" সূচক ইঙ্গিতৰ অর্থটো জানে। সেইবাবেই খং উঠে তাইৰ। অভয়ে কয়, আনকি লগৰ ছোৱালীবোৰেও, মণি হেনো অসম্ভৱ ধুনীয়া, মণিয়ে নেভাবিলেও বুজি পায় সচাঁই তাই ধুনীয়াই। নহলে লগৰ ছোৱালীবোৰে অন্ততঃ তাইক সেই কথা নকলেহেঁতেন। ছোৱালীবোৰে এনেই কম ইর্ষা পৰায়ন নে এই বিষয়ত। মণিৰ দেউতাক স্কুল মাষ্টৰ। তাকো এম, ভি স্কুলৰ সহকাৰী শিক্ষক। সেইবাবেই নিৰূপৰ লগত তাইৰ বিয়াখন হব নোৱাৰে। অর্থাৎ নহয়।.........

ভিতৰত অকণে আলমাৰী চাফা কৰি থাকোতে পুৰণী ফাইল কভাৰেৰে মেৰিওৱা কাগজ এসোপা পালে। বস্তুটোনো কি বুলি খুলি চাবলৈ লৈয়ে অকণৰ চকু বহল হৈ গল।

কথাটো মণিক কবলৈ সি বাহিৰলৈ ওলাই আহিছিল। ঠিক একেখিনি সময়তে মণিয়েও যে অনুভৱ কৰিলে কিবা এটা উদাস শূণ্যতা ঘৰখনত। মণিও বাৰান্দালৈ আহিছিল।

অকণে মণিক কব খুজিছিল দেউতাকেও যে এসময়ত কিমান সুন্দৰ কবিতা লিখিছিল সেই কথা। কোনো দিনে আনক জানিব নিদিলে মানুহজনে নিজক। আলমাৰিৰ তলত সুমাই থৈ গ'ল জীৱনৰ বহুত আশাক।

বাৰান্দাত দুটা প্রস্তৰ মূৰ্ত্তিৰ দৰে ঠিয় হৈ ৰ'ল অকণ আৰু মণি। কোনেও কাকো একো নকলে। সমুখৰ ডাঙৰ পথাৰ খনত এজাক সৰু সৰু ল'ৰাৰ সৈতে অভয়ে এটা সৰু ল'ৰাৰ দৰেই ক্রিকেট খেলিছে। মণিয়ে মনত পেলাবৰ চেষ্টা কৰিলে সি বাৰু কলেজলৈ যোৱা নাছিল নে?

কেতিয়া আহিল সি॥



# বিবিধা

## সাক্ষাৎকাৰ

শিল্পী পেঞ্চন পোৱা গোৱালপাৰা নিবাসী শ্ৰীযুত অন্নদা চৰণ দাসৰ সতে এখন্তেক—

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থায় মহাবিদ্যালয়ৰ আগন্তক আলোচনীখন উলিয়াবৰ মনস্থ কৰি আলোচনী বিভাগৰ সম্পাদিকা ডাঙৰীয়াই মোলৈ এখন চিঠি যোগে আলোচনী খনত প্ৰকাশ কৰিবলৈ তলত উল্লেখিত প্ৰশ্নৰ উত্তৰ বিচাৰি অনুৰোধ কৰিছে।

প্ৰশ্নটো হ'ল :— "গোৱালপাৰা মহাবিদ্যালয় খনে আজি ৩৫ বছৰ কাল অতিবাহিত কৰিলে। ইয়াৰ অততী, বৰ্ত্তমান আৰু ভৱিষ্যতৰ বিষয়ে আপোনাৰ কলমে কি হয়?"

গোৱালপাৰা তথা তেতিয়াৰ গোৱালপাৰা মহকুমাৰ ৰাইজে গোৱালপাৰা চহৰত এখন মহাবিদ্যালয়ৰ অভাৱ বহুদিনৰ পৰা অনুভৱ কৰি আহিছে এখন ঠাইৰ লৰা ছোৱালী বোৰে উচ্চ শিক্ষাৰ সুবিধা নাপালে সেই ঠাইৰ কেতিয়াও উন্নতি হব নোৱাৰে। বিশেষকৈ আমাৰ বেচি ভাগ মানুহে দুখীয়া, গতিকে ল'ৰা-ছোৱালী বাহিৰত যেনে গুৱাহাটী নাইবা আন আন ঠাইত ৰাখি ইমান খৰচ কৰি পঢ়োৱাটো বেচি ভাগৰে সামৰ্থ নাই। তেতিয়া গুৱাহাটীৰ পৰা তুৰালৈকে এই সুদীৰ্ঘ ঠাই ডোখৰৰ মাজত এখনো মহাবিদ্যালয় নাছিল। গতিকে গোটেই গোৱালপাৰা মহকুমাৰ ৰাইজে সভা-সমিতি পাতি, আলোচনা-বিলোচনা কৰি গোৱালপাৰা চহৰতে এখন মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত ললে ইয়াৰ আগ ভাগ ললে তেতিয়াৰ এম, এল, এ মাননীয় ৺ খগেন নাথ ডাঙৰীয়াই সহযোগ কৰিলে উকিল সন্থা, ব্যৱসায়ী সন্থা, শিক্ষক ছাত্ৰ সকলে, তেতিয়াৰ মিল মালিক সকলে আৰু গাৱঁৰ সৰ্ব্ব সাধাৰণ ৰাইজে সম-সাময়িক ভাবে তেতিয়া এই মহকুমাৰে উত্তৰ পাৰে অভয়াপুৰীতো তাৰ ৰাইজে আন এখন মহাবিদ্যালয় পাতিবলৈ চেষ্টা

চলাইছিল। গতিকে উত্তৰ পাৰৰ সহায় সহযোগ পোৱাৰ আমাৰ আশা নাই। আমাৰ দক্ষিণ পাৰৰ সকলো ৰাইজে পূৰ্ণ উদ্যমে টকা, পইচা সংগ্ৰহ কৰাত লাগি গ'ল। শক্তি হিচাবে গাওঁ-ভুই, চহৰৰ সকলো ৰাইজে বৰগুণি আগ বঢ়াইছে আৰু বিশেষকৈ এম, এল, এ, ৺ খগেন্দ্ৰ নাথ ডাঙৰীয়াই, গোৱালপাৰা মহকুমাৰ বাহিৰেও অসমৰ অন্যান্য ঠাইৰ পৰাও যথেষ্ট ধন সংগ্ৰহ কৰিছে।

আমাৰ কলেজৰ মাটি ডোখৰ আছিল এই চহৰৰে ৺ শ্যাম সুন্দৰ সত্ৰৰ। তেতিয়াৰ মেছপাৰাৰ (লক্ষীপুৰ) জমিদাৰে এই সত্ৰখনৰ ৰক্ষণা-বেক্ষণৰ কাৰণে এই ডোখৰ জমি আৰু গাওঁৰ ফালেও ধানৰ জমি কিছু দিছিল।

এই সত্ৰখনৰ ৰক্ষণা-বেক্ষন কৰি আহিছে ৺ প্ৰাণেশ্বৰ মেধীয়ে (তেতিয়া জীবিত) আৰু তেওঁৰ পূৰ্ব পুৰুষ সকলে। এই মাটি ডোখৰ উক্ত ৺ প্ৰাণেশ্বৰ মেধীৰ লগত আলাপ-আলোচনা কৰি স্বৰ্গীয় এম, এল, এ, ডাঙৰীয়াই কলেজৰ নামত দান কৰিব লাগে বুলি ঠিক কৰিলে। মাটি ডোখৰ খেতি কৰিবলৈ ৺ মেধীয়ে কাল ঠা নামে স্থানীয় মানুহ এজনক আধি দিছিল। ৺ মেধীৰ লগত বন্দোবস্ত হ'ল যে কিছুদিন পাছত কলেজ কমিটিয়ে সত্ৰখনৰ কাৰণে কিছু টকা দিব, নাইবা মন্দিৰ ঘৰটো ভালকৈ সজাই দিয়াৰ ব্যৱস্থা কৰিব আৰু আধিয়াৰ জনক কলেজৰ চকিদাৰ চাকৰি দিব। বন্দোবস্ত হোৱাৰ পাছত এটা শুভদিনত ৰাইজে, স্থানীয় তেতিয়াৰ কংগ্ৰেছ অফিচৰ পৰা Procession কৰি আহি এই পথাৰতে খুটি গাৰী কলেজৰ পতাকা উত্তোলন কৰিলে। Procession ত সকলো শ্ৰেণীৰ মানুহে যোগ দিছিলে। আমিও দলত আছিলোঁ। Lead লৈছিলে ৺ খগেন্দ্ৰ নাথ এম, এল, এ, ডাঙৰীয়াই। তাৰ কিছুদিন পাছত আৰু এটা শুভদিনত কলেজ Bulding ৰ আধাশীলা স্থাপন কৰা হয়। শীলা স্থাপন কৰে আমাৰ গোৱালপাৰা চহৰৰে নামজলা উকিল আৰু তেতিয়াৰ অসম চৰকাৰৰ বন বিভাগৰ মন্ত্ৰী ৺ হৰেশ্বৰ দাস মহোদয়ে। তাৰ পাছত সকলোৰে চেষ্টা যত্ন আৰু তত্বাবধানত কলেজ ভৱন তৈয়াৰ হ'ল। কিছুদিন পাছত আৰু এটা শুভদিনত ১৯৫৫ চনত মহাবিদ্যালয়ৰ খন বহু জাক-জমক আৰু আৰম্বৰৰ মাজত উদ্বোধন কৰা হয়।

মহাবিদ্যালয়খন সুকলমে চলাবৰ কাৰণে এখন পৰিচালনা কমিটি কৰা হয়। তাৰ সভাপতি তেতিয়াৰ মহকুমাধিপতিক পতা হয় আৰু চেক্ৰেটাৰী স্বৰ্গীয় মৌলবী ওয়াজুদ্দিন আহাম্মেদ এম, এচ, চি, বি, এল, ডাঙৰীয়াক পতা হয়। তেখেতে Secy. আৰু Principal দুয়োটা কাম বহুদিন যথেষ্ট স্বাৰ্থ ত্যাগ কৰি কলেজৰ উন্নতিৰ কাৰণে কৰি গৈছিল। তাৰ পাছত আমাৰ আৰু এজন স্বনামধন্য এডভোকেট স্বৰ্গীয় ৰজনীকান্ত দাস মহোদয়েও যথেষ্ট স্বাৰ্থ ত্যাগ কৰি বহুদিন ধৰি Secretary ৰ কাম চলাই গৈছিল।

কলেজ খনত প্ৰথম অৱস্থাত I. A. তাৰ ৪ বছৰ মান পাছত B. A আৰু ১০ (দহ) বছৰ মান পিছতহে বিজ্ঞান শাখা খোলা হয়। প্ৰথমতে কিছুদিনলৈ অকল Night Shift খোলা হৈছিল। আৰু বেছিভাগ চাকৰীয়াল ছাত্ৰৰ দ্বাৰায় আৰম্ভ কৰা হৈছিল আৰু ৪ (চাৰি) বছৰমান পাছতহে Day Shift খোলা হৈছিল আৰু তেতিয়া Day আৰু Night দুয়োটা Shift তে ছাত্ৰ-ছাত্ৰী খুব আগ্ৰহেৰে আহিছিল। প্ৰথমতে মাত্ৰ ৬/৭ জন শিক্ষকেৰে আৰম্ভ কৰা মহাবিদ্যালয় খনত বৰ্তমান ৬০ জনৰো অধিক শিক্ষক হ'ল আৰু অনুমান ১০০ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰাৰ ঠাইত বৰ্তমানে ২৫০০ (পঁচিশ শ) ৰো অধিক সংখ্যা হৈছে। আৰু আৰম্ভনিতে এজন কেৰাণী আৰু এজন চকীদাৰে কাম চলাইছিল। তাৰ ঠাইত বৰ্তমানে কলেজ খনত ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰীয়ালৰ সংখ্যা ২০ জনৰো অধিক হৈছে।

মহাবিদ্যালয় খনৰ আৰম্ভনিৰ পৰা আজিলৈকে কেৱল গৰাকীও বিশিষ্ট আৰু কীৰ্ত্তিমান অধ্যক্ষই কাম কৰিছে। তেখেত সকলৰ আপ্ৰাণ চেষ্টাত আৰু ৰাইজৰ সহযোগত

মহাবিদ্যালয় খনে বৰ্ত্তমান যথেষ্ট উন্নত অৱস্থাত উপনীত হৈছে।

শিক্ষা-দীক্ষাৰ ফালেও আমাৰ মহাবিদ্যালয় খনে অসমৰ বহু মহাবিদ্যালয়ৰ তুলনাত নাম কৰিব পাৰিছে। বিভিন্ন বিষয় কলা আৰু বিজ্ঞান বিভাগত Honours Class খোলা হৈছে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত আমাৰ মহাবিদ্যালয়ে কেবাবাৰো প্ৰথম স্থান অধিকাৰ কৰি সুখ্যাতি অৰ্জন কৰিছে। ইয়াৰ কাৰণে আমি ৰাইজে গৌৰৱ অনুভৱ কৰিছো আৰু ছাত্ৰ-ছাত্ৰী সকলক ধন্যবাদ জনাইছো। তেওঁলোকৰ ভৱিষ্যত মঙ্গল কামনা কৰিছো আৰু আশা ৰাখিছোঁ আগলৈ যেন আৰু বেছি সুনাম হয়। ইয়াৰ লগতে আমি কলেজৰ শিক্ষক মহোদয় সকলকো ধন্যবাদ দিছোঁ। তেখেত সকলো আমাৰ সন্মানৰ পাত্ৰ।

এই কেইবছৰৰ ভিতৰত কলেজৰ অবয়ব বহুতখিনি বাঢ়িল। বিজ্ঞান বিভাগ খোলাৰ পিছতে বিজ্ঞানাগাৰ, ছাত্ৰ-ছাত্ৰী উভয়ৰে হোষ্টেল নিৰ্ম্মাণ কৰাৰ লগতে মূল ভৱনটোৰো সম্প্ৰসাৰণ যথেষ্ট বাঢ়িছে।

সাংস্কৃতিক দিশত বৰ্ত্তমানে কলেজখনে যিমান খিনি আগ-বাঢ়িব লাগিছিল সিমানখিনি বাঢ়িব পৰা নাই যেন মোৰ ধাৰণা। আগতে এই কলেজৰে কেবাজনো শিল্পীয়ে Inter College Compitition ত নাম কৰা মোৰ মনত আছে। বিশেষকৈ একাঙ্কিকা নাট প্ৰতিযোগীতাত এবাৰ আমাৰ মহাবিদ্যালয়ৰে অধ্যাপক শ্ৰীযুত বিষ্ণু প্ৰসাদ খাউণ্ড ডাঙৰীয়াই অভিনেতা হিচাবে প্ৰথম স্থান অধিকাৰ কৰিছিল। আৰু সঙ্গীতত শ্ৰীজীতেন ডেকা আৰু শ্ৰীমতী ৰাণু দাস (বৈশ্য) ই যথেষ্ট সুনাম কৰি বঁটা পাইছিল। আশাকৰোঁ আগলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সাংস্কৃতিক দিশত আৰু Debating ত Inter College Compitition ত যোগ দিব আৰু সুখ্যাতি অৰ্জন কৰিব। বৰ দুখৰ কথা যে খেল ধেমালিৰ দিশত আমাৰ কলেজ বহুত পিছপৰা। খেল ধেমালিৰ সদায় Practice হব লাগে। (Both indoortt outdoor games) আৰু Inter College Compitition ত যোগ দিবলৈ সক্ষম হব লাগে। আশা কৰো ভৱিষ্যত শৈক্ষিক দিশৰ লগতে সাংস্কৃতিক আৰু খেল-ধেমালিৰ দিশতো উৎকৰ্ষতা লাভ কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলে ব্ৰতী হব।

আৰু মোৰ বেছি কথা লিখিবলৈ নাই। আমাৰ মহাবিদ্যালয়ত কিছুমান বিষয়ত Honours খোলা হৈছে বুলি মই আগতে উল্লেখ কৰিছো। মই আশাকৰো পাৰাপক্ষত ভৱিষ্যতে আৰু বাকীবোৰ বিষয়তো সম্ভৱপৰ Honours খুলিব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ কাৰণে হোষ্টেলত আৰু কিছু আসন বঢ়াব লাগে।

আজি আমি নিশ্চয়কৈ আনন্দ কৰিব পাৰা হৈছোঁ যে আমি ৰাইজ, জ্ঞানী শিক্ষক মণ্ডলী, ছাত্ৰ-ছাত্ৰী, কলেজৰ অন্যান্য কৰ্মচাৰী আৰু বিজ্ঞ অধ্যক্ষ মহোদয় সকলো আটাইৰে উমৈহতীয়া চেষ্টা, যত্ন আৰু পৰিশ্ৰমৰ ফলত আমাৰ মহা-বিদ্যালয় খনে ইমান খিনি উন্নতিৰ ফালে আগবাঢ়ি আহিছে। আমাৰ মহাবিদ্যালয়ৰ আচল সঙ্কট সময় পাৰ হৈছে। এতিয়া আমি ইয়াৰ সকলো দিশতে উন্নতি কামনা কৰি ইয়াতে সামৰিলোঁ।

ডাঃ অন্নদাচৰণ দাস

বিচিত্ৰ বাৰ্তা—

# এখন অভিশপ্ত গাড়ী

নাৰায়ণ চন্দ্ৰ ওজা
প্ৰাক্তন ছাত্ৰ



ভৌতিক বস্তুৰ সৈতে আমাৰ বহুতৰে কম-বেছি অভিজ্ঞতা আছে। কিন্তু এখন মটৰ গাড়ীয়ে যে বহুতৰে জীৱনলৈ দুৰ্য্যোগ নমাই আনিব পাৰে সেই কথা বোধহয় বহুতে বিশ্বাস নকৰিব পাৰে। এই অভিশপ্ত গাড়ীখনৰ বাবেই প্ৰথম বিশ্বযুদ্ধৰ দৰে ভয়ানক ঘটনা সংঘটিত হৈছিল। জন পল্‌সন্‌ নামে এজন মিস্ত্ৰিয়ে নানা কাৰুকাৰ্য্যৰে বহু টকা খৰচ কৰি ৰঙা ৰঙৰ এই গাড়ীখন তৈয়াৰ কৰি উলিয়ায়। পেৰিচৰ এজন বিখ্যাত ব্যৱসায়ীয়ে গাড়ীখন কিনিবলৈও প্ৰতিশ্ৰুতি দিয়ে। কিন্তু গাড়ী তৈয়াৰ হোৱাৰ আগতেই ব্যবসায়ী জনে আত্মহত্যা কৰে। অষ্ট্ৰিয়াৰ ডিডিক ফৰ্ডিনাণ্ড পেৰিচ ভ্ৰমন কৰিবলৈ আহোতে গাড়ীখন দেখাপাই পল্‌সন্‌ক নগদ ধন দি গাড়ীখন কিনি ললে। কিন্তু ফাৰ্ডিনাণ্ডৰ ড্ৰাইভাৰে গাড়ী চলাবলৈ গৈ গাড়ীৰ নিৰ্ম্মাতা পল্‌সন্‌কে চেপি হত্যা কৰিলে। ১৯১৪ চনৰ ২৮ জুনত ডিউকে সাৰ্ভিয়া ৰাজ্যত গাড়ী চলাই থাকোতে অজ্ঞাত আততায়ীৰ হাতত ডিউক নিহত হয়। এই হত্যাকাণ্ডৰ ফলতেই প্ৰথম বিশ্বযুদ্ধৰ সূচনা হয়। এই যুদ্ধত বহুলোকে প্ৰাণ হেৰুৱায়। মূলত এই গাড়ীখনেই প্ৰথম বিশ্বযুদ্ধৰ কাৰণ। এইবাৰ গাড়ীখন অষ্ট্ৰিয়াৰ গভৰ্ণৰ এজনৰ গেৰেজত ৰখা হয়। কিন্তু হঠাতে এদিন গাড়ীখনত বিস্ফোৰণ এটা ঘটি ত্ৰিশজন ল'ৰা ছোৱালীৰ মৃত্যু হয়। ইয়াৰ পিছত গাড়ীখন অষ্ট্ৰিয়াৰ এজন সামৰিক অফিচাৰে ব্যৱহাৰ কৰিবলৈ লয়। কিন্তু কেইদিনমান পিছতে অফিচাৰজন উন্মাদ হৈ মৰিল। এইবাৰ আন এজন সামৰিক অফিচাৰে গাড়ীখন লৈ ল'লে। কিন্তু ইজন অফিচাৰেও গাড়ীখনৰ ক্ৰোধৰ পৰা ৰক্ষা নেপালে। এদিন সামৰিক কনভয় এটা দৰ্শন কৰিবলৈ

গৈ ৰাতিৰ ধুমুহা বতাহত পৰি অফিচাৰ আৰু গাড়ীৰ চালক উভয়ে মৃত্যু মুখত পৰিল। বুলগেৰিয়াৰ মন্ত্ৰী এজনৰ গাড়ীখন চকুত পৰাত তেওঁ গাড়ীখন কিনি পেলালে। মন্ত্ৰীয়ে এদিন চহৰত গাড়ী চলাই থাকোতে হঠাতে আন এখন গাড়ীৰ লগত খুন্দা খাই মন্ত্ৰী আৰু ড্ৰাইভাৰ নিহত হ'ল লগতে আনখন গাড়ীত থকা আৰোহী দুজনো নিহত হল।

মন্ত্ৰীৰ মৃত্যুত গাড়ীখন মন্ত্ৰী এজনৰ ভায়েকে ললে। কিন্তু সাত দিনৰ ভিতৰতে মন্ত্ৰীৰ ভায়েকজনে বিষ পান কৰি আত্মহত্যা কৰিলে। এজন ৰোমান লোকে গাড়ীখন কিনি ললে। এদিন ৰাতি ৰোমানজন গাড়ীত শুই থাকোতে ৰোমান লোকজনক 'কোনোবাই হত্যা কৰি থৈ যায়। হাৰ্শফিল্ড নামে ইংৰাজ যুবক এজনে গাড়ীখনৰ সন্ধান পাই গাড়ীখন লৈ ললে। হাৰ্শফিল্ডে নতুন গাড়ী লৈ বিবাহ কৰিবলৈ গ'ল। কিন্তু বিৰাহৰ শেষত সমুদ্ৰ পাৰ হৈ আহোতে জাহাজেৰে সৈতে সেই অভিশপ্ত গাড়ীখন সমুদ্ৰৰ বুকুত ডুবি যায়। লগতে দৰা হাৰ্শফিল্ড আৰু হাৰ্শফিল্ডৰ নৱ-বিবাহিতা কইনাজনীকো সমুদ্ৰৰ তললৈ লৈ যায়।



# হীৰেণ ভট্টাচাৰ্যৰ কবিতা

## মানুহ শস্য, সূৰ্যমগ্ন স্তৱ

খুলি থৈ সোণালী মুকুট
পানীৰ তললৈ নামি গ'ল সূৰ্য;
দহ দিগন্তত
ৰুদ্ৰাক্ষ কঠিন দহোটা তৰাৰ উজ্বল অশ্ৰুপাত।
উচ্চাৰণত গধুৰ শস্য বীজ মহীৰুহ
নক্ষত্ৰ য'ত চিৰায়ত পুৰুষ;
মূৰ্খ-মুখৰ কুটগন্ধী মৃত্যু নিষাদ চিতাৰ কাঠ।
মানুহ শস্য, সূৰ্য্য মগ্ন স্তৱ
সন্ত্ৰাস আৰ্তি সন্ধিক্ষণ উত্তৰণ শুভ্ৰ শুদ্ধ পাঠ।

## তোমাৰ পৰা মোলৈ

তোমাৰ পৰা মোলৈ উভতি
আহিবলৈ মোৰ বহু পৰ লাগে।
সনিৰ্বন্ধ এন্ধাৰেৰে হাস্নাহানাৰ সুৰভি
যেতিয়া উবি আহে গোপনে গোপনে
মই সেই পৰলৈকে তোমাৰ কাষতে
ৰৈ থাকো।
মোৰ সপোনত এটা চঞ্চল হৰিণা পোৱালি
ওৰে ৰাতি দেও দি থাকে।
উভতি যে মই আহিব নোৱাৰো!

# স্মৃতি বিলুপ্ত টুক্ৰেশ্বৰী



শ্ৰীমতিলাল সূত্ৰধাৰ

[১৯৬৭-৬৮ চনৰ পুৰস্কাৰ প্ৰাপ্ত গোৱালপাৰা মহাবিদ্যালয় আলোচনীৰ পৰা]

সৃষ্টিৰ বিধান মানি উৎপত্তি হোৱা আন আন পাহাৰ বোৰৰ দৰেই এদিন এই অকন মানি পাহাৰটি পৃথিৱীৰ বুকু ভেদ কৰি উঠিছিল। তেতিয়া এই পাহাৰটি হয়তো কাৰো চকুত পৰা নাছিল, হওতো সৰু নগন্য পাহাৰটিৰ ওপৰত কোনেও একো গুৰুত্ব দিয়া নাছিল। হয়তো ইয়াৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিবলৈ কাৰো আহৰিয়ে নাছিল। সময়ৰ সোঁতত এই পাহাৰ খনৰ বুকুত যে, এদিন তীৰ্থস্থান হৈ উঠিব তাক কোনে ভাৱিছিল? সদায় দেখি থকা অথবা ওচৰ'ত পোৱা যি কোনো বস্তুৰ প্ৰতি কম আগ্ৰহ দেখুওৱা মানুহৰ স্বভাৱ। ঠিক সেইদৰে সদায় দেখি থকা এই পাহাৰখনৰ কথাও ইয়াৰ ওচৰৰ কম মানুহেহে ভাৱে। এই পাহাৰটি তীৰ্থস্থান হৈ পৰিল সেই কেতিয়াৰ পৰাণো এই পাহাৰটোৰ আশে পাশে থকা ৰাইজৰ সম্পৰ্কে জানিবলৈ পাহাৰটোৰ আগ্ৰহৰ অভাৱৰ বাবেই হয়তো এই তীৰ্থস্থানৰ জন্ম ৰহস্য আজিলৈকে উদঘাটন হোৱা নাই। কোনোবা কাহানিতে এদিন হয়তো বহুদিন ধৰি মানুহৰ অৱহেলিত হৈ পৰি থকা এই নিৰ্জ্জন পাহাৰটিৰ নীৰৱতা ভঙ্গ হৈছিল মানুহৰ উখল মাখলেৰে, শঙ্খ ঘণ্টাৰ বাজনাৰে, পবিত্ৰ মন্ত্ৰ উচ্চাৰণৰে।

কিন্তু, কেতিয়াৰ পৰা? কোনেও নাজানে, তাৰ পাছত এদিন হয়তো অনাহুত ভাৱেই পাহাৰটোলৈ আহিছিল কেইটামান বান্দৰ ফল মূল বিচাৰি। সিহঁতেও এই পাহাৰৰ নৈসৰ্গিক দৃশ্য দেখি তৰধ মানি হয়তো ইয়াতেই চিৰদিনৰ বাবেই ৰৈ গ'ল। এইখন পাহাৰৰে প্ৰভাৱত প্ৰভাম্বিত হৈ সিহঁতে পাহৰি গ'ল পশুত্ব, সিকিলে সভ্যতা সমাজ গ্ৰহণৰ ব্যৱস্থা।

এয়াই সেই টুক্ৰেশ্বৰী পাহাৰ, এখনি তীৰ্থস্থান, বান্দৰৰ এখন গনতান্ত্ৰিক ৰাজ্য।

গোৱালপাৰা চহৰৰ পৰা ১৬ মাইল দূৰত গোৱালপাৰা গুৱাহাটী আলি বাটৰ দক্ষিণে অৱস্থিত এই পাহাৰটি। দুৰ দুৰণিৰে পৰা যাত্ৰী এই তীৰ্থস্থান দৰ্শন কৰিবলৈ আহে। ৫০৪ ফুট ওখ এই পাহাৰটোৰ ওপৰত লোৰ পাতেৰে নিৰ্ম্মিত দেৱী গৃহটো অৱস্থিত। অকাই পকাই যোৱা লুঙলুঙীয়া বাটেৰে ৪ খন লোৰ জখলা বগাই এই দেৱী গৃহটোলৈ যোৱা হয়। এয়ে টুক্ৰেশ্বৰী মন্দিৰ। মন্দিৰৰ ওচৰতে যাত্ৰীৰ বাবে এটি জিৰণি ঘৰ আছে। মন্দিৰত পূজা পাতল সদায়ে চলে। প্ৰতি মঙ্গলবাৰে শিৰভোগ দিয়া হয়। ইয়াৰ উপৰিও সকলো বিলাক আনুস্থানিক পূজা পাতল কৰা হয়। কামাখ্যা পীঠস্থানত যি মন্ত্ৰ পাঠ কৰা হয় ইয়াতো সেই একে মন্ত্ৰপাঠ কৰা হয়।

পৰ্ব্বতৰ নামনিত আন এটি মন্দিৰ আছে। ইয়াক পাদুকাবাৰী বোলে। ইয়াতো এটা জিৰণি ঘৰ আৰু এটা ভোগঘৰ আছে। দুৰ্গাপূজাৰ সময়ত ম'হ বলি দিয়া হয়। ইয়াৰ দুৰ্গাক নৱমীৰ দিনাই বিসৰ্জ্জন দিয়া হয়। তীৰ্থ যাত্ৰী সকলে পোনতে এই ঠাইতে গোট খাব লগা হয় আৰু তাৰ পাছতহে পাহাৰৰ ওপৰলৈ যোৱাৰ ব্যৱস্থা কৰিব পাৰে। যাত্ৰী সকলে পুখুৰীত হাত মুখ ধোৱা মেলা কৰে। তাৰ পাছতহে দেৱীলৈ নৈবৈদ্য আগবঢ়ায়।

পাহাৰখনৰ নামনিত এটি সৰু নিজৰা পথাৰলৈ বৈ আহিছে। তাত সকলো সময়তে সমান পানী থাকে। পাহাৰখনৰ চাৰিও ফালে ডাঙৰ ডাঙৰ শিলৰ খণ্ড পৰি আছে। পাহাৰখন দেখিলে অনুমান হয় যেন ডাঙৰ ডাঙৰ শিলৰ খণ্ডবোৰ দমহে কৰি থৈছে। অৰ্থাৎ খণ্ড খণ্ড শিলৰ সমষ্টিয়েই হ'ল পাহাৰখন। মাটিৰ পৰিমাণ পাহাৰখনত খুব কম। এনে সৰু পাহাৰত ইমান ডাঙৰ ডাঙৰ শিল খুব কমেই দেখা যায়।

এই পাহাৰতনো তীৰ্থস্থান কেতিয়াৰ পৰা হ'ল অথবা কেনেকৈ হ'ল তাৰ কোনো সম্বল ইতিহাসে সঠিককৈ দিব নোৱাৰে। অথবা বান্দৰৰ সমাজখনত বান্দৰৰ ৰজা কেতিয়াৰ পৰা হ'ল তাৰো কোনো ঐতিহাসিক বিৱৰণ পোৱা নাযায়। কেৱল তীৰ্থস্থান সম্বন্ধে জন সমাজত চলি অহা এটা কিংবদন্তি পোৱা যায়।

তাহানিৰ সেই আওঁপুৰণি দিনত এই পাহাৰৰ নিকটবৰ্ত্তি গাওঁ এখনত টকৰা নামে এজন অতি দুখীয়া মানুহ আছিল। তেওঁ গৰু ৰখীয়া হৈ কোনো মতে দুবেলা দুমুঠি খাইছিল। গৰুবোৰ পথাৰত চৰিবলৈ দি তেওঁ দুপৰীয়া সময়ত সদায় এজোপা গছৰ তলত জিৰণি লয়। এইদৰে কিছুদিন যোৱাৰ প্যাচত তেওঁ এটা কথালৈ লক্ষ্য কৰিলে। পালৰ মাজৰ পৰা হৃষ্ট পুষ্ট গাই এজনী সদায় পলাই কৰবালৈ যায় আৰু কিছু সময়ৰ পাছত নিজেই উভতি আহে। এদিন দুদিনকৈ যেতিয়া সদায় এই ঘটনা ঘটিবলৈ ধৰিলে তেওঁ এদিন গাইজনীক ভালদৰে লক্ষ্য কৰিবলৈ ধৰিলে। এইদৰে এদিন দুপৰীয়া তেওঁ গাইজনীৰ পাচে পাচে গ'ল। গাইজনী গৈ গৈ পাহাৰৰ ওপৰত উঠি এচটা শিলৰ ওপৰত থিয় দি ৰোৱা দেখি বুঢ়াই নিলগৰ পৰাই গাইজনীৰ গতি বিধি লক্ষ্য কৰি থাকিল। তাৰ পাছত দেখিলে যে, গাইজনীৰ বেঠুৰ (ওহাৰৰ) পৰা আপোনা আপুনি গাখীৰ নিগৰি ওলাবলৈ ধৰিছে আৰু সেই গাখীৰ বৈ গৈ ওচৰতে থকা সুৰঙ্গটোত পৰিছে। কিছু সময়ৰ পাছত গাইজনী আকৌ ভৈয়ামলৈ নামি আহি পালৰ মাজত সোমাই পৰিল। এই কাণ্ড দেখি বুঢ়া অৱাক হ'ল। এই আচৰিত কাহিনীটোৰ বিষয়ে বুঢ়াই গাওঁত সকলোকে জনালে। কথিত আছে যে বুঢ়াই এই বাতৰি গাওঁত জনোৱাৰ পাচতে তেওঁৰ মৃত্যু হয়। তেতিয়া গাওঁৰ মানুহ বিলাকে কথাটোৰ ওপৰত গুৰুত্ব দিলে। লাহে লাহে কথাটো সদৰি হৈ পৰিল। আৰু অৱশেষত কথাটো গৈ বিজনী ৰজাৰ কৰ্ণ গোচৰ হয়, আৰু ৰজাই সেই ঠাইতে এটা মন্দিৰ নিৰ্মাণ কৰায়। সম্ভৱত সেই সময়ত বিজনী ৰজা বিজিত বা বলিনাৰায়ণ আছিল।

বিজিত নাৰায়ণ কোচৰজা নৰনাৰায়ণৰ বংশধৰ। নৰ নাৰায়ণৰ মৃত্যুৰ পাছত লক্ষী নাৰায়ণ আৰু ৰঘু ৰায়ৰ

মাজত কাজিয়া লাগে। সেই সময়ত কোচ ৰাজ্যখন কোচ বিহাৰৰ পৰা আৰম্ভ কৰি গোৱালপাৰা, কামৰূপৰ কিছু অংশ, দৰং আৰু উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰলৈ বিস্তৃত আছিল। কোচবিহাৰৰ পৰা সোণকোষ নৈ লৈকে লক্ষী নাৰায়ণৰ ভাগত পৰে আৰু সোণকোষৰ পৰা নাৰায়ণপুৰলৈ ৰঘু ৰায়ৰ ভাগত পৰে। ৰঘু ৰায়ৰ ৰাজধানী আছিল হাজো আৰু তেওঁৰ ৰাজ্যখন কোচ হাজো বুলি জনা যায়। ৰঘু ৰায়ৰ পুত্ৰ পৰীক্ষিত নাৰায়াণে আকৌ লক্ষী নাৰায়ণৰ ৰাজ্য আক্ৰমণ কৰে। লক্ষী নাৰায়ণে মুছমানৰ সহায় লয়। এই যুদ্ধত পৰীক্ষিত হাৰে। বিজিত মুছলমান সকলে পৰীক্ষিতৰ পুত্ৰ বিজিত নাৰায়ণক মানাহ আৰু সোণকোষ নৈৰ মাজৰ ঠাই ডোখৰৰ জমিদাৰি দিয়ে। বিজিত নাৰায়ণৰ নাম অনুসৰি বেজেনী পৰগনাৰ নাম হয় বিজনী। প্ৰথমে বিজনী ষ্টেটত জমিদাৰহে আছিল। তাৰ পাচত বিজনীৰ জমিদাৰক ৰজা উপাধি দিয়া হয়। এই বিজনী ষ্টেটৰ সদৰ কাৰ্য্যলয় প্ৰথমে ক'ত তাক সঠিককৈ জনা নাযায়। কিছুমানৰ মতে এই ষ্টেটৰ সদৰ কাৰ্য্যালয় আছিল ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে টুৰ্কেশ্বৰী পাহাৰৰ নিকটবৰ্ত্তি কোনোবা এখন গাওঁত। কিন্তু এতিয়ালৈকে তাৰ কোনো প্ৰমাণ পোৱা নাই। কিন্তু এইতো ঠিক যে, বৰ্ত্তমান ভিমাজুলি গাওঁত (টুৰ্কেশ্বৰী পাহাৰৰ ওচৰত) বিজনী ৰজাৰ এটা ভৰাল আছিল। এই অঞ্চলৰ কৰ কাটল তুলি ইয়াতে ৰখাৰ দিহা কৰিছিল। ইয়াৰ পাছত সদৰ কাৰ্য্যলয় স্থানান্তৰিত কৰা হয় গোসাঁইগাৰলৈ। তাত কিছু বছৰ থকাৰ পাছত যোগীঘোপালৈ অনা হয়। যোগীঘোপাৰ পৰা অভেশ্বৰী ৰাণীৰ নেতৃত্বত অভয়াপুৰীলৈ স্থানান্তৰিত কৰা হয় তেতিয়াৰে পৰা জমিদাৰী অধিগ্ৰহণ আইনৰ আগলৈ অভয়-পুৰী বিজনী ষ্টেটৰ ৰাজধানী হৈ আছিল।

ওপৰোক্ত মতবাদক ভিত্তি কৰি বিজিত নাৰায়ণৰ দিনতে এই তীৰ্থস্থান পতা হয় বা উদ্ধাৰ কৰা হয় বুলি কব পাৰি। সম্ভৱত এই পাহাৰৰ ওচৰত ৰাজধানী নাথাকিলেও ভৰাল থকা কথাটো সচাঁ আৰু সেই সুত্ৰে এই অদ্ভুদ কাহিনীটো ৰজাৰ কৰ্ণগোচৰ হোৱাটো একো আচৰিত নহয়। প্ৰথমতে বিজনী ৰজাই এই দেৱালয় পৰিচালনা কৰিবলৈ ৰাজ পুৰোহিত নিয়োগ কৰে আৰু মন্দিৰৰ যাবতীয় খৰচ পাতিৰ বাবে ৫৬০০ বিঘা মাটি মন্দিৰৰ নামত দান কৰে। যি সকল ব্ৰাহ্মণক এই ঠাইত মাটি বৃত্তি দি পূজাৰ কামত নিয়োগ কৰিলে তেওঁলোকক ৰাজ চক্ৰবৰ্তী উপাধী দি সন্মানিত কৰিলে। পিছত "ৰাজ" উপাধি উঠাই দি কেৱল চক্ৰবৰ্ত্তী উপাধিটো ৰাখি দিলে।

১৮২৬ শকাব্দত অভেশ্বৰী ৰাণীৰ আদেশত দেৱান বৰোদা হাওলদাৰে এই মন্দিৰটো নতুনকৈ লোৰ পাতেৰে নিৰ্মাণ কৰায়। শুনা মতে ইয়াৰ আগতে মন্দিৰটো শিলৰ আছিল। আৰু ভূমিকম্পত নষ্ট হৈ যায়।

টুক্রেশ্বৰী মন্দিৰৰ আশে পাশে থকা গাৱলীয়া ৰাইজে বিশ্বাস কৰে যে, সতীৰ দেহৰ এটি অঙ্গ উক্ত পাহাৰটিত পৰিছিল আৰু টুক্রেশ্বৰীও ভাৰতৰ বিভিন্ন ঠাইত থকা পীঠস্থানৰ দৰে এখনি পীঠস্থান। এই পাহাৰটিত দেৱীৰ বামজজ্বা পৰিছিল হেনো। সতীৰ দেহৰ টুকুৰা পৰাৰ কাৰণেই পাহাৰটো তাৰ আশে পাশে থকা কিছু অঞ্চল ঠাইৰ নাম হ'ল টুকুৰা। পাহাৰটোক সাধাৰণতে টুক্রেশ্বৰী পাহাৰহে বোলে। দেৱীৰ শৰীৰৰ টুকুৰা বুকুত লৈ থকাৰ বাবেই পাহাৰটিয়ে নাম পাইছে টুক্রেশ্বৰী।

সতীৰ দেহৰ ৫১ টি অংশ ভাৰতৰ বিভিন্ন ঠাইত সতীৰ দেহৰ সৰু সুৰা অঙ্গবোৰ পৰি ২৬ টি উপপীঠো সৃষ্টি হৈছিল।

শ্ৰীধৰণী কান্ত দেৱ শৰ্মাৰ কামাখ্যা তীৰ্থ নামৰ পুথিত এই সম্পৰ্কে বিশদ বিৱৰণ পোৱা যায়।

পুৰাণতেই হওঁক বা অন্য পুথিতেই হওঁক কতো টুক্রেশ্বৰী পাহাৰত দেৱীৰ দেহৰ অঙ্গ পৰাৰ কথা পোৱা নাযায়। ইয়াৰ উপৰিও সতীৰ দেহৰ বামজজ্বা যে জয়ন্তীয়া ৰাজ্যত পৰি তাত এটি পীঠস্থান গঢ়ি উঠিছে

এই বিষয়ে কোনো সন্দেহ নাই। এনেস্থলত টুক্রেশ্বৰীত সতীৰ বামজঙ্ঘা পৰিছিল বুলি ৰাইজৰ মনত কিয় ধাৰণা হ'ল, কেনেকৈ হ'ল, কেতিয়াৰ পৰা হ'ল ইয়ো ভাবিবলগীয়া কথা। পৌৰাণিক প্ৰসিদ্ধ কাহিনীৰ ঘটনাস্থলী নিজৰ আশে পাশে থকা বুলি কল্পনা কৰি ভাল পোৱাটো নিৰক্ষৰ গাওঁলীয়া মানুহৰ স্বভাৱ। নেতাই ধুবুনীৰ ঘাটটো হাজোত থকা বুলি হাজোৰ কিছুমান মানুহে আজিও বিশ্বাস কৰে। এনে বিশ্বাসৰ বা জনশ্ৰুতিৰ বা কিংবদন্তিৰ কোনো ঐতিহাসিক মূল্য নাথাকে। আলোকিকতা ভাল পোৱা কল্পনা বিলাসী মানুহৰ মাজত চলি থকা এনে বিশ্বাসবোৰ বহুতো প্ৰকৃত সত্যক নিৰ্ম্মুল কৰি পেলায়। এনে বিশ্বাসৰ বশবৰ্ত্তী হৈয়েই বহুতো মানুহে টুক্রেশ্বৰীক পীঠস্থান জ্ঞান কৰে। কিন্তু টুক্রেশ্বৰী যে পীঠস্থান নহয় বা হব নোৱাৰে এই বিষয়ে কোনো সন্দেহ নাই। এই মন্দিৰত শক্তিৰ অধিষ্ঠাত্ৰি দুৰ্গাক পূজা কৰে আৰু শিৱ পূজাও কৰে। ইয়াত শিব লিঙ্গও আছে। কালিকা পুৰাণৰ অষ্টাদশ অধ্যায়ত আছে -

"তত্ৰ তত্ৰ মহাদেৱঃ স্বয়ং লিঙ্গ স্বৰূপধৃক।
তস্থৌ মোহসমাযুক্তঃ সতীস্নেহ বশানুগঃ ॥" ৪৭

ইয়াৰ উপৰিও আগতেই উল্লেখ কৰা হৈছে টুক্রেশ্বৰীৰ পূজা পাতলৰ পদ্ধতি কামাখ্যাৰ সৈতে একে। সেইবাবে হয়তো ৰাইজৰ মনত টুক্রেশ্বৰী এখন পীঠস্থান বুলি ধাৰণা আৰু বিশ্বাস হৈ আহিছে।

টুক্রেশ্বৰী পাহাৰটোৰ কোনো বিশেষত্ব নথকাকৈ ইয়াত ৰজা বিজিত নাৰায়ণে তীৰ্থস্থান পতা কথাটো মানি লবলৈকো অলপ টান লাগে। কি বিশেষত্ব আছিল, আৰ্য্যসকল অহাৰ আগৰে পৰাই এই পাহাৰ শিখৰত কিবা পূজা পাতল চলিছিল নেকি? ইত্যাদি ঢেৰ প্ৰশ্ন মনত উদয় হলেও সঠিককৈ একো উত্তৰকে পোৱা নাযায়।

মাত্ৰ ৮ মাইল দুৰত অৱস্থিত বিখ্যাত শ্ৰীসুৰ্য্য মন্দিৰৰ লগত টুক্রেশ্বৰী মন্দিৰৰ কিবা সংযোগ আছিল বুলি বহুতেই অনুমান কৰে। শ্ৰীসুৰ্য্য পাহাৰৰ ঐতিহ্য কুমাৰ ভাস্কৰ বৰ্ম্মাৰ ৰাজত্ব কালৰো আগৰ বুলি পণ্ডিত সকলে কয়। কিন্তু টুক্রেশ্বৰী মন্দিৰ ইমান পুৰণি হয় নে নহয় জনাৰ কোনো উপায় নাই। শ্ৰীসুৰ্য্য পাহাৰৰ দৰে টুক্রেশ্বৰী পাহাৰত প্ৰাচীন ভাস্কৰ্য্য শিল্প কলাৰ নিদৰ্শনো প্ৰচুৰ পৰিমানে নাই। শিল্প কলাৰ নিদৰ্শন থাকিলে তাৰ পৰাও টুক্রেশ্বৰী মন্দিৰ কিমান দিনৰ পুৰণি অনুমান কৰিব পৰা গ'লহেঁতেন।

বান্দৰৰ সমাজ— এই পাহাৰখনত বান্দৰৰ সমাজ কেতিয়াৰ পৰা হ'ল তাৰ সবিশেষ একো জনা নাযায়। সম্ভৱত তীৰ্থস্থান গঢ়ি উঠাৰ পাছত ইয়াত স্থায়ীভাৱে বান্দৰৰ সমাজ এটা থাকিবলৈ লয়। লাহে লাহে বান্দৰৰ সমাজখনত পৰিবৰ্তন দেখা দিলে। সিহঁতে অনুভৱ কৰিলে যে, এজন শাসনকৰ্ত্তা নাথাকিলে সমাজত বহুতো বেমেজালি আহি পৰে। সেয়ে সিহঁতৰ মাজৰ পৰা ৰজা নিৰ্ব্বাচিত কৰাৰ ব্যৱস্থা কৰিলে।

ৰজা নিৰ্ব্বাচন :— বান্দৰৰ ৰজাজন মৰিলে বা পলালে (সাধাৰণতে নপলায়) সিহঁতৰ মাজত চাঞ্চল্যৰ সৃষ্টি হয়। তেতিয়া ইয়াৰ পুৰোহিতে কথাটো গম পায়। সেই কাৰণে ৰজা নিৰ্ব্বাচনৰ দিন এটা ধাৰ্য্য কৰে। পুৰোহিতে দেৱীক পূজা পাতল কৰি বান্দৰ বিলাকক পূজাৰ প্ৰসাদ খাবলৈ দিয়ে। অইন দিনাৰ দৰে ৰজা নিৰ্ব্বাচনৰ দিনা বান্দৰবোৰে মহা হুলস্থুল কৰি প্ৰসাদ খাই গুচি নাযায়। ৰজা নিৰ্ব্বাচন কৰাৰ দিনা কোনো বান্দৰে প্ৰসাদ খাবলৈ আগবাঢ়ি নাহে। সিহঁতৰ মাজত আলোচনা আৰম্ভ হয়, নীৰৱে বহি থাকে। বহুতো চিন্তা কৰাৰ পাছত দলৰ মাজৰ পৰা ডেকা হৃষ্ট পুষ্ট বান্দৰ এটাই প্ৰসাদ খাবলৈ আগবাঢ়ি আহে। সি আহি প্ৰথমে কিবা কিবি কৰি এনেই গুচি যায়। কিছু সময়ৰ পিছত সি আকৌ দলৰ মাজৰ পৰা ওলাই আহে। সেইবাৰো সি প্ৰসাদ নাখাই গুচি যায়। এইদৰে তৃতীয় বাৰত সি প্ৰসাদ গ্ৰহণ কৰে আৰু তাৰ পাচতহে বাকী বান্দৰবোৰে সেই

দিনাৰ বাবে প্ৰসাদ খায়। সেই দিনাৰে পৰা সেই বান্দৰটোৱে হ'ল সিহঁতৰ মাজত ৰজা।

বংশানুক্ৰমে ৰজাৰ পুতেক ৰজা হোৱাৰ নিয়ম নাই। যি সময়ত সমগ্ৰ পৃথিৱীত সাম্ৰাজ্যবাদ আৰু একনায়ত্ববাদ চলিছিল, সেই সময়ৰে পৰা এইখন পাহাৰৰ বান্দৰ সমাজৰ মাজত গণতন্ত্ৰ শাসন প্ৰৱৰ্ত্তিত হৈ আহিছে। প্ৰত্যেক বান্দৰৰ যে সমঅধিকাৰ আছে এই কথা তেতিয়াই এই বান্দৰ সমাজে বুজিব পাৰিছিল। এই ফালৰ পৰা দেখা যায় যে গণতন্ত্ৰৰ মোল এই বান্দৰসকলে মানুহতকৈ আগতে বুজি পাইছিল।

ইয়াত বান্দৰবোৰে মাংস খায়। মাইকী বান্দৰবোৰে কপালত সেন্দুৰৰ ফোঁট দিলে লয়। বলিৰ সময়ত বান্দৰবোৰক মাংস দিয়া হয়। তীৰ্থ যাত্ৰীসকলে লগত নিয়া কল, কুহিয়াৰ আদি বান্দৰবোৰক দিয়ে। যাত্ৰীৰ লগত নিয়া কোনো টোপোলা দেখিলে সিহঁতে কাঢ়ি লৈ যায়। পৰ্বতৰ ওপৰত থকা মন্দিৰ দৰ্শন কৰিবলৈ যাওঁতে লগত পুৰোহিত যাব লাগে। নহলে বান্দৰবোৰে অত্যাচাৰ কৰে।

১৯৫৪ চনত জমিদাৰী আইন অধিগ্ৰহণৰ বলত চৰকাৰে এই দেৱালয়ৰ জমি অধিগ্ৰহণ কৰে। সেই বছৰতে এদিন বান্দৰ সমাজত হাহাকাৰ লাগে। ৰজা এদিন হঠাতে নাইকীয়া হ'ল। ৰজা কলৈ গ'ল কোনেও কব নোৱাৰে। অকল ৰজাই নহয় বহুত বান্দৰ পাহাৰখনৰ পৰা গুচি গ'ল। পাচত জানিব পৰা গ'ল যে, ৰজা আৰু আন আন বহুতো বান্দৰ ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰলৈ গ'ল। বহুতো ৰজাক গোৱালপাৰা আৰু পঞ্চৰত্নত ল'গ পোৱা বুলিও কয়। তেতিয়াৰে পৰা ইয়াত নামতহে ৰজা এজন আছে, নিৰ্ব্বাচিত হোৱা ৰজা নহয়। বৰ্তমানে চৰকাৰে এই দেৱালয় পৰিচালনা কৰিবলৈ এটা পূজা কমিটি গঠন কৰি দিছে। এই কমিটিৰ সভাপতি গোৱালপাৰাৰ মহকুমাধিপতি। উক্ত দেৱালয় পৰিচালনা কৰিবলৈ চৰকাৰে বাৰ্ষিক ৬০০০ টকা ধাৰ্য্য কৰি দিয়ে।

এয়ে টুক্ৰেশ্বৰীৰ ইতিহাস।



ছাত্ৰ-ছাত্ৰী, কৰ্তৃপক্ষ আৰু শিক্ষাগুৰুলৈ—

## —মুকলি আহ্বান—

প্ৰিয় সম্পাদিকা,

শ্ৰদ্ধা আৰু নমস্কাৰ লব। মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে মহাবিদ্যালয়ত বৰ্ত্তমানে দেখিবলৈ পোৱা কেইটি-মান বিষয় উন্মুকিয়াব খুজিছোঁ। যদিওবা ই আন বহুতোৰে দৃষ্টি কটুৰ। আগতে আলোচনীত এনেকুৱা মুকলি চিঠি প্ৰকাশ পাইছিল নে নাই মই নেজানো। তথাপিও নিয়ম ভঙাৰ আশাৰে এইখন লিখিছোঁ। আশা ৰাখিছো এইখন ছাত্ৰ সমাজৰ স্বাৰ্থতে আপোনাৰ দ্বাৰা সম্পাদিত "মহা-বিদ্যালয় আলোচনী" খনত প্ৰকাশৰ মুখ দেখিব।

১৯৫৫ চনতে বহুতো মহান ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলত অসমৰ প্ৰান্ত প্ৰদেশত এইখন বিদ্যামন্দিৰৰ জন্ম হৈছিল। এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰিয়েই বহুতো মহান ব্যক্তিৰ জ্ঞানৰ উন্মেষ ঘটিছিল।

মাত্ৰ দুটি বছৰৰ অভিজ্ঞতাৰে কবগ'লে মহাবিদ্যালয় খনৰ বৰ্ত্তমান শৈক্ষিক পৰিবেশ যেনেদৰে বিনষ্ট হৈছে বোধহয় অতি সোনকালে মহাবিদ্যালয়খনে নিজ অতীত গৌৰব হেৰুৱাই পেলাব। মহাবিদালয় খনত দেখিবলৈ পোৱা কেইটিমান গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰিব খুজিছো। হৈ-চৈ কৈ ইটো ৰুমৰ পৰা সিটো ৰুমলৈ ক্লাছ কৰিবলৈ যাওঁতে ল'ৰা ঢপৰা, জাক্‌জমকীয়া পৰিবেশৰ মাজত বাৰাণ্ডাত বহিপেলাই আড্ডা মৰাৰ লগতে বিকট হাঁহি আৰু উশৃঙ্খলতাৰ পয়োভৰ উপলব্ধিৰ বিষয়। কিন্তু বৰ্ত্তমান মহাবিদ্যালয়ত কি হৈছে, কি হব ধৰিছে ই নিশ্চয় শুভবুদ্ধি সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বিশ্লেষণৰ বস্তু।

চকুৰ আগত দেখাপোৱা মহাবিদ্যালয়ৰ কেইখন মান সভা বা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি লক্ষ্য কৰিবলগীয়া। আগৰ কথা নাজানো কিন্তু বৰ্ত্তমান ৫০০ জন ছাত্ৰ-ছাত্ৰী

গোটাই এখন সভা বা কিবা অনুষ্ঠান পালন কৰিবলৈ পাৰিলে ই নিশ্চয় আমাৰ মহাবিদ্যালয়ৰ বাবে অভিলেখ হ'ব। আনকি বাৰ্ষিক "মহাবিদ্যালয় সপ্তাহটোতে" প্ৰতিযোগীৰ সংখ্যা তেনেই নগন্য। আনকি এই মুষ্টিমেয় প্ৰতিযোগী কেইজনকো উৎসাহ যোগাবলৈ খেল পথাৰত দৰ্শক ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰুৰ অনুপস্থিতি লক্ষ্য কৰিবলগীয়া।

প্ৰাক্তন ছাত্ৰ এজনৰ সাক্ষাৎকাৰৰ পৰা জানিব পাৰি যে আগতে মহাবিদ্যালয়ৰ ছাত্ৰ-শিক্ষকৰ মাজত মধুৰ সম্পৰ্ক আছিল। ছাত্ৰই শিক্ষাগুৰুক শ্ৰদ্ধা আৰু ভয় কৰিছিল। কিন্তু বৰ্ত্তমানে ছাত্ৰ শিক্ষকৰ মাজত এই মধুৰ সম্পৰ্কটো তি ঘূণে ধৰাৰ নিচিনা। মহাবিদ্যালয়ৰ সভা বা কিবা অনুষ্ঠানত অধ্যাপক অধ্যাপিকাৰ অনুপস্থিতি লক্ষ্য কৰিবলগীয়া। এক বৃহৎ সংখ্যক অধ্যাপক অধ্যাপিকা থকা মহাবিদ্যালয়ত এইয়া ? কিহৰ ইংগিত। নে তেওঁলোকে ভাৱে অকল শ্ৰেণীত পাঠদান কৰাই তেওঁলোকৰ দায়িত্ব, ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি আন দায়িত্ব তেওঁলোকৰ নাই ?

উশৃংখল যুৱ মানসিকতাৰ পয়োভৰ আমাৰ মহাবিদ্যালয়ৰ বাবে গুৰুত্বপূৰ্ণ আলোচ্য বিষয়। উশৃংখল যুৱ মানসিকতাই বৰ্ত্তমান আমাৰ সমাজক যেনেদৰে কৰ্কট ৰোগৰ দৰে আগুৰি ধৰিছে, তেনেদৰেই মহাবিদ্যালয় খনো এই ৰোগৰ পৰা মুক্ত নহয়। মহাবিদ্যালয়ৰ একাংশ ছাত্ৰই বাৰান্দাত বহি পেলাই আড্ডা মৰাটো এটা চিন্তনীয় বিষয়। বাৰান্দাত বহি বিকট হাঁহিৰ লগতে উচ্চ স্বৰত কথা পতাৰ ফলত কাষৰ শ্ৰেণী কোঠাত পাঠদান কৰোঁতে শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীয়ে যি খিনি অসুবিধা ভোগ কৰে সি উপলব্ধিৰ বিষয়। এই ক্ষেত্ৰত কৰ্ত্তৃপক্ষও কম পৰিমাণে দায়ী নহয়। কাৰণ ছাত্ৰ জিৰণি কোঠাৰ অভাৱ, বিডিংৰুমত বহা ঠাইৰ লগতে বাতৰি কাকত, আলোচনীৰ অভাৱ। কিন্তু আমাৰ ছাত্ৰী সমজো এই দোষৰ পৰা মুক্ত নহয়। তেওঁলোকৰ জিৰণী কক্ষ থকা স্বত্বেও বাৰান্দাত থিয়হৈ থাকি হুলস্থুলৰ সৃষ্টি কৰে। তাৰ উত্তৰ তেওঁলোকৰ ওচৰত।

থিক তেনেদৰে কিছু সংখ্যক ছাত্ৰই অবাঞ্চিত ভাবে অইন শ্ৰেণী কক্ষত (বিশেষকৈ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ) প্ৰৱেশ কৰি হুলস্থুলৰ সৃষ্টি কৰে। এয়ে আমাৰ মানসিকতা নেকি? নে অইন শ্ৰেণী কোঠাত অবাঞ্চিত ভাবে প্ৰৱেশ কৰি নিজকে ''হিৰো বনোৱা'' ৰ প্ৰচেষ্টা ?

মহাবিদ্যালয়ত এচাম উদণ্ড যুবকৰ প্ৰৱেশ (নিজকে ছাত্ৰ বুলি পৰিচয় দিয়া) এটা চিন্তনীয় বিষয়। এইচাম যুৱকৰ মহাবিদ্যালয়ত প্ৰৱেশৰ ফলত শৈক্ষিক পৰিবেশ যথেষ্ট বিনষ্ট হৈছে। নানান অশোভনীয় ঘটনাৰো উদ্ভৱ হৈছে। অথচ আমি ছাত্ৰ সমাজে এই যুৱক সকলৰ ক্ষেত্ৰত কোনো ব্যৱস্থাই হাতত লোৱা নাই। বৰঞ্চ বহু ক্ষেত্ৰত তেওঁলোকৰ লগত হাত উজান দি তেওঁলোকক উৎসাহিতহে কৰিছো। কিন্তু এই চাম যুৱকৰ মহাবিদ্যালয়ত প্ৰৱেশ বন্ধ কৰাৰ দায়িত্ব আমাৰ হাততে। এই ক্ষেত্ৰত ছাত্ৰ সমাজে কৰ্ত্তৃপক্ষক সহায় আগবঢ়োৱা দৰকাৰ নহলে পিছলৈ ইয়ে ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিব। কিন্তু কিয় (?) এই ক্ষেত্ৰত আমাৰ ছাত্ৰ সমাজ নিশ্চ প।

কিছুমাহ আগতে মহাবিদ্যালয়ৰ কেইজন মান (??) বিকৃত মানসিকতাৰ ছাত্ৰই "অডিটৰিয়াম''ৰ বেৰত অশ্লীল শব্দৰে লিখি কেইজন মান ছাত্ৰ-ছাত্ৰীৰ নামত ভুৱা প্ৰচাৰ চলাইছিল। দোষী ছাত্ৰ কেইজনক বাচি উলিয়াবৰ বাবে কোনো অনুসন্ধান নচলিল।

এইবাৰ মহাপুৰুষ শংকৰদেৱৰ তিৰোভাৱ তিথিৰ দিনা মহাৰিদ্যালয়ৰে ছাত্ৰ কেইগৰাকীমানে (কাৰণ বাহিৰা মানুহে প্ৰাচীৰ পত্ৰিকা খন ফালিবলৈ নিশ্চয় নাহে) প্ৰাচীৰ পত্ৰিকাখন ফালি পেলায়। হায়! এয়ে আমাৰ শিক্ষিত ছাত্ৰ যুৱকৰ (আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক ?) মানসিকতা। প্ৰাচীৰ পত্ৰিকা খন ফালি কি বীৰত্বৰ কাম কৰিলে, তাৰ উত্তৰ সেই কেইজন "মহান" ছাত্ৰ বন্ধুৰ ওচৰত। মহাবিদ্যালয়ৰ সম্পত্তি প্ৰাচীৰ পত্ৰিকাখনি কাৰোবাৰ ব্যক্তিগত আখেজৰ বলি হ'ল আৰু আমাৰ লগৰে

কেইজনমান (?) ছাত্ৰ (ই নিশ্চয় এজনৰ কাম নহয়, তেওঁক আন কোনোবাই সহায় কৰিব লাগিব) বন্ধুয়েও তেওঁৰ লগত হাত উজান দিলে। কিন্তু লাজৰ কথা ৰাজহুৱা সম্পত্তি এখন কাৰোবাৰ ব্যক্তিগত আখেজৰ বলি হ'ল অথচ আমি ইমান সোপা ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু তথা কৰ্তৃপক্ষই একোই কৰিব নোৱাৰিলোঁ। চকুৰ আগত অন্যায় দেখিও প্ৰতিবাদ কৰিব নোৱাৰা সকলক কি বুলি কোৱা হয়? শুভবুদ্ধি সম্পন্ন ছাত্ৰ-ছাত্ৰী সকল, আপোনালোকে নিজকে তথাকথিত প্ৰগ্ৰেচিভ (?) বুলি জাহিৰ কৰি প্ৰাচীৰ পত্ৰিকা এখন ফালি "বীৰত্বৰ" কাম কৰা বুলি ভবা মহান ছাত্ৰ জনক (?) সকলক (??) ৰাইজৰ আগত তেওঁলোকৰ স্বৰূপ উদঙাই দিয়াত কৰ্তৃপক্ষক সহায় কৰক।

মোৰ বোধেৰে এই দশকটোৰ মহাবিদ্যালয়ৰ উল্লেখযোগ্য ঘটনা হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ 'সাধাৰণ সম্পাদক'' গৰাকীক "পবিত্ৰ বিশ্ব নবী দিৱসৰ" দিনা ছাত্ৰ এজনে শাৰিৰীক ভাৱে আক্ৰমণ কৰাটো। কি দোষৰ বাবে সম্পাদক গৰাকী এই আক্ৰমণৰ বলি হ'ল সেইটো বিচাৰ্য্যৰ বিষয়। সমাজলৈ প্ৰেমৰ নিজৰা আৰু শান্তিৰ বতৰা কঢ়িওৱা মহাপুৰুষ "হজৰত মহম্মদ"ৰ পবিত্ৰ তিথিত আমাৰ এই আচৰণে কি ইঙ্গিত দিয়ে বাৰু? সমাজ খনক আমি বাৰু কি উত্তৰ দিম? এনেদৰে হিংসাৰ মাজেৰে কোনোবা মহাপুৰুষৰ তিথি পালন কৰি কিবা লাভ হ'ব। তাৰ উত্তৰ আপোনালোকৰ ওচৰত ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল। দোষী যিজনেই নহওঁক লাগে কাৰো ওপৰত কোনোৱেই শাৰিৰীক ভাবে আক্ৰমণ কৰাৰ অধিকাৰ নাই। এই ঘটনাৰ শুদ্ধ আৰু নিৰপেক্ষ অনুসন্ধান নহ'ল যদিও শেষত মহাবিদ্যালয় কৰ্তৃপক্ষৰ মধ্যস্থতাত বুজাবুজিৰ মজেৰে দুয়ো পক্ষৰ মাজত এটা মীমাংসা কৰা হয়। তথাপিও এনে ঘটনাৰ যাতে পুণৰাবৃত্তি নঘটে তাৰ বাবে আমি সকলোৱে সজাগ হবৰ হ'ল।

কবলগীয়া বহুত কিছুই আছিল। আশা ৰাখিছোঁ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই পত্ৰখনি প্ৰকাশ কৰিব। মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে।

ভৱদীয়—
দিগন্ত মাইহাং ডেকাবৰুৱা
২০/১১/৯১ ইং

(মতামতৰ বাবে সম্পাদিকা দায়ী নহয়)



দিগন্ত ভুষণ দাস
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী




গিতালী দাস
শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ



প্ৰবীৰ দেরনাথ



ৰশ্মি দাস
শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ



দেৱেশ ৰাভা
শ্ৰেষ্ঠ তাৰ্কিক



আব্দুল আখেৰ আমিন
শ্ৰেষ্ঠ সমাজ সেৱক



মনোৰঞ্জন অধিকাৰী
Troup Surgeon of
Goalpara College N. C. C.



ৰাজেশ ঘোষ
শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



নিৰঞ্জন ৰাভা
Senior under officer
Goalpara College N. C. C.



মৃণাল কান্তি মেধি

যুৱ মহোৎসৱত আধুনিক
গীতত স্বৰ্ণ পদক বিজেতা



নির্মালী দাস

শ্রেষ্ঠা গায়িকা



নৱনিতা বৰঠাকুৰ

যুৱ মহোৎসৱত শাস্ত্রীয় যন্ত্র-
সংগীতত ৰূপৰ পদক বিজেতা।



ফুৰপন ৰাভা

যুৱ মহোৎসৱত জনজাতীয়
সংগীতত দ্বিতীয় বাৰৰ বাবে
ৰূপৰ পদক বিজেতা।



**Wazed Ali**
1st class 1st Position
in Geography. (1990-91)



**Swapna Saha**
1st class 4th Position
in Chemistry. (1990-91)



**Sahin Ahmed**
1st class 6th position
in Mathematics. (1990-91)



**Bhaskar Pathak**
1st class 12th Position
in Zoology. ( 1990-91 )



**Wazed Ali**
1st class 1st Position
in Geography. (1990-91)



**Swapna Saha**
1st class 4th Position
in Chemistry. (1990-91)



**Sahin Ahmed**
1st class 6th position
in Mathematics. (1990-91)



**Bhaskar Pathak**
1st class 12th Position
in Zoology. ( 1990-91 )



১৯৯০-৯১ চনৰ গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সদস্য সদস্যা বৃন্দ । লগতে উপাধক্ষ্য ডঃ মনোজ চক্ৰবৰ্ত্তী আৰু অধ্যাপক জ্যোতিষ দাস।



Best Discipline Group of Youth Festival, 1990-91

**Executive Committee of G. C. S. U. 1990-91.**



Sitting (L-R): D. K. Das. ( G. S. ), K. P. Deka. ( Principal ), M. K. Charavorty ( Vice Principal ) A, Bhuyan. ( V. P. )

Standing ( L-R ): K. Roy. ( Secy, Cricket ), M. Das. ( Secy, Girls' Com. room ), R. Alam. ( A. G. S. ), N. Paul. ( Secy. Cultural ), R. Debnath. ( Secy, Debate & Symp. ), B. K. Das. ( Secy, Boys' Com. room ), M. Adhikary. ( Secy, Indoor games ), K. M. Baruah. ( Secy, Festival ), M. Haque ( Secy. S. S. ), I. Baishya. ( Secy, Magazine ), N. Rabha. ( Secy, Foot ball ).

Absent in the picture—U. Mallik ( Secy, Out-door games ).

## ঃ আমাৰ প্ৰাক্তন আলোচনী সম্পাদক সকল ঃ

মহেন্দ্ৰ দাস (১৯৫৭-৫৮)
শ্যামাচৰণ দাস (১৯৫৮-৬০)
সুৰেশ ৰাভা আৰু
নিৰ্মাল্য কুমাৰ দাস (১৯৬০-৬১)
ৰোহিনী কুমাৰ চৌধুৰী (১৯৬১-৬২)
মনি ৰাভা (১৯৬২-৬৬)
দ্বিপেন্দ্ৰ চন্দ্ৰ দাস (১৯৬৬-৬৭)
বিনয় কুমাৰ শৰ্ম্মা (১৯৬৭-৬৮) ●
মোকচাদ আলী আৰু
নৰেশ দাস কলিতা (১৯৬৮-৬৯) (অস্থায়ী)
নৰেশ দাস কলিতা (১৯৬৯-৭০)
ত্ৰিদীপ নাথ চক্ৰবৰ্ত্তী (১৯৭০-৭১)
সুলোচন ৰাভা (১৯৭১-৭২)
অজন্তা দাস (১৯৭২-৭৩)
চাজেৰ ৰহমান (১৯৭৩-৭৪)
আনোৱাৰ হুছেইন (১৯৭৫-৭৬)
আজিজৰ ৰহমান (১৯৭৬-৭৭)
ভৰত চন্দ্ৰ দত্ত (১৯৭৭-৭৮)
আহিদুৰ জমান (১৯৭৮-৮০)
ইৰছাদ আলী (১৯৮১-৮২)
গৌতম সোম (১৯৮৩-৮৪)
জয়ন্ত মেধী (১৯৮৫-৮৬)
প্ৰশান্ত নাথ (১৯৮৬-৮৭)
চুলতানা গিয়াচুদ্দিন আহমেদ (১৯৮৭-৮৮)
নীলাঞ্জন দাস (১৯৮৮-৮৯)
জৈব্যেন্দু জ্যোতি পাটগিৰী (১৯৮৯-৯০)

● সদৌ অসম মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ বিজয়ী।

# Goalpara College Magazine

## 25th Edition

## 1990-91

GOALPARA COLLEGE

CROSS IS THE CROWN

# English Section

EDITOR

Miss Indrani Baishya

# CONTENTS

## Poetry

Desires/Sagarika Das/Page – 3

Cruelty/Mrinal Kanti Goswami/Page – 3

An Unshed Tear/Prof. S. V. Appayya/Page – 4

Lovely face/Nabuyar Alam/Page – 5

My sweet butterfly/Apurba kr. Das/Page – 5

My Sky, My Sun and My Morning/Prof. S. K. Mishra/Page—6

I worship thee/Aman Ullah/Page -- 7

## Article

The role of insect in nature and their practical importance for man/R. A. Mazumdar/Page – 11

Is Gandhi Inconsistent ?/Prof. K. M. Sarmah/Page – 13

## Story

The letter/Bhawani Devi Bharadwaj/Page – 17

The Appointment/Diganta Bhusan Das/Page – 19

## Letter

[A Letter from Karl Marx to his friend Frederik Engels] in Manchester/collected by D. K. Das/Page – 27

## Reports

Towards crealing A Science Temper/Prof. R. Bhattacharyya /Page – 31

Objective of National Service Scheme : Goalpara College N. S. S. Unit Progress and Performance/Prof. R. K. Baruah /Page – 33

A brief report of Goalpara College N. C. C./Prof. A Sarmah/Page—35

# POETRY

## 'DESIRES'

[illegible]
[illegible]

Look
A white great [illegible]
Leaving behind [illegible] what
Under the [illegible] clouds
that slowly [illegible]
When burns a wax candle

I feel a thousand beams
like the swords in a battle
I saw no more what happened to them
I enter the roof less house with walls broken

I play on the sorrowful strings
of the violin.
I remember your pretty face
that awaited all the sleepless nights
I dream you to be dreaming
And I remember the old violin
that someone used to play at one time
and I used to laugh.

## 'CRUELTY'

Sri Mrinal Kanti Goswa
T.D.C. 2nd yr. (Ar

*In the dark of [illegible]*
*The woman*
*On the pavement*
*Is sleeping*
*Embracing her baby*
*The Himalaya's coming down*

*How cruel*
*The earth is ......*
*The dog*
*Running after*
*The thief.*
*This is the other rule*
*of the man ........*

## 'DESIRES'

SAGARIKA DAS
H S. 2nd year (Arts)

Look !
A weird guest house
Leaving behind no host
Under the darkling clouds
that slowly move
Where burns a wax candle

I feel a thousand beams
like the swords in a battle
I saw no more what happened to them
I enter the roof less house with walls broken

I play on the sorrowful strings
of the violin,
I remember your pretty face
thet awaited all the sleepless nights
I dream you to be dreaming
And I remember the old violion
that someone used to play at one time
and I used to laugh.

## 'CRUELTY'

Sri Mrinal Kanti Goswami
T.D.C. 2nd yr. (Arts)

*In the dark night*
*The woman*
*On thc pavement*
*Is sleeping*
*Embracing her baby,*
*The 'Himalaya's comming down .....*

*How cruel,*
*The earth is ......*
*The dog*
*Running after*
*The thief,*
*This is the other rule*
*of the man ..........*

# 'AN UNSHED TEAR'

Prof. S. V. Appayya

O, Moon !
Why have you been hanging
Like an unshed tear
Beneath the eyelid of the sky ?

What mountain ?
What fountain ?
What happy laughter of a child ?
What sad face of a young widow ?
What gloomy Countenance
of a motherless child ?
Has produced thee ?

While you have been
Rolling on
From one end to the other
How many clossics have been
On thee
By poets.

When I have lost my hope
And joy in this universe
How many times I have watched thee !

O, Laluna !
How many times !
Many a time angels
Have peeped in to thee
To see their faces
In your glassy water.
You are a source of
Sorrow for separated lovers
You are fountain of
Joy for children

To me
You are a hermonious blinding
Of joy and sorrow
If you are dropped
This universe will be
Washed off.
And heaven will lose its sight
Be there forever
Be an everlasting
Source of inspiration
For me
Dear me.

# LOVELY FACE

Nabuyar Alam
T.D.C. 1st year (Arts)

I know a face, a lovely face,
As full of beauty as of grace ;
A face of pleasure, ever bright,
In utter darkness it gives light.

A face that is a source of joy ;
To have seen it I'm a lucky boy ;
But I've a joy that have few others
This Lovely face is my mother's.

# MY SWEET BUTTERFLY

*Shri Apurba Kr. Das*
*H.S. 2nd yr. (Sc.)*

Butterfly, butterfly don't fly away
I want to see you every night and day
Every day of the week
You have all the sweet colours which are
As sweet as can be
But look at me
I can't have sweet colours nor can fly.
But only can feel shy. cause I can't toucy
the sky

Please, please my sweet butterfly
Will you teach me to fly high and high ?

# My Sky, My Sun And My Morning

Sontosh K. Mishra
Dept. of English

'DON'T share the idols, my sonnies.
— It was my grannie
as if she cried with that stor my night.
'My heart, my love for you
in spite of my age has betrayed me
—share it, if you can.'

Quite intellectval to me they were
Because some of them were fathers
and some to me fatherly.
I scrapped longer with the sky
and its stars in my eyes.
But breath of innocence
did cost a little more
than the sordid images in flesh and blood
reflecting the narrower, divisible sky
in every corner of my heart.

Sometimes, I feel
the wind of fear kills
and kills me a thousand times
in an hour.
Sometimes
it puts me through a skyful of tears or blood.
flowing from the eyes of stars or flowers.
Amidst the deep wrinkles of humanity
I strive to sleep a long sleep.
But, Hey Ram! I can't.
All at once a just of cold wind whispered
—'Let's shave out the cold, the silence and
the fear.

So did I grumble at the sky
for a new sun, a new sunny morning
mixing new sorrows with old ones
and making them one again.

I felt, I prayed and I sang
—'Let's die though we couldn't live
with our hands together-Give me your hands.'
The sky slipped in to my eyes.
And nothing did I ever know
till my morning it was.

# 'I WORSHIP THEE'

AMAN ULLAH
H.S. 2nd yr. (Arts)

When the whole world is asleep
You are awake.
When all doors are shut
You are open

When everybody gives up
You remain the only ray of hope
When there is gloon all around.
You are beacon of light
When everyone is made to bow

You stand
and support me.

I worship thee
my dear conseience.

# The Role of Insect In Nature And Their Practical Importance For Man

Raquib ul-A Mazumd
H.S. 2nd yr. (S

ARTICLE

Introduction: [illegible] world. From the cradle civilisation man is [illegible] There millions of [illegible] various denotation accordin to their nature and [illegible]

Ample prevalence of various insect in nature has played a distinctive role in nature. There are millions of species of insect in this world. Some of them have extinguished and now they are obsolete. Calculation made by the Scientist indicate that about 1917 (1000000000000000) individual insect live simul tane ously.

These insects are of cardinal important in our mankind as a whole. In various sphere of life these insect play a vital role.

The insect inhabits in nature and in such a atmosphere where ever Life is possible. They inhabit every where in the nature except in sea.

Particulars species of insect serve mankind in various was. A tremendous of these arthropods feeds on leave, stalk and other organs and parts of fruits and seeds.

In this process of reproduction phagous insects damages or extermin on vast region. Nevertheless the life of plants are very important

The earthworm plays a vital r formation and also such indentica also serves the humankind in vari life. The earthoworm serves th society as a whole in numerous w

# The Role of Insect In Nature And Their Practical Importance For Man

Raquib ul-A Mazumdar.
H.S. 2nd yr. (Sc.)

Introduction :— Man's curiosity is unlimited about the animal and insect world. From the cradle of civilisation men is striving to know about animal world.

There millions of insect in this world, scientist have classified them in various denotation according to their nature and habit.

Ample prevalence of various insect in nature has played a distinctive role in nature, There are millions of species of insect in this world. Some of them have extinguished and now they are obsolete. Calculation made by the Scientist indicate that about 1017 (100000000000000000) individual insect live simul tane ously.

These insects are of cardinal important in our mankind as a whole. In various sphere of life these insect play a vital role.

The insect inhabits in nature and in such a atmosphere where ever life is possible. They inhabit every where in the nature except in sea.

Particulars species of insect serves the mankind in various was. A tremendous army of these arthropods feeds on leave, roots, stalk and other organs and parts of plants fruits and seeds.

In this process of reproduction, phyto–phagous insects damages or exterminat plant on vast region. Nevertheless the insects in life of plants are very important.

The earthworm plays a vital rolin soil formation and also such indentical species also serves the humankind in various social life. The earthoworm serves the human society as a whole in numerous way. After

40 years continuous observatlon, Charles Darwin has arrived at the view that earth worm is close friend of farmers. His hypothesis is that earthwoim 80 tons of soil on the land.

Bumble bees, honey bees, flies and some species of butterflies and beetles (Coleoptera) contribute greatly to the cross pollination of flowering plants.

Insect are very important in the organic cycle of matter in nature. Vegetable feeding insect lastly become prey of other animals Such insect as burying beetles and dung bung are of great sanitary significance.

Life on the earth would be impossible without plurality and high activity insect.

ফুটবলৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অৱস্থা অলপ দুখলগা। ইয়াৰ মূলতে আছে খেলপথাৰ খন, য'ত খেলৰ বতৰত পানীৰে ভৰপুৰ হৈ থাকে। তাত খেলিব পাৰি কিন্তু ভাল দৰে খেলিব নোৱাৰি। এই কাৰণে খেলৰ অভ্যাস কৰাৰ অসুবিধা। মহাবিদ্যালয়ত বিভিন্ন প্ৰান্তৰ পৰা অহা বহুত ভাল খেলুৱৈ আছে যদিও সিহঁতক বাচি উলিওৱা টান। কাৰণ বিনা প্ৰতিযোগিতাৰে খেলুৱৈ সকলক নিৰ্ব্বাচন কৰিব নোৱাৰি। সেয়ে আন্তঃ শ্ৰেণী প্ৰতিযোগিতা পাতি থকাৰ প্ৰয়োজন আৰু তাৰ পৰা ভাল দল গঠন কৰি কোনো বাহিৰৰ প্ৰতিযোগিতাত যোগদান কৰিলে ভাল খেল খেলিব পাৰি। এইটো মই কৰিব নোৱাৰাৰ বাবে বৰ দুখিতঃ। আশা কৰোঁ ভৱিষ্যতে খেলত আমাৰ মহাবিদ্যালয়ে সুনাম অৰ্জন কৰিব পাৰিব। খেল পথাৰ খনে মোক ইয়াৰ পৰা অলপ বঞ্চিত কৰিছিল। ফুটবলৰ ক্ষেত্ৰতহে এইটো হৈছে। বিনা অভ্যাসৰ দ্বাৰা কোনো প্ৰতিযোগিতাত ভাল ফল পাব নোৱাৰি যদিও বিভিন্ন প্ৰান্তত খেলা বহুত ভাল খেলুৱৈ আছে সিহঁতক নিৰ্ব্বাচন কৰিব লাগিব প্ৰতিযোগিতাৰ মাজেৰে

আৰু আমাৰ ইয়াত প্ৰতিযোগিতা পতাত খেলপথাৰ খনে বহুত অঁসুবিধাৰ সৃষ্টি কৰে। আশা কৰোঁ ইয়াৰ উন্নতি আহিব।

মোৰ অনুপস্থিতিত আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা এখন চলাই নিয়াৰ দায়িত্ব লোৱাত আৰু মোক সহায় সহযোগিতা দিয়াত বহিঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক উত্তম মুলীক আৰু নীলাঞ্জন দাসলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ কৰ্মীবৃন্দ, ছাত্ৰ সন্থাৰ সমূহ কৰ্মীবৃন্দ, শিক্ষাৰ্থী বন্ধু-বান্ধৱীলৈ শুভেচ্ছাৰে ভৱিষ্যত মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে মোৰ অনিচ্ছাকৃত ভাবে হৈ যোৱা ভূলৰ বাবে ক্ষমা বিচাৰি সকলৰে জীৱনৰ শান্তি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয় আই অসম"

"ভাৰত মাতা কি জয়"

শ্ৰীনিৰঞ্জন কুমাৰ ৰাভা

ফুটবল আৰু ভলীবল বিভাগৰ সম্পাদক

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ "সমাজ সেৱা" বিভাগৰ সম্পাদকৰ প্ৰতিবেদনৰ প্ৰাকমূহুৰ্ত্তত যি সকল বীৰণ্য পুৰুষৰ মহান প্ৰচেষ্টাত গোৱালপাৰা মহাবিদ্যালয় নামনি অসমৰ লুইতৰ পাৰ জিলিকাবলৈ প্ৰতিষ্ঠা হ'ল, সেইসকল মহান ব্যক্তিক আৰু অসমী আইৰ দুখৰ চকুলোঁ মচিবলৈ কৰা অস্তিত্ব ৰক্ষা আন্দোলনৰ মৃত্যুঞ্জয়ী বীৰ শ্বহীদ সকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচত যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক বিপুল ভোটত জয়ী কৰি সমাজ সেৱা সম্পাদকৰ দায়িত্ব ভাৰ মোৰ ওপৰত অৰ্পন কৰিলে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিভাগীয় সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ হকে সুবিধা অসুবিধাৰ কিমানখিনি কাৰ্য্যকৰী বৰঙণি আগবঢ়ালোঁ। তাৰে এটি চমু বিৱৰণ আগবঢ়ালোঁ।

সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিচতে মই "মহাবিদ্যালয় সপ্তাহৰ" সন্মুখীন হওঁ আৰু মোৰ কাৰ্য্যালয়ৰ প্ৰথম কাৰ্য্যসূচী হিচাপে মহাবিদ্যালয় সপ্তাহৰ তোৰণখন সাজি উলিওৱা হয়। 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে দ্বিতীয় দিনা খন সমাজ সেৱা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত আব্দুল আখেৰ আমিন (বকুল) শ্ৰেষ্ঠ সমাজ সেৱক হিচাপে পুৰস্কৃত কৰা হয়।

১৯৯১ চনৰ বাৰ্ষিক ৰাষ্ট্ৰীয় সেৱা আচনি শিবিৰ (N.S.S. camp) ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ বিভাগ, যুৱকল্যান আৰু ক্ৰীড়া বিভাগৰ সৌজন্যত হাজো S. Das college ত অনুষ্ঠিত হৈছিল। এই শিবিৰ জুলাই মাহৰ 3/7/91 তাৰিখৰ পৰা 9/7/91 তাৰিখলৈ চলিছিল। তাত আমাৰ কলেজৰ পৰা চাৰিজন স্বেচ্ছাসেৱক এজন কাৰ্যসূচী বিষয়া শ্ৰীজ্যোতিষ দাস (অধ্যাপক) ৰ সৈতে যোগদান কৰে।

মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ চাৰিওকাষে থকা গেলা-পচা, জাৱৰ জোঠৰ আদি সময়ে সময়ে পৰিস্কাৰ কৰা হয়। মহাবিদ্যালয় স্থাপিত দিৱস উপলক্ষে যোৱা 8/8/91 ইং তাৰিখৰ দিনা কলেজৰ প্ৰায় সকলো ছাত্ৰ-ছাত্ৰী মিলিত হৈ কলেজৰ চৌহদ পৰিস্কাৰ কৰা হয়। ইয়াৰ উপৰিও দমকল, শ্ৰেণী কোঠাত থকা ফেন (Fan) বিলাক মেৰামতি কৰা হয়।

মোৰ কাৰ্য্যকালছোৱাত সমাজসেৱাৰ প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱৰ ফলত অসুবিধাৰ সন্মুখীন হৈছিলো। যদিও তৎপৰ সময়ৰ [illegible] লাগতিয়াল সামগ্ৰী দা কোৰ পাচি ঝাৰু আদিৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ ইমান সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত উক্ত সীমিত সামগ্ৰীখিনিয়েই যথেষ্ঠ নহয় বুলি মই ভাবো।

এই প্ৰতিবেদনৰ দ্বাৰাই ভৱিষ্যতে মহাবিদ্যালয়ৰ কতৃপক্ষই প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰি প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে একোজন নিষ্ঠাবান সমাজ সেৱক হিচাপে গঢ়ি উঠাত সহায় কৰিব বুলি আশা কৰিলো।

বিশেষ দুঃখৰ বিষয় যে মোৰ কাৰ্য্যকালত মহাবিদ্যালয় কৰ্তৃপক্ষৰ অৱহেলা আৰু প্ৰয়োজনীয় পুঁজিৰ অভাৱৰ কাৰণে মহাবিদ্যালয়খনৰ স্থায়ী গেট, দুখন আৰু ইয়াৰ চৌহদত এখন ফুলৰ বাগিছা নিৰ্ম্মাণ কৰিব নোৱাৰিলো। পৰবৰ্তী সম্পাদকৰ কালছোৱাত যাতে এই কামখিনি সম্পূৰ্ণ হৈ উঠে তাৰ বাবে আশা ৰাখিলো।

## কৃতজ্ঞতা স্বীকাৰঃ

মোৰ কাৰ্য্যকালত মোক বিশেষভাৱে সহায় কৰাৰ বাবে শিক্ষাগুৰু সকল, বিশেষকৈ মনোজ কুমাৰ চক্ৰৱৰ্ত্তী, অৰুণ শৰ্ম্মা, শ্ৰীজ্যোতিষ দাস, প্ৰমূখ্যে ছাত্ৰ-ছাত্ৰী বিশেষকৈ বকুল, মৃনাল কান্তি মেধি, অলকেশ ভুঞা, দিলীপ, মুকু আচৰাফুল, খালিদ, জুলি, মনিৰ, মানৱ, মামনি, গীতালি, ফৰিদা, সাগৰিকা মেহমুদ, কালাম, জাহিদুল, আলতাফ, আকবৰ, ছাত্ৰাবাস ছাত্ৰীবাস আৰু ল'জৰ সমূহ আবাসীলৈ মোৰ ভাষাহীন কৃতজ্ঞতা থাকিল।

মহাবিদ্যালয় সপ্তাহৰ তোৰণখন সাজি উলিওৱাৰ বাবে দিলীপ ( প্ৰাঃ সা সঃ ), ৰঞ্জিত, ৰিয়াজুল আৰু সত্য নাৰায়ন দেশৱাৰাক মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত মোৰ কাৰ্য্যকালত জ্ঞাত অজ্ঞাত হোৱা ভূল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি শিক্ষক-শিক্ষয়িত্ৰী সকলক শ্ৰদ্ধা আৰু বন্ধু-বান্ধৱী সকললৈ মৰম জনাই মোৰ প্ৰতিবেদনৰ মোখনি মাৰিছো।

জয়তু গোৱালপাৰা মহাবিদ্যালয়

ঃ জয় আই অসম ঃঃ

মোজাম্মল হক

সম্পাদক, সমাজ সেৱা

গোঃ মঃ ছাঃ সঃ

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংস্কৃতিক বিভাগৰ সেৱা

প্ৰতিবেদনৰ প্ৰাৰম্ভনিতে গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংস্কৃতিক বিভাগৰ সেৱা আগবঢ়াবলৈ যি সকলে বিপুল প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাত মোক সমৰ্থন ও সহযোগিতা আগবঢ়ালে, তেওঁবিলাকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালো।

সমাজ জীৱনত সুন্দৰ সংস্কৃতিক ভেটি নিৰ্মাণ কৰোঁতা জন হ'ল এচাম সুৰুচি সম্পন্ন মানুহ। সন্দেহ নাই সেইচাম মানুহৰ মানৱীয় মহত্বয়ে সাংস্কৃতিক ভেটিক ক্ৰমে সুদৃঢ় আৰু চিৰন্তন ৰূপ দিব পাৰে। নকলেও হ'ব, সৎ আৰু সুৰুচি সম্পন্ন যুৱ শক্তিয়েহে স্বদেশ আৰু স্বজাতিৰ সাংস্কৃতিক ৰক্ষাকবচ আৰু অতন্দ্ৰ প্ৰহৰীৰ অমল উৎস। অসম তথা সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰে সাংস্কৃতিক ইতিহাস বহন কৰি অনা বঙ্কিমান ব্ৰহ্মপুত্ৰৰ পাৰতে আমি সেই যুৱ শক্তিৰ সমন্বয়।

সাংস্কৃতিক সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মনতে বহুত কিবাকিবি কৰাৰ সপোন দেখিছিলো। মোৰ এই সপোন কিমান দূৰ বাস্তৱত ৰূপায়িত হ'ল সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য। দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগে লগেই মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হওঁ। আন আন বছৰৰ দৰে মোৰ কাৰ্য্যকালতো বিভিন্ন সাংস্কৃতিক প্ৰতিযোগীতা সমূহ সফলতাৰে অনুষ্ঠিত হৈ যায়।

এইবাৰ মহাবিদ্যালয় সপ্তাহত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগীতাৰ লগতে "শাস্ত্ৰীয় যন্ত্ৰ সংগীত" প্ৰতিযোগীতাৰে পাতনি মেলা হয়। এই প্ৰতিযোগীতাত প্ৰতিযোগীৰ সংখ্যয়ে মোক বাৰুকৈয়ে উৎসাহিত কৰিছিল। উক্ত প্ৰতিযোগীতাত আমাৰ মহাবিদ্যালয়ৰ মিচ্ নুৰনীতা বৰঠাকুৰে প্ৰথম স্থান অধিকাৰ কৰে। এয়া নিশ্চয় গোৱালপাৰা মহাবিদ্যালয়ৰ বাবে এটি উজ্বল ভৱিষ্যতৰ আগজাননী। তদুপৰি এই বেলি গোৱালপাৰা মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়ীকাৰ সন্মান লাভ কৰে মহাবিদ্যালয়ৰেই ছাত্ৰী নিৰ্মালী দাস। মহাবিদ্যালয় সপ্তাহৰ সাধাৰণ সাংস্কৃতিক সন্ধিয়াটি আন আন বাৰতকৈ যথেষ্ঠ উন্নত ভাৱে সমাধা হোৱা বুলি মোৰ মনে কয়। মই মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান সমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যৎপৰনাস্তি চেষ্টা কৰিছিলোঁ। কিন্তু মহাবিদ্যালয়ৰ কেইজনমান তথাকথিত প্ৰশাসকৰ বাবে

মই কিছু অসুবিধাৰ সম্মুখীন হৈছিলো। আগলৈ যাতে মহাবিদ্যালয়ত এনেকুৱা কেৰণৰ সৃষ্টি নহয় তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

ইয়াৰ পিচতেই অইন অইন বছৰৰ দৰে গোৱালপাৰা মহাবিদ্যালয়ৰ তৰফৰ পৰা গুৱাহাটী বিশ্ব-বিদ্যালয় যুৱ মহোৎসৱত যোগদান কৰিছিলোঁ। উক্ত যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে আন আন বছৰতকৈ যথেষ্ট উন্নত ফলাফল তথা সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

যুৱ মহোৎসৱত আধুনীক গীত শাখাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ মৃনাল কান্তি মেধীয়ে সোণৰ পদক, শাস্ত্ৰীয় যন্ত্ৰ সংগীত শাখাত নৱনীতা বৰঠাকুৰে ৰূপৰ পদক আৰু জনজাতীয় সংগীতত ফুৰপণ ৰাভাই ৰূপৰ পদক কঢ়িয়াই আনিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও এই বেলি যুৱ মহোৎসৱত যোগদান কৰা গোৱালপাৰা মহাবিদ্যালয়ৰ দলটিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধিনৰ সমূহ মহাবিদ্যালয়ৰ ভিতৰতে নিয়মানুবৰ্তিতাত প্ৰথম স্থান অধিকাৰ কৰি গোৱালপাৰা মহাবিদ্যালয়লৈ এটি অতুলনীয় সন্মান কঢ়িয়াই আনি গোটেই অসমতে গোৱালপাৰা মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিবলৈ সক্ষম হয়। এয়া সমগ্ৰ গোৱালপাৰা বাসী ৰাইজৰ বাবে নিশ্চয় এটি গৌৰৱৰ কথা।

ইয়াৰ পিচতেই মোৰ কাৰ্য্যকালত আহি পৰিল 'নৱাগত আদৰণি সভা'। উক্ত কাৰ্য্যসূচীত মই আন আন বাৰতকৈ অধিক সফলতাৰে পালন কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো, কিমানদুৰ সফল হলোঁ সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত।

মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ ওপৰত এক গুৰু দায়িত্ব থাকে। মই এই দায়িত্ব পালন কৰিবলৈ বাৰুকৈয়েই চেষ্টা কৰিছিলো। কিন্তু কিছুমান অসুবিধা যেনে—বাদ্যযন্ত্ৰৰ অভাৱ, এটা সৰ্বাঙ্গসুন্দৰ প্ৰেক্ষাগৃহৰ অভাৱ, এখন সুবিধা সম্পন্ন মঞ্চৰ অভাৱ তদুপৰি ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ সহ-যোগীতাৰ অভাৱৰ বাবে, সম্পাদকৰ সফলতাত যথেষ্ট বাধা আহি পৰে। এই বাধা সমূহ আতৰাবৰ চেষ্টা কৰিলে আকো মহাবিদ্যালয়ৰে এচাম ছাত্ৰ-ছাত্ৰী তথা শিক্ষকে উক্ত সম্পাদকক সকলোৱে আগত হেও প্ৰতিপন্ন কৰাবলৈ চেষ্টা কৰে। গতিকে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অনুৰোধ তেওঁলোকে যাতে এই বাধাৰ প্ৰাচীৰ ভাঙি ওলাই আহি এখন সুস্থ শৈক্ষিক পৰিবেশ সম্পন্ন মহাবিদ্যালয় গঢ়ি তোলাত অৰিহণা যোগায়। লগতে মোৰ পৰবৰ্তি সম্পাদকে যাতে ওপৰোক্ত অভাৱ সমূহ দুৰ কৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক তথা সাংস্কৃতিক প্ৰতিভা বিকাশত অৰিহণা যোগায়। এয়ে মোৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক বৃন্দলৈ বিনম্ৰ অনুৰোধ।

সদৌ শেষত মোৰ কাৰ্য্যকালত মোক চাৰিওফালৰ পৰা বিভিন্ন ধৰণে নিষ্ঠা সহকাৰে নিজৰ স্বাৰ্থ ত্যাগ কৰি মোক সহায় কৰা মোৰ সহোদৰ আচৰাফুল আৰু মৃণাল কান্তি মেধীক মোৰ হিয়াভৰা কৃতজ্ঞতা ও মৰম যাচিলোঁ। ইয়াৰ লগতে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সদস্যবৃন্দ, সমূহ শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী নিবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি নীলাঞ্জন, চিমুল, ৰূপক, সনৎ, তাপস, দীপু, ফুনু, মোহন, দিলু, বাপী, ভৈৰৱ, দিলীপ শৰ্ম্মা, ৰঞ্জিৎ ওবিবুল, বিমল, বিপুল, লগতে মঞ্চসজ্জা আৰু খাদ্য যোগানত সহায় কৰা মোৰ ভাইটী প্ৰসেনজিৎ,

মৃণাল, ৰুবুল, ধ্রুৱজ্যোতি, নেচিম, প্ৰাঞ্জল, উৎপল, দিগন্ত, মহানন্দ, হিক, ৰণজিৎ, বুবুল, পঙ্কজ, তৰিৎ লগতে মোৰ ভণ্টী (ৰুমা, সাগৰীকা, দিপালী, আৰাধনা, নিৰ্মালী জৱা, মিঠু) সকলৈ মোৰ ভাষাহীন কৃতজ্ঞতা ও মৰম আগবঢ়ালোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহ তথা আদৰণি সভাৰ সাংস্কৃতিক সন্ধিয়া সফল কৰি তোলাত মোক দিহা পৰামৰ্শ দি সহায় কৰাৰবাবে গোৱালপাৰাৰ "জেনিথ কালচাৰেল এণ্ড স্পোৰ্টচ অৰ্গেনাইজেচন"ৰ সদস্য বৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গিন উন্নতিৰ কামনাৰে মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম
শ্ৰীনিবাস চন্দ্ৰ পাল
সাংস্কৃতিক সম্পাদক
গোঃ মঃ ছাঃ সঃ

# তর্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে জ্যেষ্ঠ সকললৈ শ্ৰদ্ধা আৰু কনিষ্ঠ সকললৈ মৰম আৰু যি সকল বন্ধু-বান্ধৱীয়ে নিজস্ব বিবেচনাৰে মোক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে যোগ্য বুলি বিবেচনা কৰি নিৰ্ব্বাচিত কৰিলে তেওঁলোকলৈ মোৰ অকৃত্ৰিম আন্তৰিকতা যাঁচিলো।

সম্পাদক হিচাপে গধুৰ দায়িত্ব লোৱাৰ পাচৰ পৰা বহুত সমস্যাৰ সন্মুখীন হব লগীয়া হওঁ। বিশেষকৈ গোৱালপাৰা মহাবিদ্যালয়ৰ দৰে এখন আগশাৰী মহাবিদ্যালয় এখনতো মই এবছৰ ধৰি প্ৰতি-যোগিৰ সংখ্যা দুই চাৰি জনতকৈ বেছি পোৱা নাই। ইমান সুনাম থকা মহাবিদ্যালয় এখনৰ ইয়াতকৈ আৰু কি পৰিতাপৰ কথা হ'ব পাৰে। মই ভাবো এই ক্ষেত্ৰত অকল বিভাগীয় সম্পাদকৰেই দায়িত্ব বুলি ভাৱিলে ভুল হ'ব কিয়নো এনেকুৱা একোটা জটিল বিভাগৰ দায়িত্ব অকল সম্পাদক গৰাকীয়েই অকলে পালন কৰাত অপাৰগ। মোৰ বিভাগীয় কামবোৰ পৰিচালনা কৰাত ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলৰ পৰা আশানুৰূপ সহায়-সহযোগিতা পোৱা নাই। আশা কৰিছো পৰৱৰ্ত্তী সম্পাদক গৰাকীৰ ক্ষেত্ৰত যেন ইয়াৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ বিনম্ৰ অনুৰোধ।

সম্পাদক হিচাপে থকা কালছোৱাত মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যে আমাৰ শ শ ছাত্ৰ ছত্ৰীৰ মাজতো উপযুক্ত প্ৰতিযোগী নোহোৱা নহয়। তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, কবিতা আবৃত্তি আদি প্ৰতিযোগিতাবোৰ আমাৰ মহাবিদ্যালয়ত সময়ে সময়ে পাতিবলৈ মনতে ভাৱিছিলো যদিও মনৰ কথা মনতে থাকি গ'ল প্ৰতিযোগীৰ অভাৱত। পৰৱৰ্ত্তী সম্পাদকে যেন কথাবোৰ ভালকৈ ভাবি চায়। মই ভাবো যে প্ৰতি গৰাকী সম্পাদকে নিজৰ বিভাগীয় দায়িত্ববোৰ কেৱল দায়িত্ব হিচাপে নলৈ প্ৰতিটো দিশত কলেজখনৰ সুনামৰ লগতে বিকাশৰ দিশবোৰ ভাৱি চায়।

মই মোৰ কালছোৱাত যি কেইখন প্ৰতিযোগিতা পাতিছিলো সেই কেইখন সুকলমে চলাবলৈ পাই মই সুখী হৈছো । বিশেষকৈ শিক্ষাগুৰু সকলৰ সহজ সবল উপদেশৰ কথা মই পাহৰিব নোৱাৰিম । মোৰ বিভাগীয় কামবোৰ পৰিচালনা কৰাত সহায় কৰাৰ বাবে তত্বাৱধায়ক শিক্ষা গুৰু মাননীয় শ্ৰীকিৰণ চৌধুৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো । লগতে বিভিন্ন দিশত সহায় কৰাৰ বাবে বন্ধু জয়ন্ত, প্ৰদীপ, ধনঞ্জয়, মুকুট, ৰাণা, উৎপল আৰু বান্ধৱী ইনিতা, বৰিতা, ধৃতিমা, ভন্টি সুপ্ৰভা, মেঘালী আৰু বৰিতালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভূল ভ্ৰান্তিৰ বাবে ক্ৰুটী মাগিছোঁ। লগতে মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিছোঁ ।

॥ জয় আই অসম ॥

শ্ৰীৰাহুল দেৱ নাথ

সম্পাদক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা

# ছাত্র জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোক সম্পাদক হিচাবে মনোনিত কৰিলে সেই সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

মই দায়িত্ব ভাৰ লোৱাৰ পিছৰে পৰা মহাবিদ্যালয় সপ্তাহৰ সন্মুখীন হবলগীয়াত পৰো। মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰে সৈতে যুটীয়া ভাৱে প্ৰদৰ্শনী অনুষ্ঠিত কৰো। প্ৰদৰ্শনীখন আন আন বছৰৰ তুলনাত এইবেলি যথেষ্ট উচ্চমান বিশিষ্টৰ হৈছিল বুলি আমি কব পাৰো। আগলৈ যেন ইয়াতকৈ উচ্চমান বিশিষ্ট প্ৰদৰ্শনী পাতিব পাৰে। তাৰ বাবে ছাত্ৰ আৰু ছাত্ৰী জিৰণী কোঠাৰ সম্পাদক/সম্পাদিকালৈ চেষ্টাৰ ত্ৰুটি নকৰিবলৈ মই আশা ৰাখিছোঁ।

গোৱালপাৰা মহাবিদ্যালয়খনত বিভিন্ন প্ৰান্তৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ লাভ কৰি মহাবিদ্যালয়খনৰ সুনাম অৰ্জ্জন কৰি আহিছে। কিন্তু আটাইতকৈ পৰিতাপৰ কথা হ'ল এই মহা বিদ্যালয়ত ছাত্ৰ জিৰণী কোঠাৰ অভাৱ। মোৰ কাৰ্য্যকালৰ সময় ছোৱাত মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষক মই এই অৰ্দ্ধ নিৰ্মিত ছাত্ৰ জিৰণী কোঠাটো সম্পূৰ্ণ কৰি তুলিবলৈ কেইবাখনো স্মাৰক পত্ৰ দাখিল কৰিলো। শেষত ছাত্ৰ জিৰণী কোঠাৰ ঘৰটো সম্পূৰ্ণ হ'ল যদিও কোঠাটোত বৈদ্যুতিক বৰ্ত্তনী, বৈদ্যুতিক পাঙ্খা, দুৱাৰ খিৰিকীৰ বাবে পৰ্দা, বহাৰ বাবে প্ৰয়োজনীয় Chair-Table, ছাত্ৰ সকলৰ বাবে খোৱা পানীৰ ব্যৱস্থা, ছাত্ৰ জিৰণীৰ সময়ত মানসিক ভাবে আনন্দ দিয়াৰ উদ্দেশ্যৰে খেলৰ সামগ্ৰী যোগান আদিবোৰৰ কাম সম্পূৰ্ণ হৈ নুঠাৰবাবে ছাত্ৰ জিৰণী কোঠাটোৰ দুৱাৰ মুকলি কৰিব পৰা নগ'ল। মহাবিদ্যালয় কৰ্ত্তৃপক্ষই কেৱল হব বুলি আশ্বাস দিওঁতে দিনবোৰ সৰকি গ'ল।

উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে বিশেষকৈ এটা ছাত্ৰ জিৰণী কোঠাৰ প্ৰয়োজন। মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা সকলে এক হুলস্থুলীয়া পৰিবেশত ছাত্ৰ ছাত্ৰী সকলক শিক্ষাদান কৰিব লগা হৈছে। এই হুলস্থুলীয়া পৰিবেশৰ বাবে মহাবিদ্যালয়খনত শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে।

সেয়ে মই এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্ত্তৃপক্ষক পুনৰ অনুৰোধ জনাওঁ যাতে অদ্ধ সমাপ্ত জিৰণী কোঠাটোৰ কাম সমাপ্ত কৰি শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰিব বুলি মই আশা কৰিলো। কিন্তু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ এবছৰীয়া কাৰ্য্যকালত সকলোবোৰ সমস্যা সমাধান কৰাটো অসম্ভৱ। কিন্তু মোৰ দৃঢ় বিশ্বাস আমাৰ কাৰ্য্যকালত প্ৰস্তাৱিত বিষয় সমূহ গুৰুত্ব সহঃ সমাধান কৰিলে মহাবিদ্যালয়খনৰ উন্নতি আশা কৰিব পাৰি।

সামৰণিৰ আগমুহূৰ্তত মোৰ শিক্ষাগুৰু সকলোলৈ আন্তৰিক শ্ৰদ্ধা জনাইছো। সদৌ শেষত গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু-বান্ধৱী, ভাইটি ভণ্টি সকলোলৈ মোৰ মৰম, চেনেহ জনাইছোঁ আৰু মোৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু গোৱালপাৰা মহাবিদ্যালয়"

॥ জয় আই অসম ॥

শ্ৰীবিজয় কুমাৰ দাস
সম্পাদক, ছাত্ৰ জিৰণী কোঠা
গোৱালপাৰা মহাবিদ্যালয়

# প্ৰতিবেদন "ছাত্ৰী জিৰণি কোঠা"

প্ৰতিবেদনৰ আৰম্ভণিতে গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

শব্দৰ গাঠনিৰে কিমান দূৰ কৃতজ্ঞতা জ্ঞাপন কৰিব পাৰি তাক মই নাজানো। তথাপিও লিখনিৰ আৰম্ভনিতে যি সকল অগ্ৰজ ছাত্ৰ-ছাত্ৰীৰ সমৰ্থনে মোক ১৯৯০-৯১ চনৰ "ছাত্ৰী জিৰণি কোঠা"ৰ সম্পাদিকা হিচাপে নিৰ্ব্বাচন কৰিলে তেওঁলোকলৈ যাচিলো মোৰ আন্তৰিক কৃতজ্ঞতা।

নিৰ্ব্বাচনৰ পিচতে সন্মুখীন হওঁ 'মহাবিদ্যালয় সপ্তাহ'ত পতা প্ৰতিযোগিতা মূলক প্ৰদৰ্শনী খনৰ। আগতীয়াকে মোৰ প্ৰদৰ্শনী পতাৰ বাবে কোনো ধৰণৰ জ্ঞান নাছিল। তেনে অৱস্থাত আমাৰ প্ৰাক্তন "ছাত্ৰ জিৰণি কোঠাৰ সম্পাদিকা অঞ্জু বাইদেউৱে বিশেষ ভাৱে সহায় কৰাৰ উপৰিও যি সকল বন্ধু-বান্ধৱীয়ে মোক এই প্ৰদৰ্শনীখন সুকলমে চলাই নিবলৈ সক্ষম কৰিলে তেওঁলোকৰ লগতে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ কৃতজ্ঞা জ্ঞাপন কৰিছো। তেওঁলোকৰ সহযোগিতাৰ ফলতে মোৰ আৰু 'ছাত্ৰী জিৰণি কোঠা'ৰ সম্পাদকৰ জৰিয়তে প্ৰদৰ্শনীখন আন আন বছৰতকৈ বহু বেচি উন্নত হোৱা বুলি জানিব পাৰিছো। মোৰ অনুৰোধ যাতে অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আগলৈ প্ৰদৰ্শনী প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি প্ৰদৰ্শনী খনৰ মানদণ্ড বৃদ্ধি কৰে।

মোৰ আগৰ প্ৰায়বোৰ বিভাগীয় সম্পাদিকায়ে আমাৰ জিৰণি কোঠাটোক গুদামঘৰ বুলি লিখি আহিছে। কিন্তু আজিলৈকে এই কথাষাৰৰ গুৰুত্ব দিয়া হোৱা নাই বাবে ময়ো এই কথাষাৰে লিখিবলৈ বাধ্য হৈছো যে— আমাৰ ছাত্ৰীৰ জিৰণি কোঠাটো এটা গুদা ঘৰৰ লগত তুলনা কৰিব পাৰি। কাৰণ তাত থকা খেলৰ সামগ্ৰী, সাংস্কৃতিক সামগ্ৰীক আদি কৰি অন্যান্য সামগ্ৰীৰে কোঠাটো আৱৰি আছে। ফলত ছাত্ৰী বহাৰ ঠাই কম হৈ গৈছে। সেইবাবে ছাত্ৰীসমূহ জিৰণি কোঠাৰ সন্মুখত থিয় দি থাকিবলৈ বাধ্য হৈছে। তাৰ ফলত শিক্ষা গুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীৰ গ্ৰন্থগাৰলৈ যোৱাত অসুবিধা হোৱা বুলি মই অনুভৱ কৰো। এনে পৰিস্থিতিত বিভাগীয় সম্পাদিকা হিচাপে ছাত্ৰী সমূহৰ ওপৰত মাত মাতিবলৈ

মই নিজেই অক্ষম। সেয়েহে অধক্ষ্য মহোদয়লৈ মোৰ অনুৰোধ মোৰ পিছৰ সম্পাদিকায় এই অসুবিধাখিনি অনুভৱ কৰিব লগা নহয় তাৰ বাবে আগতীয়াকৈ কোঠাটোৰ বিশেষ ব্যৱস্থা লয় যেন।

শেষত সমূহ ছাত্রীকে জনাওঁযে জিৰণি কোঠাটো চাফ চিকুণ কৰি ৰখা বিভাগীয় সম্পাদিকাৰ দায়িত্ব বা কর্ত্তব্য নহয়, ছাত্রী সমূহৰো কৰ্ত্তব্য বুলি মই ভাবো। তাৰোপৰি কোঠাটোৰ ভিতৰত থকা বস্তু সমূহৰ সৎব্যৱহাৰ কৰাটোও ছাত্রী সমূহৰ কৰ্ত্তব্য। গতিকে প্রত্যেকে প্রত্যেকৰ দায়িত্ব আৰু কৰ্ত্তব্য মানি চলিলেই কোঠাটোৰ বাতাবৰণ সুস্থ হ'ব।

প্রতিবেদনৰ সামৰণিত মই নৱ-নির্ব্বাচিত ছাত্র একতা সভাৰ সমূহ সদস্যলৈ মোৰ শুভেচ্ছা জনালোঁ। শেষত মোৰ কার্য্যকালত হৈ যোৱা ভূল ক্রুটী সমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা প্রার্থনা কৰিছোঁ। মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ প্রতিবেদন ইমানতে সামৰণি মাৰিছো।

জয়তু গোৱালপাৰ মহাবিদ্যালয়।

শ্রীমামনি দাস

সম্পাদিকা ছাত্রী জিৰণি কোঠা।

গোঃ মঃ ছাঃ সঃ।

গোৱালপাৰা মহাবিদ্যালয়
ছাত্ৰ সন্থাৰ সংবিধান

# সংবিধান

গোৱালপাৰা মহাবিদ্যালয়

১৯৯০-৯১

# গোৱালপাৰা মহাবিদ্যালয়
# ছাত্র সন্থাৰ সংবিধান

সংবিধানৰ খচৰা প্ৰস্তুতি ঃ
**শ্ৰীপ্ৰণৱ বড়া**

গোৱালপাৰা মহাবিদ্যালয়

১৯৯০-৯১

# প্ৰস্তাৱনা

আমি গোৱালপাৰা সমূহ ছাত্ৰ ছাত্ৰীয়ে গুৰুত্ব সহকাৰে স্থিৰ কৰো যে শৈক্ষিক সামাজিক, ন্যায়চিন্তা প্ৰকাশ, সাধাৰণা আৰু একতা, বিশ্বাসৰ স্বাধীনতা, মৰ্য্যদা আৰু সাধাৰণা আৰু সুবিধাৰ সমানতা, ব্যক্তিত্বৰ সন্মান আৰু মহাবিদ্যালয়ৰ ছাত্ৰ ঐক্য অটুট ৰাখি ভাতৃত্বভাৱে আহৰণ কৰিবলৈ আৰু গঢ়ি তুলিবলৈ কৰিব লগা দায়িত্ব তথা প্ৰচেষ্টাত ব্ৰতী হ'বলৈ ছাত্ৰ-ছাত্ৰীক সংগঠিত কৰিবৰ কাৰণে জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে মহাবিদ্যালয়ৰ সুস্থতা ৰক্ষা কৰিম।

অনুচ্ছেদ — ১ : নাম — গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা। ইংৰাজীত — Goalpara College Students Union. সংক্ষেপে — G.C.S U.

অনুচ্ছেদ—২ : এক্তিয়াৰ— মহাবিদ্যালয় চৌহদ।

অনুচ্ছেদ—৩ : প্ৰতীক চিহ্ন— মহাবিদ্যালয়ৰ প্ৰতীক চিহ্ন।

অনুচ্ছেদ—৪ : মহাবিদ্যালয়ৰ নিজ পতাকা।

অনুচ্ছেদ—৫ : লক্ষ্য আৰু উদ্দেশ্য :

ধাৰা (ক) কোনো ৰাজনৈতিক দল বা ধৰ্মীয় সংগঠনৰ প্ৰতি অনুগত্য নথকা এটা ছাত্ৰ গোট গঠন কৰা।

ধাৰা (খ) মহাবিদ্যালয় তথা স্বদেশৰ প্ৰতি শ্ৰদ্ধা উদ্বুদ্ধ কৰা আৰু গভীৰতম কৰা।

ধাৰা (গ) সকলো ধৰণৰ শোষণ প্ৰৰোচনাৰ পৰা ছাত্ৰ-ছাত্ৰীক মুক্ত কৰিবলৈ ব্ৰতী হোৱা।

ধাৰা (ঘ) ক্ষমতা প্ৰতিষ্ঠা আৰু পৰ্য্যায়ক্ৰমে সমগ্ৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কৰা।

ধাৰা (ঙ) উপধাৰা (ক) মহাবিদ্যালয়ৰ স্বাধীনতা আৰু পৱিত্ৰতা ৰক্ষা কৰা।

উপধাৰা (খ) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অধিকাৰ আৰু স্বাৰ্থ অটুট ৰখা।

উপধাৰা (গ) শিক্ষাৰ বৈষম্য নীতিৰ বিৰুদ্ধে অভিমত প্ৰকাশ কৰা!

উপধাৰা (ঘ) ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক সচেতনা বৃদ্ধি কৰা।

উপধাৰা (ঙ) ছাত্ৰ-ছাত্ৰীৰ মাজত জাতি, ধৰ্ম, বৰ্ণ আদি বিবেচনাৰ পৰা আহিব পৰা সংকীৰ্ণ, সাম্প্ৰদায়িকতা আৰু সামাজিক কুসংস্কাৰ সমূহ মহাবিদ্যালয়ৰ পৰা আঁতৰ কৰা।

উপধাৰা (চ) মহাবিদ্যালয়ৰ সংহতিৰ প্ৰতি লক্ষ্য ৰাখি আন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংগঠনৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঠন কৰা।

অনুচ্ছেদ—৬ : কৰ্ত্তব্য

লক্ষ্যত উপনীত হ'বলৈ, উদ্দেশ্য সমূহ সফল কৰিবলৈ গোৱালপাৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে তলত দিয়া কৰ্তব্য সমূহত আত্মনিয়োগ কৰিব।

ধাৰা (ক) মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে একত্ৰিত কৰি শৈক্ষিক বাতাবৰণৰ উন্নতিৰ বাবে অবিৰাম ভাৱে প্ৰচেষ্টা চলোৱা।

ধাৰা (খ) মহাবিদ্যলেয়ৰ ছাত্ৰ-ছাত্ৰীৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ প্ৰচাৰ আৰু প্ৰদৰ্শন কৰা আৰু ছাত্ৰ-ছাত্ৰী

সমূহৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে আলোচনী প্ৰকাশ কৰা আৰু সাংস্কৃতিক সক্ৰিয়া, খেল-ধেমালী আদি অনুষ্ঠিত কৰা।

ধাৰা (গ) আলোচনা চক্ৰ, তৰ্কসভা, সাধাৰণ সভা আদি আয়োজন কৰা।

ধাৰা (ঘ) বছৰত অন্ততঃ দুবাৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা।

অনুচ্ছেদ—৭ ঃ সদস্য—

ধাৰা (ক) মহাবিদ্যালয়ত বিধিগত ভাৱে নাম ভৰ্ত্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীকে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সদস্য হিচাপে গ্ৰহণ কৰা হ'ব।

ধাৰা (খ) মহাবিদ্যালয়ৰ উদ্দেশ্য আৰু লক্ষ্যৰ প্ৰতি অনুগত্য প্ৰকাশ কৰিব।

অনুচ্ছেদ—৮ ঃ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ গঠন পদ্ধতি—

ধাৰা (ক) মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা এক তৰপীয়া হ'ব আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰ সন্থা এখনেই থাকিব।

ধাৰা (খ) প্ৰত্যেক বছৰৰ নাম ভৰ্ত্তিকৰণ সমাপ্ত হোৱাৰ পিছতে ছাত্ৰ-ছাত্ৰীৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। সাধাৰণ নিৰ্বাচন ইংৰাজী ডিচেম্বৰ মাহৰ ভিতৰত হোৱাটো বাঞ্চনীয়।

ধাৰা (গ) নিৰ্বাচনৰ দিন আৰু পৰিচালনা নিৰ্বাচক মণ্ডলীয়ে স্থিৰ কৰিব।

উপধাৰা (ক) মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীয়েহে ভোট দান কৰিব পাৰিব।

অনুচ্ছেদ – ৯ ঃ কাৰ্য্যকৰী কমিটি—

ছাত্ৰ সন্থাৰ পদৱী আৰু বিতৰণ সমূহ তলত দিয়া ধৰণে হ'ব আৰু সাধাৰণ নিৰ্বাচনত প্ৰত্যক্ষ ভাৱে নিৰ্বাচিত হব লাগিব।

ধাৰা (ক) (১) মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধক্ষ্য ক্ৰমে ছাত্ৰ সন্থাৰ পদেন সভাপতি আৰু কাৰ্য্যকৰী সভাপতি হ'ব।

(২) উপসভাপতি এগৰাকী প্ৰাক্তন কাৰ্য্য নিৰ্বাহকৰ সদস্য হোৱাৰ লগতে মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ২য় বা ৩য় বাৰ্ষিকৰ ছাত্ৰ হ'ব লাগিব।

(৩) সাধাৰণ সম্পাদক এগৰাকী স্নাতক দিবা শাখা ১ম বাৰ্ষিকৰ ছাত্ৰ বা ছাত্ৰী হ'ব লাগিব।

(৪) সহকাৰী সাধাৰণ সম্পাদক এগৰাকী প্ৰাতঃ নিশা শাখাৰ স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ বা ছাত্ৰী হ'ব লাগিব।

(৫) আলোচনী সম্পাদক গৰাকী স্নাতক ১ম বা ২য় বাৰ্ষিকৰ ছাত্ৰ বা ছাত্ৰী হ'ব লাগিব।

(৬) সাংস্কৃতিক সম্পাদক এগৰাকী।

(৭) তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক এগৰাকী।

(৮) বহিঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক এগৰাকী

(৯) অন্তঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদক এগৰাকী।

(১০) ক্ৰিকেট সম্পাদক এগৰাকী।

(১১) ফুটবল সম্পাদক এগৰাকী।

(১২) সমাজ সেৱা সম্প্ৰাদক এগৰাকী।

(১৩) ছাত্ৰ জিৰণি কোঠাৰ সম্প্ৰাদক এগৰাকী।

(১৪) ছাত্ৰী জিৰণি কোঠাৰ সম্প্ৰাদিকা এগৰাকী।

(১৫) উৎসৱ সম্প্ৰাদক এগৰাকী।

অনুচ্ছেদ ১০ ঃ প্ৰত্যেক বিভাগৰ তত্বাবধায়ক—

ধাৰা (ক) ছাত্ৰ সন্থাৰ স্থায়ী সভাপতি আৰু কাৰ্য্যনিৰ্ব্বাহকৰ মাজত আলোচনা কৰি প্ৰত্যেক বিষয়ৰ বাবে একো গৰাকী শিক্ষক/শিক্ষয়ত্ৰী তত্বাৱধায়ক (Incharge) নিয়োগ কৰা হ'ব।

ধাৰা (খ) তত্বাৱধায়কৰ সৈতে আলোচনা কৰিহে বিভাগীয় সম্প্ৰাদক সকলে কাম কৰিব লাগিব।

ধাৰা (গ) বিভাগীয় সম্প্ৰাদক সকলৰ যিকোনো হবলগীয়া খৰছ আদিত তত্বাবধায়কে অনুমোদন দিয়াৰ পিছতহে অধ্যক্ষৰ পৰা অৰ্থ সংগ্ৰহ কৰিব পাৰিব।

অনুচ্ছেদ — ১১ ঃ মহাবিদ্যালয় সপ্তাহ —

ধাৰা (ক) মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীৰ কৃতিত্ব প্রকাশ আৰু মানসিক উৎকর্ষ সাধনৰ বাবে মহাবিদ্যালয়ত প্রত্যেক বছৰ (সাধাৰণতে শীত কালত) সময় সুবিধা অনুসৰি মহাবিদ্যালয় সপ্তাহ বা মহাবিদ্যালয় ক্রীড়া অনুষ্ঠিত কৰিব লাগিব।

ধাৰা (খ) মহাবিদ্যালয়ৰ বিভাগীয় সম্পাদক সকলে কৰিবলগীয়া সম্পূর্ণ খৰচ পাতি বছৰৰ আৰম্ভণিতে কার্য্য নির্বাহকত বাজেত হিচাপ নিকাচ কৰি থোৱা মতে হ'ব।

ধাৰা (গ) নব নির্বাচিত কার্য্যকৰী সভাত বছৰেকীয়া খৰচৰ বাবে বিভাগীয় সম্পাদক সকলে নিজ নিজ বিভাগৰ খচৰা আৰু কার্য্যসূচী প্রকাশ কৰিব লাগিব বিভাগীয় আৰু বছৰেকীয়া Budget গৃহীত হোৱা মতে বিভাগীয় সম্পাদক সকলে নিজ নিজ বিভাগৰ খৰচ কৰিব লাগিব।

অনুচ্ছেদ — ১২ ঃ মহাবিদ্যালয়ত উত্থাপিত বছৰেকীয়া উৎসব —

ধাৰা (ক) উপধাৰক (খ) মহাবিদ্যালয়ৰ ছাত্র সকলে মূলতে মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, ফাতেহা-ই-দোৱাজ দাহম, শঙ্কৰ দেৱৰ তিথি আৰু নৱাগত আদৰণি সভা পাতিব পাৰিব।

উপৰোক্ত উৎসৱ সমূহৰ উপৰিও অন্য উৎসৱ পালনৰ আৱশ্যক হ'লে কার্য্যনির্বাহকে সিদ্ধান্ত ল'ব।

অনুচ্ছেদ ১৩ : মহাবিদ্যালয়ৰ ছাত্র সন্থাৰ অধিকাৰ দায়িত্ব আৰু কর্তব্য —

ধাৰা (ক) সাধাৰণতে কার্য্যনির্ব্বাহকৰ কার্য্যকাল এবছৰীয়া হব আৰু মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্র ছাত্রী হৈ থকালৈকেহে ভোগ কৰিব পাৰিব। প্রয়োজনবোধে অধ্যক্ষই কার্য্যনির্ব্বাহক সমিতি ভঙ্গ কৰি দিব পাৰিব আৰু নতুন কার্য্যনির্বাহক গঠন নোহোৱা পর্য্যন্ত আগৰ কার্য্যনির্বাহকক কার্য্যকাল চলাই যাব নির্দেশ দিব পাৰিব।

ধাৰা (খ) ছাত্র সন্থাৰ সিদ্ধান্ত, প্রস্তাৱ, কার্য্যসূচী সমূহ কার্য্যকৰী কৰাৰ সম্পূর্ণ দায়িত্ব কার্য্যনির্বাহকৰ ওপৰত ন্যস্ত থাকিব।

ধাৰা (গ) ছাত্র সন্থাৰ সংবিধানত নির্দেশিত লক্ষ্য আৰু উদ্দেশ্যত উপনীত হোৱাৰ বাবে কার্য্যনির্বাহক সামূহিক ভাৱে দায়বদ্ধ।

ধাৰা (ঘ) সাধাৰণ ছাত্র-ছাত্রী সমূহৰ মাজত সমন্বয় ৰক্ষা কৰিব।

ধাৰা (ঙ) সাধাৰণ ছাত্র-ছাত্রীৰ পৰা অহা সকলো ধৰণৰ অভিযোগ বিবেচনা কৰি নিস্পত্তি কৰাৰ প্রচেষ্টা চলাব।

ধাৰা (চ) জাননী —

(১) সাধাৰণ সভাৰ বাবে সাতদিন আগতে জাননী দিব লাগিব।

(২) কার্য্যনির্বাহকৰ বাবে তিনিদিন আগতে জাননী দিব লাগিব।

(৩) যি কোনো জৰুৰী সভাৰ বাবে উপৰোক্ত সময় সীমা প্রযোজ্য নহ'ব।

ধাৰা (ছ) থুল গঠন —

(১) কার্য্যনির্বাহকৰ যিকোনো সভাৰ বাবে সমূহ বিষয়ববীয়াৰ ⅓ ভাগ সদস্য উপস্থিত থাকিলে থুল হ'ব।

(২) মুঠ ১২ জন সদস্যৰ ৭ জন সদস্য উপস্থিত থাকিলে থুল হ'ব।

(৩) সাধাৰণ সভাৰ বাবে নিম্নতম ⅓ সদস্য উপস্থিত থাকিব লাগিব।

ধাৰা (জ) অনুশাসন —

উপধাৰা (ক) (১) নির্বাচিত যিকোনো বিষয়ববীয়াই উপৰ্য্যুপৰি তিনিখন কার্য্যনির্বাহক সমিতিৰ সভাত অনুপস্থিত থাকিলে তেওঁ কার্য্য নির্বাহকৰ সদস্য পদৰ পৰা আপোনা আপুনি খাৰিচ হ'ব।

(২) খাৰিচ হোৱা সদস্য গৰাকীয়ে সকলো দায়িত্ব ভাৰ সাধাৰণ সম্পাদকৰ হাতত অর্পণ কৰিব লাগিব।

(৩) উপযুক্ত কাৰন দৰ্শালে উপৰোক্ত ব্যৱস্থা গৃহীত নহ'ব।

উপধাৰা (খ) (১) মহাবিদ্যালয়ৰ লক্ষ্য, উদ্দেশ্য আৰু সন্মানত আঘাত হানিব পৰা যিকোনো কামত লিপ্ত থকাৰ উচিত প্ৰমাণ পালে যিকোনো কাৰ্য্যনিৰ্বাহকৰ সদস্য বা মহাবিদ্যালয়ৰ সাধাৰণ সদস্য ছাত্ৰ ছাত্ৰীক সন্থাৰ পৰা বহিস্কৃত কৰিব পাৰিব বা তেনে সমস্যাৰ ওপৰত অনুশাসন মূলক ব্যৱস্থা লব পাৰিব (দ্ৰষ্টব্যবিধি)

(২) উপৰোক্ত বিষয়ত সাংবিধানিক বিধি অৱলম্বন কৰিব পাৰিব।

উপধাৰা (গ বহিস্কৃত বা পদত্যাগ কৰা সদস্যৰ স্থান পূৰণ—

(১) কাৰ্য্যনিৰ্বাহকৰ কোনো পদ খালি হ'লে কাৰ্য্যনিৰ্ব্বাহকে তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

অনুচ্ছেদ—১৪ ঃ পদাধিকাৰীৰ দায়িত্ব, অধিকাৰ আৰু কৰ্তব্য—

ধাৰা (ক) সভাপতি—

উপধাৰা (১) মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ সন্থাৰ স্থায়ী সভাপতি।

(২) সংবিধানৰ মৰ্য্যাদা ৰক্ষা কৰা আৰু সংবিধানৰ নিৰ্দেশাৱলীৰ সঠিক ভাৱে পালন কৰা হৈছে নে নাই তাক লক্ষ্য কৰা সভাপতিৰ প্ৰধান দায়িত্ব হ'ব।

(৩) সভাপতি সংগঠনৰ মুৰব্বী হিচাপে গন্য হ'ব আৰু কাৰ্য্যনিৰ্বাহক আৰু সাধাৰণ সভাত সভাপতিত্ব কৰিব।

(৪) যিকোনো সদস্যৰ বিৰুদ্ধে অনুশাসন মূলক ব্যৱস্থাৰ ক্ষেত্ৰত কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্তত সভাপতিৰ অনুমোদন থাকিব লাগিব।

(৫) কোনো বিষয়ত সিদ্ধান্ত লওঁতে কাৰ্য্যনিৰ্ব্বাহক সমানে বিভক্ত হলে সভাপতিৰ সিদ্ধান্তই চূড়ান্ত বুলি গন্য কৰা হ'ব।

(৬) কাৰ্য্য নিৰ্বাহকৰ কোনো সদস্যৰ বিৰুদ্ধে কোনো অভিযোগ আহিলে কাৰ্য্যনিবাহকৰ লগত আলোচনা সাপেক্ষে সভাপতিয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

(৭) সাংবিধানিক প্ৰশ্নৰ ক্ষেত্ৰত সভাপতিৰ সিদ্ধান্তই চূড়ান্ত বুলি গন্য কৰা হ'ব।

(৮) সভাপতিয়ে বিভিন্ন বিষয়ববাৰ মাজত আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সমন্বয় ৰক্ষা কৰিব।

(৯) সভাপতিয়ে যদি এইটো কথাত সন্তুষ্টি লাভ কৰে যে কাৰ্য্যনিবাহকৰ কাৰ্য্যাৱলীয়ে মহাবিদ্যালয় তথা ছাত্ৰ সমাজৰ বিৰুদ্ধাচৰণ কৰিছে তেতিয়া হ'লে তেওঁ কাৰ্য্যনিবাহকক ভঙ্গ কৰাৰ আৰু সংবিধান খৰ্ব কৰাৰ কতৃত্ব থাকিব।

কাৰ্য্যকৰী সভাপতি ঃ সভাপতিৰ অনুপস্থিতিত বা সভাপতিৰ নিৰ্দেশক্ৰমে কাৰ্য্যকৰী সভাপতিয়ে সভাপতিৰ কাৰ্য্য পৰিচালনা কৰিব পাৰিব।

ধাৰা—(খ উপসভাপতি—

উপধাৰা—(১) ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ পিচত কাৰ্য্যনিৰ্বাহকত উপ-সভাপতি মনোনিত কৰা হয় সাধাৰণতে উপ সভাপতি প্ৰাক্তন কাৰ্য্য নিৰ্বাহকৰ দায়িত্বশীল ছাত্ৰকে মনোনীত কৰিব।

উপধাৰা—(২) উপ-সভাপতিৰ বাবে তিনিবছৰীয়া স্নাতক শ্ৰেণীৰ ২য় বা ৩য় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ হ'ব লাগিব।

উপধাৰা—(৩) উপ-সভাপতিৰ কাৰ্য্যকাল ছাত্ৰ সন্থাৰ নিৰ্বাচিত বিষয়ববীয়াবোৰৰ সতে একে হব।

উপধাৰা—(৪) স্থায়ী সভাপতি বা কাৰ্য্যকৰি সভাপতিৰ কোনো বিশেষ কাৰণত কাৰ্য্য নিৰ্বাহক সভাত উপস্থিত থাকিব নোৱাৰিলে উপ সভাপতিয়ে সকলোবোৰ দায়িত্ব ছাত্ৰ সন্থাৰ নিৰ্দেশক্ৰমে পালন কৰিব।

ধাৰা—(গ) সাধাৰণ সম্পাদক –

উপধাৰা—(১) মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা (২) সাধাৰণ সম্পাদকৰ কাৰ্য্যকাল ১বছৰ হ'ব।

উপধাৰা - (৩ ছাত্ৰ সন্থাৰ সকলোবোৰ তথ্যপাতি কাৰ্য্যবিৱৰণী আৰু কাৰ্য্যনিৰ্বাহকে ন্যস্ত কৰা যি কোনো সম্পত্তিৰ সাধাৰণ সম্পাদক ৰক্ষক হ'ব আৰু দায়ী থাকিব।

উপধাৰা —(৪) ছাত্ৰ সন্থাৰ মাৰফতত হ'ব পৰা সকলোবোৰ চুক্তি, কাৰ্য্য আঁচনি আদি পৰীক্ষা কৰা আৰু চহী কৰাৰ দায়িত্ব সাধাৰণ সম্পাদকৰ।

উপধাৰা— (৫) ছাত্ৰ সন্থাৰ সকলো ধৰণৰ যোগাযোগ সাধাৰণ সম্পাদকে কৰিব।

উপধাৰা —(৬) সভাপতিৰ লগত আলোচনা কৰি কাৰ্য্যনিৰ্বাহক আহ্বানৰ জাননী বিতৰণ আদি দায়িত্ব সাধাৰণ সম্পাদকৰ থাকিব।

উপধাৰা —(৭) কাৰ্য্যনিৰ্বাহকৰ সকলোবোৰ আৰু সময়ে সময়ে কাৰ্য্যনিৰ্বাহকে তেওঁৰ ওপৰত অৰ্পন কৰা যি কোনো দায়িত্ব কাৰ্য্যকৰী কৰাৰ কাৰণে সাধাৰণ সম্পাদক দায়ী থাকিব।

উপধাৰা —(৮) কাৰ্য্যনিৰ্বাহকৰ সভাত সাধাৰণ সম্পাদকে পূৰ্বৰ বৈঠকৰ কাৰ্য্যবিৱৰণী দাখিল কৰিব লাগিব।

উপধাৰা—(৯) সাধাৰণ সভা, কাৰ্য্যনিৰ্বাহক সভা আৰু জৰুৰী সভাত যি কোনো ছাত্ৰ-ছাত্ৰী বা সদস্যই কৰা প্ৰশ্নৰ উত্তৰ আৰু কাৰ্য্যবিৱৰণী বিচাৰিলে দাখিল কৰাৰ বাবে সাজু থাকিব লাগিব।

উপধাৰা—(১০) অৱস্থাৰ পৰি প্ৰেক্ষিতত কাৰ্য্যনিৰ্বাহকৰ জৰুৰী বৈঠক আহ্বান কৰিব পাৰিব।

উপধাৰা—(১১) বিত্তীয় বিষয়ত সাধাৰণ সম্পাদকে সমূহীয়া কিবা কাম কৰিলে কাৰ্য্যনিৰ্বাহকৰ অনুমোদন কৰিব

উপধাৰা—(১২) সাধাৰণ সম্পাদক ছাত্ৰ সন্থাৰ মুখপাত্ৰ হব।

ধাৰা —(ঘ) সহকাৰী সাধাৰণ সম্পাদক —

উপধাৰা—(১) সাধাৰণ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদক নিৰ্বাচিত হব।

উপধাৰা —(২) সহকাৰী সম্পাদকৰ কাৰ্য্যকাল সাধাৰণ সম্পাদকৰ সমানেই হ'ব।

উপধাৰা—(৩) তেওঁ সাধাৰণ সম্পাদকক বিভিন্ন কামত সহায় কৰিব আৰু সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহকাৰী সাধাৰণ সম্পাদকে কাম চলাব।

ধাৰা — (ঙ) সাংস্কৃতিক সম্পাদক।

উপধাৰা—(১) সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক নিৰ্বাচিত হব।

উপধাৰা (২) সাধাৰণ সম্পাদকৰ সমানেই সাংস্কৃতিক সম্পাদকৰ কাৰ্য্যকাল হব।

উপধাৰা—(৩) ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক সচেতনা বৃদ্ধি কৰাৰ বাবে সাংস্কৃতিক সম্পাদকে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

উপধাৰা- (৪) যুৱ মহোৎসৱ বা তেনে কোনো আন্ত মহাবিদ্যালয় প্ৰতিযোগিতাত কাৰ্য্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে যোগদানৰ ব্যৱস্থা গ্ৰহণ কৰিব।

উপধাৰা—(৫) সাংস্কৃতিক বিভাগৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ আৱশ্যকীয় যিকোনো সামগ্ৰী বিবেচনা কৰি যোগান ধৰিব। সেইবোৰ তেওঁৰ কাৰ্য্যকালত তেওঁৰ দায়িত্বত ৰাখিব লাগিব।

ধাৰা (চ) তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক —

উপধাৰা (১) সাধাৰণ নিৰ্বাচনত তৰ্ক সম্পাদক নিৰ্বাচিত হ ব।

উপধাৰা (২) সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ সমানেই এই সম্পাদকৰ কাৰ্য্যকাল থাকিব।

উপধাৰা (৩) যিকোনো তৰ্ক আৰু আলোচনা চক্ৰ আদি প্ৰতিযোগিতাত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব পৰা প্ৰতিযোগীৰে যোগদানৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

ধাৰা (ছ) আলোচনী সম্পাদক—

উপধাৰা (১) সাধাৰণ নিৰ্বাচনত আলোচনী সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা (২) সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ সমান আলোচনী সম্পাদকৰ কাৰ্য্যকাল হ'ব।

উপধাৰা (৩) বছৰত মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ কৰাৰ দায়িত্বত সম্পাদক থাকিব।

উপধাৰা (৪) আলোচনীৰ বাবে অধ্যক্ষই গঠন কৰি দিয়া আলোচনী সম্পাদনা সমিতিৰ মতে আলোচনী প্ৰকাশ হ'ব। ইয়াত ইংৰাজী, অসমীয়া দুটা বিভাগ থাকিব।

উপধাৰা (৫) গল্প প্ৰবন্ধ, কৱিতা আদিৰ প্ৰতিযোগিতা পত্ৰৰ দায়িত্ব সম্পাদকৰ হাতত থাকিব।

ধাৰা (জ) সমাজ সেৱা সম্পাদক -

উপধাৰা (১) সাধাৰণ নিৰ্বাচনত এই সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা (২) সাধাৰণ সম্পাদকৰ দৰে এই বিভাগৰ সম্পাদকৰ কাৰ্য্যকাল থাকিব।

উপধাৰা - (৩) সমাজ সেৱাৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা অনুমোদিত শিবিৰবোৰত যোগদান কৰিব পাৰিব। সমাজ সেৱাৰ শিবিৰত যোগদানৰ বিষয়ে কাৰ্য্যনিৰ্বাহকৰ অনুমোদিত হ'ব লাগিব।

উপধাৰা - (৪) মহাবিদ্যালয়ৰ চৌহদ আদি শুৱনি কৰা সমাজসেৱা বিভাগৰ সম্পাদকৰ কৰ্তব্য।

উপধাৰা— (৫) সমাজসেৱা বিভাগে নিজা ভাৱেও সমাজ সেৱাৰ কৰ্য্যসূচী গ্ৰহণ কৰিব পাৰিব।

উপধাৰা - (৬) খৰাং বা বানপীড়িত লোকক সহায় কৰা, নগৰ পৰিস্কাৰ কাৰ্য্যসুচী, গছপুলি ৰোপন আদি সমাজসেৱা বিভাগে কৰিব।

ধাৰা— (ঝ) অন্তঃদ্বাৰ ক্ৰীড়া সম্পাদক—

উপধাৰা— (১) সাধাৰন নিৰ্বাচনত অন্তঃদ্বাৰ ক্ৰীড়া সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা—(২) সাধাৰণ সম্পাদকৰ সমানেই এই বিভাগৰ সম্পাদকৰো কাৰ্য্যকাল থাকিব।

উপধাৰা— (৩) অন্তঃদ্বাৰ সম্পাদকে বছৰত এই বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দায়িত্বত থাকিব।

উপধাৰা —(৪) অন্তঃদ্বাৰ ক্ৰীড়াৰ সমূহ সামগ্ৰী এই বিভাগৰ সম্পাদকৰ দায়িত্বত থাকিব আৰু সামগ্ৰী সমূহৰ বাবে তেওঁ দায়ী হ'ব।

উপধাৰা— (৫) অন্তঃদ্বাৰ যি কোনো প্ৰতিযোগিতাতে এই বিভাগৰ সম্পাদকে প্ৰতিযোগী পঠিয়াব পাৰিব।

উপধাৰা — (৬) এই বিষয়ে কাৰ্য্যনিৰ্বাহকৰ অনুমোদন ল'ব লাগিব।

ধাৰা— (ঞ) বহিঃদ্বাৰ ক্ৰীড়া সম্পাদক

উপধাৰা— (১) সাধাৰণ নিৰ্বাচনত এই সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা— (২) সাধাৰণ সম্পাদকৰ সমানেই এই বিভাগৰ সম্পাদকৰ কাৰ্য্যকাল থাকিব।

উপধাৰা - (৩) যিকোনো বহিঃক্ৰীড়া প্ৰতিযোগিতাতে এই বিভাগৰ পৰা সম্পাদকে প্ৰতিযোগী পঠিয়াব পাৰিব।

উপধাৰা — (৪) বহিঃদ্বাৰ ক্ৰীড়াসমূহৰ সামগ্ৰী এই বিভাগৰ সম্পাদকৰ অধীনত আৰু দায়িত্বত থাকিব। সামগ্ৰী সমূহৰ বাবে সম্পাদক দায়ী থাকিব।

উপধাৰা (৫) প্ৰতিযোগী কাৰ্যানিৰ্বাহকৰ অনুমোদন হ'ব লাগিব।

ধাৰা - (ট) ক্ৰিকেট সম্পাদক

উপধাৰা—(১) সাধাৰণ নিৰ্বাচনত এই বিভাগৰ সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা - (২) সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ সমান এই বিভাগৰ সম্পাদকৰো কাৰ্য্যকাল থাকিব।

উপধাৰা— (৩) মহাবিদ্যালয়ৰ বা আন ক্ৰিকেট প্ৰতিযোতিতাত বা যিকোনো বন্ধুত্বমূলক ক্ৰিকেট প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ক্ৰিকেট দলক যোগদান কৰোৱা আৰু নেতৃত্ব দিয়া এই বিভাগৰ সম্পাদকৰ দায়িত্ব থাকিব।

উপধাৰা — (৪) মহাবিদ্যালয়ৰ ক্ৰিকেটৰ সামগ্ৰী সমূহ সম্পাদকৰ দায়িত্ব থাকিব।

উপধাৰা—(৫) মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী বা অধ্যাপকৰ মাজত মাজে সময়ে খেল পাতিব পাৰিব।

উপধাৰা—(৬) আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা বোৰত মহাবিদ্যালয়ৰ মানদণ্ডৰ দল হ'লে যোগদান কৰিব পাৰিব।

ধাৰা—(ঠ) ফুটবল সম্পাদক

উপধাৰা—(১) মহাবিদ্যালয়ৰ সাধাৰন নিৰ্বাচনত এই বিভাগৰ সম্পাদক নিৰ্বাচিত হ'ব।

উপধাৰা (২) সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ সমান এই বিভাগৰ সম্পাদকৰো থাকিব।

উপধাৰা— (৩) মহাবিদ্যালয়ত উচ্চাংগ দণ্ডৰ দল থাকিলে বাহিৰত বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰিব পাৰিব।

উপধাৰা (৪) ফুটবলৰ সামগ্ৰী সমূহ সম্পাদকৰ দায়িত্ব থাকিব আৰু সামগ্ৰী সমূহৰ বাবে সম্পাদক দায়ী থাকিব।

উপধাৰা -(৫) মহাবিদ্যালয়ত মাজে মাজে ফুটবল খেল হৈ থাকিব পাৰিব।

ধাৰা— (ড): ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক—

উপধাৰা -(১) মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত এই বিভাগৰ সম্পাদক নিৰ্বাচিত হব।

উপধাৰা —(২) সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ সমানেই এই বিভাগৰ সম্পাদকৰ কাৰ্য্যকাল থাকিব।

উপধাৰা—(৩) ছাত্ৰ জিৰণি কোঠাৰ নিয়মাৱলী পালন, স্বাস্থ্যকৰ পৰিবেশ সৃষ্টি আদি সম্পাদকৰ দায়িত্ব।

উপধাৰা —(৪) ছাত্ৰ সকলে পাবলগীয়া সা-সুবিধাৰ প্ৰতি সম্পাদক যত্নপৰ হ'ব।

উপধাৰা —(৫) ছাত্ৰ জিৰণি কোঠাত সমূহ ছাত্ৰৰ মাজত সমন্বয় ৰক্ষা কৰাটো সম্পাদকৰ দায়িত্ব।

ধাৰা -(ঢ) ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা।

উপধাৰা (১) ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত হ'ব।

উপধাৰা—(২) এই বিভাগৰ সম্পাদিকাৰ কাৰ্য্যকাল সাধাৰণ সম্পাদকৰ কাৰ্য্যকালৰ সমান।

উপধাৰা (৩) ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় সামগ্ৰী সমূহ সম্পাদিকাই ছাত্ৰী সকলক যোগান ধৰিব।

উপধাৰা— (৪) ছাত্ৰী জিৰণি কোঠাৰ স্বাস্থ্যকৰ পৰিবেশ সমন্বয় ৰক্ষা আদি দায়িত্ব ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ।

অনুচ্ছেদ— ১৫ : কাৰ্য্যনিৰ্বাহকৰ শপত গ্ৰহণ আৰু দায়িত্ব ভাৱ গ্ৰহণ —

ধাৰা— (ক) নবনিৰ্বাচিত কাৰ্য্যনিৰ্বাহক সদস্যসকলে আনুষ্ঠানিক ভাৱে সংবিধানৰ নিৰ্দেশিত লক্ষ্য আৰু উদ্দেশ্য কাৰ্য্যকৰণৰ বাবে শপত গ্ৰহণ কৰিব লাগিব।

ধাৰা—(খ) আনুষ্ঠানিক শপত গ্ৰহণৰ পাছতে বিদায়ী কাৰ্য্য-নিৰ্বাহকে পদত্যাগ কৰিব আৰু নতুন কাৰ্য্যনিৰ্বাহকক দায়িত্ব ভাৰ অৰ্পন কৰিব।

ধাৰা—(গ) ছাত্ৰ সন্থাৰ সমূহ কাগজ, পত্ৰ, চিল মোহৰ শপত গ্ৰহণৰ সাতদিনৰ ভিতৰত বিদায় সম্পাদকবোৰে নতুন সম্পাদকবোৰক অৰ্পন কৰিব।

অনুচ্ছেদ— ১৬

ধাৰা— (ক) মহাবিদ্যালয়ৰ সাংস্কৃতিক তৰ্ক, সাধাৰণ সম্পাদক সমাজসেৱা বিভাগৰ বাবে Union fee ৰ পৰা খৰচ কৰা হয়।

ধাৰা (খ) মহাবিদ্যালয়ৰ আৰ্থিক ভাৱে অক্ষম ছাত্ৰ-ছাত্ৰীক সহায় কৰাৰ বাবে Students aid fund ৰ পৰা কাৰ্য্যনিৰ্বাহকে স্থিৰ কৰা মতে সহায় কৰা হয়।

ধাৰা – (গ) মহাবিদ্যালয়ৰ ৰচিদ বহী নোহোৱাকৈ বা কাৰ্য্যনিৰ্বাহকৰ অনুমোদন, অনুমতি নোহোৱাকৈ কোনো সংগঠন বা ছাত্ৰ-ছাত্ৰীয়ে অৰ্থ সংগ্ৰহ কৰিব নোৱাৰিব।

ধাৰা—(ঘ) ছাত্ৰ সন্থাই তেনেদৰে অবৈধ ভাৱে ধন সংগ্ৰহ কাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

অনুচ্ছেদ ১৭ : হিচাপ পৰীক্ষা

ধাৰা— (ক) মহাবিদ্যালয়ৰ অধ্যক্ষই হিচাপ পৰীক্ষক নিয়োগ কৰিব।

ধাৰা—(খ) হিচাপত খেলিমেলি পোৱা যিকোনো পদাধি-কাৰীক মহাবিদ্যালয়ৰ অনুশাসন প্ৰয়োগ কৰিব পাৰিব।

অনুচ্ছেদ— ১৮ : সাধাৰণ সদস্য বা প্ৰাথমিক সদস্যৰ (ছাত্ৰ-ছাত্ৰীৰ) অধিকাৰ

ধাৰা— (ক) মহাবিদ্যালয়ৰ নিয়মীয়া যি কোনো ছাত্ৰ-ছাত্ৰীয়ে কাৰ্য্যনিৰ্বাহকৰ বা পদাধিকাৰীৰ কাৰ্য্যপন্থাত অসন্তুষ্ট হ'লে সভাৰ কাৰ্য্যনিৰ্বাহকত বা সভাপতি সাধাৰণ

সম্পাদকলৈ উপযুক্ত কাৰণ আৰু প্ৰমাণ দেখুৱাই লিখিব পাৰিব।

ধাৰা— খ) ছাত্ৰ-ছাত্ৰীৰ আপত্তি পত্ৰ কাৰ্যনিৰ্বাহকত উত্থাপিত হোৱাৰ পিছত কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্ত আপত্তিকাৰীক লিখিতভাৱে সাধাৰণ সম্পাদকে জনাব।

ধাৰা— (গ) ছাত্ৰ ছাত্ৰীৰ মাজত হোৱা সৰু সুৰা বিবাদ ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকে বিচাৰ বিবেচনা কৰি নিষ্পত্তি কৰিব পাৰিব।

ধাৰা— (ঘ) কাৰ্য্যনিৰ্বাহকৰ দোষ গুণ ছাত্ৰ-ছাত্ৰীয়ে স্পষ্ট ভাৱে আঙুলিয়াব পাৰিব।

ধাৰা— ঙ) কাৰ্য্যনিৰ্বাহকৰ বিপক্ষে যদি কিবা বিশেষ আপত্তি থাকে তেন্তে তাক লিখিত ভাৱে সভাপতিক জনাব পাৰিব।

অনুচ্ছেদ—(১৯) ভাতৃত্ব মূলক সংগঠনৰ লগত সম্বন্ধ ওচৰ চুবুৰীয়া মহাবিদ্যালয়, বিদ্যালয় বা আনকোনো অৰাজনৈতিক সংগঠনৰ লগত ভাতৃত্বমুলক যোগাযোগ সাধাৰণ সম্পাদকে ৰক্ষা কৰিব। যুটীয়া সংগ্ৰাম বা অন্যান্য কাৰ্যসূচীত সামূহিক উদ্দেশ্যৰ বাবে যোগদান কৰিব পাৰিব।

অনুচ্ছেদ — (২০) প্ৰতিনিন্দন, অভিযোগ, মহাভিযোগ ধাৰা

ধাৰা —(ক) ছাত্ৰ সন্থাৰ যিকোনো ছাত্ৰ বা সভ্যৰ বিৰুদ্ধে কোনো অভিযোগ থাকিলে অভিযোগৰ কাৰণ বিতং ভাৱে দৰ্শাই সভাপতি/সম্পাদক যি কোনো কাৰ্য্যনিৰ্বাহকৰ সদস্যলৈ লিখিত ভাৱে জনাব পাৰিব।

উপধাৰা— (১) প্ৰতিনিন্দন প্ৰস্তাৱযোগে গৰিহনা, নিন্দা আদি ৰাজহুৱা ভাৱে বা আভ্যন্তৰীন ভাৱে দিব পাৰিব।

উপধাৰা— ২) অপসৰণ বা পদবীহৰণ অভিযোগৰ গুৰুত্ব অনুসৰি কোনো সদস্যক ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ পদবীৰ পৰা আঁতৰাব পাৰি।

উপধাৰা— (৩) প্ৰাথমিক সদস্যৰ পদৰ পৰা বহিস্কাৰ ছাত্ৰ সন্থাৰ সংবিধান বিৰোধী কামত লিপ্ত থকা বা সন্থাৰ স্বাৰ্থ বিৰোধী কাম বা ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ সিদ্ধান্তৰ অৱমাননা কৰা আদি অভিযোগ সমূহ মহাভিযোগ বুলি গণ্য হ'ব আৰু এনে অভিযোগৰ সত্যতা প্ৰমাণ হ'লে সভাৰ ⅔ অংশ কাৰ্য্যনিৰ্বাহকৰ সদস্যৰ অনুমোদন সাপেক্ষে প্ৰাথমিক সদস্য বা ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ সাধাৰণ ছাত্ৰ সদস্যৰ পৰা বহিস্কাৰ কৰিব পাৰি আৰু মহাবিদ্যালয়ৰ অনুশাসন ভঙ্গৰ অপৰাধত অধ্যক্ষৰ বিচৰাধীন কৰি মহাবিদ্যালৰ পৰা বহিস্কৃত কৰি দিব পাৰিব।

উপধাৰা— (৪) ছাত্ৰ-ছাত্ৰীৰ সন্মান ভঙ্গকাৰী ছাত্ৰ-ছাত্ৰীৰ সামূহিক অনিষ্টকাৰীক মহাবিদ্যালয়ৰ অধ্যক্ষৰ জৰিয়তে মহাবিদ্যালয়ৰ পৰা বহিস্কাৰ কৰিব পাৰিব।

অনুচ্ছেদ ২১ : সংশোধনী -

ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ প্ৰস্তাৱমতে সংশোধনী কমিটি গঠন কৰি সংবিধানৰ সংশোধনী আনিব পাৰিব।

অনুচ্ছেদ — ২২ :

দ্ৰষ্টব্যবিধি — (১) গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সংবিধান অনুসৰি গ্ৰহণ কৰিবলগীয়া শপতৰ প্ৰতিলিপি :

মই শ্ৰী ... ... ........ .......... .... এ পৰমেশ্বৰৰ নামত শপত গ্ৰহণ কৰোঁ যে মই গোৱালপাৰা মহাবিদ্যালয়ৰ সংবিধানৰ পৱিত্ৰতা আৰু মৰ্যাদা অক্ষুন্ন ৰাখিম। এই সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্য পূৰনাৰ্থে মোৰ ন্যস্ত দায়িত্ব সমূহ নিষ্ঠা আৰু সততাৰে পালন কৰিম আৰু কোনো সম্প্ৰদায়ৰ ছাত্ৰ ছাত্ৰীৰ পক্ষ্যপাতিত্য নলম বুলি প্ৰতিজ্ঞাবদ্ধ হৈ শপত গ্ৰহণ কৰিলো।

স্বাক্ষৰ ... ........ ....... ....

দ্ৰষ্টব্য বিধি - (২) ছাত্ৰ সন্থাৰ মোহৰ, লিখনি পত্ৰ (পেড্)

ক) ছাত্ৰ সন্থাৰ মোহৰ কাৰ্য্য নিৰ্বাহকৰ প্ৰতিজন পদাধিকাৰী আৰু কাৰ্য্যনিৰ্বাহকৰ সদস্যৰ ভিনভিনকৈ থাকিব। প্ৰতিজন পদাধিকাৰী বা সদস্যৰ চহীৰ তলত নিজৰ মোহৰ মাৰি যাৱতীয় লিখিত লেনদেন কৰিলেহে তেনে লেনদেন বৈধ বুলি গণ্য হব। ইয়াত সতৰ্কতা অৱলম্বন কৰিব লাগিব।

(খ) লিখনি পত্র বা পেডৰ ওপৰাংশত সংগঠনৰ নাম অসমীয়া, ইংৰাজী দুয়োটা ভাষাতে লিখা থাকিব। ওপৰাংশৰ সোঁকোনত মহাবিদ্যালয়ৰ প্ৰতীক চিহ্ন থাকিব।

(গ) লিখনী পত্ৰৰ বাওঁকাষে ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ সমূহ সদস্যৰ নাম আৰু পদবী উল্লেখ থাকিব।

(ঘ) কাৰ্য্যনিৰ্ব্বাহকৰ প্ৰতিজন সদস্যই লিখনিপত্ৰ (পেড) ব্যৱহাৰ কৰিব পাৰিব।

অনুচ্ছেদ - ২৩ :

ধাৰা — (ক) মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ প্ৰয়োজনীয় সামগ্ৰী বিচাৰি বাৰে বাৰে কতৃপক্ষক আবেদন কৰিও যদি সহাৰি পোৱা নাযায় তেন্তে কাৰ্য্য নিৰ্ব্বাহকে মহাবিদ্যালয়ত ধৰ্মঘট, শ্ৰেণী বৰ্জন আদি কৰিব পাৰিব।

ধাৰা—(খ) সময়ে সমস্যা বোৰৰ বিষয়ে কাৰ্য্যনিৰ্বাহকে অধ্যক্ষ বা কতৃপক্ষৰ সৈয়ত আলোচনা কৰিব।

ধাৰা (গ) মহাবিদ্যালয়ৰ ভিতৰ বাহিৰ সকলোবোৰৰ বিষয়ে ছাত্ৰ সন্থা সচেতন হ'ব লাগিব।

ধাৰা (ঘ) মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা আৰু চেষ্টা কৰাটো প্ৰত্যেক ছাত্ৰ ছাত্ৰীৰ কৰ্তব্য।

ধাৰা (ঙ) মহাবিদ্যালয়ৰ পৱিত্ৰতাত আঘাত কৰা কোনো ব্যক্তি বা ছাত্ৰ ছাত্ৰীকে ক্ষমা কৰা নহ'ব।

অনুচ্ছেদ ২৪ :

ধাৰা-(ক) ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দায়িত্ব চাৰিজন অধ্যাপক-অধ্যাপিকাক লৈ গঠিত এখন নিৰ্বাচনী আয়োগ অধ্যক্ষই নিয়োগ কৰিব।

ধাৰা (খ) নিৰ্বাচনী আয়োগে নিৰ্বাচন সংক্ৰান্তীয় সকলোবোৰ নিয়ম নীতি প্ৰস্তুত কৰিব।

ধাৰা (গ) কাৰ্য্যকৰী সভাপতি নিৰ্বাচনী আয়োগৰ পদেন সভাপতি হ'ব।

অনুচ্ছেদ ২৫ :

আমাৰ মূলমন্ত্ৰ : "ছাত্ৰ ঐক্য জিন্দাবাদ।"

ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনৰ নিয়মাৱলী :

১। সাধাৰণ নিৰ্বাচন মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ সন্থাৰ কাৰ্য্যনিৰ্বাহকৰ সৈতে আলোচনা কৰি মনোনীত কৰা নিৰ্বাচনী আয়োগৰ দ্বাৰা পৰিচালিত হ'ব।

২। নিৰ্বাচনৰ দিন আৰু সময় নিৰ্বাচনী আয়োগে স্থিৰ কৰিব।

৩। মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ ছাত্ৰীয়েহে ভোটদান কৰিব পাৰিব।

৪। ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ প্ৰাৰ্থীয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্বাচনীয় বিভাগীয় বিষয়াৰ পৰা মনোনয়ন পত্ৰ নিব লাগিব।

৫। মনোনয়ন পত্ৰত প্ৰস্তাৱক সমৰ্থকৰ নাম, ঠিকনা চহী থাকিব লাগিব।

৬। প্ৰাৰ্থী, প্ৰস্তাৱক আৰু সমৰ্থক নিৰ্বাচনৰ সময়তো মহাবিদ্যালয়ৰ মাহেকীয়া মাচুল আদি জমা দিয়া হ'ব লাগিব অৰ্থাৎ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত কোনো ধৰণৰ গোচৰ থাকিব নালাগিব।

৭। একেজন প্ৰস্তাৱক সমৰ্থকে এটা বিষয়ৰ বাবে একোজনকৈ প্ৰাৰ্থীকহে প্ৰস্তাৱ বা সমৰ্থন দিব পাৰিব।

৮। একো গৰাকী প্ৰাৰ্থীয়ে এটা সময়ত মাথো এটা বিষয়ৰ বাবেহে প্ৰাৰ্থীত্ব লব পাৰিব।

৯। প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ নিজ হাতে বা প্ৰস্তাৱক, সমৰ্থকৰ দ্বাৰা দাখিল কৰিব পাৰিব।

১০। মনোনয়ন পত্ৰ দাখিলৰ ক্ষেত্ৰত বা মনোনয়ন পত্ৰৰ ক্ষেত্ৰত কিবা ওজৰ আপত্তি থাকিলে মনোনয়ন পত্ৰ দাখিল কৰাৰ তিনি ঘণ্টাৰ ভিতৰত লিখিত আবেদন জনাই নিৰ্বাচনী বিষয়াৰ দৃষ্টিগোচৰ কৰিব লাগিব।

১১। একোজন প্ৰাৰ্থীৰ বাবে বহুকেইজনে প্ৰস্তাৱ বা সমৰ্থন দিব পাৰে আৰু মনোনয়ন পত্ৰ দিব পাৰে।

১২। নিৰ্বাচনৰ পাঁচ দিন আগতে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ঘোষণা কৰিব লাগিব।

১৩। মনোনয়ন পত্ৰ দাখিল কৰা বাকচবোৰ প্ৰাৰ্থী সকলৰ উপস্থিতিত বা প্ৰস্তাৱক সমৰ্থকৰ উপস্থিতত চিল কৰা হ'ব।

১৪। মনোনয়ন পত্র দাখিল কৰা আৰু (এদিন পাছলৈ) মনোনয়ন পত্র পৰীক্ষা কৰাৰ সময় নিৰ্দিষ্ট থাকিব।

১৫। মনোনয়ন পত্ৰৰ বাকচ খোলাৰ সময়ত প্ৰাৰ্থী, প্ৰস্তাৱক সমৰ্থক আদিৰ উপস্থিতিত চিল খোলা হ'ব।

১৬। প্ৰাৰ্থীত্ব বাতিল হোৱা আদি ঘোষণা মনোনয়ন পত্ৰ বাকচ খোলাৰ সময়তে কৰা হ'ব।

১৭। কোনোৰা প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব উঠাই লব খুজিলে মনোনয়ন পত্ৰৰ ঘোষণা হোৱাৰ ১২ (বাৰ) ঘণ্টাৰ ভিতৰত নিৰ্বাচনী বিষয়াৰ হাতত জমা দিব লাগিব। সেই আবেদনত প্ৰস্তাৱকৰ চহীও থাকিব লাগিব।

১৮। নিৰ্বাচন হৈ যোৱাৰ দিনাই দহ (১০) ঘণ্টাৰ ভিতৰত ভোটৰ গনন। মহাবিদ্যালয়তে আৰম্ভ হ'ব আৰু বিজয়ী প্ৰাৰ্থীৰ নাম আদি ঘোষণা কৰা হ'ব।

১৯। নিৰ্বাচনৰ ২৪ (চব্বিশ) ঘণ্টা আগলৈ নিৰ্বাচনী প্ৰচাৰ কৰিব পাৰিব।

২০। নিৰ্বাচন হোৱা অঞ্চলৰ পৰা ১০০ মিটাৰ সীমাৰ ভিতৰত কোনো প্ৰাৰ্থীয়ে কোনো ধৰণৰ প্ৰচাৰ পত্ৰিকা বা বেৰ লিখনি কৰিব নোৱাৰিব। অন্যথাই নিৰ্বাচনী বিষয়াই বিধিগত ব্যৱস্থা লব পাৰিব। আৱশ্যক হ'লে প্ৰাৰ্থীত্বৰ নামো বাতিল কৰিব পাৰিব।

২১। নিৰ্বাচন হৈ যোৱাৰ লগে লগে ভোটৰ বাকচবোৰ চিল কৰা হ'ব।

# LIST OF TEACHING STAFF

1. Shri K. P. Deka, Principal (Eco ).
2. Dr. M. K Chakravarty, Vice-Principal.
   (Head of History Deptt.)
3, Shri K. C. Choudhury,
   (Head of Philosophy Deptt).
4. Shri H. K. Kalita. (Deptt. of Phil.).

**Deptt. of History.**

5 Shri A. Das.
6. Shri R. K. Baruah.
7. Mrs. R. Choudhury.

**Deptt. of Assamese.**

8. Shri R. K. Sarmah. (Head)
9. Dr. R. N, Choudhury.
10. Shri U. C. Sarmah,
11. Mrs. J. Sinha.
12, Shri S. J. Sarmah.

**Deptt. of English.**

13. Shri S. V. Appaiah. (Head)
14. Shri K. M. Sarmah,
15. Shri D. J. Abedin.
16. Shri S, K. Misra.

**Deptt. of Political Science.**

17. Shri S. K. Sarmah. (Head)
18. Shri A. K. Choudhury.
19. Shri B. N. Choudhury.
20 Dr. (Mrs.) R. Devi.

**Deptt. of Economics.**

21. Shri M. C. Saloi. (Head)
22. Shri R. C. Nath.
23. Shri B. N. Patgiri.
24, Shri A. S. R. Ahmed.

**Deptt. of Mathematics.**

25, Shri N. D. Adhikary (Head)
26. Shri A. Masum.
27. Shri P. K Seal.
28 Shri B. Purakayastha.
29. Shri N. Saha.

**Deptt, of Geography.**

30. Shri A. R. Saikia, (Head)
31. Shri A. K. Boro
32. Shri J. Das
33. Shri B. N. Goswami

34. Shri S. P. Deka, (Demonstrator).
35. Shri H. B. Barbhuyan
36. Shri S. N. Sarmah.

**Deptt of Education**

37. Mrs. C. Sarangi
38. Shri Shymal Saha
39. Miss Rupjyoty Das

**Deptt. of Botany.**

40. Shri K. B. Das. (Head).
41. Shri M. Ahmed
42. Mrs. R. Baishya (Sarmah).
43. Shri B. Medhi, (Demonstrator)
44. Shri D. Deka
45. Shri N. Ahmed
46. Miss N. Baruah.

**Deptt. of Physics.**

47. Shri K. Goswami (Head)
48. Shri A. C. Sarmah
49. Shri G. Talukdar
50. Shri U. N. D. Sarmah
51. Shri A. B. Ahmed
52. Shri G. C. Sarmah
53. Shri S. Alam. (Demonstrator).

**Deptt. of Chemistry.**

54. Shri J. B. Debnath, (Head)
55. Shri T. Sarmah
56. Shri A. Sarmah
57. Shri P. K. Saha
58. Shri R. C. Barman
59. Mrs. B. Roy (Dutta)
60. Shri A. Barik. (Demonstrator).

**Deptt. of Zoology.**

61. Shri G. Kalita. (Head)
62. Shri A. Kasem.
63. Shri R. Bhattacharyya
64. Miss M. Medhi
65. Shri A. T. M. F. Ali
66. Shri P. C. Bhuyan
67. Shri P. K. Sutia.

**Deptt. of Statitics**

68. Shri D. J. Das. (Head)
69. Shri A. K. Deka.

১৪। মনোনয়ন পত্র দাখিল কৰা আৰু (এদিন পাছলৈ) মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ সময় নিৰ্দিষ্ট থাকিব ।

১৫। মনোনয়ন পত্ৰৰ বাকচ খোলাৰ সময়ত প্ৰাৰ্থী, প্ৰস্তাৱক সমৰ্থক আদিৰ উপস্থিতিত চিল খোলা হ'ব ।

১৬। প্ৰাৰ্থীত্ব বাতিল হোৱা আদি ঘোষণা মনোনয়ন পত্ৰ বাকচ খোলাৰ সময়তে কৰা হ'ব ।

১৭। কোনোৰা প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব উঠাই লব খুজিলে মনোনয়ন পত্ৰৰ ঘোষণা হোৱাৰ ১২ (বাৰ) ঘণ্টাৰ ভিতৰত নিৰ্বাচনী বিষয়াৰ হাতত জমা দিব লাগিব। সেই আবেদনত প্ৰস্তাৱকৰ চহীও থাকিব লাগিব ।

১৮। নিৰ্বাচন হৈ যোৱাৰ দিনাই দহ (১০) ঘণ্টাৰ ভিতৰত ভোটৰ গননা মহাবিদ্যালয়ত আৰম্ভ হ'ব আৰু বিজয়ী প্ৰাৰ্থীৰ নাম আদি ঘোষণা কৰা হ'ব ।

১৯। নিৰ্বাচনৰ ২৪ (চব্বিশ) ঘণ্টা আগলৈ নিৰ্বাচনী প্ৰচাৰ কৰিব পাৰিব ।

২০। নিৰ্বাচন হোৱা অঞ্চলৰ পৰা ১০০ মিটাৰ সীমাৰ ভিতৰত কোনো প্ৰাৰ্থীয়ে কোনো ধৰণৰ প্ৰচাৰ পত্ৰিকা বা বেৰ লিখনি কৰিব নোৱাৰিব। অন্যথাই নিৰ্বাচনী বিষয়াই বিধিগত ব্যৱস্থা লব পাৰিব । আৱশ্যাক হ'লে প্ৰাৰ্থীত্বৰ নামো বাতিল কৰিব পাৰিব ।

২১। নিৰ্বাচন হৈ যোৱাৰ লগে লগে ভোটৰ বাকচবোৰ চিল কৰা হ'ব ।